PGAS S4 02 (Lit)

Exam Code : 125 N

অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ

চতুর্থ ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° খগেশ সেন ডেকা, সহযোগী অধ্যাপক (অৱসৰপ্ৰাপ্ত), পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১ আৰু ২	**ড° প্রভাত ভূঞা,** প্রাগজ্যোতিষ মহাবিদ্যালয়
৩	**ড° গীতাঞ্জলী তালুকদাৰ,** পূব বংশৰ মহাবিদ্যালয়
৪ আৰু ৫	**ড° ৰুণমনি ৰৰা ফুকন,** চন্দ্রপুৰ মহাবিদ্যালয়
৬	**ড° তাৰিণীকান্ত হালৈ,** উত্তৰ গুৱাহাটী মহাবিদ্যালয়
৭	**কৌশিক কলিতা,** গৱেষক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	**ড° প্রদীপজ্যোতি মহন্ত,** তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয় (অধ্যায় ৩) **ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১, ২, ৪, ৫, ৬ আৰু ৭)
গাঁথনিক সম্পাদনা	ঃ	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ডিচেম্বৰ, ২০১৮

ISBN : 978-93-87940-76-5

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১০০৬

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ চতুৰ্থ ষাণ্মাসিকৰ সংশোধিত আৰু পৰিবৰ্ধিত পাঠ্যবিষয়। 'অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ' শীৰ্ষক এই পাঠ্যবিষয় চতুৰ্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয়। সাহিত্য আৰু সাহিত্য সৃষ্টিৰ পৰা উদ্ভূত ভাবৰাশিক কোনো নিৰ্দিষ্ট পৰিসীমাত আবদ্ধ কৰি ৰাখিব নোৱাৰি। ইয়াৰ চিৰ প্ৰবাহমান সোঁতটোৱে ভৌগোলিক সীমা, ৰাজনৈতিক প্ৰতিবন্ধকতা আৰু অন্যান্য প্ৰতিবন্ধকতাকো চেৰাই বিশ্ব মানৱৰ মনত ঘৰ কৰি লয়। অৱসৰ বিনোদনৰ বাবে সাহিত্য সৃষ্টি পঢ়িলে যি দৃষ্টিভঙ্গী গ্ৰহণ কৰা হয়, সেই একেখিনি সৃষ্টিৰাজিকে বিদ্যায়তনিক দৃষ্টিভঙ্গীৰে চালে দৃষ্টিভঙ্গী সুকীয়া হ'ব— তাৰ পদ্ধতিগত আলোচনা ভিন্ন হ'ব। তেতিয়া পদ্ধতি বিশেষৰ নামকৰণ প্ৰয়োজনীয় হ'ব। একেদৰে আলোচনাৰ শ্ৰেণীবিভাজনো ভিন্ন হ'ব। স্নাতকোত্তৰ অসমীয়াৰ চতুৰ্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আমিও এই বিশেষ পাঠ্যবিষয়খন বিশেষভাৱে সজাইছোঁ। য'ত উপলব্ধ হ'ব অসমীয়া সাহিত্যৰ বিভিন্ন শাখাত পৰা পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ।

পাঠ্যবিষয়ৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ শিৰোনাম 'অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাৱ'। ইয়াৰ প্ৰথমটো অধ্যায়ত ১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ অসমীয়া কবিতাত পৰা পাশ্চাত্য প্ৰভাৱৰ কথা আলোচিত হৈছে। দ্বিতীয় অধ্যায়টোত ১৯৪০ চনৰ পৰা ২০০০ চনলৈ অসমীয়া কবিতাতনো কেনে ধৰণে পাশ্চাত্য প্ৰভাৱ পৰিছে তাৰ লেখ পাব। শিক্ষাৰ্থীক এইখিনিতে কৈ থওঁ যে এই পাঠ্যবিষয়খনত সন্নিৱিষ্ট হোৱা পাঠসমূহ ভালদৰে বুজি পাবলৈ হ'লে ইতিমধ্যে তৃতীয় ষাণ্মাসিকত পঢ়ি অহা 'পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ'খনৰ পাঠসমূহৰ কিছুমান বিশেষ অংশ মনত ৰখাটো প্ৰয়োজন। তেতিয়া চতুৰ্থ ষাণ্মাসিকৰ এই বিশেষ পাঠ্যবিষয়খন পঢ়াত যথেষ্ট সুবিধা হ'ব। কবিতাৰ ক্ষেত্ৰখন বৰ বিশাল। সেই বিশাল ক্ষেত্ৰৰ পৰা বাচি বাচি অনা কিছুমান অসমীয়াৰ কবিতাত ৰচনাকাৰ কবিসকলে কিদৰে পাশ্চাত্য সাহিত্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ নিজৰ সৃষ্টিলৈ সেই প্ৰভাৱৰ আমদানি ঘটাইছিল সিও এক মনোজ্ঞ বিষয়। তৃতীয় অধ্যায় 'অসমীয়া উপন্যাসত পাশ্চাত্য প্ৰভাৱ' (১৮৮৯-২০০০)-এ সামগ্ৰিকভাৱে কম পৰিসৰতে এই বিশাল যুগটোৰ প্ৰতিনিধিত্বমূলক এনে কেইখনমান উপন্যাসৰ আলোচনা সন্নিৱিষ্ট কৰিছে য'ত পাশ্চাত্যৰ ঔপন্যাসিকসকলৰ প্ৰভাৱ পৰিছে। বিভিন্ন বাদ, ফ্ৰয়েডীয় মনস্তত্ত্ব, ৰাজনীতি, সমাজনীতি আদিও এই উপন্যাস সৃষ্টিসমূহত নিহিত হৈ আছে। চতুৰ্থ আৰু পঞ্চম অধ্যায়ত 'অসমীয়া চুটিগল্পত পাশ্চাত্য প্ৰভাৱ' এই বিষয়টো ক্ৰমে দুটা ভাগত ক্ৰমে ১৮৮৯-১৯৪০ চনলৈ আৰু পঞ্চম অধ্যায়টোত ক্ৰমে ১৮৪০-২০০০ চনলৈ আলোচনা কৰা হৈছে। চুটিগল্প আধুনিক সময়ৰ এক অনবদ্য সাহিত্য সৃষ্টি। আধুনিক অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশৰ ইতিহাস ১৮৮৯ চনৰ পৰা আৰম্ভ হৈছে বুলি সাহিত্যৰ সমালোচকসকলে কৈ গৈছে। পাঠ্যবিষয়ৰ এই দুয়োটা অধ্যায়ত এই ধাৰাবাহিক বিকাশ আৰু তাৰ ফাঁকে ফাঁকে কিদৰে পাশ্চাত্য চুটিগল্পৰ বিষয়বস্তু, আদৰ্শ, আংগিক আদিয়ে অসমীয়া গল্পকাৰসকলক কিদৰে প্ৰভাৱিত কৰিছিল তাৰ চমু অথচ মনোজ্ঞ লেখ পাব। নাটক সাহিত্যৰ অন্য এটা বিভাগ। এই পাঠ্যবিষয়ত নাটক বিষয়ক দুটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে— ক্ৰমে ষষ্ঠ আৰু সপ্তম অধ্যায়। ষষ্ঠ অধ্যায়ৰ শিৰোনাম 'অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ (১৮৫৭ৰ পৰা ১৯৪০ চনলৈ)। এইখিনিতে *অসমীয়া নাটক আলোচনা* ১৮৮৯ চনৰ পৰা নলৈ তাতকৈয়ো আগেয়ে অৰ্থাৎ ১৮৫৭ চনৰ পৰা লোৱা কাৰণ নথকা নহয়। আধুনিক অসমীয়া নাট্য সাহিত্যৰ ইতিহাস ১৮৫৭ চনত গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী নাটকৰ* প্ৰকাশৰ পৰা ধৰা হয়। সেই বাবে অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত এই সামাজিক নাটকখনৰ বিশিষ্ট ভূমিক আছে। আধুনিকতাৰ বা লগা অসমীয়া নাটকত মূলতঃ শ্বেইক্সপীয়েৰৰ অখণ্ড প্ৰভাৱ এই সময়চোৱাৰ নাটকৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য আছিল। সপ্তম তথা শেষ অধ্যায়টোত ১৯৪০ চনৰ পৰা ২০০০ চনলৈ আগুৰা সময়চোৱাত অসমীয়া নাটকে যি গতি প্ৰকৃতি লাভ কৰিছিল তাৰ খতিয়ান আছে। তাৰ লগতে পাশ্চাত্য নাটক আৰু নাট্যকাৰৰ প্ৰভাৱনো অসমীয়া নাটকত কি দৰে পাৰিছিল তাৰো আভাস আছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাৱ (১৮৮৯ৰ পৰা ১৯৪০ লৈ)** ৫ - ২২

ৰোমাণ্টিক যুগৰ অসমীয়া কবিসকলৰ কবিতাত পাশ্চাত্য প্ৰভাৱ; ৰোমাণ্টিক বা ৰমন্যাসিক চেতনাৰ বহিৰ্প্ৰকাশ, পাশ্চাত্য কবিতাৰ অসমীয়ালৈ কৰা অনুবাদ

অধ্যায় ২ ঃ **অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাৱ (১৯৪০ৰ পৰা ২০০০ লৈ)** ২৩ - ৩৯

আধুনিক অসমীয়া কবিতাৰ পটভূমি আৰু বৈশিষ্ট্যসমূহ; অসমীয়া কবিৰ কবিতাত পাশ্চাত্য আধুনিক কবিসকলৰ প্ৰভাৱ; পাশ্চাত্যৰ আধুনিক কবিৰ কবিতাৰ অসমীয়া অনুবাদ

অধ্যায় ৩ ঃ **অসমীয়া উপন্যাসত পাশ্চাত্য প্ৰভাৱ (১৮৮৯-২০০০)** ৪০ - ৬০

অসমীয়া উপন্যাস আৰু পাশ্চাত্য সাহিত্য; জোনাকী যুগ (১৮৮৯-১৯৪০)ৰ অসমীয়া উপন্যাসত পাশ্চাত্য প্ৰভাৱ; যুদ্ধোত্তৰ যুগ (প্ৰথম পৰ্ব, ১৯৪০-১৯৭০)ৰ অসমীয়া উপন্যাস আৰু পাশ্চাত্য প্ৰভাৱ; যুদ্ধোত্তৰ যুগ (দ্বিতীয় পৰ্ব, ১৯৭০-২০০০)ৰ অসমীয়া উপন্যাস আৰু পাশ্চাত্য প্ৰভাৱ

অধ্যায় ৪ ঃ **অসমীয়া চুটিগল্পত পাশ্চাত্য প্ৰভাৱ (১৮৮৯-১৯৪০)** ৬১ - ৬৯

অসমীয়া চুটিগল্পৰ পটভূমি (১৮৮৯-১৯৪০); অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিকৰ্মত পাশ্চাত্য প্ৰভাৱ

অধ্যায় ৫ ঃ **অসমীয়া চুটিগল্পত পাশ্চাত্য প্ৰভাৱ (১৯৪০-২০০০)** ৭০ - ৮২

অসমীয়া চুটিগল্পৰ পটভূমি (১৯৪০-২০০০); অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিকৰ্মত পাশ্চাত্য প্ৰভাৱ

অধ্যায় ৬ ঃ **অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ (১৮৫৭ৰ পৰা ১৯৪০ চনলৈ)** ৮৩ - ৯১

আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ; ১৯৪০ চনৰ পৰৱৰ্তী সময়ৰ আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ

অধ্যায় ৭ ঃ **আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ (১৯৪০-২০০০)** ৯২ - ১০৮

আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ (১৯৪০-২০০০)

প্ৰসঙ্গ পুথি ১০৯ - ১১১

অধ্যায় ১ ঃ অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৮৮৯ৰ পৰা ১৯৪০ লৈ)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ৰোমাণ্টিক যুগৰ অসমীয়া কবিসকলৰ কবিতাত পাশ্চাত্য প্রভাৱ

১.৩.১ ৰোমাণ্টিক বা ৰমন্যাসিক চেতনাৰ বহির্প্রকাশ

১.৩.২ পাশ্চাত্য কবিতাৰ অসমীয়ালৈ কৰা অনুবাদ

১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৫ অধিক জানিবলৈ

১.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.৭ আর্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ পটভূমি সম্পর্কে জানিব পাৰিব
- ৰোমাণ্টিকতা বা ৰমন্যাসিকতাৰ বৈশিষ্ট্য সম্পর্কে জানিব পাৰিব
- অসমীয়া কবিতাত ৰোমাণ্টিচিজিম বা ৰমন্যাসবাদৰ বৈশিষ্ট্যসমূহ কেনেদৰে প্রতিফলিত হৈছে, সেই সম্পর্কে অৱগত হ'ব
- পাশ্চাত্য ৰোমাণ্টিক কবিসকলৰ কবিতাৰ প্রভাৱ অসমীয়া কবিৰ কবিতাত কি দৰে পৰিছে, সেয়া অনুধাৱন কৰিব পাৰিব
- পাশ্চাত্য ৰোমাণ্টিক কবিতাৰ আর্হিৰে ৰচিত কবিতাই অসমীয়া কবিতাক প্রদান কৰা বিবিধতা আৰু বিচিত্রতাৰ উমান পাব
- পাশ্চাত্য কবিৰ কবিতাৰ অসমীয়া অনুবাদ সম্পর্কে জানিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ'ৰ অন্তর্গত এইটো প্রথমটো অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৮৮৯ৰ পৰা ১৯৪০লৈ) এই অধ্যায়ত অসমীয়া ৰোমাণ্টিক কবিতাত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে আলোচনা কৰা হ'ব।

অসমীয়া ভাষা-সাহিত্যৰ এক সুদীর্ঘকালীন ঐশ্চর্যশালী ইতিহাস আছে। অসমীয়া,

বাংলা, ওড়িআ আদি ভাষা প্রত্যেকেই নিজৰ প্রত্নৰূপ বুলি দাবী কৰা চর্যাপদৰ সময়ৰ পৰা ধৰিলে অসমীয়া কবিতাৰ ইতিহাস হাজাৰ বছৰ বুলিব পাৰি। চর্যাপদক বাদ দিলেও বর্তমানলৈকে প্রাপ্ত আটাইতকৈ প্রাচীনতম অসমীয়া পুথি হেম সৰস্বতীৰ *প্রহ্লাদ চৰিত* পৰা ধৰিলেও অসমীয়া কাব্য পৰম্পৰাই কেইবাটাও শতিকা অতিক্রম কৰিছে। চতুর্দশ শতিকাৰ হেম সৰস্বতী মাধৱ কন্দলি, হৰিবন বিপ্র, ৰুদ্র কন্দলি আদি কবিসকলৰ কাপেৰে প্রবাহিত কাব্য পৰম্পৰাই ষোড়শ শতিকাত শংকৰদেৱ-মাধৱদেৱৰ হাতত ভাববস্তু-ৰূপবস্তু, গুণ-ৰস আদি সকলো ফালৰ পৰা মহিমামণ্ডিত হৈ উঠে। শংকৰদেৱ-মাধৱদেৱৰ পৰৱর্তী কালতো সত্রীয়া পৰিবেশতে হওক বা ৰজাঘৰীয়া পৃষ্ঠপোষকতাতে হওক অসমীয়া কাব্য চর্চা অব্যাহত থাকে। অৱশ্যে শংকৰোত্তৰ যুগত অসমীয়া কাব্য সাহিত্যৰ গুণ-গৰিমা শংকৰী যুগৰ শংকৰদেৱ-মাধৱদেৱৰ কাব্যৰ তুলনাত বহুখিনি হ্রাস পালেও অষ্টাদশ শতিকা পর্যন্ত অসমীয়া কাব্য ৰচনাৰ ধাৰাটো প্রবাহিত হৈ আছিল। আহোম ৰাজত্বৰ শেষৰ ফালে হোৱা মোৱামৰীয়া বিদ্রোহ, মানৰ আক্রমণ আদিয়ে আহোমসকলৰ ছশ বছৰীয়া ৰাজত্বৰ অৱসান ঘটায়। আহোম ৰাজত্বৰ শেষৰফালে ঘটা অস্থিৰ অৰাজক পৰিস্থিতিৰ বাবে সুপ্রাচীন অসমীয়া কাব্য ধাৰাটো মৰা সুঁতিত পৰিণত হয়।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি সূত্রে অসম বৃটিছৰ অধীন হয়। ইয়াৰ পাছৰ দহ বছৰ কালো অসমৰ ৰাজনৈতিক বাতাবৰণ অস্থিৰ হৈয়ে ৰয়। ১৮২৮ আৰু ১৮৩০ খ্রীষ্টাব্দত পিয়লি ফুকন, গোমধৰ কোঁৱৰ, ধনঞ্জয় বৰগোহাঁইৰ নেতৃত্বত হোৱা বৃটিছৰ বিৰুদ্ধে সশস্ত্র বিদ্রোহ, পুৰন্দৰ সিংহক উজনি অসমৰ কৰতলীয়া ৰজা হিচাপে নিযুক্তি আৰু অপসাৰণ আদিবোৰেই আছিল এই অস্থিৰতাৰ কাৰণ। ১৮৩৮ চনৰ ১৬ ছেপ্টেম্বৰ তাৰিখে বৃটিছে পুৰন্দৰ সিংহক অপসাৰণ কৰি উজনি অসমত কোম্পানী চৰকাৰৰ সার্বভৌমত্ব স্থাপন কৰে। ইয়াৰ লগে লগে সমগ্র অসমেই ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ যায়।

বৃটিছে অসম অধিকাৰ কৰাৰ পাছতে ৰাজনৈতিক, অর্থনৈতিক, সামাজিক, প্রশাসনিক আদি সকলো ক্ষেত্রতে ব্যাপক পৰিৱর্তন ঘটে। পাশ্চাত্যৰ ইংৰাজী শিক্ষাৰ প্রসাৰে অসমীয়া মানুহৰ মনঃচক্ষু মোকলাই দিলে। স্বাভাৰিকতে বৃটিছ প্রৱর্তিত নতুন প্রশাসনীয় ব্যৱস্থা আৰু নতুন শিক্ষা পদ্ধতিয়ে অসমত নতুনকৈ এক মধ্যবিত্ত শ্রেণী গঢ়ি তুলিলে। মন কৰিবলগীয়া কথা এয়ে যে শিক্ষিত মধ্যবিত্ত শ্রেণী এটাৰ সৃষ্টিয়েহে এটা সাংস্কৃতিক আৰু জাতীয় চেতনাৰ জন্ম দিয়ে।

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী চৰকাৰে অসমৰ স্কুল-আদালতত জাপি দিয়া বঙলা (বাংলা) ভাষাৰ বিপৰীতে আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে ১৮৪৬ চনত প্রকাশ কৰি উলিওৱা প্রথম অসমীয়া সংবাদ-পত্র *অৰুণোদইএ* অসমীয়া মানুহৰ মনত ভাষিক জাতীয়তাবোধ এটা গঢ়ি উঠাত সহায় কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱাৰ দৰে জাতীয়তাবাদী ব্যক্তিৰ সৃষ্টিৰ আঁৰতো এই কাৰকবোৰেই প্রচ্ছন্ন হৈ আছিল।

আনন্দৰাম-হেমচন্দ্র, গুণাভিৰামে দেখুৱাই থৈ যোৱা জাতীয়তাবাদী চেতনাৰ বাটেদিয়েই আগবাঢ়ি আহিল ঊনবিংশ শতিকাৰ শেষৰফালে কলিকতাত কলেজীয়া শিক্ষা ল'বলৈ যোৱা

অসমীয়া ডেকাসকল। এফালে কলেজত পোৱা পাশ্চাত্য শিক্ষাৰ সোৱাদ আৰু বংগৰ নৱজাগৰণৰ বতাহ তথা বৌদ্ধিক মহলৰ সান্নিধ্যই অসমীয়া ডেকাসকলক অন্ধকাৰাচ্ছন্ন অসমীয়া ভাষা-সাহিত্য জগতখন পোহৰাবলৈ প্রেৰিত কৰিলে। তাৰেই ফলশ্রুতিত ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে কলিকতা প্রবাসী ছাত্রসকলৰ চাহমেলত 'অসমীয়া ভাষা উন্নতি সভা' চমুকৈ অ.ভা.উ.মা.স. গঠন হয়। এই মেলতে অ.ভা.উ.সা.স.ৰ মুখপত্র স্বৰূপে *জোনাকী* নামৰ মাহেকীয়া আলোচনী এখন উলিয়াবলৈ সিদ্ধান্ত কৰে। এই সিদ্ধান্ত অনুসৰিয়েই ১৮৮৯ চনৰ মাঘ মাহত চন্দ্রকুমাৰ আগৰৱালাৰ অর্থসাহায্য আৰু সম্পাদনাত *জোনাকী* প্রকাশ পায়। *জোনাকীয়ে* অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ ঢল বোৱাই আনিছিল। চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামী এই ত্রিমূর্তিয়ে ৰোমাণ্টিক আন্দোলনৰ গুৰি ধৰিলে। এই ত্রিমূর্তিৰ নেতৃত্বত আন বহুতো ডেকা যেনে— পদ্মনাথ গোহাঞিবৰুৱা, লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত, আনন্দচন্দ্র আগৰৱালা, সত্যনাথ বৰা, কনকলাল বৰুৱা, ঘনশ্যাম বৰুৱা আদিয়ে ৰোমাণ্টিক আন্দোলনক শক্তিশালী কৰি তুলিলে। *জোনাকীয়ে* প্রাচ্য আৰু পাশ্চাত্যৰ ভাবধাৰাৰ মাজত সংযোগ সেঁতু স্থাপন কৰিলে। ইউৰোপৰ বিশেষকৈ ইংৰাজী সাহিত্যৰ ভাব আৰু ৰূপৰ আদর্শত অসমীয়া সাহিত্য সৃজন কৰিবলৈ তেওঁলোক ব্রতী হ'ল।

চুটিগল্প, উপন্যাস, বিবিধ শ্রেণী প্রবন্ধ (যেনে— বুৰঞ্জীমূলক, সমালোচনামূলক, জীৱনীমূলক আদি), শ্বেইক্সপীয়েৰৰ নাটকৰ অনুবাদকে ধৰি ইংৰাজী নাটকৰ আর্হিত ৰচিত আধুনিক বা ৰোমাণ্টিক নাটক, প্রহসন আদি অসমীয়া সাহিত্যত নতুনকৈ সংযোজিত হ'ল।

কবিতাৰ ক্ষেত্রতো ন ন ৰূপ, ভাব আৰু ছন্দৰ উদ্ভৱ হয়। ৰমন্যাসবাদৰ যোগেদিয়ে বিভিন্ন ভাব প্রকাশক গীতি কবিতাৰ (যেনে— প্রকৃতিমূলক, প্রেম বিষয়ক, ছনেট, শোক কবিতা, ব্যঙ্গ কবিতা আদি) সৃষ্টি হৈ অসমীয়া কাব্য-সাহিত্যক ন-ন ধাৰাৰে চহকী কৰি তুলিলে।

আধুনিক অসমীয়া সাহিত্য প্রতিষ্ঠাত ইংৰাজী সাহিত্যই যদিও মূল শক্তি, সেই শক্তিৰ বিস্তাৰত বংগীয় সাহিত্যয়ো বিশেষ ভূমিকা লৈছিল। ৰোমাণ্টিক যুগৰ অসমীয়া লেখকসকলে ইংৰাজী সাহিত্যৰ লগতে বংগীয় লেখকৰ সাহিত্যও তন্ন তন্নকৈ অধ্যয়ন কৰিছিল আৰু সেই সাহিত্যৰ আর্হিত অসমীয়া সাহিত্য সৃষ্টি কৰিবলৈ আগবাঢ়িছিল। ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ দ্বাৰা তেওঁলোক অনুপ্রাণিত হৈছিল সেই বিষয়ত সন্দেহ নাই; কিন্তু যি চানেকি চাই সেই ভাবাদর্শক অসমীয়াত ৰূপ দিলে সেই চানেকি হ'ল সেই সময়ৰ বংগ সাহিত্য। কবিতাৰ ছন্দ ৰীতি, উপন্যাস ৰচনাৰ চানেকি বংগ-সাহিত্যৰ পৰা অসমীয়া লেখকসকলে গ্রহণ কৰিলে। লিৰিকত হেমচন্দ্র বন্দোপাধ্যায়, নবীনচন্দ্র সেন, কাব্যত মাইকেল মধুসূদন দত্ত, নাটকত গিৰিশচন্দ্র, দ্বিজেনলাল, উপন্যাসত বংকিমচন্দ্র চট্টোপাধ্যায় আদিৰ দ্বাৰা অসমীয়া লেখকসকল বিশেষভাৱে প্রভাৱান্বিত হৈছিল।

পুৰণি অসমীয়া সাহিত্যৰ লগত আধুনিক অসমীয়া সাহিত্যৰ কোনো যোগসূত্র বিচাৰি পোৱা নাযায় বা আধুনিক অসমীয়া সাহিত্য পুৰণি অসমীয়া সাহিত্যৰ ক্রম পৰিণতিৰ ফল নহয় যদিও ৰোমাণ্টিক যুগৰ লেখকসকলে পুৰণি অসমীয়া সাহিত্যৰ আত্মাক অস্বীকাৰ কৰা বা এৰাই

চলা নাছিল। চন্দ্রকুমাৰ আগৰৱালা, নলিনীবালা দেৱী, অম্বিকাগিৰি ৰায়চৌধুৰী, দূর্গেশ্বৰ শর্মা, ৰত্নকান্ত বৰকাকতি আদি কবিৰ গীতি-কবিতাত ভাৰতীয় দার্শনিক ভাবৰ সর্বাত্মবাদ, অতীন্দ্রয়তা, ৰহস্যবাদ, আত্মাৰ অবিনশ্বৰতা, জন্মান্তৰবাদ, কর্মফলবাদ আদিৰো ধ্বনি-প্রতিধ্বনি শুনা যায়। অসমীয়া জনজীৱনত প্রচলিত লোককথা, লোকগীত আদিৰ বিষয়বস্তু, ছন্দৰীতিয়েও চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱাকে ধৰি আন আন কবিৰ কবিতাতো স্থান পাইছে। এই ফালৰ পৰা ক'বলৈ গ'লে অসমীয়া ৰোমাণ্টিক কবিতাত প্রাচ্য আৰু পাশ্চাত্য ভাবৰ অপূর্ব সংযোগ ঘটিছে বুলিব পাৰি। ৰোমাণ্টিচিজিম বা ৰমন্যাসবাদৰ সংজ্ঞা আৰু বৈশিষ্ট্যসমূহ—

ৰোমাণ্টিক আন্দোলন সম্বন্ধে বিভিন্ন সমালোচকে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। Watts Duntan-এ ইয়াক বিস্ময় ভাবৰ পুনৰ জাগৰণ (Renaissance of wonder) বুলিছে। Walter Pater-এ সুন্দৰৰ লগত অদ্ভুতৰ সংযোগ বুলি কৈছে (Addition of strangeness to beauty)। ভিক্টৰ হিউগোই 'সাহিত্যত উদাৰপ্রাণতা (Liberalism in Literature) আৰু Brunetiere-এ ইয়াক সাহিত্যত আত্মমুক্তি (Emancipation of Ego) বুলিছে। এই বিলাকৰ ভিতৰত হাৰফোর্ডৰ সংজ্ঞাটো অধিক মনোগ্রাহী। তেওঁৰ মতে, কল্পনাপ্রৱণতাৰ অসামান্য বিকাশেই ৰোমাণ্টিকতা (An Extraordinary development of imaginative sensibility)। ইংৰাজী সাহিত্যৰ অন্যতম বুৰঞ্জী লেখক ক্রম্পটম ৰিকেটে ৰোমাণ্টিচিজিমৰ তিনিটা লক্ষণ উল্লেখ কৰিছে—

(১) ৰহস্যৰ ভাবানুভূতি অর্থাৎ ৰহস্যময় জগতখনৰ প্রতি বিস্ময়বিমূঢ় ভাব।

(২) বৌদ্ধিক উৎসুক্যৰ আতিশর্য

(৩) জীৱনৰ সহজাত সৰলতাৰ প্রতি আকর্ষণ।

মুঠতে ক'বলৈ গ'ল গভীৰ মানৱতাবোধ ব্যক্তিসত্তাৰ প্রাধান্য, প্রকৃতি প্রীতি, ইহজগতৰ সাধাৰণ প্রাণী আৰু পদার্থৰ প্রতি উদাৰ মনোভাব; অতীতৰ প্রতি শ্রদ্ধা, কল্পলোক সৃষ্টিৰ সহায়ত আত্মমুক্তিৰ প্রচেষ্টা, প্রেম আৰু সৌন্দর্যৰ আৰাধনা, জাগতিক সৌন্দর্যৰ প্রতি বিস্ময়বিমূঢ় দৃষ্টি, বিশ্ব প্রকৃতিত প্রিয়াৰ ৰূপদর্শন, ৰহস্যবাদ, জীৱনৰ ৰহস্যভেদৰ বৌদ্ধিক প্রচেষ্টা আদিবোৰেই ৰোমাণ্টিক সাহিত্যৰ প্রধান লক্ষণ।

এইখিনিতে পুৰণি অসমীয়া কবিতা আৰু নতুন ৰমন্যাসিক কবিতাৰ পার্থক্য বিচাৰ কৰি চোৱা প্রয়োজন। পুৰণি অসমীয়া কবিতাসমূহ আছিল বস্তুনিষ্ঠ তথা তন্ময়ধর্মী। তাৰ বিপৰীতে ৰোমাণ্টিক কবিতা হৈছে ব্যক্তিনিষ্ঠ ভাব-ব্যঞ্জনাৰে সমৃদ্ধ। পুৰণি কবিতাসমূহত কবিৰ ব্যক্তিগত অনুভূতি প্রকাশৰ সুবিধা নাছিল। তাৰ বিপৰীতে নতুন ৰমন্যাসিক কবিতাত কবিয়ে আত্মপ্রকাশৰ অবাধ স্বাধীনতা পালে। পুৰণি কবিতাত প্রকৃতিৰ মনোৰম বর্ণনা আছিল যদিও সেয়া আছিল ভগৱন্তৰ লীলাৰ পৰিৱেশ সৃষ্টিৰ বাবে বা প্রাকৃতিক দৃশ্যাৱলীৰ পৰা আধ্যাত্মিক উপমা দিবৰ বাবে। তাৰ বিপৰীতে নতুন কবিতাত প্রাকৃতিক সৌন্দর্য কাব্যিক আনন্দৰ উৎস হ'ল। সিমানেই নহয়, প্রকৃতিৰ লগত ব্যক্তিগত সাহচর্য আৰু অন্তৰৰ আত্মীয়তা অনুভৱ কৰিলে। ধর্মৰ অনুশাসন এৰাই প্রেমে বাক স্বাধীনতা লাভ কৰিলে। ব্যক্তিগত প্রণয়-প্রীতি আৰু দেহৰ ক্ষুধাই নতুন কবিতাত ঠাই পালে। পুৰণি বা ধ্রুপদী কবিতাত সাধাৰণ মানুহৰ স্থান নাছিল। তাৰ বিপৰীতে নতুন কবিতাত

সাধাৰণ মানুহ আৰু সৰল গ্রাম্য জীৱনো গৌৰৱময় অংশীদাৰ হ'ল। মানুহৰ হৃদয়-বৃত্তিয়ে সমুদ্রৰ তৰংগৰ দৰে বাধা অতিক্রম কৰি নতুন ৰোমাণ্টিক কবিতাত আত্মপ্রকাশ বিচাৰিলে। নতুন কবিতাৰ ভাষাশৈলীয়ে জনগণৰ চিৰ পৰিচিত ৰূপ ল'লে আৰু কাব্যৰ সংবেদনশীলতাও প্রত্যক্ষ আৰু প্রাঞ্জল হৈ পৰিল।

১.৩ ৰোমাণ্টিক যুগৰ অসমীয়া কবিসকলৰ কবিতাত পাশ্চাত্য প্রভাৱ

ৰোমাণ্টিক যুগৰ কবিতাত পাশ্চাত্যৰ প্রভাৱৰ কথা আমি দুই ধৰণে আলোচনা কৰিব পাৰোঁ। অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ পূর্বার্ধত ইউৰোপ বা ইংলেণ্ডত যি ৰোমাণ্টিক আন্দোলন হৈছিল; তাৰ ফলশ্রুতিত ৰচিত কাব্যৰাজিৰ লক্ষণ— বৈশিষ্ট্য অসমীয়া কবিসকলে কিভাৱে সংগ্রহণ কৰিছে তাৰ বিচাৰ আৰু পাশ্চাত্য কবিকূলৰ কবিতাৰ অসমীয়ালৈ কোনে কি ধৰণে অনুবাদ কৰিছে সেয়া পর্যালোচনাৰ যোগেদি।

১.৩.১ ৰোমাণ্টিক বা ৰমন্যাসিক চেতনাৰ বহির্প্রকাশ

অসমীয়া কবিতালৈ ৰমন্যাসিকতাৰ ঢল বোৱাই অনা প্রথম কবিতাটোৱে হৈছে চন্দ্রকুমাৰ আগৰৱালাৰ *বনকুঁৱৰী* নামৰ কবিতাটো। সেই ফালৰ পৰা চন্দ্রকুমাৰ আগৰৱালাৰ প্রথমগৰাকী অসমীয়া ৰমন্যাসিক কবি। পূর্বে উল্লেখ কৰি অহা হৈছে যে ৰোমাণ্টিকতাৰ ধাৰণাটোৱেই অসমীয়া সাহিত্যলৈ পাশ্চাত্যৰ পৰা আমদানি কৰা। অসমীয়া ৰোমাণ্টিক কবিতাৰ প্রথম পথ প্রদর্শক হ'লেও চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিকতাৰ লক্ষণসমূহ পূর্ণ ৰূপত প্রতিভাত হোৱা দেখা যায়। চন্দ্রকুমাৰ আগৰৱালাৰ তথা অসমীয়া ৰোমাণ্টিক কবিতাৰ প্রথম সৃষ্টি *বনকুঁৱৰী* ঐতিহাসিক আৰু শিল্প কৌশল এই দুয়ো পিনৰেপৰা অসমীয়া কাব্য প্রবাহত অভিনৱ আৰু লেখৰ সম্পদ। প্রকৃতিক অতি-প্রাকৃত ৰূপৰস দি সজাই পৰাই কল্পনা-ঋদ্ধ কবি তোলাৰ ক্ষেত্রত *বনকুঁৱৰী* এক আশ্চর্যকৰ সৃষ্টি। এই কবিতাৰ ঘাই উপাদান হৈছে ইংৰাজী ৰমন্যাসৰ আৰ্হি, অসমীয়া লোক কবিতাৰ ভাব-ভাষাৰ সংশ্লেষণ আৰু ইংৰাজী শিক্ষাৰে শিক্ষিত আত্মসচেতন অসমীয়া কবিৰ কাব্যবুদ্ধিৰ লগতে এই জগতৰ সকলো বস্তুকে চাওঁ বুলি চাব পৰা এটা কাল্পনিক দৃষ্টি। কবিতাটোত বনকুঁৱৰীৰ উপস্থিতিৰে এখন লৌকিক অৰণ্য অলৌকিক, ৰহস্যময় অৰণ্যলৈ ৰূপান্তৰিত হৈছে। *বনকুঁৱৰীৰ* প্রথমৰে পৰা কবিয়ে নিজম অৰণ্যৰ বুকুত শৰীৰীৰ মাজত অদৃশ্য অশৰীৰী বাঙ্ময় শিহৰণ ফুটাই তুলিছে—

নিজম দুপৰীয়া সুহুৰিটি মাৰি
মাতিলেনো কোনে কাক?
বিজন বনত কোন ক'ত আছে
হালিছে গছৰ আগ।

নিজম দুপৰীয়া হালি জালি থকা গছেৰে ভৰপূৰ অৰণ্য হ'ল শৰীৰী, কিন্তু এই অৰণ্যত সময়ে সময়ে অশৰীৰী সুহৰি এটি বাঙ্ময় হৈ উঠিছে। কবিয়ে কল্পনা কৰিছে যে এই সুহৰিটিৰে কোনোবাই কাৰোবাক মাতিছে, কিন্তু কোনে কাক মাতিছে সেইটো উৎসুক্যৰ বিষয়। যি মাতিছে তেওঁ অদৃশ্য, যাক মাতিছে তেৱোঁ অদৃশ্য। এনেবোৰ কথাই শৰীৰীৰ মাজতে ৰহস্যময় অশৰীৰীৰ উপস্থিতিৰ ইংগিত দিয়ে। ক'লৰীজৰ (Coleridge) ভাষাত 'Willing suspension of disbelief' অর্থাৎ অবিশ্বাসৰ আগ্রহী বিতাৰণৰ যোগেদি চন্দ্রকুমাৰ আগৰৱালায়ো পাঠকৰ মনত উদয় হ'ব পৰা অবিশ্বাসৰ বিতাৰণ ঘটাই *বনকুঁৱৰীত* অশৰীৰীৰ মঙ্গলময় আৰু আনন্দময় শিহৰণৰ সৃষ্টি কৰিছে।

ইংৰাজী ৰমন্যাসিক কবিসকলৰ বাবে কবিতা আছিল আপোন ব্যক্তিত্বৰ বা আত্মকথাৰ অভিযান আৰু অন্বেষণ। চন্দ্রকুমাৰৰ কবিতাও তেওঁৰ আত্মকথা আৰু আত্মানুভূতিৰে সংপৃক্ত। আত্মকথা বা আত্মানুভূতিৰ ধাৰণাটোৱেই ৰমন্যাসৰ মূলকথা, প্রাণকেন্দ্র; আনবোৰ ৰমন্যাসিক ভাববৈভৱ ইয়াৰ পৰাই ওপজে। ৱর্ডছ্ৱর্থ, ক'লৰীজ, শ্বেলী, কীটছ্ আদিৰ বহু কবিতাত 'মই', 'মোৰ' উপস্থিতি জলজল-পটপট; চন্দ্রকুমাৰৰ কবিতাটো 'ম', 'মোক', 'মোৰ' অর্থাৎ কবিৰ ব্যক্তিসত্তা কেন্দ্রস্থ হৈ থকা দেখা যায়। উদাহৰণ স্বৰূপে—

সখী চিত্রলেখা মোৰ কল্পনাসুন্দৰী
সমিধান দিয়া আহি মোক। (*প্রতিমা*)

চন্দ্রকুমাৰ আগৰৱালাৰ বহুকেইটা কবিতাত তেওঁৰ জীৱন বীক্ষাই প্রবল ৰূপত প্রকাশ লাভ কৰিছে। এই ক্ষেত্রত *অকলশৰীয়া, সুখ, নহয় সপোন, সংশয় ৰহস্য, অতৃপ্তি, বিশ্বভাৰৰীয়া, মানৱ বন্দনা, কূট, হৃদয় সৰগ, বীণ বৰাগী* আদি কবিতালৈ আঙুলিয়াব পাৰি। ব্যক্তিনিষ্ঠ জীৱন-চর্চা উল্লিখিত কবিতাসমূহৰ ভাবনাৰ ঘাই বীজ বুলিব পাৰি। এই ব্যক্তিনিষ্ঠ জীৱন চর্চাৰ কবিতাত বহির্প্রকাশ কৰাৰ প্রেৰণাও আহিছিল পাশ্চাত্য কবিতাৰ অধ্যয়নৰ পৰা।

চন্দ্রকুমাৰ আগৰৱালাৰ বহু কেইটা কবিতাৰ মাজত তেওঁৰ জীৱনদর্শন আৰু কাব্যদর্শনে প্রকাশ লাভ কৰিছে। সকলো সময়তে তেওঁ সকলোতে কেৱল সুন্দৰৰে অন্বেষণ কৰিছে—

"সুন্দৰৰ আৰাধনা জীৱনৰ খেল!" (*সৌন্দর্য*)
"সুন্দৰ সুন্দৰ বুলি বিয়াকুল নৰ" (*সুন্দৰ*)

তেওঁ আৰু কৈছে যে মানুহ মাত্রেই সুন্দৰৰ উপাসক আৰু অন্বেষক। চন্দ্রকুমাৰৰ কবিতাত প্রকাশিত সুন্দৰৰ উপাসনা আৰু অন্বেষণৰ আঁৰত জন কীট্ছৰ 'Beauty is truth, truth is beauty'' ''A thing of beauty is a joy forever'' আদি কবিতাৰ শাৰীৰ অনুপ্রেৰণা অনুভূত হয়।

চন্দ্রকুমাৰ আগৰৱালাৰ *বীণ বৰাগী* এটি দীঘলীয়া কবিতা। কবিতাটিৰ মাজত ফুটি উঠা গভীৰ মানৱতাবাদী দর্শন পশ্চিমৰ পৰাই আমদানিকৃত। ইয়াৰ উপৰিও কবিতাটোৰ মাজত ৱর্ডছৱর্থ, শ্যেলী, কীট্ছ আদি ইংৰাজ ৰমন্যাসিক কবিৰ কাব্যাদর্শৰ সুৰ ফুটি উঠিছে। *বীণ বৰাগী* কবিতাত দৰিদ্র পীড়া উপশমৰ বাস্তৱ উপাই নাপায়, শেষত কবিয়ে ৰোমাণ্টিক ভাবনাৰে বীণখনিৰ ওচৰতেই দুখ উপশমৰ ভাৰসা কৰিছে। আগৰৱালাৰ এই ৰোমাণ্টিক ভাবানুভূতিৰ লগত শ্যেলীৰ Ode to the West Wind আৰু কীট্ছৰ Ode to a Nightingaleৰ মাজত প্রকাশিত অনুভূতিৰ মিল আছে। শ্যেলীয়ে Ode to the West Windত ধুমুহা ওচৰত আৰু কীট্ছে Ode to a Nightingaleত নাইটিংগেল চৰাইটোৰ ওচৰত একে ধৰণৰ ভৰসা কৰিছে।

চন্দ্রকুমাৰ আগৰৱালাই *চাকৰি স্তোত্র* আৰু *মৌনী শিশুপাল* নামৰ দুটা ব্যঙ্গ কবিতা ৰচনা কৰিছিল। ব্যঙ্গ কবিতা ৰচনাৰ ক্ষেত্রত চন্দ্রকুমাৰে বায়ৰণৰ কবিতাৰ পৰা উদ্দীপনা হোৱা বুলি ক'ব পাৰি। বায়ৰণৰ দৰেই ভুৱা শাসনযন্ত্র, ভুৱা শিক্ষা, ভুৱা স্বাধীনতা, উৎকোচ পৰম্পৰা— এই সকলোখিনি চন্দ্রকুমাৰে কবিতাৰ মাজলৈ লৈ আনিছে।

জোনাকীৰ ত্রিমূর্ত্তিৰ অন্যতম *কদমকলিৰ* কবি লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত ইংৰাজ ৰমন্যাসিক কাব্যৰ প্রভাৱ বিদ্যমান। উৎকৃষ্টতম কবিতাৰ বিষয়ে তেওঁৰ ধাৰণা ইংৰাজী সাহিত্যৰ ঊনবিংশ শতিকাৰ প্রধান কবিসকলৰ ধাৰণাৰ নিচিনাই আছিল। ৱর্ডচৱর্থৰ কবিতা সম্পর্কীয় বিখ্যাত উক্তি 'শক্তিশালী আৱেগৰ স্বতঃস্ফূর্ত প্রকাশ'ৰ অনুৰণন বেজবৰুৱাৰ কবিতাৰ বহুবোৰ স্তৱকত বিদ্যমান।—

আইল চুলি দুডালি তোমাৰ
নিছিনা কবিতা ৰস ধাৰ।
ফনিৱা অযুত চুলিবোৰে
নিয়মত পৰি প্রাণ এৰে। (*বিশৃংখল*)

এলিজাবেথীয় যুগৰ মৌলিক প্রতিভাসম্পন্ন কবি চাৰ ফিলিপ চিডনিৰ হেৰুওৱাৰ বেদনা লক্ষ্মীনাথ বেজবৰুৱাৰ ভালেমান কবিতাত অনুভূত হয় ঃ

কিনো মোৰ কপাল ঐ! কাতি হ'ল পাতটি
মণি গ'ল পানীতে মিলি,
ইমান চেনেহিলোঁ, ইমানকৈ ৰাখিলোঁ
হায়। মণি ক'লেনো গ'লি। (*পদুম পাতৰ পানী*)

প্রকৃতিৰ এটি উপাদানৰ ক্ষণস্থায়িত্ব বেজবৰুৱাই আকর্ষণীয় প্রকাশভংগিৰে তুলি ধৰিছে। কবিতাটিত পদুম পাতৰ পানীক কবিয়ে দেৱতাৰ জীয়ৰীৰ ডিঙিৰ মালাধাৰাৰ পৰা সৰি পৰা এটি মণি হিচাপে চাইছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ স্বদেশপ্রেমৰ কবিতা *অসম সংগীতৰ* লগত ইটালিৰ

কবি কার্দুচি (Carducci)ৰ 'Ode to the fountain of Clitumnus' আৰু *আমাৰ জন্মভূমিৰ* সৈতে ফেলিচিয়া হ'মচৰ Homes of England কবিতাৰ সাদৃশ্য পৰিলক্ষিত হয়। ঠিক একেদৰে বেজবৰুৱাৰ *মালতীত* ৱর্ডচ্ৱর্থৰ Lucy আৰু *চুমা* কবিতাত শ্যেলীৰ Love's Philosophyৰ অনুৰণন দেখা যায়। বেজবৰুৱাৰ *চুমা* কবিতাত প্রকাশিত প্রেমৰ ধাৰণা সম্পূর্ণ প্রেটনিক নহয়। তাত দেহ-মনৰ সুসঙ্গত প্রকাশ পৰিদৃশ্যমান। ইয়ো সম্ভৱ হৈছে পাশ্চাত্য কবিতাৰ প্রেৰণাৰ বাবেই।

ইংৰাজী ৰোমাণ্টিক যুগত হোৱাৰ দৰে আমাৰ ৰোমাণ্টিক যুগতো পুৰণি গীত-মাত, বেলাড আদিৰ আদর্শত কবিতা ৰচিত হ'বলৈ ধৰে। মিৰি ডেকা-গাভৰু এহালৰ কৰুণ জীৱনক কেন্দ্র কৰি বেজবৰুৱাই *ধনবৰ আৰু ৰতনী* আৰু *ৰতনীৰ বেজাৰ* নামৰ বেলাড দুটি ৰচনা কৰে। তাত ডেকা গাভৰু হালৰ হালৰ বেদনাবিধুৰ জীৱনৰ যি মর্মস্পর্শী চিত্র অংকিত হৈছে তাক আজিও অতিক্রম কৰিব পৰা নাই।

লক্ষ্মীনাথ বেজবৰুৱা লঘু হাস্যৰসাত্মক কবিতাৰো বাটকটীয়া। ইংৰাজী ভাষাত ৱিট (Wit) আৰু হিউমাৰক আশ্রয় কৰি অলেখ কবিতা ৰচিত হৈছিল। অসমীয়া সাহিত্যত বেজবৰুৱা এইবিধ কবিতাৰ জনক আৰু তাৰ সর্বশ্রেষ্ঠ স্রষ্টা। *পকাচুলি, কুলি, চন্দ্র, সাগৰ সংগীত* আদি এনে ধৰণৰ কবিতা।

লক্ষ্মীনাথ বেজবৰুৱাই ব্যংগ-বিদ্রূপাত্মক কবিতাৰ মাজেৰে অসমীয়া সমাজৰ দোষ-দুর্বলতা, কপটতা-ভণ্ডামি আদিক সমালোচনা কৰিছিল। *চালনী আৰু বেজী*, তেনে এটা কবিতা। *চালনী আৰু বেজী* কবিতাৰ ভাব-ভাষাৰ লগত ইংৰাজ কবি অডেনৰ কবিতাৰ মিল দেখা যায়—

'The pious fable and the dirty story
Share in the total literary glory

হাস্যৰসৰ দ্রাৱকেৰে ব্যক্তিগত গালি-গালাজক কলাসূলভ সার্বজনীন ৰূপ বেজবৰুৱাই দিব পাৰিছিল। বেজবৰুৱাই যে এনে কবিতা মন প্রাণ উজাৰি লিখিছিল তাত সন্দেহ নাই।

জোনাকীৰ ত্রিমূর্তিৰ আন এগৰাকী কবি হেমচন্দ্র গোস্বামী প্রথম অসমীয়া ছনেট লেখোঁতা। তেওঁৰ *প্রিয়তমাৰ চিঠি* অসমীয়া ভাষাৰ প্রথম ছনেটেই নহয়, এটা সর্বাঙ্গসুন্দৰ ছনেট। পেট্রাকীয় ছনেটৰ ভাবৰ স্তৰ বিভাগ আৰু অন্ত্যানুপ্রাসৰ মিলৰ ৰীতি গোস্বামীয়ে ছনেটটোত ৰক্ষা কৰিছে। ছনেটটোৰ শেষৰ ছটা পংক্তিৰ মাজত থকা গহীন সাংগীতিক আলোড়ন শ্বেইক্সপীয়েৰৰ ছনেটসমূহত পোৱা ধৰণৰ। তদুপৰি কবিতাটোৰ শেহৰ পংক্তি 'হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে' চিত্রকল্পটোৱে শ্বেইক্সপীয়েৰৰ তুলনীয় চিত্রকল্পলৈ মনত পেলায় দিয়ে।

হেমচন্দ্র গোস্বামীৰ *পুৱা* এটা চিত্রধর্মী সুন্দৰ কবিতা। কবিতাটোত থকা—

স্বর্গৰ জেউতি দেখি ৰাজহাঁহ জুৰি

প্রেমৰ আলচ ভূলি গৈ
চিত্রৰ পুতলী প্রায় আছে থৰ লাগি
ইটিয়ে সিটিক চাই ৰৈ।— ছবিখনে

পাঠকৰ মনলৈ ৱর্ডছ্ৱর্থৰ— 'The swan on still St Mary's lake/Float dwble swan and shadow'. পংক্তিলৈ মনত পেলায়।

মফিজুদ্দিন হাজৰিকাৰ *দিনকণা* এটা অনিন্দ্য সুন্দৰ কবিতা। কবিতাটোৰ অন্তর্লীন ভাবক মধ্যযুগৰ *এভৰিমেন* নাটক আৰু সপ্তদশ শতিকাৰ পিউৰিটান লেখক বুনিয়ানৰ *পিলগ্রিম্‌চ প্রগ্রেছ্ৱ* লগত ৰিজাব পাৰি। হাজৰিকাই নিশ্চয় *পিলগ্রিম্‌চ প্রগ্রেছ্ৱ* অসমীয়া অনুবাদ *যাত্রিকৰ যাত্রা* পঢ়িছিল। বাইবেলৰ ভাষাৰ সহজ-সৰলতা হাজৰিকাৰ কবিতাটোত পৰিস্ফুট হয়।

আনন্দচন্দ্র আগৰৱালা অসমীয়া সাহিত্যত 'ভাঙনি কবি' নামেৰে পৰিচিত। বিদেশী কবিতাৰ অনুবাদত মূলৰ সৌন্দর্য অব্যাহত ৰখাৰ ক্ষমতাই আনন্দচন্দ্র আগৰৱালাক অসমীয়া কাব্য জগতত বিশিষ্ট আসন প্রদান কৰিছে। অনূদিত হ'লেও *জীৱন সংগীত, চহা আৰু পণ্ডিত, সুখৰ ঠাই* আদি কবিতা অসমীয়া কাব্যৰ মৌলিক সম্পদৰ লেখীয়া। লোকগীতিৰ আর্হিৰে ৰচিত *পানেশৈ* ইংৰাজী ৰোমাণ্টিক ঐতিহ্যৰ স্মাৰক। বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে স্কুলীয়া কালতে ৱর্ডচ্ৱর্থৰ To the Cuckoo কবিতাটো পঢ়ি তন্ময়াৱিষ্ট হৈছিল আৰু পৰৱর্তী সময়ত প্রকৃতি, ফুল, চৰাইক লৈ কবিতা লেখাৰ প্রেৰণা পাইছিল। তেওঁক অসমৰ ৱর্ডচ্ৱর্থ বুলি সার্থকভাৱেই অভিহিত কৰা হয়। ৱর্ডচ্ৱর্থৰ দৰে চৌধাৰীও প্রকৃতিৰ পূজাৰী। প্রকৃতিও তেওঁৰ বাবে জীৱন্ত আৰু মুখৰ। ৱর্ডচ্ৱর্থৰ দৰে চৌধাৰীয়েও ফুলৰ বিষয়ে অনির্বচনীয় কবিতা ৰচনা কৰিছিল। হ্রদৰ পাৰত ফুলা হাজাৰ বিজাৰ ডেফোডিল ফুলে ৱর্ডচ্ৱর্থৰ হৃদয় আলোড়িত কৰাৰ দৰে গিৰিমল্লিকাইও চৌধাৰীৰ মন আলোড়িত কৰিছিল।

ফুলৰ দৰে চৰায়েও তেওঁৰ মনত গভীৰ আলোড়নৰ সৃষ্টি কৰে। *কেতেকী চৰাই আৰু গোৱাহে এবাৰ মোৰ প্রিয় বিহঙ্গিনীৰ* দৰে সৰু সৰু খণ্ড কবিতাৰ উপৰি *কেতেকী* আৰু *দহিকতৰা* নামেৰে দুটি দীঘলীয়া কবিতাও ৰচনা কৰিছে। ভাবৰ স্বতঃস্ফূর্ততা আৰু শব্দ সংযোজনৰ সংযমে *কেতেকীক* বিশ্বসাহিত্যৰ এক অনিন্দ্যসুন্দৰ চৰাই কবিতালৈ উন্নীত কৰিছে। তুলনীয় কবিতাৰ বিচাৰ কৰিলে ৱর্ডচ্ৱর্থৰ শ্বেলীৰ আৰু কীট্‌ছৰৰ ওচৰ চাপিব লাগিব। ৱর্ডচ্ৱর্থৰ কুলি চৰাইটিৰ দৰে চৌধাৰীৰ কেতেকীও এটি ৰহস্যময় সুৰ আৰু ঝঙ্কাৰ যি পাঠকৰ মনত অভাৱনীয় আলোড়নৰ সৃষ্টি কৰিছে।

ভেটকলি চৌধাৰীৰ এটি তাৎপর্যপূর্ণ কবিতা, কবিতাটিও কালিদাস আৰু ৱর্ডচ্ৱর্থীয় ভাব-চিন্তাৰ ভেটকলিটি কালিদাসৰ 'অনবিদ্ধ সৰসিজ' আৰু ৱর্ডচ্ৱর্থৰ লুচীৰ দৰে। ছোৱালী এজনীত পাব পৰা সকলো ৰূপ-গুণ ভেটকলিটিত আৰোপিত আৰু আৱিষ্কৃত হৈছে। এনে ব্যক্তিত্বাৰোপণ ইংৰাজী ৰোমাণ্টিক কবিতাত অতি সুলভ।

দার্শনিক কবি ৰূপে খ্যাত দুর্গেশ্বৰ শর্মা মূলতঃ মানুহৰ কবি। মানৱতাবোধ তেওঁৰ জীৱনৰ মূলমন্ত্র। প্রকৃতি-প্রীতিও তেওঁৰ কবিতাৰ ঘাই কথা। শর্মাৰ কবিতা সহজ-সৰল আৰু প্রাঞ্জল। ৱর্ডচ্ৱর্থৰ সাধাৰণ মানুহৰ মুখৰ ভাষাৰ ধাৰণা শর্মাই হয়তু মজ্জাগত কৰিছিল আৰু সেয়েহে তেওঁৰ *সাদৰী* কবিতাত ৱর্ডচ্ৱর্থৰ *লুচি* কবিতা ইমান জীৱন্ত হৈ ধৰা দিছে। কবিয়ে অকল ভাবৰ অনুকৰণ কৰিয়েই ক্ষান্ত হোৱা নাই, শব্দ চয়ন আৰু ছন্দকো অনুসৰণ কৰিছে।

অসমৰ ৰমন্যাসবাদী কবিসকলৰ ভিতৰত সূর্য্যকুমাৰ ভূঞাৰ এক বিশেষ স্থান আছে। তেওঁৰ কবিতাত এলিজাবেথান, প্রাক ৰোমাণ্টিক, ভিক্টৰিয়ান আৰু জর্জিয়ান কাব্যৰীতিৰ সমাহাৰ দেখিবলৈ পোৱা যায়। এলিজাবেথান আৰু ৰোমাণ্টিক পুনৰভ্যুত্থান— উভয় কালৰে ৰোমাণ্টিক কবিতাৰ পৰাও তেওঁ ভালেখিনি সমল আহৰণ কৰিছিল। ক্লাছিকেল কবিতাৰ সংযম আৰু পৰিমিতিবোধো ভূঞাৰ আয়ত্তাধীন আছিল। *আশা* কবিতাত এলিজাবেথান যুগৰ ৰোমাণ্টিক তথা ৰূপকধর্মী বিস্তাৰৰ ৰূপ এটা সুন্দৰভাৱে ফুটি উঠিছে—

জীৱনৰ গছৰ পুলি নৰ সি পুলিৰ মালী
আশা তাৰ সঞ্জীৱনী পানী।

অসমীয়া প্রেমৰ কবিসকলৰ ভিতৰত ভূঞাই এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। তেওঁৰ আদি স্তৰৰ কবিতাতো এক অনির্বচনীয় সংযম দেখিবলৈ পোৱা যায়। তেওঁৰ আদি স্তৰৰ কোনো কোনো কবিতাত চাৰ টমাচ ৱাইটৰ কথ্য ভাষাৰ আত্মীয়তা আৰু তর্কপ্রৱণতাৰ ছাপ পৰিছে—

নালাগে উলটি চাব যোৱা আঁতৰি
মাতিছো তোমাক মই মিনতি কৰি।

এনেবোৰ ছত্র পঢ়িলে স্বাভাৱিকতে চাৰ টমাছ ৱাইটৰ কথ্য ভাষাৰ ধ্বনিসমৃদ্ধ পংক্তিলৈ মনত পেলায়।

Forget not yet, the tried intent,
Forget not yet.

ভূঞা অসমীয়া ভাষাৰ শ্রেষ্ঠ চনেটকাৰসকলৰ অন্যতম। তেওঁৰ *সন্ধিয়া* শ্বেইক্সপীয়েৰীয়ান চনেট হিচাপে অসমীয়া ভাষাত আজিও অনতিক্রান্ত হৈ আছে।

ৰত্নকান্ত বৰকাকতিৰ কবিতাত প্রাচ্য আৰু পাশ্চাত্যৰ ভাবধাৰাৰ সমন্বয় সাধিত হৈছে। ৰবীন্দ্রনাথ ঠাকুৰৰ লগতে ইংৰাজ ৰোমাণ্টিক আৰু ভিক্ট'ৰিয়ান কবিসকলৰ কাব্যদর্শন তেওঁৰ মজ্জাগত আছিল। তেওঁ শ্বেলী, ব্রাউনিং আৰু চুইনবার্ণৰ কবিতা অনুবাদো কৰিছিল। ব্রাউনিঙৰ কবিতাৰ ওপৰত ভেজা দি ৰচনা কৰা *ফুলৰ চাকি* এটি মনোমুগ্ধকৰ লিৰিক। বৰকাকতি ৰোমাণ্টিক পৰম্পৰাৰ শ্রেষ্ঠ প্রেমৰ কবি। প্রেমৰ চৰিত্র সম্পর্কে তেওঁৰ ধাৰণা নিগূঢ় আৰু প্রত্যয়জনক। ক'ল'ৰিজৰ Love

কবিতাৰ অন্তর্লীন ভাবৰ লগত *বিশ্বহৰণ* কবিতাৰ সাদৃশ্য এনেদৰে দেখা যায়।

All thoughts, all passions, all delights
Whatever stirs this mortal frame,
All are but ministers of love
And feed his sacred flame!
তেতিয়া যদিও নাছিলা তুমি
ৰূপৰ চমকে চমকাই চকু
আছিলা তেতিয়া সুন্দৰ মোৰ
জোন বেলি তৰা
জুৰাই বুকু।

ৱর্ডচৱর্থৰ দৰে বৰকাকতিয়েও বিশ্ব হৃদয়ৰ সাগৰৰ বুকুত উঠা ঢউৰ খলকনি শুনিবলৈ পাইছে—

'That immortal sea which brought us hither!
বিশ্বহৃদয়ৰ
সাগৰ বুকুত
খণ্ড হিয়াৰ উঠিছে ঢউ ঃ *(সুন্দৰ)*

বৰকাকতিয়ে তেওঁৰ কবিতাত চৰাচৰ বিশ্বৰ সকলোতে বিয়লি থকা সৌন্দর্যৰ অৱগাহন কৰিছে। ৱর্ডচ্ৱর্থৰ দৰে তেওঁৰ কবিতাতো সর্বব্যাপী আনন্দৰ ঢৌ বাগৰি পৰা দেখা যায়—

'Of Joy in widest commonalty spread'.

ঈশ্বৰৰ দ্বাৰা সৃষ্ট জগতখনৰ চতুর্দিশে তেওঁ কৰল অমৃতৰ ধাৰা ক্ষৰিত হৈ থকা দেখিবলৈ পায়—

অমৃত ক্ষৰে
আকাশ ঢৌৰাই
প্রতি বিহগৰ
গানতে। *(অমৃত)*

অসমীয়া ৰোমাণ্টিক যুগৰ শ্রেষ্ঠ কবিসকলৰ ভিতৰত যতীন্দ্রনাথ দুৱৰা অন্যতম। তেওঁৰ কবিতাতো প্রাচ্য আৰু পাশ্চাত্যৰ মিলন ঘটিছে। বিদেশী আৰু বিশেষকৈ ইংৰাজী সাহিত্যৰ সাৰখিনি মজ্জাগত কৰি তাক নিজৰ ভাষাত জীন নিয়াবলৈ তেওঁৰ চেষ্টা অতুলনীয়। তেওঁ গ্রে, শ্বেলী, হাইনে, টেনিচন আদি কবিৰ কবিতাৰ ভাব অসমীয়া সাহিত্যলৈ বোঁৰাই আনিছিল। জোনাকী যুগৰ কবিসকলৰ কবিতাত হোৱাৰ দৰে দুৱৰাৰ কবিতাতো ইংৰাজী ৰোমাণ্টিচিজিমৰ মূল ধাৰাসমূহ প্রতিফলিত হৈছে। ব্যক্তিসাপেক্ষতা দুৱৰাৰ কবিতাৰ সর্বস্ব। সেই ফালৰ পৰা চালে দুৱৰা অসমীয়া

সাহিত্যৰ নিভাঁজ ৰোমাণ্টিক কবি। আত্মকেন্দ্রিক কবি দুৰৱাৰ কবিতাত ব্যক্তিগত হা-হুমুনিয়াহ, ব্যর্থ প্রেমৰ কৰুণ স্মৃতি আৰু সাংসাৰিক দুখত অকলশৰীয়া ভাবৰ আক্ষেপেৰে পূর্ণ। কবিয়ে পাহৰণিৰ আশ্রয় ল'ব খুজিলেও কেইবাটাও কবিতাত এৰি অহা স্মৃতিয়ে আমনি কৰিছে। এওঁৰ বিষাদপ্রৱণতা কিছু পৰিমাণে স্বভাৱজাত আৰু কিছু পৰিমাণে অভিজ্ঞতালব্ধ। *হেৰোৱা সপোন* কবিতাত এই অভিজ্ঞতাৰ বিষয়ে কবিয়ে লিখিছে—

"বিয়পিল দশোদিশে মিলন বাতৰি
বলে ধীৰ, মধুৰ মলয়,
সেই দিনা যৌৱনৰ সাগৰ তীৰত
প্রণয় অৰুণ উদয়।"

লর্ড টেনিচনৰ *ইন মেমোৰিয়াম* নামৰ কবিতাত প্রকাশ পোৱা ক্ষয়ংকৰী অভিজ্ঞতাই দুৱাৰৰ জীৱনকো বিপর্যস্ত কৰিছিল। ভিক্টৰিয়ান যুগৰ অনন্য প্রেমিক কবি ব্রাউনিঙে The Lost Mistress কবিতাত এগৰাকী ব্যর্থপ্রেমিকে তেওঁৰ প্রেমিকাক যিদৰে বিদায় সম্ভাষণ জনাইছে ঠিক একে সুৰ দুৱৰাৰ 'বিদায় বেলাৰ পৰশ' কবিতাটিটো পৰিলক্ষিত হয়।

দুৱৰাৰ *তোমালৈ* কবিতাটিত শ্বেলীৰ The Indian Serende কবিতাৰ ছাপ অনুভূত হয়। দুৱৰাৰ *নাৱৰীয়া যায় ভটিয়াই* কবিতাত কলিকতাত পঢ়িবলৈ যোৱা কবিৰ ল'ৰালিকালৰ নষ্টালজিয়াবোধে প্রাণ পাই উঠিছে। তেওঁ ঘৰ এৰি বিদেশলৈ যাত্রা কৰিছে। চি�ৰকালৰ বাবে নহ'লেও এই যাত্রাই টেনিচনৰ কবিতাৰ পংক্তি আমাক সোঁৱৰায়—

No more by Thee my steps shall be
For ever and for ever.

টেনিচনৰ কবিতাৰ বিষাদৰ সুৰটি দুৱৰাৰ মজ্জাগত হৈছিল। উদ্ধৃত কবিতাটিত তাৰ ছপা আছে। ৱর্ডচ্ৱর্থৰ 'Yarrow Revisited' কবিতাত স্মৃতিলব্ধ ছবি নতুন ৰূপত জিলিকি উঠাৰ দৰেই দুৱৰাৰ কবিতাতো নানান পৰিচিত ছবিয়ে ভিৰ কৰিছে।

দেৱকান্ত বৰুৱা আৱাহন যুগৰ শ্রেষ্ঠ কবি। তেওঁৰ কবিতাত অসমীয়া ৰোমাণ্টিক কবিতাই ব্যাপ্তি লাভ কৰিছে। দেৱকান্ত বৰুৱাৰ ইংৰাজী, বাংলা আৰু অসমীয়া সাহিত্যৰ শ্রেষ্ঠ কবিসকলৰ সাহিত্যকর্মৰ লগত সুপৰিচিত আছিল। ব্রাউনিঙৰ প্রেমৰ কবিতাৰ ৰীতিৰ লগত দেৱকান্ত বৰুৱাৰ প্রেমৰ কবিতা ৰীতিৰ বহুতখিনি মিলে। তেওঁ ব্রাউনিঙৰ নাটকীয় স্বকথন (dramatic monologue) পদ্ধতি অসমীয়া কবিতাত প্রচলন কৰে। প্রেমৰ কবি হিচাপে দেৱকান্ত বৰুৱা জন ডানৰ দৰে বলিষ্ঠ আৰু অকুতোভয়। অতিশয়োক্তি প্রয়োগতো জন ডানৰ লগত বহুত ক্ষেত্রত মিল দেখা যায়। চিত্রকল্প প্রয়োগতো জন ডানৰ লগত সামঞ্জস্য দেখা যায়।

বৰুৱাৰ কবিতাত শ্বেলীয় বিষাদানুভূতি আৰু আকাংক্ষাও মূর্ত হৈ উঠিছে।

'প্রীতিৰ বতাহে মোৰ আকাশী তৰাৰ হায় হিয়া নকঁপায়'ৰ দৰে পংক্তিয়ে শ্বেলীৰ 'The desire of the moth for the star'ৰ দৰে পংক্তিৰ কথা সোঁৱৰাই দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পুৰণি অসমীয়া কবিতা আৰু ৰোমাণ্টিক অসমীয়া কবিতাৰ মাজৰ পার্থক্যসমূহ নির্ণয় কৰক।

(১৫০টা শব্দৰ ভিতৰত)

.....

১.৩.২ পাশ্চাত্য কবিতাৰ অসমীয়ালৈ কৰা অনুবাদ

১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ কবিসকলে অসমীয়া সাহিত্যিলৈ যিদৰে পাশ্চাত্যৰ ৰোমাণ্টিক কবিতাৰ ৰূপ-ৰস অসমীয়া কবিতালৈ কঢ়িয়াই আনিলে, ঠিক একেদৰে পাশ্চাত্যৰ কবিতা বিশেষকৈ ইংৰাজী কবিতাৰ অনুবাদতো তেওঁলোক ব্রতী হৈছিল। প্রথম অসমীয়া ৰোমাণ্টিক কবিতা *বনকুঁৱৰীয়ে* অসমীয়া পাঠকক বিস্ময় বিমুগ্ধ কৰি তুলিছিল। অসমীয়া ভাষাতো যে ৱর্ডচ্ৱর্থৰ কবিতাৰ নিচিনা মনোৰম কবিতা লিখিব পাৰি সি আছিল বিস্ময়ৰ বিশেষ কাৰণ। গতিকে আৰ্হি স্থাপন কৰাৰ আগ্রহত লিখা সাহিত্যিক অনুশীলন পর্যায়ৰ কবিতা *জোনাকী* যুগৰ অধিকাংশ লিখকৰ পৰা কম-বেছি পৰিমাণে পোৱা যায়। অসমীয়া ৰমন্যাসিকতাৰ বাটকটীয়া কবি বেজবৰুৱাৰ কবিতাত মৌলিক উদ্ভাৱন শক্তিতকৈ বা নিজ অভিজ্ঞতাৰ স্বকীয়তাৰ স্বৰূপ প্রকাশ কৰাৰ আগ্রহতকৈ অনুকৰণ বা অনুবাদৰ প্রাধান্যহে বেছিকৈ দৃষ্টিত পৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ *প্রিয়তমাৰ সৌন্দর্য* কবিতাটো জর্জ ডার্লি নামৰ এংগ্লি'-আইৰিশ কবিৰ 'The Loveliness of Love' কবিতাৰ মুক্ত ৰূপান্তৰ। আনহাতে বেজবৰুৱাৰে *প্রিয়তমা* কবিতাটো টমাচ চেম্পিয়নৰ 'There is a garden in her face' কবিতাৰ ছায়ানুবাদ।

প্রত্নতাত্ত্বিক হেমচন্দ্র গোস্বামীৰ *ফুলৰ চাকিত* তিনিটা ভাঙনি কবিতা সন্নিৱিষ্ট হৈছে— *স্তুতি* (আলেকজেণ্ডাৰ পোপৰ Universal Prayer), *প্রকৃতিৰ স্তুতি* (বাইবেলৰ ১৯ সংখ্যক ডেভিডৰ গীত) আৰু *জাতীয় সংগীত* (আর্থাৰ এলেন ডেভিদৰ কবিতা)। গোস্বামীৰ *সৌন্দর্যৰ বুকুৰ কাঁচলি উদঙাই* গ্যেটেৰ *'To Unvail the Beauty's Bust'*ৰ মুকলি ভাঙনি। 'ভাঙনি কোঁৱৰ' নামেৰে খ্যাত আনন্দচন্দ্র আগৰৱালাৰ সর্বাধিক জনপ্রিয় ভাঙনি কেইটা হ'ল— *জীৱন সংগীত* (লংফেলোৰ Psalm of Life), *আজি আৰু কালি* (চার্ল্ছ মেকীৰ Today and Tomorrow), ঈশ্বৰ (অনামী কবিৰ Thou art O God) *সুখৰ ঠাই* (অনামী কবিৰ The Better

land), *চহা আৰু পণ্ডিত* (ইংৰাজী কবি টমাচ গ্রেৰ The Shepherd and The Philosopher), *তযু ইচ্ছা পূর্ণ কৰা হোৱা দয়াময়* (চার্লট এলিয়টিৰ Thy Will Be Done) আৰু 'যোগী' (গোল্ডস্মিথৰ Hermit)।

অমিত্রাক্ষৰ ছন্দৰ সার্থক কবি হিতেশ্বৰ বৰবৰুৱাই শ্বেইক্সপীয়েৰৰ 'অথেল' নাটকৰ অংশবিশেষ ভাঙি 'ডেচডিমোনা কাব্য' আৰু গোল্ডস্মিথৰ Vicar of Wakefield কাব্যৰ পৰা *অংগিলা* নামেৰে অনুবাদ কৰিছিল।

বনফুলৰ কবি যতীন্দ্র নাথ দুৱৰা এজন সুপ্রসিদ্ধ ভাঙনিকাৰ। তেওঁৰ *তোমালৈ, সপোনৰ সুৰ, নাৱৰীয়া গ'ল, চকুলো* কবিতা ক্রমে শ্বেলীৰ Lines to an Indian Air, শ্বেলীৰ Mutability, টেনিচনৰ Crossing The Bar, আৰু Tears Idle Tears ৰ মুকলি ভাঙনি। টেনিচনৰে 'ইন মেমোৰিয়াম' কবিতাৰ Ring out the old, Ring in New অংশৰ আঠটা স্তৱক তেওঁ ভাঙনি কৰি *বাঁহীত* প্রকাশ কৰিছিল। টমাছ গ্রেৰ Elegy Written in a Country Churchyard নামৰ প্রখ্যাত কৰুণাসিক্ত কবিতাটো *এখন মৰিশালী* নামেৰে অনুবাদ কৰিছিল মফিজউদ্দিন আহমদ হাজৰিকাই। দুৱৰাৰ *প্রেমৰ সুৰ* হেইনৰিক হাইনেৰ কবিতা এটিৰ ভাঙনি। দুৱৰাৰ ওমৰ খায়ামৰ *ৰুবায়তৰ* ভাঙনিও ফিটজেৰেল্ডৰ ইংৰাজী ভাঙনিৰ ওপৰতহে নির্ভৰশীল।

ইংৰাজী কবিতা ভাঙনি কৰা কবিসকলৰ ভিতৰত দুর্গেশ্বৰ শর্মাৰ নামো উল্লেখযোগ্য। শর্মাৰ উল্লেখযোগ্য ভাঙনি কবিতা কেইটা হ'ল— *সাদৰী* (ৱর্ডচ্ৱর্থৰ Lucy Grayৰ ভাঙনি), *প্রকৃতিলৈ* (শ্বেলীৰ Love's Philosophy) আৰু *মোৰ প্রেম* (এলিজাবেথ বেৰেট ব্রাউনিঙৰ Sonnets from the Portuguessৰ ভাঙনি)। শর্মাই ৱর্ডচ্ৱর্থৰ *ইমমৰেলিটি ওডৰো* কিছু অংশ *অমিল* নামেৰে ভাঙনি কৰিছিল।

পদ্মধৰ চলিহাৰ অনূদিত কবিতা কেইটা হৈছে— *জনমভূমি, প্রেমতত্ত্ব, কাপুৰুষ, তুমি হে কৰুণাময়*। কবিতাকেইটা যথাক্রমে ছাৰ উইলিয়াম স্কটৰ *Patriotism,* শ্বেলীৰ *Love's philosophy*, Cowards die many times before their death আৰু Thou Art O God কবিতাৰ অনুবাদ।

সুখ্যাত ভাঙনিকাৰ থানেশ্বৰ হাজৰিকাই কেম্বেলৰ Lord Ullin's Daughter কবিতাটি *চেতনাত গোহাঞি গাভৰু* নামেৰে প্রকাশ কৰিছিল। *ৰজা গদাধৰ আৰু মকৰা* নামৰ পঢ়াশলীয়া ছাত্র-ছাত্রীৰ মাজত জনপ্রিয় কবিতাটিৰ মূল আছিল— *ৰবার্ট ব্রুচ এণ্ড দ্যা স্পাইডাৰ*। জ্ঞানানন্দ জগতীয়ে মার্কিন কবি থিয়দোৰ টিলটনৰ *অল থিংছ চেল পাচ এৱে'ৰ সকলো নোহোৱা হ'ব* শিৰোনামেৰে ভাঙনি আগবঢ়ায়।

অসমীয়া সাহিত্যৰ বুৰঞ্জী প্রণেতা তথা কবি ডিম্বেশ্বৰ নেওগে প্রায় দুকুৰি ইংৰাজী কবিতাৰ অনুবাদ আগবঢ়াইছে। তাৰে কেইটামান শিশু কবিতাৰ পযায়ভুক্ত। এই শ্রেণীৰ কবিতাৰ ভিতৰত *নিজৰা, ৰামধেনু, মদন, ভাইটি, পখিলা* আদিৰ নাম উল্লেখ কৰিব পাৰি। নেওগে লর্ড টেনিচনৰ *The Brook* কবিতাটি 'তটিনী' নামেৰে

আৰু টেনিচনৰে ড্ৰেমেটিক মন'ল'গ ৰূপে খ্যাত The May Queen কবিতাটি *বিহুৱতী* নামেৰে ভাঙনি কৰিছে। ইংৰাজ কবি ৱর্ডচ্ৱর্থৰ ভালেকেইটি কবিতা নেওগে অনুবাদ কৰিছে। এনে অনুবাদৰ ক্ষেত্ৰত *ফুলা সৰিয়হ ডৰা* (The Daffodils ৰ ভাঙনি), *বকুলি* (Lucy Grayৰ ভাঙনি)ৰ নাম ল'ব পাৰি। নেওগৰ দ্বাৰা অনূদিত আন কেইটামান লেখত ল'বলগীয়া কবিতা হ'ল— *সৌন্দর্য মাধুৰী* (জি বায়ৰণৰ Stanzas for Music), *প্ৰিয়াৰ প্ৰেম* (বেন জনচনৰ To Celia), *শ্ৰদ্ধা-প্ৰীতি* (ক'লনেল লাভলেচৰ To Lucasta on going to the Wars), হৃদয়-ৰাণী (মার্লোৰ The Passionate Shepherd to his Love), *জ্ঞানার্থী* (ৰবার্ট চাথীৰ The Scholar), *মাতৃভূমি* (চাৰ ৱাল্টাৰ স্কটৰ Fatherland) আদি।

শেৱালি কবি ৰত্নকান্ত বৰকাকতিয়ো এগৰাকী দক্ষ ভাঙনিকাৰ। শ্বেলীৰ Love's Philosophyৰ ভাঙনি *প্ৰেমতত্ত্ব* উপৰি Music when soft voices dieৰ ভাঙনি *ভাঙি গ'ল বীণখনি, থামি গ'ল গান,* অতি হৃদয় পৰশ। চুইনবার্ণৰ 'Before Sunset' নামৰ ৰহস্যসন্ধানী কবিতাটো তেওঁ *সূৰ্যাস্তৰ পূৰ্বে* নামেৰে অসমীয়ালৈ অনুবাদ কৰিছে। বৰকাকতীৰ *ফুলৰ চাকি* কবিতাটিও ৰবার্ট ব্ৰাউনিঙৰ প্ৰখ্যাত কবিতা এটিৰ ছায়ানুবাদ। বুৰঞ্জীবিদ আৰু কবি সূৰ্যকুমাৰ ভূঞাৰ *নির্মালিত* সন্নিৱিষ্ট *মৰণ* কবিতাটি মিচেছ হিমেন্সৰ The Hours of Death কবিতাৰ অনুবাদ। ধ্বনি কবি বিনন্দচন্দ্ৰ বৰুৱাৰ *আগিয়াঠুৰীৰ বীৰ* The Incident of The French Camp আৰু *নজলা বীৰৰ মূৰ* ৰবার্ট ছাথীৰ *After Blenheim*ৰ ছায়ানুবাদ। অতুলচন্দ্ৰ হাজৰিকাই ৱর্ডচ্ৱর্থৰ *The Solitary Reaper*ত থকা হাইলেণ্ড লেচক মিকিৰ গাভৰু ৰূপত সজাইছে। ৰোহিতাশ্ব দত্তই এই একেটা কবিতাকে *বিদেশী দাৱনী* নামেৰে অনুবাদ কৰি *জোনাকীত* প্ৰকাশ কৰিছিল।

ভগৱতী প্ৰসাদ বৰুৱাই ৱর্ডচ্ৱর্থৰ *To the Cuckoo* আৰু শ্বেলীৰ To a Skylarkৰ দুটা অনুপম ভাঙনি *সাময়িকী*ৰ যোগেদি প্ৰকাশ কৰিছিল। বৰুৱাই শ্বেলীৰ End of Love আৰু আন কেইটামান কবিতাৰো সাৱলীল অনুবাদ কৰি 'বাঁহী' আলোচনীত প্ৰকাশ কৰিছিল। *পৰাগ* আৰু *হাফেজৰ সুৰৰ* কবি আনন্দচন্দ্ৰ বৰুৱায়ো দুটিমান বিদেশী কবিতাৰ ভাল অনুবাদ অসমীয়া পাঠকলৈ আগবঢ়াইছে। *মিল* আৰু *গৰখীয়া প্ৰেম* বিশেষভাৱে লেখত ল'বলগীয়া। কবিতা দুটা যথাক্ৰমে চুইনবার্ণৰ If Love were that what the Rose is আৰু মার্লোৰ The Passionate Shepherd to his Loveৰ অসমীয়া ভাষান্তৰ।

এনেদৰে দেখা যায় যে ১৮৮৯ চনৰ পৰা ১৯৪০ চন পর্যন্ত অসমীয়া কবিসকলে পাশ্চাত্য ৰোমাণ্টিক কবিতাৰ আৰ্হিৰে অসমীয়া ৰোমাণ্টিক কবিতা সৃষ্টি কৰাতেই ক্ষান্ত নাথাকি পাশ্চাত্য ৰোমাণ্টিক কবিসকলৰ কাব্যকৃতিকো অনুবাদ, অনুকৰণ, পুনঃসৃজনৰ মাজেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ইংৰাজী কবিতাৰ অসমীয়ালৈ হোৱা অনুবাদৰ এক চমু সমীক্ষা দাঙি ধৰক। (২০০টা শব্দৰ ভিতৰত)

.....



১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষা-সাহিত্যৰ এক সুদীর্ঘ আৰু ঐশ্বর্যমণ্ডিত ইতিহাস আছে যদিও আধুনিক অসমীয়া সাহিত্যৰ লগত পুৰণি অসমীয়া সাহিত্যৰ পোনপটীয়া সম্পর্ক নাই। আধুনিক অসমীয়া সাহিত্যৰ মূলতঃ পাশ্চাত্য বিশেষকৈ ইংৰাজী সাহিত্যৰ আর্হি-আদর্শৰ দ্বাৰা প্রভাৱান্বিত।
- ঊনবিংশ শতিকাৰ শেষৰফালে কলিকতাত পঢ়িবলৈ যোৱা অসমীয়া ডেকাসকলে ইংৰাজী সাহিত্যৰ সোৱাদ লাভ কৰাৰ লগতে বংগৰ নৱজাগৰণৰ কাণ্ডাৰীসকলৰ ঘনিষ্ঠতাও লাভ কৰিছিল। ফলস্বৰূপে অসমীয়া ভাষা-সাহিত্যৰ দুৰাৱস্থা সম্পর্কে তেওঁলোকৰ চকু মুকলি হৈছিল। অসমীয়া ভাষা-সাহিত্যৰ অমানিশা দূৰ কৰিবৰ কাৰণেই তেওঁলোকে কলিকতাৰ পৰা *জোনাকী* আলোচনী প্রকাশ কৰি উলিয়ায়। *জোনাকীয়ে* অসমীয়া সাহিত্যলৈ পাশ্চাত্যৰ ৰোমাণ্টিক ভাবধাৰা বোৱাই আনে।
- *জোনাকীয়ে* কঢ়িয়াই অনা পাশ্চাত্যৰ ৰোমাণ্টিক চেতনাৰ বাবেই অসমীয়া সাহিত্যই (গল্প, উপন্যাস, বিবিধ কবিতা, ভিন্নধর্মী প্রবন্ধ, সমালোচনা, ট্রেজেদী, কমেডী, প্রহসন শ্রেণীৰ নাটক আদি) বিভিন্ন শাখা-প্রশাখাৰে নতুনৰ বাট মোকলাই ল'বলৈ সক্ষম হ'ল।
- ৰোমাণ্টিকতাৰ মূল বিষয়েই হৈছে গভীৰ মানৱতাবাদী চেতনা। অসমীয়া সাহিত্যত ঘটা ৰমন্যাসিক আলোড়নৰ ফলস্বৰূপেই পুৰণি অসমীয়া সাহিত্যত নথকা এই মানৱতাবাদী চেতনা আধুনিক অসমীয়া সাহিত্যত প্রৱেশ ঘটিল।
- ৰোমাণ্টিক আলোড়নৰ ফলস্বৰূপেই পাশ্চাত্যৰ কবি-দার্শনিকসকলৰ চিন্তা-চেতনা-দর্শনে অসমীয়া পঢ়ুৱৈৰ মন-মগজুকো চুই গ'ল। পাশ্চাত্য চিন্তা-দর্শনৰ পোহৰত অসমীয়া কবি-সাহিত্যিকসকলেও নতুন বাটেৰে গতি কৰিবলৈ সুবিধা পালে।
- বিশেষকৈ অসমীয়া কবিতাত নতুন নতুন ভাব-চিন্তাৰ সমাবেশ ঘটিল। পুৰণি অলংকাৰ, কবি প্রসিদ্ধি আদি দলিয়াই পেলোৱা হ'ল। ৰমন্যাসিক কবিতাৰ ঘাই বিশেষত্ব কবিতাত কবিৰ আত্মপ্রকাশ অসমীয়া কবিতাৰো ঘাই বিষয় হৈ পৰিল। পাশ্চাত্যৰ চিন্তা-দর্শনৰ সমান্তৰালকৈ ভাৰতীয় দর্শন আৰু অসমীয়া বৈষ্ণৱী চিন্তাধাৰাৰ লগতে লোক-গীত, লোককথা আদিয়েও অসমীয়া ৰোমাণ্টিক কবিতাক চহকী কৰি তুলিলে।



১.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ (২০১৫); অসমীয়া সাহিত্যৰ বুৰঞ্জী, পঞ্চম খণ্ড উত্তৰ গুৱাহাটী ঃ আবিলেক।

২) দাস, নাৰায়ণ আৰু পৰমানন্দ ৰাজবংশী (সম্পা.) (২০১৪); অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) নাথ, ধ্ৰুৱজ্যোতি (সম্পা.) (২০০০); চন্দ্ৰকুমাৰ কবিতাৰ বিচাৰ-বিশ্লেষণ, ডিব্ৰুগড় ঃ বনলতা।

৪) নেওগ, মহেশ্বৰ (২০০০); অসমীয়া সাহিত্যৰ ৰূপৰেখা, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) বৰুৱা, দিলীপ (২০০৪); ষোৱা শতিকাৰ কবিতা অসমীয়া নৱন্যাসী সাহিত্যৰ পৰম্পৰা, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৬) ফুকন, কবীন (২০০৩); চন্দ্ৰকুমাৰ আগৰৱালা, নতুন দিল্লী ঃ সাহিত্য অকাডেমি।

৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০১); অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী ঃ প্ৰতিমা দেৱী।

৮) আহমেদ, এম. কামালুদ্দিন (২০১৫); ৰমন্যাসবাদ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা, গুৱাহাটী ঃ বনলতা।



১.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্ন উত্তৰ ঃ পুৰণি অসমীয়া কবিতা আছিল বস্তুনিষ্ঠ তাৰ বিপৰীতে আধুনিক ৰোমাণ্টিক কবিতা ব্যক্তিনিষ্ঠ.....প্ৰকৃতিৰ চিত্ৰণত পাৰ্থক্য..... মানৱীয় চেতনাৰ বহিৰ্প্ৰকাশ.....কবিতাত সাধাৰণ বস্তুৰ স্থান লাভ.....লোক জীৱনৰ প্ৰতি কবিৰ আকুলতা.....।

২নং প্ৰশ্ন উত্তৰ ঃ *জোনাকী* যুগৰ অসমীয়া সাহিত্যিকসকলৰ ঘাই উদ্দেশ্য আছিল অসমীয়া সাহিত্যৰ আৰ্হি স্থাপন কৰা। সেয়েহে তেওঁলোকে স্বসৃষ্টি বা স্বঅভিজ্ঞতা প্ৰকাশতকৈ অনুসৃষ্টিৰ ওপৰত গুৰুত্ব দিছিল.....। লক্ষ্মীনাথ বেজবৰুৱা..... আনন্দচন্দ্ৰ আগৰৱালা..... যতীন্দ্ৰ নাথ দুৱৰা..... আদি কবিৰ দ্বাৰা অনূদিত কবিতাৰ আভাস.....।



১.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া ৰোমাণ্টিক কবিতাৰ পৃষ্ঠভূমি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ পাশ্চাত্যৰ ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ অসমীয়া কবিতাত কেনেদৰে ৰক্ষিত হৈছে দেখুৱাওক।

প্ৰশ্ন ৩ ঃ 'পাশ্চাত্য ৰোমাণ্টিক কবিতাৰ আৰ্হি সংগ্ৰহণেৰে অসমীয়া ৰোমাণ্টিক কবিতা বৈচিত্ৰ্যময় আৰু বৈবিধ্যময় হৈ উঠিল'— কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ পাশ্চাত্য ৰোমাণ্টিক কবিসকলৰ প্ৰভাৱ অসমীয়া ৰোমাণ্টিক কবিৰ কবিতাত ক'ত কেনেদৰে পৰিছে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ *জোনাকী* যুগৰ কবিসকলে স্বসৃষ্টিৰ সমান্তৰালকৈ পাশ্চাত্য ৰমন্যাসিক কবিৰ কবিতা অনুবাদতো আন্তৰিকতাৰে নিয়োজিত হৈছিল— ইয়াৰ কাৰণ কি আছিল?

*** ***** ***

অধ্যায় ২ ঃ অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৯৪০ৰ পৰা ২০০০ লৈ)

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ আধুনিক অসমীয়া কবিতাৰ পটভূমি আৰু বৈশিষ্ট্যসমূহ

২.৪ অসমীয়া কবিৰ কবিতাত পাশ্চাত্য আধুনিক কবিসকলৰ প্রভাৱ

২.৫ পাশ্চাত্যৰ আধুনিক কবিৰ কবিতাৰ অসমীয়া অনুবাদ

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া কবিতাৰ পটভূমি সম্পর্কে জানিব পাৰিব
- আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তু আৰু আংগিকৰ ক্ষেত্রত পৰিলক্ষিত বিশেষত্বসমূহৰ বিষয়ে জানিব পাৰিব
- পাশ্চাত্যৰ দেশসমূহৰ কবিতাই আধুনিক অসমীয়া কবিতাক কিদৰে সমৃদ্ধি দান কৰিছে, সেই বিষয়ে অৱগত হ'ব
- পাশ্চাত্যৰ ভিন্ন দেশীয় কবিতাৰ অসমীয়া অনুবাদ সম্পর্কে জানিব পাৰিব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ'ৰ অন্তর্গত এইটো দ্বিতীয় অধ্যায়। এই অধ্যায়ত আধুনিক অসমীয়া কবিতা (বিশেষকৈ কুৰি শতিকাৰ চল্লিশৰ দশকৰ পৰা ২০০০ চনলৈ)ত পাশ্চাত্যৰ প্রভাৱ কিদৰে অনুভূত হয়, সেই বিষয়ে আলোচনা কৰা হ'ব। পাশ্চাত্য সাহিত্যৰ কোনবোৰ গুণ-বৈশিষ্ট্যৰ প্রভাৱত অসমীয়া সাহিত্যই কিদৰে আধুনিকতাৰ পৰশ লভিলে, সেই বিষয়ে আলোচিত হ'ব।

২.৩ আধুনিক অসমীয়া কবিতাৰ পটভূমি আৰু বৈশিষ্ট্যসমূহ

অসমত যোৱা শতিকাৰ চল্লিশৰ দশকৰ পৰা সাম্প্রতিক সময়লৈকে এই যুগটোক 'আধুনিক যুগ' বুলি কোৱা হয় আৰু এই সময়ছোৱাত ৰচিত নতুন ধাৰাৰ সাহিত্যকে আধুনিক অসমীয়া সাহিত্য বোলা হয়। এইখিনিতে 'আধুনিক' আৰু 'আধুনিকতা' পৰিভাষা দুটাৰ অর্থ চালি-জাৰি চোৱাটোও অতীৱ প্রয়োজন। বাস্তৱিকতে 'আধুনিক' শব্দটোৱে অতি সাম্প্রতিক অৱস্থা বুজায় যদিও সাহিত্যত 'আধুনিক' আৰু 'আধুনিকতা' শব্দ দুটাৰ তাৎপর্য অতি গভীৰ আৰু ব্যাপক। সাহিত্যত 'আধুনিক' শব্দটোৰ দ্বাৰা আমি কাল-নিৰপেক্ষ স্থিৰ গুণাগুণ কিছুমানো আঙুলিয়াব খোজোঁ। আধুনিকতাই এফালে স্থান-কালৰ আঁচোৰো গা পাতি লয়; আনফালে কিছুমান সাধাৰণ অপৰিৱর্তিত লক্ষণকো নির্দেশ কৰে। স্থান আৰু কাল ভেদে আধুনিকতাই কিছু দূৰ আৱৰণ আৰু আভৰণ সলায়; কিন্তু সলনিৰ মাজতো অনন্ত হৈ থকা বিশেষ গুণৰ প্রতিও আধুনিকতাই আঙুলিয়ায়।

কাব্য সাহিত্যত প্রকাশ পোৱা আধুনিক প্রবৃতি আৰু প্রেৰণা মূলতঃ ঐহিক, অর্থাৎ ইহ-জগত সম্পর্কিত। ঐশিক বা ঈশ্বৰ-কেন্দ্রিকতাৰ প্রতি বিমুখ হৈ ঐহিক হৈ অহা চিন্তা-চেতনাই আধুনিক বা আধুনিকতাৰ ৰূপ দিয়ে। আধুনিক শিল্প-সাহিত্যই মাটিৰ ৰূপ-ৰস-গোন্ধ থকা লৌকিকতাক প্রাধান্য দিয়ে। লৌকিক আৰু ঐহিকৰ দ্বাৰা নির্ধাৰিত জীৱন দৃষ্টি আধুনিক কবিতাৰ প্রাথমিক বুনিয়াদ।

আধুনিকতা মূলতঃ অযৌক্তিক আৰু ৰহস্যবাদী প্রত্যয় আৰু সংগ্রামবিমুখ আত্মসন্তুষ্টিৰ বিপৰীতে সময়ত পৰিশ্রান্ত কিন্তু সাধাৰণতঃ সজীৱ, সজাগ, সক্ষম আৰু সংঘাতময় জীৱন-জিজ্ঞাসা। জীৱন-ৰহস্য ভেদিবৰ বাবে কর্মঠ হোৱা অবিশ্রান্ত আনুভূতিক আৰু বৌদ্ধিক উত্তেজনা-অনুসন্ধিৎসাৰ পৰা আধুনিকতা ওপজে। স্থিৰ বিশ্বাস আৰু অস্থিৰ সংশয় সাঙোৰ খাই থকা জীৱন-চেতনা আধুনিকতাৰ উহঁ। পূর্বসূৰীয়া জীৱনত সোমাই থকা মায়াৰ ইন্দ্রজাল ভেদি নির্মম-নির্মোহভাৱে প্রকৃত সত্য উদ্‌ঘাটনেই আধুনিকতাৰ লক্ষ্য। অৱশ্যে আধুনিকতায়ো কেতিয়াবা নতুন মায়াজালৰ সৃষ্টি কৰিব পাৰে। কিন্তু এই কথা সন্দেহাতীত যে আধুনিক জীৱন-জিজ্ঞাসা কোনো সিদ্ধান্ততে থৰ নালাগে। জীৱন আৰু জগতৰ দ্বন্দ্বমূলক অৱস্থানৰ বিষয়ে সজাগ কাৰণে আধুনিক মনে কোনো লৌকিক বা অলৌকিক সিদ্ধান্তকে শেষ সিদ্ধান্ত বুলি অন্বেষণ সামৰি নথয়।

জীৱনবোধ জটিল হোৱা বাবেই আধুনিক কবিতা সন্ধানী, বিশ্লেষণী আৰু সহজ-সিদ্ধান্তবিমুখী। আধুনিক কাব্য-চেতনাত বিলোপবিভোলতা আৰু প্রবোধবিলাসৰ ঠাই নাই। নির্মম-নির্মোহ বাস্তৱবোধেই আধুনিকতাৰ বুনিয়াদ। এটা সৰল অনুভূতিৰ সলনি কেইবাটাও অনুভূতিৰ জটিল সংযোজনে আধুনিক কবিতাত ঠাই পায়। ফলস্বৰূপে আনুভূতিক আৰু মনন-চিন্তনধর্মী মেৰপাকবোৰ কবিতাৰ ঠাঁচ, ৰীতি, ভংগী, ব্যঞ্জনা আদি সকলোতে ফুটি ওলায়। ফলত এনে কবিতাই সংবেদনশীল পঢ়ুৱৈৰ বোধশক্তি বহল আৰু গভীৰ কৰে।

সাধাৰণতে বোধি-প্রাধান্যক আধুনিক কবিতাৰ লক্ষণ বুলি কোৱা হয়। প্রবল আবেগৰ

সৈতে তীক্ষ্ণ কিন্তু সংযমী মনন বা বোধিৰ সংশ্লেষণে, সাদৃশ্যৰ মাজত বৈসাদৃশ্য আৰু বৈসাদৃশ্যৰ মাজত অপ্রত্যাশিত সাদৃশ্য বিচৰাৰ বিজ্ঞানসূলভ উদ্দীপনাই, ঐহিক আৰু ঐশিকৰ মাজত বিস্ফোৰিত বিৰোধ আৰু সংস্থাপনে, মনৰ ৰহস্যৰ ভিতৰলৈ অনুসন্ধানী আৰু বন্ধনমুক্ত অভিযানে আৰু সাধাৰণ কথিত ভাষাত সুপ্ত অসাধাৰণ কাব্য দৃষ্টিৰ উন্মেষে কাব্যকথা বা কাব্য-ৰূপক আধুনিকতা দিব পাৰে।

আধুনিক কবিতাৰ সৃষ্টিত অতীত চেতনা এক কেন্দ্রীয় উপাদান। অতীত-চেতনা মানে অতীত-বিলাস নহয়, ঐতিহ্য চেতনাহে। আধুনিক কবিতা যাতে অন্তঃসাৰশূন্য নহয় তাৰ কাৰণে অতীত-বর্তমান-ভৱিষ্যৎ এই তিনিও কালৰে শিহৰণ কবিতাত জটিল কিন্তু সমাহিত ৰূপত প্রকাশ পাব লাগিব। বুদ্ধিদীপ্ত আৰু বিশ্লেষণমূলক ইতিহাস-চেতনাইহে অতীত-প্রীতিক বিভ্রম বা মায়াৰ পৰা নিলগাই বাস্তৱমুখী কৰি তোলে। কেৱল সাম্প্রতিক বাস্তৱবোধেই আধুনিক কাব্যসাধনাত যথেষ্ট নহয়। সেয়ে ক'ব পাৰি যে আধুনিক কবিতাত কবিৰ মনন আৰু জীৱনদৃষ্টিয়ে সাম্প্রতিকৰ মোহনাতে দিক্ নেহেৰুৱাই যৌক্তিক বিচাৰত ভৱিষ্যতলৈকো টোঁৰায়। এনেকৈয়ে তিনিওকালৰ মানুহৰ আৰু সমগ্র পৃথিৱীৰ শিহৰণৰ সংশ্লেষণ আধুনিক কবিতাৰ মাজত অৱস্থান কৰে। সাংস্কৃতিক-ৰাজনৈতিক ভিন্নতাৰ মাজত স্থিৰ মানৱীয় মূল্যৰ চেতনা আধুনিক কাব্য-মানসৰ কেন্দ্রবিন্দু হৈ পৰে।

কালৰ দৰে স্থানেও আধুনিকতাৰ চৰিত্র আৰু মাত্রা নির্ণয়ত গুৰুতৰ ভূমিকা গ্রহণ কৰে। স্থান ভেদে অর্থনৈতিক-ৰাজনৈতিক আৰু সামাজিক-সাংস্কৃতিক জীৱনৰ অসমান ঐতিহাসিক বিকাশ ঘটে। যি দেশত অর্থনৈতিক-ৰাজনৈতিক বিকাশ আগতীয়া আৰু খৰতকীয়া সেই দেশত চিন্তা-চেতনাও আগবঢ়া। স্বাভাৱিকতে জনজাতীয় সমাজতকৈ সামন্তীয় আৰু সামন্তীয় সমাজতকৈ পুঁজিবাদী আৰু সমাজবাদী অৱস্থানত ধীশক্তি আৰু অন্তর্দৃষ্টিৰ পৰিসৰ আৰু গভীৰতা অধিক হয়। দেখ দেখকৈয়ে প্রাচ্যৰ প্রায়বোৰ দেশৰ সাম্প্রতিক সমাজতকৈ পাশ্চাত্যৰ সমাজ বেছি যুক্তি আৰু বিজ্ঞাননির্ভৰ, পশ্চিমীয়া মনৰ আত্মচেতনা আৰু ইতিহাস চেতনাৰ আধুনিক অভিব্যক্তি প্রাচ্যৰ সমাজতকৈ তুলনামূলকভাৱে অধিক আগবঢ়া। সেয়েহে আজি যিবোৰ বাস্তৱ-সজাগ কাব্যিক শিহৰণ সহজে আধুনিক বুলি গ্রাহ্য সেইবোৰৰ সৰহভাগেই পশ্চিমীয়া জীৱনধাৰাৰ পৰা নিগৰি ওলোৱা। অৱচেতন অৱদমনৰ মনোবিজ্ঞান, বৈজ্ঞানিক দ্বন্দ্বমূলক বস্তুবাদ, প্রতীকবাদ, চিত্র কল্পবাদ, জীৱনবোদ আৰু ধীশক্তিৰ ঐহিকতা আৰু ঐহিক আৰু ঐশিকৰ মাজত সংঘাতৰ চেতনা, বিজ্ঞানসম্মত ইতিহাস-চেতনাৰ তত্ত্ব আৰু ব্যৱহাৰ, জ্ঞান-বিজ্ঞানৰ নতুন বিভাগীকৰণ আৰু প্রতিষ্ঠা আদিবোৰ প্রাচ্যৰ মানুহে ভূ পোৱাৰ আগতেই পাশ্চাত্যৰ দেশসমূহতে সূচনা হয়। বিজ্ঞান চর্চাৰ বাবে অতীৱ প্রয়োজনীয় পৈণত যৌক্তিক গদ্যৰ গঢ় আৰু পদ্য কৌশল-গদ্য কৌশলৰ মাজত আন্তঃক্রিয়াও প্রাচ্যৰ তুলনাত পাশ্চাত্যৰ সমাজতেই আগতীয়া। এনেদৰে পাশ্চাত্যত উদ্ভূত ন-ন জ্ঞান-বিজ্ঞান দর্শনৰ চিন্তা পাশ্চাত্যৰ লগতে প্রাচ্যৰ আনুষ্ঠানিক আৰু অনা-আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত মনত প্রবাহিত হ'বলৈ লয়। কবিতাৰ আধুনিকতাৰ ভাব-ভাষা অসমীয়া মননসৃষ্ট হয়। সেয়া পশ্চিমৰ পৰাহে আহৰিত। সাংস্কৃতিক বিনিময় বা সংশ্লেষণৰ যোগেদি আধুনিক ভাব-ভাষা অসমীয়া কবিতা আৰু সাহিত্যৰ মাজত সোমালহি।

ৰমন্যাসিক অসমীয়া কবিতা যিদৰে পাশ্চাত্যৰ সাহিত্যৰ প্রভাৱৰ দ্বাৰা পৰিপুষ্ট; ঠিক একেদৰে আধুনিকতাবাদী অসমীয়া কবিতাও পাশ্চাত্য প্রভাৱৰে শুভ ফল। বিগত শতিকাৰ তৃতীয় দশকলৈ অসমীয়া ৰমন্যাসিক কাব্যধাৰাটো লাহে লাহে স্তিমিত হ'বলৈ ধৰে। ভাৰতৰ স্বাধীনতা আন্দোলন, দ্বিতীয় বিশ্বযুদ্ধৰ আৱহাৱা আৰু অন্তর্মহাদেশীয় সম্পর্কই অসমীয়া কবিসকলক ৰোমাণ্টিকতাৰ পৰা আঁতৰাই বাস্তৱমুখী কৰি তুলিলে। কবিতা 'নিৰলাত সোঁৱৰা হিয়াৰ আৱেগ'ৰ সলনি নতুন দল কবিয়ে বুদ্ধিনির্ভৰ কচৰৎ হিচাপে গ্রহণ কৰিলে। জীৱনৰ ঘাত-প্রতিঘাত, দুখ-যন্ত্রণা আদি ৰমন্যাসিক কবিসকলে ঈশ্বৰৰ দান বুলি আত্মসন্তুষ্টি লভাৰ বিপৰীতে নতুন কবিসকলে এইবোৰক জীৱনৰ প্রত্যাহ্বান হিচাপে গ্রহণ কৰিবলৈ ল'লে। ৰোমাণ্টিক কবিসকলে সমগ্র পৃথিৱীখন সুন্দৰ দেখাৰ বিপৰীতে আধুনিক কবিদলে পৃথিৱীৰ কদর্যতাখিনিও আৱিষ্কাৰ কৰিলে এইসকল কবিৰ আদর্শ হ'ল— কার্লমার্ক্স, মায়ক'ভস্কি, মার্লাম, ৱিল্কে, বোডলিয়াৰ, এলিয়ট, হিউম, ওডেন, স্পেণ্ডাৰ আদি বুদ্ধিনিষ্ঠ পাশ্চাত্য কবিসকল। ফ্রয়েডীয় মনোবিজ্ঞানৰ প্রভাৱ, সমাজবাদী চিন্তাধাৰাত আস্থাশীলতা, স্থানবিশেষে চিন্নমূল মনোভাব, নগৰকেন্দ্রিক যান্ত্রিক সভ্যতাৰ অভিঘাত, নানা দেশৰ কাব্য আৰু পৌৰাণিক কাব্যৰ উল্লেখ, উদ্ধৃতি আৰু নতুন প্রতীকাত্মক প্রয়োগ, প্রাচীন ছন্দসজ্জাৰ পৰিহাৰ আৰু মুক্তক ছন্দ, স্পন্দিত গদ্য আদিৰ বহুল প্রচলন, শব্দৰ আভিধানিক অর্থ অতিক্রমী অভিধাৰিক্ত ব্যঞ্জনা, অনুভৱ আৰু বুদ্ধিনিষ্ঠতাৰ সমন্বয়, অৱচেতন মনৰ অসংলগ্ন খণ্ড খণ্ড অনুভৱৰ টুকুৰাবোৰৰ যথাযথ চিত্রণৰ প্রয়াস প্রতীকৰ প্রচুৰ প্রয়োগ আৰু যৌনকামনাৰ ইঙ্গিত আৰু প্রকাশভংগীৰ একান্ত, বৈয়ক্তিক আৰু অনর্গল প্রয়োগ, চিৰাচৰিত সামাজিক মূল্যবোধৰ প্রতি আস্থাহীনতা, উদ্যোগ প্রদান নাগৰিক সভ্যতাৰ প্রতি ক্লান্তিবোধ, পুৰণি কবি প্রসিদ্ধিৰ ঠাইত যুগপ্রতীকী ন ন চিত্রকল্পৰ সৃষ্টি, ন ন উপমাৰ প্রয়োগ আদিবোৰ আধুনিক কবিতাৰ বিশেষত্ব হিচাপে পৰিগণিত হ'ল।

২.৪ অসমীয়া কবিৰ কবিতাত পাশ্চাত্য আধুনিক কবিসকলৰ প্রভাৱ

আধুনিক অসমীয়া কবিতাৰ শুভাৰম্ভণি ঘটিছিল মাক্সীয় চেতনাপ্রসূত প্রগতিবাদী চিন্তাধাৰাৰ কবিতাৰ জৰিয়তে। শ্রেণী চেতনাৰ প্রকাশ আৰু শ্রেণী সংগ্রামৰ আহ্বান থকা প্রথম অসমীয়া কবিতা লিখিছিল ত্রিছৰ দশকৰ মাজভাগত গোলাঘাটৰ ধীৰেন্দ্র নাথ দত্তই। তেওঁ *জয়ন্তী* আলোচনীৰে আগৰে *জয়ন্তী* যুগৰ বাটকটীয়া কবি আছিল। *অভিযান* নামৰ তেওঁৰ কবিতা পুথি প্রকাশ পাইছিল ১৯৩৫ চনত। *কাঠমিস্ত্রীৰ ঘৰ* দত্তৰ আটাইতকৈ চর্চিত উত্তম সৃষ্টি। দত্তৰ পাছতেই আধুনিক অসমীয়া কবিতাৰ ধাৰাটোক অধিক শক্তিশালী কৰি তোলে *জয়ন্তী* (১৯৪৩-৪৯) আলোচনীয়ে। *জয়ন্তীয়ে* সুস্পষ্ট ইস্তাহাৰেৰে আধুনিকতাৰ সূচনা দিয়ে আৰু ৰোমাণ্টিক কাব্যৰ বাস্তৱবিমুখ, কল্পনাসর্বস্ব কাব্যৰ বিৰুদ্ধে ক্রান্তিকাৰী চেতনা আৰু সমাজবাদী ধাৰণাৰ বাহক স্বৰূপে কবিতাক প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰে। *জয়ন্তীৰ* পাতত প্রগতিবাদী অসমীয়া আধুনিক কবিতা বাটকটীয়াসকলৰ ভিতৰত অমূল্য বৰুৱা, ভৱানন্দ দত্ত অন্যতম। বৰুৱাৰ *বেশ্যা, কুকুৰ, কয়লা* আদি কবিতা আছিল আগেয়ে অ-কাব্যিক বুলি বিবেচিত বিষয়ৰ কাব্যৰূপ। চল্লিশৰ দশকৰ

সংৰক্ষণশীল মধ্যবিত্ত অসমীয়া পটুৱৈৰ বাবে *বেশ্যা* শিৰোনামটোও আছিল অতিশয় নাভূত-নাশ্রুত আৰু অস্বত্বিকৰ। বৰুৱাৰ কবিতাৰ অগতানুগতিক বিষয় আৰু প্রকাশ-ভংগীৰ নতুনত্ব আছিল আধুনিক অসমীয়া কবিতাৰ বাবে গুৰুত্বপূর্ণ। *জয়ন্তীৰ* আন এজন প্রগতিশীল ৰমন্যাসবিৰোধী কবি আছিল ভৱানন্দ দত্ত। প্রগতিশীল কবিতাৰ ইস্তাহাৰৰ ঘাই প্রৱর্তক দত্তই সজ্ঞান মার্ক্সবাদী আদর্শেৰে *নাচিকেতা* ছদ্মনামত লিখা *ৰাজপথ, পাউদাৰ* আদি কবিতা সেই সময়ৰ কাব্য ভাৱনাৰৰ তাৎপর্যপূর্ণ নিদর্শনেই নহয় কবিতাৰ ভাবজগতত বস্তুগত বহির্জগত প্রতিষ্ঠাত এক ঐতিহাসিক ভূমিকা পালন কৰিছিল। অমূল্য বৰুৱাৰ নিচিনাকৈয়ে দত্তই অগতানুগতিক কাব্যছন্দ এৰি অসমীয়া ভাষাত গদ্য ছন্দৰ পৰীক্ষা কৰিছিল। *ৰাজপথ* নামৰ কবিতাত মহানগৰৰ বিলাসবৈভৱৰ মাজত *শূন্য ভিক্ষা পাত্র লৈ শুই পৰা/মৃতপ্রায় কংকাল...* ৰাজপথত যি কল্পচিত্র আঁকিছিল সেয়া আহিল সেই সময়ৰ বাবে অভিনৱ।

এই সময়ছোৱাতে ভৱপ্রসাদ ৰাজখোৱাই *মুটীয়া, ৰিক্সাৱালা, পৰিচয়, বিদ্রোহী বিধৱা* আদি কবিতাত নিষ্পেষিতৰ প্রতি সহানুভূতি প্রকাশ কৰিছিল। প্রগতিশীল সমাজ চেতনাৰ আন এজন অগ্রজ কবি সিদ্ধেশ্বৰ তামুলীয়ে *বেশ্যা, আইচক্রিমৱালা, কুলি* আদি কবিতাত অৱহেলিতজনৰ বাস্তৱধর্মী চিত্র অংকনেৰে তেওঁলোকৰ অভিযোগ ফুটাই তুলিছিল—

আমি কৰোঁ পৰিশ্রম
শৰীৰৰ ৰক্তপাত কৰি,
পুঁজিপতি কোটিপতিহঁতে
বিলাসী বিশ্রাম কৰে... (*কুলি*)

আব্দুছ ছাত্তাৰেও সময়ৰ ৰূঢ় বাস্তৱক ফুটাই তুলি বিদেশী সাম্রাজ্যবাদী আৰু স্বদেশী অনুচৰক ব্যঙ্গাত্মক আক্রমণ কৰি কেইবাটাও কবিতা লিখিছিল। আধুনিক কাব্যধাৰা প্রাচীন নিয়মৰ অধীন ছন্দ পদ্ধতিৰ সলনি মুক্তক ছন্দৰ ওপৰত অধিক নির্ভৰশীল। চল্লিছৰ দশকতে কাব্য-সাধনাত প্রবৃত্ত হোৱা মহেশ্বৰ নেওগৰ *অন্ত্যজা* আছিল প্রথম অসমীয়া মুক্তক ছন্দৰ কবিতা। কবিতাটোত ৰমন্যাসিক আৰু অৰমন্যাসিক আধুনিকতাৰ সন্মিলন ঘটিছে। বিপৰীতধর্মী শিহৰণৰ সংশ্লেষণ আধুনিক কাব্যদৃষ্টিৰ এক বুনিয়াদ; *অন্ত্যজাৰ* শেষৰ দুশাৰীত এনে বুনিয়াদে স্মৰণীয় ৰূপ লৈছে বুলিব পাৰি ঃ

বাস্তৱৰ পংক ভেদি উঠা ব্যথাক্লিষ্ট পদুম-সপোন
লক্ষ্যহীন সৌন্দর্যৰ লখিমী গোসাঁনী।

জয়ন্তীৰ পাতত অংকুৰিত হোৱা আধুনিক অসমীয়া কবিতাক *পছোৱা আৰু ৰামধেনুৰ* মাজেৰে আগুৱাই নি সুনির্দিষ্ট ৰূপ-ৰীতি প্রদান কৰা কবিজনেই হেম বৰুৱা। হেম বৰুৱাৰ হাততেই আধুনিক কবিতাৰ শব্দ সম্ভাৰ, লয়, ধ্বনি মিহি আৰু কোমল হৈ অধিক ব্যঞ্জনাক্ষম হৈ উঠে। অসমীয়া কাব্যজগতলৈ আধুনিক পশ্চিমীয়া জীৱনবোধ আৰু কাব্যবোধৰ সুঁতি বোৱাই আনি, পশ্চিমীয়া ভাবাবেগ আৰু ভংগীৰ সৃজনীশীল সালসলনি ঘটাই অসমীয়া কবিতাক সজীৱ, অর্থপূর্ণ, নতুন ৰেহ-ৰূপ দিয়াত হেম বৰুৱাৰ ভূমিকা অতি গুৰুত্বপূর্ণ। আঁৰ-বেৰ নোহোৱা সংযমী, মৃদুল

কাব্যিকতাৰে সঁচা আধুনিক কবিতা লিখাৰ সুদৃঢ় সূচনাক ধাৰাবাহিক কৰি তোলাত তেওঁৰ বৰঙণি আছিল প্ৰচুৰ। অসমীয়া কাব্য-কথনলৈ তেওঁ সুমুৱাই আনিছিল আধুনিক ঠাঁচৰ অভূতপূৰ্ব স্বৰজনিত বৈচিত্ৰ্য ঃ

বুৰঞ্জীৰ ৰঙা নীলা পাত
আমাৰ কাৰণে হায় বুৰঞ্জী নিমাত...
(নিমাতী চাপৰি)

চল্লিছৰ দশকত অসমীয়া শিক্ষিত মানসত আন্তৰ্জাতিক দৃশ্যপট স্পষ্টকৈ উদয় হৈছিল। সেয়েহে বৰুৱাৰ কবিতাত আন্তৰ্জাতিক দৃশ্যপট সুলভ। আধুনিক ইউৰোপীয় চিন্তা-চেতনা হেম বৰুৱাৰ কবি মানসত কিছু গভীৰ আৰু বহল হৈছিল। ইংৰাজী সাহিত্যৰ ছাত্ৰ আৰু শিক্ষক হিচাপে আৰু পিছলৈ কৌতুহলবশতঃ পঢ়া পাউণ্ড, লৰেন্স, এলিয়ট আদিৰ কবিতাই হেম বৰুৱাৰ কবি প্ৰাণক স্বাধীন আত্মপ্ৰকাশৰ বাবে উচটাইছিল। সেয়েহে চীনা কবিতা এটা এজৰা পাউণ্ডে কৰা ৰূপান্তৰক প্ৰেৰণা হিচাপে লৈ ৰচনা কৰা *মমতাৰ চিঠিও* হৈছিল এক অনুপম মৌলিক সৃষ্টি।

আধুনিক কবিতাৰ আন এক বিশেষত্ব প্ৰতীকবাদী কাব্যৰীতিৰ আৰ্হি গ্ৰহণ কৰোঁতা প্ৰথম গৰাকী আধুনিক অসমীয়া কবিও হেম বৰুৱা। ইংগ-মাৰ্কিন কবি এলিয়টৰ দ্বাৰা প্ৰভাৱিত হৈছিল যদিও এলিয়টৰ দৰে জটিল প্ৰতীক আৰু দুৰ্গম পু�ৰাণ আশ্ৰিত প্ৰতীক ব্যৱহাৰ কৰা নাছিল। এইবোৰৰ সৰহ সংখ্যকেই সাৰ্বজনীন আৰু ভাৰত তথা অসমীয়া মানসৰ বাবে পৰিচিত। ৰাম, সীতা, জৰাসন্ধ, শকুন্তলা ইত্যাদি সহজবোধ্য প্ৰতীক ব্যৱহাৰ কৰিছিল। অসমীয়া লোকজীৱনৰ পৰাও তেওঁ প্ৰতীক গ্ৰহণ কৰিছিল— 'ছাগলীয়া শিঙীয়া জোনটোৰ জীৱন সত্তা', 'মেজিৰ নৃত্যৰতা জুই', 'বাহিৰৰ উৰুঙা বতাহ জাক' ইত্যাদি। হেম বৰুৱাৰ ওপৰত এলিয়টৰ প্ৰভাৱ পোনপটীয়া নাছিল যদিও জীৱন-বাস্তৱৰ, মহানগৰৰ মলিন্য আৰু কদৰ্যতা প্ৰকাশত এলিয়টধৰ্মী চিত্ৰকল্প দেখিবলৈ পোৱা যায়—

ঘোলা কণীৰে সেকা
অমলেটৰ দৰে
ৰ'দে পোৰা নগ্ন এই পৃথিৱীৰ গোন্ধ
(জীৱনৰ ৰং)

আধুনিক অসমীয়া কবিতাৰ ইতিহাসত এখন ঘাই আসন লভা নৱকান্ত বৰুৱাৰ কবিতাত ৰবীন্দ্ৰ নাথ, খলিল জিব্ৰান, মায়কভ্চ্কি, হুইটমেন, এলিয়ট আদিৰ প্ৰভাৱ জীন গৈছে। সময়-প্ৰবাহত জীৱন-জীৱিকাৰ সংঘাত, উদ্যম-অনুদ্যম, জগত আৰু চেতনাৰ দ্বন্দ্বক আধুনিক ভাষাৰে তেওঁৰ কবিতাত ফুটাই তুলিবলৈ সক্ষম হৈছে। তেওঁৰ প্ৰথমখন কবিতা পুথি *হে অৰণ্য হে মহানগৰ* (১৯৫১) অসমীয়া আধুনিক কবিতাৰ মাইলৰ খুঁটি। আধুনিকতাৰ লক্ষণ স্বৰূপ নগৰ-চেতনাই তেওঁৰ আদি স্তৰৰ কবিতাক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। বৌদ্ধিক চৰ্চাৰ কেন্দ্ৰবিন্দু হ'লেও মহানগৰৰ জীৱনৰ জটিলতা, নিসংগতাবোধ, আত্মিক অৱক্ষয় আদিৰে পৰিপূৰ্ণ। টি. এছ. এলিয়টে মহানগৰক বন্ধ্যাত্বৰ প্ৰতীক হিচাপে অংকন কৰিছিল। মহানগৰীৰ নিশ্চল আৰু প্ৰত্যয়

হীন জীৱনক গণিকা জীৱনৰ প্রাত্যহিক অভিযাৰৰ লগত তুলনা কৰিছে—

সৰীসৃপ ক্রূৰ মৃত্যু... সপিল জীৱন,
পলাতক দৈনন্দিন নিয়ন-উজ্জ্বল গধূলিৰ
ৰঙা নীলা শেঁতা মুখ
হেনা মধুবালা আৰু অলকানন্দাৰ

(হে অৰণ্য হে মহানগৰ)

T. S. Eliot ৰ The Love Song of J. Alfred Prufrock টো আমি মহানগৰক পণ্য হিচাপে পাওঁ এনেদৰে—

"In the room the woman come and go
Talking of Michelangelo".

হে অৰণ্য হে মহানগৰৰ স্বপ্নাৰম্ভ পঞ্চম অংক স্বপ্ন সম্ভৱ আদি কবিতাত অস্তিত্ববাদী দর্শন দর্শন ফুটি উঠিছে—

অবাস্তৱ মই আৰু
অবাস্তৱ অবাচীন বিৰাট নগৰী
হেজাৰ জীৱনৰ বলি। জীৱনৰ জীৱিকাৰ।
হে নগৰী, বুৰঞ্জীৰ ক্ষণিক অতিথি।

(পঞ্চম অংক)

ফ্রান্সৰ প্রতীকবাদী কবি মার্লামেৰ কবিতাত তেওঁৰ প্রিয় প্রতীক 'নীল আকাশৰ বহুল প্রয়োগ দেখা যায়। নৱকান্ত বৰুৱাৰ কবিতাতো 'আকাশ'ক বিভিন্ন ৰূপত 'তামৰঙী', 'ঈষাৰ দৰে নালী', 'অন্ধনীল আকাশ' আদি প্রতীকাত্মক প্রয়োগ কৰিছে।

হুইটমেনে যিদৰে অতীত-বর্তমান-ভৱিষ্যৎ প্রজন্মৰ মাজত মৈত্রী বন্ধনেৰে কল্পলোক সৃষ্টি কৰাৰ দৰে নৱকান্ত বৰুৱায়ো *পলস* কবিতাত ভালপোৱা ধূলি মাটিৰ পৃথিৱীখনত অতীত-বর্তমান-ভৱিষ্যৎ প্রজন্মৰ মাজত সংযোগ সেঁতু সাজি উলিয়াইছে—

"আমাৰ পলসে সাৰুৱা কৰক কলঙৰ দুয়ো কূল
আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সিৰলিত
আমি সাৰ পাম।...." *(পলস)*

চল্লিছৰ দশকৰ শেষৰ ফালে আত্মপ্রকাশ কৰা আধুনিক অসমীয়া কবিতাৰ ইতিহাসত অজিৎ বৰুৱা এক বিস্ময়কৰ প্রতিভা বুলিব পাৰি। কিয়নো *কিছুমান পদ্য আৰু গান* (১৯৮২), *ব্রহ্মপুত্র ইত্যাদি পদ্য* (১৯৮৯) আৰু *কিছুমান পদ্য আৰু গান* (২০০১) এই তিনিখন কাব্যগ্রন্থৰ জৰিয়তে বিষয় আৰু আংগিকৰ ক্ষেত্রত অসমীয়া কবিতাক এক নতুন মাত্রা দিবলৈ সক্ষম হৈছে। বাগাড়ম্বৰহীন ভাষা আৰু প্রতীকবাদী কবিতাৰ অর্থৰ অস্পষ্টতা আঁতৰাই কার্য, আৱহ আৰু ধাৰণা একোটাহঁত মূর্ত কৰাৰ সচেতন প্রয়াস অজিৎ বৰুৱাৰ কবিতাত পোৱা যায়। বৰুৱাৰ কবিতাত ফৰাচী কবিতা আৰু এলিয়টীয় দূৰান্বয়ী প্রভাৱ পৰিলক্ষিত হয়। ফৰাচী কবি জুল লাফোর্গে

গোলাপৰ জৰিয়তে নাৰী ব্যঞ্জিত কৰা মধ্যযুগীয় চিত্রকল্পৰ ৰূপায়ণ কৰাৰ দৰে অজিৎ বৰুৱাই একেই চিত্রকল্প ব্যৱহাৰ কৰিছে—

ভুল কথা, বগী তগৰেই কেৱল
দূৰৰ পৰা গোন্ধ বিলাব পাৰে।
পাৰে, গোলাপেও পাৰে—
ৰঙা নীলা গুলপীয়া ধুনীয়া গোলাপ
আৰু
শান্তি শুভ্র ত্যাগিনী গোলাপে—
কিন্তু মই পাইছিলো—
(You go away, we stay behind,
We stay behind, you go away
The rose tree spring is running dry,
Truly! And he who doth delay...)

লাফোর্গৰ দৰে 'কাব্যিক ভাষা' আৰু সাধাৰণ কথোপ ভাষাৰ সহ প্রয়োগে অজিৎ বৰুৱাৰ কাব্যভাষাক বিশিষ্টতা প্রদান কৰিছে—

ঘন হিয়াতল ঝিল্লিমুখৰ,
কাণ দুখনৰ
তলাতল ঘৰ... *(মিৰাণ্ডা)*

ইয়াত 'হিয়াতল' কাব্যিক আৰু ঝিল্লিমুখ অকাব্যিক একেলগে সমাৱেশ কৰাইছে। অজিৎ বৰুৱাৰ কবিতাত ব্যৱহৃত চিত্রকল্পত এলিয়টী প্রতীকবাদৰ স্বাক্ষৰ দেখা যায়। *মন-কুঁৱলী সময়* কবিতাৰ প্রথম পংক্তি দুটাই ধোঁৱাময় কুঁৱলী'ৰ প্রতি আমাৰ দৃষ্টি আকর্ষণ কৰে এনেদৰে—

কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা
কুঁৱলী গলি ভাঁহে।
'The Yellow fog that rubs its back upon
The window panes.....
...Lingered upon the pools that stand in drains.
(The Love Song of J Alfred Prufrock)

টি এছ এলিয়টৰ কবিতাত দুটা পংক্তিৰ মাজত ভাবৰ ব্যৱধান থাকে আৰু এই ভাবৰ সংযোগ স্থাপন পটুৱৈয়ে কৰিব লাগে। বৰুৱাৰ *মন-কুঁৱলী সময়ৰ* প্রথম পংক্তি 'কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা'ৰ সৈতে দ্বিতীয় পংক্তি 'এদিনাখন এটা ঢেকুৰা কুকুৰে মুখত মঙহ লৈ'... আপাত দৃষ্টিত কোনো সামঞ্জস্য নাই। কিন্তু ইয়াৰ মাজতো শৈশৱৰ এটি স্মৃতি অনুষংগ হিচাপে যি পটুৱৈয়ে বিচাৰি উলিয়াব লগা হয়।

বিষয় ব্যাপ্তি-গভীৰতা, প্রতীকবাদ-চিত্রকল্পবাদৰ সফল প্রয়োগ, চিত্রকলাৰ সৈতে সম্পর্ক

স্থাপন আৰু অসমীয়া ভাষাৰ ন ন সম্ভাৱনা মুকলিৰ জৰিয়তে নীলমণি ফুকন অসমীয়া আধুনিক কাব্যজগতৰ অবিস্মৰণীয় ব্যক্তিত্বত পৰিণত হৈছে। এক প্রকাৰৰ আত্মিক বিষণ্ণতাই নীলমণি ফুকনৰ কবিতাক সিক্ত কৰি ৰখা দেখা যায়। এই বিষণ্ণতাৰ চৰিত্র জাপানী কবিতা আৰু জার্মান কবি পল ছেলানৰ কবিতাৰ বিষণ্ণতাৰ সৈতে আত্মিক মিল যুক্ত। পল ছেলানৰ কবিতাত ব্যক্তিগত মর্মন্তুদ ঘটনাৰ গাঢ় ৰূপকাত্মক প্রকাশ যিদৰে দেখা যায়; নীলমণি ফুকনৰ কবিতাতো ঠিক একে—

Just like the blood that bursts from
Your eye or mouth or ear
So your key changes.

(With a Changing Key)

ইয়াত হিটলাৰৰ নৰমেধ যজ্ঞত মৃত্যু হোৱা ছেলানৰ পিতৃ-মাতৃৰ প্রসংগ ৰূপকধর্মীতাৰে প্রকাশ পাইছে। নীলমণি ফুকনৰ কবিতাটো মাতৃ বিয়োগৰ কথা এনেদৰে প্রকাশিত হৈছে—

চকুত চাকিটো মুখত তেজ
চিয়ঁৰি দিওঁ
জনজনাই যায় কাঁহৰ বাটিত মোৰ
হালধি বটা ৰাতি

(আকাশখনে ধপধপায়)

ফুকনৰ কবিতাত মৃত্যুয়ে বিভিন্ন আয়তন লাভ কৰা দেখা যায়। মাৰিয়া ৰিল্কেৰ কবিতাত মৃত্যুৰ জয়ধ্বনি ঘোষিত হৈছে। মৃত্যুক কেন্দ্র কৰিয়েই সকলো ঘূর্ণীয়মান—

For we are just the leaf and just the skin
But the great death which each one has within,
That is the fruit around which all revolves

(The Book of Poverty and Death)

ফুকনৰ কবিতাটো কল বেচি ফুৰা মানুহ এজনৰ দুর্ঘটনাত পতিত হৈ মৃত্যু হোৱা ঘটনাটো আপতিত হৈছে এনেদৰে—

প্রতিটো মুহূর্তই এডোঙা তেজ
প্রতিটো মুহূর্তই এপাচি সেন্দূৰীয়া কল

(হঠাৎ সেই আর্তনাদ আহি গোট মাৰি)

নীলমণি ফুকনৰ কবিতাত *জোনৰ* গতিশীল চিত্রকল্পই জীৱনৰ ৰহস্যময়তা প্রকাশ কৰিছে—

নৈখনৰ সিপাৰেদি
জোনটো নামি যোৱা বাটেৰে
ওপৰলৈ উঠি আহিল
ৰহস্যৰ অসংখ্য স্তম্ভ *(আর্তস্বৰ)*

গার্থিয়া লৰকাৰ কবিতাতো সঘনে জোনৰ চিত্রকল্প ব্যৱহৃত হৈছে—

In the troubled air
The moon moves her arms...

লৰকাই ঘোঁৱাক জীৱনী শক্তিৰ প্রতীক হিচাপে ৰূপায়িত কৰাৰ দৰে নীলমণি ফুকনেও জীৱনৰ প্রবহমান ৰূপ মূর্ত কৰাৰ বাবে ঘোঁৱাৰ প্রতীক ব্যৱহাৰ কৰিছে ঃ

ঘোঁৱাটো কি দূৰন্ত
জঁপিয়াই উঠে নদীৰ দুপাৰত
(হঠাৎ সেই আর্তনাদ আহি গোট মাৰি)

লৰকাৰ দৰে চিত্রশিল্পৰ লগত থকা নীলমণি ফুকনৰ কাব্যচর্চাৰ গাঢ় সম্পর্কই কবিতাৰ বয়নত দুয়োজন কবিকে ওচৰ চপাই নিছে।

আধুনিক অসমীয়া কবিতালৈ বীৰেশ্বৰ বৰুৱাই তাৎপর্যপূর্ণ বৰঙণি আগবঢ়াই গৈছে। বীৰেশ্বৰ বৰুৱাৰ আগছোৱাৰ কবিতাত বোডলেয়াৰৰ প্রেৰণাতে আধুনিক জীৱনৰ অৱসাদ ক্লান্তি নৈৰাশ্য মূর্ত হৈ উঠিছে—

সমুদ্রৰ কোলাহল। দগ্ধ ৰেখা, টোৱে টোৱে উত্তপ্ত বিষাদ।
অন্তহীন খেও মোৰ। ৰুদ্ধশ্বাস। দিশহাৰা অৱসন্ন প্রাণ।
ধুমুহাৰ কোব শুনো। আঁতৰিছে জ্যোতিৰেখা।
ক্ষণে ক্ষণে জীৱন বিস্বাদ।
আকাশত ব্যর্থ মৃগয়াৰ কোলাহল আৰু মৃত্যুৰ নিচান।
(নির্জন নাবিক)

বোডলেয়াৰব কবিতাত পোৱা যায়—

O Death, old captain, time to make our trip!
This country bores us. Death! let's get away!
Even if sky and sea are black as pitch
You know our hearts are full of sunny rays!
(Voyaging)

এলিয়টৰ দৰে বৰুৱায়ো অসুন্দৰ পৃথিৱীৰ ছবি আঁকিছে যদিও বৰুৱা আশাহত হোৱা নাই।

আমাৰ জীৱন ঘেৰি বনজুই জ্বলে,
নতুন দিনৰ দীপ্তি বুলি ভুল হয় যদি,
হ'ক ভুল। ক্ষতি নাই। আমাৰ দেহৰ ছাঁয়ে
ঢাকি যাব পৃথিৱীৰ এই অসুন্দৰতা।
(সুন্দৰৰ পাতনি)

ব্যক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ এই দুয়ো ধৰণৰ ছাঁ বীৰেশ্বৰ বৰুৱাৰ কবিতাত দেখা যায়।

*ডায়েৰী*নামৰ কবিতাটিত ৰূপকৰ জৰিয়তে পৃথিৱীৰ বিষাদ উদ্ভাষিত হৈছে। কবিতাটিত ইটালীৰ কবি জুচেপ্পো উনগাৰেত্তিৰ *San Martino del Carso* কবিতাৰ প্রেৰণা দেখা যায়।

ষাঠিৰ দশকত আত্মপ্রকাশ কৰা হৰেকৃষ্ণ ডেকাৰ কবিতাই সূক্ষ্ম হাস্যৰস, মহানগৰ জীৱন, আতংকময় পৰিবেশ, আতংকময় পৰিস্থিতিৰ ৰূপায়ণেৰে আধুনিকতাবাদী অসমীয়া কবিতালৈ তাৎপর্যপূর্ণ বৰঙণি আগবঢ়াইছে। ডেকাৰ প্রথম স্তৰৰ কবিতাত মূর্ত হোৱা প্রতীকবাদী মনোভংগীৰ প্রেৰণা ফৰাচী প্রতীকবাদ যদিও মৌলিকতা চমকপ্রদ। *সমুদ্রভীতি* তাৰ উৎকৃষ্ট উদাহৰণ। প্রসিদ্ধ প্রতীকবাদী কবি মালার্মেৰ কথিত গতিময়তা হৰেকৃষ্ণ ডেকাৰ প্রথম পর্যায়ৰ কবিতাত দৃষ্টিগোচৰ হয়—

শীতৰ ৰাতি কেতিয়াবা ঘৰৰ ছালত নিয়ৰবোৰৰ অজস্ৰ টোকৰে নিৰবতা ভাঙে।
টেলিগ্রামৰ তাঁৰত ওলমি থকা নিয়ৰবোৰৰ মাজেদি যি সংকেত আহে
সেই সংকেত এই টোকৰবোৰ।
প্রতিটো সাংকেতিক টোকৰৰ মাজেৰে এটা খবৰ আহে।

সিহঁত অহাৰ /প্রথম সংবাদ *(শীত)*

ছেইণ্ট জন পের্ছৰ কবিতাতো বিভিন্ন আকৃতি আৰু ৰূপত ঃ কেতিয়াবা টৌৰ অগ্রগতি, ধুমুহাৰ আগজাননী, উৎসৰ পৰা ওলাই অহা নিজৰা, কোনো নদীৰ সোঁত; সেই গতিশীলতা মূর্ত হৈ উঠে। ডেকাৰ *ঊষা* কবিতাত এলিয়ট কথিত বস্তুগতসহগ তত্ত্বৰ উপস্থিতি লক্ষ্য কৰা যায়। অর্থাৎ ইন্দ্রিয়গ্রাহ্য অভিজ্ঞতাৰ অন্তর্ভুক্ত বিভিন্ন পৰিস্থিতি, ঘটনা, অনুষংগৰ একত্রীকৰণ চমকপ্রদভাৱে ধৰা দিছে এনেদৰে—

এৰি থৈ যোৱা চাউনিবোৰৰ ওপৰত
কাউৰীবোৰে ৰমলিয়ায়
ৰৈ থকা নদীখনৰ পানীত
ৰাতিটো কেনেকৈ দূৰলৈ আঁতৰি গ'ল!

সত্তৰ দশকৰ পৰা অসমীয়া কবিতাত ভুমুকি মৰা সমীৰ তাঁতী অসমীয়া আধুনিক কবিতাৰ এক গুৰুত্বপূর্ণ কণ্ঠস্বৰ। অসমৰ সত্তৰ-আশী দশকৰ অশান্তিজর্জৰ আত্মঘাতী পৰিবেশ তেওঁৰ কবিতাসমূহত ছন্দায়িত হৈ উঠিলেও তাত এখন বৃহত্তৰ কেনভাছ জিলিকি উঠে। অসম আন্দোলনৰ ৰক্তাক্ত সময়ৰ সাক্ষী সমীৰ তাঁতীয়ে মানৱীয়তাৰ অপমৃত্যুত ব্যথিত হৈ যি কবিতা লিখিছিল তালৈ স্পেইন দেশীয় কবি ফেডেৰিকা গার্থিয়া লৰকাৰ হত্যাকাণ্ডৰ ঘটনাকো লৈ আনিছে। স্পেনিছ গৃহযুদ্ধৰ প্রথম ছহিদ লৰকাক এজোপা বুঢ়া জলফাই গছৰ তলত কবৰ দিয়া হৈছিল। লৰকাৰ প্রিয় জলফাইবন আন্দালুছিয়াৰ প্রসংগ সংলগ্ন কৰি তাঁতীয়ে *জোনাক ৰাতি তোমাক যোৱা দেখিছোঁ* কবিতাটো ৰচনা কৰিছে। সামাজিক ঘটনা-পৰিঘটনাৰ সূক্ষ্ম পর্যবেক্ষক তাঁতীয়ে গণতন্ত্রৰ ফোপোলা স্বৰূপ উপলব্ধিৰে লিখিছে—

"আৰু এনেকৈ কিমান দিন গণতন্ত্র
মূৰ দোঁৰাই আঁঠুকাঢ়ি চকু মুদি

তোমাৰ লঘু-লাঞ্ছনাৰ শেষ নাই
তোমাৰ অপমানৰো শেষ নাই
তোমাৰ হাহাকাৰ শুনিছো গণতন্ত্ৰ..."

(আৰু কিমানদিন গণতন্ত্ৰ ঃ যাওগৈ ব'লা)

তাঁতীৰ এই কবিতা স্তৱকৰ লগত আর্নেষ্ট হেমিংৱেৰ কবিতাৰ সাদৃশ্য অনুভূত হয়—

They sucked us in,
King and country
Christ almighty
And the rest
Patriotism
Democracy
Honor
Words and Phrases
The either bitch or killed us.

(To God Guys Dead)

সহজ-সৰল কাব্যভাষা ব্যৱহাৰেৰে বিৰল সিদ্ধি লভিবলৈ সক্ষম হোৱা আমেৰিকান কবি ৰবার্ট ফ্ৰষ্টৰ বর্ণনা কৌশলৰ লগত সমীৰ তাঁতীৰ বর্ণনা কৌশলৰ মিল দেখা যায়—

"বেৰৰ ভিতৰেদি/গছৰ ভিতৰেদি /দেহৰ ভিতৰেদি/ কাঁচৰ ভিতৰেদি /বাহনৰ ভিতৰেদি /স্বপ্নৰ ভিতৰেদি/ বুলেটে জুমি চায় /ৰাতিয়ে দেখুৱায় বাট"

(বুলেট আৰু ৰাতি)

As long as it take to pass/A ship keeps raising its hull/The wetter ground lite glass/ Reflects a standing gull.

(Neither out Far nor in Deep)

আধুনিক আফ্ৰিকান কবি Augustinho Aleto ৰ দৰে সমীৰ তাঁতীয়েও কথ্য ভাষাৰ ব্যৱহাৰ, নামবাচক বিশেষ্য আৰু অনুভূতিৰ সমন্বিত ৰূপেৰে কবিতা ৰচনা কৰিছে। আধুনিকতাবাদী ভাষাৰীতি আৰু আংগিকৰ সহযোগত তেওঁ কবিতাত শ্ৰেণী চৰিত্ৰ আৰু সংগ্ৰামী জীৱনৰ ছবি তুলি ধৰিছে।

কাব্য ভাষাৰ প্ৰয়োগ, কোনো সূক্ষ্মাতি সূক্ষ্ম বীক্ষণেৰে পটুৰৈলৈ সঞ্চাৰিত কৰাৰ ক্ষেত্ৰত অনুভৱ তুলসীৰ সাৱধানী অনুশীলন পৰিলক্ষিত হয়। সেয়েহে আবেগক বোধলৈ ৰূপান্তৰিত কৰি অসমীয়া আধুনিক কবিতাক তেওঁ এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। স্বতঃস্ফূৰ্ততাৰ সলনি কবিতাৰ নির্মিতিৰ যি ধাৰণা সেয়া ফৰাচী কাব্য ঐতিহ্য আৰু অধিক যথার্থভাৱে ক'বলৈ গ'লে ফৰাচী মানসিকতা উদ্ভুত। অনুভৱ তুলসীৰ কবিতায়ো নির্মিতিৰ ধাৰণাকে প্ৰতীয়মান কৰে। ঠিক একেদৰে ফৰাচী কবিতাৰ শব্দৰ যি আটিল সংগমন সেয়া তুলসীৰ কবিতাতো পৰিলক্ষিত হয়।

গোলাপ গভীৰ গধূলি গুঞ্জল শীৰ্ষক দীঘলীয়া কবিতাটিৰ আঁৰত ফৰাচী ভাবাদৰ্শৰ অনুৰণন দেখিবলৈ পাওঁ।

দুঃসাহসৰ সময়, পুৱা গধূলিৰ বেলি, কথামালিকাৰ গন্ধ আদি কাব্য সংকলনৰ কবিতাসমূহৰ অভিনৱত্বই জ্ঞান পূজাৰীক অসমীয়া কাব্য সাহিত্যত এক বিশেষ স্থান দিছে। ফেডেৰিকো গার্থিয়া লৰকাৰৰ প্রভাৱ পূজাৰীৰ কবিতাত দেখা পোৱা যায়। লৰকাৰ *ব্লাড ৰেডি ক'লা ঘোঁৰা ৰঙা জোন* নামেৰে পূজাৰীয়ে অসমীয়াকৈ অনুবাদ কৰিছে। লৰকাৰ কবিতাৰ জোন আৰু অঘৰী নৈ আৰু নিজৰা পূজাৰীৰ কবিতাতো বিভিন্ন স্থানীয় অনুষংগ ৰূপত ব্যৱহৃত হৈছে। *তোমাৰ শিপাৰ জোনাকত* লৰকাৰ *Ballad of the Moon*ৰে সুৰ এটা ধ্বনিত হৈছে। *ৰাতি-ফুলা ফুলঃ ১ৰ* আতংকময় ছবিখন নব্বৈ দশকৰ অসমৰে যদিও যুগপৎ ভাহি উঠে লৰকাৰ কৰডোবাৰ ঘোঁৰা চোঁৱৰীৰ মৃত্যু যাত্রাৰ সেই চিত্র।

সমাজ-জীৱনৰ বিভীষিকা প্রকাশ কৰিবলৈ জ্ঞান পূজাৰীয়ে প্রায়ে সহজ-সৰল ভাষাৰ আশ্রয় লৈছে। এনে ক্ষেত্রত আমেৰিকান আধুনিক কবিসকলে পোষণ কৰা কাব্য ভাষা সম্পর্কীয় দৃষ্টিভংগী মনলৈ আহে—

টক টক টক টক
টোকৰ পৰিল দুপৰ নিশা
থক্ থক্ থক্
মাকে চালে পুতেকলৈ। পুতেকে চালে বাপেকলৈ।
বাপেকে আইজনীলৈ।

(ৰাতি ফুলা ফুল)

দীর্ন বসন্তৰ সৌৰভ (২০০২) *আপুনি আপোনাৰ সৈতে যুদ্ধ কৰিব পাৰিবনে* (২০০৪), *মই* (২০০৮), *কাইলৈ দিনটো আমাৰ হ'বৰ কবি* সনন্ত তাঁতী সাম্প্রতিক সময়ৰ বলিষ্ঠ কবি কণ্ঠ। কবিগৰাকী মাক্সীয় দৃষ্টিকোণ আৰু আধুনিকতাবাদী আত্মসচেতনতাৰে উদ্ভাসিত। জীৱনবোধৰ গভীৰতাই সনন্ত তাঁতীৰ কবিতাক পটুৰৈৰ বাবে অনন্য অভিজ্ঞতা যোগান ধৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া আধুনিক কবিতাৰ বৈশিষ্ট্যবোৰ লিখক।
(১৫০টা শব্দৰ ভিতৰত)

.....

২.৫ পাশ্চাত্যৰ আধুনিক কবিৰ কবিতাৰ অসমীয়া অনুবাদ

এটা সময়ত অনূদিত কবিতা বুলিলে ইংৰাজী কবিতাৰ ভাঙনিকে বুজা হৈছিল যদিও সময়ৰ অগ্রগতিৰ লগে লগে অসমীয়া অনূদিত কবিতাই ইংলেণ্ডৰ উপৰি ইউৰোপ, আমেৰিকা, আফ্রিকা আৰু এচিয়া মহাদেশৰ স্বনামধন্য কবিসকলৰ সৃষ্টিকো আদৰি লয়। বিভিন্ন কাকত,

আলোচনী, সাময়িকী যোগেদি এই ভাঙনি কবিতাসমূহ প্ৰকাশ পায়। পিছলৈ সিবোৰ গ্ৰন্থাকাৰেও প্ৰকাশিত হয়।

স্বৰাজোত্তৰ কালত কবি নৰকান্ত বৰুৱাই ৱাল্ট হুইটমেনৰ এশটা কবিতা অনুবাদ কৰি গ্ৰন্থ ৰূপত প্ৰকাশ কৰে। নীলমণি ফুকনে জাপানী টানাকা আৰু হাইকু আদি এশটা পাঁচটা কবিতাৰে 'জাপানী কবিতা' ১৯৭১ চনত প্ৰকাশ কৰে। ফুকনে ১৯৮১ চনত গাৰ্থিয়া লৰকাৰ কবিতাও অনুবাদ কৰি গ্ৰন্থ আকাৰে প্ৰকাশ কৰে। অৱনী চক্ৰৱৰ্তী আৰু যতীন বৰোগাহঞিয়ে পল ব্ৰিমেন সম্পাদিত You Better Believe it শীৰ্ষক আফ্ৰিকাৰ কৃষ্ণাংগ কবিয়ে ৰচনা কৰা কাব্য গ্ৰন্থৰ পৰা বছা বছা কেইটামান কবিতা ভাঙনি *কৃষ্ণাংগ কবিৰ কবিতা* শিৰোনামেৰে প্ৰকাশ কৰে। দিলীপ তালুকদাৰ আৰু বিদ্যুৎ বিকাশ ভূঞাৰ *পেলেষ্টাইনৰ কবিতাত* ২৫টা ভাঙনি পোৱা যায়। পৰেশ মল্ল বৰুৱাই *কুৰি শতিকাৰ ছোভিয়েট কবিতা* নামেৰে অনূদিত কাব্য পুথিয়ে যথেষ্ট সমাদৰ লাভ কৰিছিল। তলত অসমীয়ালৈ অনূদিত পাশ্চাত্য কবিতাৰ পুথিসমূহৰ নাম উল্লেক কৰা হ'ল—

কিতাপ	অনুবাদক	মূল লেখক	খ্ৰীষ্টাব্দ
আফ্ৰিকাৰ শ্ৰেষ্ঠ প্ৰতিবাদী কবিতা	আমিনুৰ ৰমহান	বিভিন্ন কবি	
আহত মৰাল —	*নৰকান্ত বৰুৱা*	*অলেকজেণ্ডাৰ পুস্কিন*	*১৯৮০*
ছন পৰা মাটি —	*দিলীপ বৰুৱা —*	*টি এছ এলিয়ট*	*১৯৯৮*
ছন মাটি —	*অজিৎ বৰুৱা —*	*„ „*	*২০০০*
দেশ বিদেশৰ কবিতা —	*লক্ষহীৰা দাস —*	*বিভিন্ন কবি*	*১৯৯৯*
নিকোলাচ গিয়েনৰ কবিতা —	*ৰবীন্দ্ৰ সৰকাৰ —*	*নিকোলাচ গিয়েন*	*১৯৮৭*
নিৰ্বাচিত আধুনিকতাবাদী আমেৰিকান কবিতা —	*অজিৎ বৰুৱা —*	*বিভিন্ন কবি*	*২০০২*
নিৰ্বাচিত ফৰাচী কবিতা —	*অজিৎ বৰুৱা —*	*„*	*১৯৯৯*
ভাস্কো পপাৰ কবিতা —	*নৰকান্ত বৰুৱা —*	*ভাস্কোপপা*	
পিছৰ দিনৰ স্তুতি গীত —	*নৰকান্ত বৰুৱা —*	*নিছিম ইজিকিয়েল*	*(১৯৯৬)*
বিশ্ব কবিতা সংগ্ৰহ —	*বীৰেশ্বৰ বৰুৱা —*	*বিভিন্ন কবি*	*(১৯৯৪)*

ইয়াৰ উপৰি বাতৰি কাকত, আলোচনী আদিতো পাশ্চাত্য কবিতাৰ ভাঙনি প্ৰকাশ পাইছিল। নিৰ্বাচিত কেইখনমান সাময়িকীত প্ৰকাশিত কিছুসংখ্যক ভাঙনি আৰু ৰচয়িতাৰ নাম দিয়া হ'ল—

অসমবাণী ঃ অনুবাদক সুজাতা প্ৰিয়ম্বদা আৰু অমিত সৰকাৰ। কবিতাসমূহ হ'ল— *প্ৰাচীন বজাৰ* (হাল ভাতোৰ কোয়াজিমোদা, ইটালী), *উদাস বতাহ* (অলীছিয়া কাৰ্মেন কদীলা, পুৰ্তাৰিকা), *এটি শব্দ, এটি বাক্য বন্ধ* (গ্ৰটফীড বেন, জাৰ্মানী) *নীলা অগ্নি শিখাময়ী নাৰী* (পাবলো নেৰুদা, চিলি), *আন্দ্ৰমিডা* (জৰ্জ চেফাৰিচ গ্ৰীচ), *গধূলি বেলাৰ শোভাৰ অন্ত নাই* (পোয়েৰ লাগা কুইণ্ট, চুইডেন)।

অসমীয়া ১৯৭০ চনৰ জানুৱাৰীত ভবেন বৰুৱাই জার্মান কবি হানচ মেগনাচ এনজেনচৰ বার্জাৰৰ কবিতাৰ ভাঙনি আগবঢ়ায়।

আবাহনত পবিত্র কুমাৰ ডেকাই তুৰস্কৰ কবি নাজিম হিকমতৰ *Letters from Prison*ৰ ভাঙনি আগবঢ়াইছিল। হৰেকৃষ্ণ ডেকাই বৰ্ণাৰ্ট পেনত ওৱাৰেনৰ কবিতা অনুবাদ *ফেঁচা* নামেৰে প্রকাশ কৰিছিল।

আমাৰ প্রতিনিধিত দ্বিজেন্দ্র মোহন শর্মা আৰু কৰবী বৰুৱাই *জানোৱাৰ নাৰী* (ইটালিৰ দিনো কম্পানা), *চৰাইবোৰে গান গায়* (স্পেইনৰ কবি হথান ৰোমান হিমেনেথ), *দুপৰীয়া* (জার্মানীৰ কবি ইনগে বাথমেন) অনুবাদ কৰিছিল। প্রবীণ শইকীয়াই লি পোৰ কবিতা *চাৰি ঋতুৰ গান* নগেন চৌধুৰীয়ে জামান কবি ষ্টেফান গেয়র্গৰ কবিতা *তুমি জুই শিখাৰ দৰে পবিত্র আৰু ঋজু* প্রকাশ কৰে।

দৈনিক অসমত বীৰেশ্বৰ বৰুৱাই ইটালীৰ কবি জছপ্পে উন গাৰোতিৰ পাঁচটা কবিতা আৰু দিলীপ তালুকদাৰে জার্মান কবি বার্টোল্ট ব্রেখটৰ কবিতা অনুবাদ কৰিছিল। এই কাকততে প্রকাশিত কেইটামান উল্লেখযোগ্য কবিতা আৰু তাৰ অনুবাদক হ'ল— *এদিনাখন নিশ্চয় এদিনাখন* (অট্টোৰেন ক্যাষ্টিলো, অনু অৱনী চক্রৱর্তী), *সংকল্প* (জন হেৰিক ক্লার্ক, অন নৱজিৎ পাটোৱাৰী), আৰু *স্বাধীনতাৰ মূল* (পেল এলিউবার্ড অনু দিলীপ তালুকদাৰ আৰু বিদ্যু বিকাশ ভূঞা)।

নতুন প্রতিনিধিত ৰাম গগৈয়ে জার্মান কবি আর্নেষ্ট টলাৰৰ কবিতা 'সি সকল এতিয়াও সংগ্রামৰ পথত; নামেৰে; ৰবীন্দ্র সৰকাৰে নাজিম হিকমতৰ, কবিতা 'ইচ্ছা পত্র' নামেৰে আৰু কংগোৰ কবি পেট্রিচ লুমুম্বাৰ 'আফ্রিকা মোৰ প্রাণৰ আফ্রিকা' নামেৰে অনুবাদ কৰিছিল।

নীলাচলৰ পাতত সুজাতা প্রিয়ম্বদাই হিৰোচিমাৰ কাব্য নামেৰে আঠটা প্রখ্যাত জাপানী কবিতা অনুবাদ কৰিছিল। আনিছ উজ জামানে আধুনিক আৰৱৰ কবিতা অনুবাদ প্রকাশ কৰিছিল। পৰেশ মল্ল বৰুৱাই বিদেশী গুটিমালি নামেৰে ইংলেণ্ড, আমেৰিকা, ফ্রান্স, জার্মান, তুৰস্ক, ৰুচ, স্পেইন, ৰোম আদি দেশৰ ১৩ গৰাকী কবিৰ কবিতাৰ অনুবাদ প্রকাশ কৰিছিল।

প্রকাশৰ পাতত বীৰেশ্বৰ বৰুৱাই জার্মান কবি ৰাইনেৰ মাৰিয়া ৰিলকেৰ *নৱম ইলিজি* ৰবার্ট ফ্রষ্টৰ *যি পথেৰে যোৱা নাই*, ডম্বৰু গগৈয়ে ৱাল্ট হুইটমেনৰ *শিবিৰ নিস্তব্ধ হওক* নীলমণি ফুকনে গ্রীক কবি ফানিছ ৰিটছৰ কবিতা অনুবাদ কৰি প্রকাশ কৰিছিল।

এনেদৰে অসমীয়া কাকত-আলোচনীত বিভিন্নজনে পাশ্চাত্য কবিৰ কবিতা অনুবাদ কৰি প্রকাশ কৰিছিল। কিছু কিছু কবিতা গ্রন্থ আকাৰে সংকলিত হৈছে যদিও বহুবোৰ আলোচনীৰ পাততে সিঁচৰতি হৈ আছে। শেষত ক'ব পাৰি যে এনেদৰে অনূদিত কবিতাই অসমীয়া পঢ়ুৱৈক বিশ্বৰ অন্যান্য দেশৰ কবিতাৰ সোৱাদ দিবলৈ সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ পাশ্চাত্যৰ পৰা অসমীয়ালৈ অনূদিত কবিতাৰ এক আভাস দিয়ক। (২০০টা শব্দৰ ভিতৰত)

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাহিত্যত আধুনিক আৰু আধুনিকতা কি তাক বুজা গ'ল।
- অসমীয়া আধুনিক কবিতাৰ পটভূমি সম্পর্কে জনা গ'ল।
- প্রাচ্যতকৈ পাশ্চাত্যত আধুনিকতাই আগতীয়াকৈ কিয় গা কৰি উঠিল তাৰ সন্ভেদ পোৱা গ'ল।
- আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ জনা গ'ল।
- আধুনিকতাৰ পৰশত অসমীয়া কবিতালৈ অহা পৰিৱর্তনসমূহ বুজা গ'ল।
- পাশ্চাত্যৰ কোন কোন কবিৰ কাব্য প্রেৰণাৰে অসমীয়া কবিয়ে আধুনিকতাৰ পোহাৰ মেলিলে সেয়া অৱগত হ'ল।
- পাশ্চাত্যৰৰ কবিৰ কবিতাৰ অসমীয়া অনুবাদ সম্পর্কে জনা গ'ল।



২.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আহমেদ, এম কামালুদ্দিন, (২০১৫) ঃ *আধুনিক অসমীয়া কবিতা,* গুৱাহাটী ঃ বনলতা।

২) আহমেদ, এম কামালুদ্দিন, (২০১৪) ঃ *সাহিত্যৰ অভিব্যক্তি,* গুৱাহাটী ঃ বান্ধৱ।

৩) কটকী, চন্দ্র, (১৯৮৯) ঃ *আধুনিক অসমীয়া কবিতা,* যোৱহাট ঃ অসম সাহিত্য সভা।

৪) দাস, নাৰায়ণ আৰু (২০১৪) ঃ *অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ,* গুৱাহাটী ঃ চন্দ্র প্রকাশ। পৰমানন্দ ৰাজবংশী

৫) বৰগোহাঞি, হোমেন, (২০১২) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* ষষ্ঠ খণ্ড আবিলেক।

৬) বৰা, দেৱভূষণ, (২০১৭) ঃ *নির্বচন,* গুৱাহাটী ঃ বান্ধৱ।

৭) শর্মা, সত্যেন্দ্রনাথ, (২০০১) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটী ঃ প্রতিমা দেৱী।



২.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্ন উত্তৰ ঃ মাক্সীয় প্রভাৱ....প্রতীক-চিত্রকল্পৰ প্রয়োগ....ফ্রয়েড-ইয়ুং আদি দার্শনিকৰ প্রভাৱ....আংগিকৰ ক্ষেত্রত অহা পৰিৱর্তন সমূহ....।

২নং প্রশ্ন উত্তৰ ঃ নৱকান্ত বৰুৱা....অজিৎ বৰুৱা....নীলমণি ফুকন....ৰবীন্দ্র সৰকাৰ....বীৰেশ্বৰ বৰুৱা....আদি কবিয়ে কৰা অনুবাদ কর্ম....।



২.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সাহিত্যত আধুনিকতাই কি বুজায়?

প্রশ্ন ২ ঃ অসমীয়া আধুনিক কবিতাৰ পটভূমি আলোচনা কৰক।

প্রশ্ন ৩ ঃ অসমীয়া প্রগতিবাদী কবিতা সম্পর্কে এক আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ ৰমন্যাসিক কবিতাৰ পৰা আধুনিক অসমীয়া কবিতা কোনবোৰ দিশে পৃথক কৰি তুলিছে আলোচনা কৰক।

প্রশ্ন ৫ ঃ নৱকান্ত বৰুৱাৰ কবিতাত পাশ্চাত্য কবিৰ প্রভাৱ বিচাৰ কৰক।

প্রশ্ন ৬ ঃ নীলমণি ফুকনৰ কবিতাৰ পাশ্চাত্যৰ কোন কোন কবিৰ কবিতাৰ সাদৃশ্য অনুভূত হয়? আলোচনা কৰক।

প্রশ্ন ৭ ঃ সমীৰ তাঁতীৰ কবিতাত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৮ ঃ অসমীয়া কবিয়ে পাশ্চাত্যৰ প্রেৰণা গ্রহণ কৰি কবিতা ৰচনা কৰাৰ উপায় পাশ্চাত্য কবিৰ কবিতা অনুবাদতো হাত দিছিল— কথাষাৰ তথ্যসহ বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৩ ঃ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ (১৮৮৯-২০০০)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ অসমীয়া উপন্যাস আৰু পাশ্চাত্য সাহিত্য
৩.৪ জোনাকী যুগ (১৮৮৯-১৯৪০)ৰ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ
৩.৫ যুদ্ধোত্তৰ যুগ (প্রথম পর্ব, ১৯৪০-১৯৭০)ৰ অসমীয়া উপন্যাস আৰু পাশ্চাত্য প্রভাৱ
৩.৬ যুদ্ধোত্তৰ যুগ (দ্বিতীয় পর্ব, ১৯৭০-২০০০)ৰ অসমীয়া উপন্যাস আৰু পাশ্চাত্য প্রভাৱ
৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৮ অধিক জানিবলৈ
৩.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ সম্পর্কে ধাৰণা লাভ কৰিব
- 'জোনাকী যুগ'ৰ অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে অৱগত হ'ব
- যুদ্ধোত্তৰ যুগৰ প্রথম পর্বৰ উপন্যাসসমূহত পাশ্চাত্যৰ প্রভাৱ কেনেদৰে পৰিছে সেই বিষয়ে জানিব পাৰিব
- যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বৰ উপন্যাসসমূহত পাশ্চাত্যৰ বিভিন্ন কৌশল, দর্শন আদি কেনেদৰে প্রয়োগ হৈছে সেই বিষয়ে জানিব পাৰিব
- অসমীয়া উপন্যাসত পাশ্চাত্যৰ বিভিন্ন ধাৰাসমূহৰ কেনেদৰে প্রয়োগ হৈছে সেই সম্পর্কে ধাৰণা লাভ কৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুর্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ'ৰ অন্তর্গত এইটো তৃতীয় অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ (১৮৮৯-২০০০)'। ইয়াত জোনাকী যুগৰ পৰা এতিয়ালৈকে পাশ্চাত্য সাহিত্যই অসমীয়া উপন্যাস সাহিত্যক কিদৰে প্রভাৱান্বিত

কৰিছে তাৰ আলোচনা আছে। উপন্যাস সাহিত্য আধুনিক সৃষ্টি। অসমীয়া উপন্যাস সাহিত্য পাশ্চাত্য সাহিত্যৰ অধ্যয়নৰ ফল। ভাৰতীয় সাহিত্য যেনে— প্ৰাচীন সংস্কৃত সাহিত্য আৰু সেই সংস্কৃত কাব্যসমূহতকৈ উপন্যাস সৃষ্টি আছিল এটা সুকীয়া সৃষ্টি। ই ভাৰতীয় সাহিত্য বা অসমীয়া প্ৰাচীন সাহিত্যৰ ক্ৰমবিকাশৰ পৰিণতি বা সৃষ্টি নহয়। অসমীয়া সাহিত্যৰ উপন্যাস বা চুটিগল্প সম্পূৰ্ণৰূপে পাশ্চাত্যৰ পৰা গ্ৰহণ কৰা এক সাহিত্য সম্পদ। এই অধ্যায়টি অধ্যয়নৰ জৰিয়তে আপুনি অসমীয়া উপন্যাসত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে অৱগত হ'ব পাৰিব। আমি আগতে উল্লেখ কৰি আহিছো যে অসমীয়া উপন্যাস সাহিত্য পাশ্চাত্য সাহিত্যৰ প্ৰত্যক্ষ প্ৰভাৱৰ ফল। এই অধ্যায়টোত জোনাকী যুগ, যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্ব, যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ যিবোৰ উপন্যাসত পাশ্চাত্যৰ প্ৰভাৱ পৰিছে সেই সম্পৰ্কে আলোচনা কৰা হ'ব।

৩.৩ অসমীয়া উপন্যাস আৰু পাশ্চাত্য সাহিত্য

অসমীয়া উপন্যাসৰ বিকাশৰ প্ৰাথমিক স্তৰটো আৰম্ভ হয় *অৰুণোদই* যুগৰ পৰা। ১৮৪৬ চনত অসমীয়া ভাষাৰ প্ৰথমখন কাকত *অৰুণোদই* প্ৰকাশ হয় শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা। *অৰুণোদই* প্ৰকাশ পোৱাৰ লগে লগে অসমীয়া সমাজ আৰু ভাষা-সাহিত্যৰ জগতত আৰম্ভ হ'ল পৰিৱৰ্তন। এক পাশ্চাত্যমুখী যাত্ৰাৰ আৰম্ভণি। *অৰুণোদই*তে আৰম্ভ হৈছিল আধুনিক উপন্যাস আৰু গল্প ৰচনাৰ পটভূমি। স্পেইনৰ মিগুৱেল্ ডি চাৰ্ভেণ্টিজৰ *ডন কুইক্‌ছট্‌*ৰে পাশ্চাত্য সাহিত্যত আৰম্ভ হোৱা উপন্যাসৰ পাতনিয়ে ইংৰাজী সাহিত্যত প্ৰৱেশ কৰে ডেনিয়েল ডিফোৰ *ৰবিন্‌ছন্ ক্ৰুছোৰ* জৰিয়তে। অসমীয়া সাহিত্যত উপন্যাসৰ আৰম্ভণিৰ বাবে আমি বাট চাবলগীয়া হয় ১৮৪৮ চনলৈ। অসমীয়া সাহিত্যত উপন্যাসৰ আৰম্ভণি হয় *অৰুণোদই*ৰ পাততে। জন বুনিয়ান (John Bunyan)ৰ *Pilgrim's Progress*ৰ নাথান ব্ৰাউনে কৰা অসমীয়া অনুবাদ *যাত্ৰিকৰ যাত্ৰা* নামৰ উপন্যাসধৰ্মী ৰচনাৰ জৰিয়তে। তাৰ পিছত উপন্যাসধৰ্মী কাহিনীৰে হেমচন্দ্ৰ বৰুৱাই *বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী* ৰচনা কৰে। শ্ৰীমতী গাৰ্নিৰ *ফুলমণি আৰু কৰুণাৰ কাহিনী,* এ. কে. গাৰ্নিৰ *এলোকেশী বেশ্যাৰ কথা, কামিনীকান্তৰ চৰিত্ৰ* আদি পাশ্চাত্যৰ প্ৰভাৱেৰে প্ৰভাৱিত উপন্যাসধৰ্মী কাহিনীৰে অসমীয়া উপন্যাস সাহিত্যৰ যাত্ৰাৰ প্ৰথম পৰ্বৰ আৰম্ভণি ঘটে। ইয়াৰ পিছতে অসমীয়া লেখিকা পদ্মাৱতী দেৱী ফুকননীৰ *সুধৰ্মাৰ উপাখ্যান* প্ৰকাশ পায়। এইদৰে অসমীয়া সাহিত্যৰ সৃষ্টিত গুৰিতেই পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱ নিহিত আছে।

পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* (১৮৯০-৯১) আৰু *লাহৰী* (১৮৯২), লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* (১৮৯১) প্ৰকাশৰ লগে লগেই আধুনিক যুগৰ প্ৰকৃত উপন্যাসৰ আবিৰ্ভাৱ হয় আৰু ইয়াৰ পৰাই দৰাচলতে অসমীয়া উপন্যাসৰ ধাৰা আৰম্ভ হয়। উপন্যাস তিনিখনৰ প্ৰথম দুখন নায়িকাপ্ৰধান। *ভানুমতী* দুখাত্মক আৰু *লাহৰী* মিলনাত্মক। এই দুয়োখন উপন্যাসৰ

কাহিনী মোৱামৰীয়া আৰু মানৱ আক্রমণৰ পটভূমিত দাঙি ধৰা হৈছিল যদিও কাহিনীভাগ কেৱল নামমাত্রহে ঐতিহাসিক পটভূমিৰ ওপৰত ভিত্তি কৰা হৈছিল। সেয়ে কোনো কোনো সমালোচকে এই দুখনক ঐতিহাসিক নুবুলি সামাজিক উপন্যাস বুলিহে ক'ব খোজে। দুয়োখন উপন্যাসতে চাঞ্চল্যকৰ ঘটনা আছে, কিন্তু চৰিত্রৰ আভ্যন্তৰীণ বিশ্লেষণ নাই। আনহাতে লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* আহোম ৰজা কমলেশ্বৰ সিংহৰ দিনত কামৰূপত হৰদত্ত-বীৰদত্ত ৰজাৰ বিৰুদ্ধে বিদ্রোহৰ ঐতিহাসিক পটভূমিত ৰচিত। অস্বাভাৱিক ঘটনা, চাঞ্চল্যজনক পৰিণতি আৰু অপ্রয়োজনীয় বা ঔচিত্যহীন বর্ণনাই উপন্যাসখনৰ সাহিত্যিক মূল্য হ্রাস কৰিছে। *ভানুমতী* আৰু *লাহৰী*ৰ আখ্যানৰ যিকণ আবেদন আছে *পদুম কুঁৱৰী*ত সেইখিনি নাই বুলি সমালোচকসকলে সমালোচনা কৰা দেখা যায়। সেয়ে লম্বোদৰ বৰাই *বিজুলীত পদুম কুঁৱৰী*ক সমালোচনা কৰি 'উপন্যাস নে আত্মহত্যা' শীর্ষক প্রবন্ধ এটাত চোকা সমালোচনা কৰিছে। সি যিয়েই নহওক ঔপন্যাসিকে প্রেমাখ্যানটোৰ লগত ঐতিহাসিক ঘটনাটো নিবিড়ভাৱে জড়িত কৰি দিয়াৰ লগতে চৰিত্রসমূহক স্বকীয়তা আৰোপ কৰাত বিশেষ গুৰুত্ব প্রদান কৰা দেখা যায়।

অসমীয়া উপন্যাস আৰু পাশ্চাত্য সাহিত্য বুলি ক'লে অসমীয়া উপন্যাসত পাশ্চাত্য সাহিত্যৰ প্রভাৱৰ কথাকে আমি বুজো। পাশ্চাত্য সাহিত্যত দেখা পোৱা প্রকৃতিবাদ, আধুনিকতাবাদ, চেতনাস্রোত পদ্ধতি, অস্তিত্ববাদ আদি লক্ষণ আমি অসমীয়া উপন্যাসৰ পৰৱর্তী কালৰ ৰচনাসমূহৰ মাজেৰে প্রতিফলিত হোৱা দেখা পাওঁ। অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে আলোচনা কৰিবৰ বাবে আমি উপন্যাস সাহিত্যক কেইটামান যুগত ভাগ কৰি আলোচনা কৰিম। আলোচনাৰ সুবিধাৰ বাবে কৰি লোৱা যুগ বিভাজনকেইটা আৰু সেই যুগৰ প্রধান ঔপন্যাসিকসকলৰ উপন্যাসত কেনেদৰে পাশ্চাত্যৰ প্রভাৱ পৰিলক্ষিত হৈছে সেই বিষয়ে তলত আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে।

৩.৪ জোনাকী যুগ (১৮৮৯-১৯৪০)ৰ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ

জোনাকী যুগটো অকল উপন্যাসৰ বাবেই নহয় অসমীয়া ভাষা-সাহিত্যৰ বাবেও এটা সোণালী যুগ বুলি অভিহিত কৰিব পাৰি। জোনাকী যুগ বুলি ক'লে সাহিত্যত *জোনাকী* কাকতখনে সৃষ্টি কৰা সাহিত্যৰাজিকে বুজায়। সেই সময়ৰ সাহিত্যৰ মাজতে নিহিত হৈ আছে অসমীয়া সাহিত্যত সৃষ্টি কৰা নতুন ভাব, আংগিক আৰু দার্শনিক চিন্তাৰ বাট কটা প্রয়াসৰ ফচল।

পুনৰুল্লেখ নিষ্প্রয়োজন যে অসমীয়া সাহিত্যত *জোনাকী* যুগৰ সৃষ্টিৰ মূলতে আছে কেইজনমান কলেজীয়া ছাত্রৰ জাতীয় চেতনা আৰু ভাষা-সাহিত্যৰ প্রতি অসীম শ্রদ্ধা। *জোনাকী* যুগটো অর্থাৎ *জোনাকী* কাকতখন প্রকাশৰ প্রথম দশকটো প্রকৃততে ৰমন্যাসবাদ বা ৰোমাণ্টিকতাবাদৰ যুগ বুলি কোৱা হয়। ইংলেণ্ডত আৰম্ভ হোৱা ৰোমাণ্টিকতাৰ ধাৰাটো অসমীয়া

সাহিত্যত প্ৰৱেশ কৰে বাংলা সাহিত্যৰ জৰিয়তে। প্ৰধানতঃ ৰোমাণ্টিক যুগ হ'লেও এই যুগটোত বহুতো নতুন ধৰণৰ সাহিত্যৰ সৃষ্টি হৈছিল।

জোনাকী যুগতে অসমীয়া সাহিত্যত নৱজাগৰণৰ আৰম্ভ হৈছিল, এই নৱজাগৰণ আছিল পাশ্চাত্য সাহিত্যৰ সৈতে ঘটা সংযোগ আৰু অসমীয়া সাহিত্যক পাশ্চাত্যৰ সৃষ্টি আৰু ভাবসম্পদেৰে চহকী কৰা মানসিক বৃত্তিৰ ফল। এই নৱজাগৰণ অর্থাৎ পঞ্চদশ শতিকাৰ মাজভাগত ইংলেণ্ডৰ সাহিত্যৰ ক্ষেত্ৰত মুক্তি সাধিত হৈছিল। সমাজ জীৱনত নতুন আৱিষ্কাৰৰ উন্মাদনা, ৰাজনীতিত নতুন শক্তিৰ সঞ্চাৰ, সাহিত্যত নতুন সৃষ্টিশক্তিৰ বিকাশ লাভ আৰু জাতীয় জীৱনত নতুন পোহৰেৰে ইংৰাজী সাহিত্যত নৱজাগৰণৰ সূচনা হৈছিল। মধ্যযুগত ইউৰোপত ধর্মৰ নামত গোড়ামি আৰু অন্ধ সংস্কাৰে স্বাধীন চিন্তাৰ একো পৰিবেশ সৃষ্টি হ'বলৈ দিয়া নাছিল। গতানুগতিক জীৱনশৈলী, ৰাজশক্তিৰ দুর্বলতাৰ সুযোগ লৈ গঢ় লৈ উঠিছিল সামন্ততন্ত্ৰ, আনহাতে ক্ষমতাৰ অৰিয়াঅৰি। এনে এক পৰিবেশ সৃষ্টি হৈছিল য'ত সাধাৰণ মানুহৰ জীৱন একপ্ৰকাৰ নিঃস্বতালৈ অৱনমিত হৈছিল। কিন্তু পঞ্চদশ শতিকাৰ মাজভাগত তুৰ্কী আক্ৰমণৰ ফলত কনষ্টাণ্টিনপোলত থকা পণ্ডিতসকল ইউৰোপৰ বিভিন্ন দেশত বিয়পি পৰে। ইয়াৰ ফলত ইউৰোপৰ সমাজ, সংস্কৃতি, বিশেষকৈ সাহিত্যত এক নতুন অধ্যায়ৰ সূচনা হয়। প্ৰাচীন গ্ৰীক আৰু ৰোমৰ সাহিত্য অধ্যয়নে ইংৰাজ জাতিক নতুন জীৱন দান দিলে। লগে লগে সাহিত্যই গতানুগতিক পৰিবেশৰ পৰা মুক্তি লাভ কৰি এক নতুন দিগন্তৰ ফালে ধাৱমান হ'ল। ইয়াৰ উপৰি নতুন ভৌগোলিক আৱিষ্কাৰ, কপাৰনিকাচ, গেলিলিওৰ সৌৰজগত সম্পৰ্কীয় নতুন তথ্য, খ্ৰীষ্টধর্মত পুৰোহিততান্ত্ৰিক গোড়ামি দূৰ কৰাৰ কাৰণে মার্টিন লুথাৰৰ বিদ্ৰোহ প্ৰভৃতি ঐতিহাসিক ঘটনাই ইউৰোপৰ সাহিত্য বা ইংৰাজী সাহিত্য, সমাজ আৰু সংস্কৃতিক নতুন ৰূপ দিলে। ইউৰোপীয় নৱজাগৰণৰ কেইটামান চকুত লগা বৈশিষ্ট্য হ'ল— মানৱতাবাদ, সৌন্দর্যসন্ধান, ভৌগোলিক আৱিষ্কাৰৰ পৰা সৃষ্টি হোৱা সাম্ৰাজ্যবাদী ভাবৰ উন্মেষ, দেশাত্মবোধ, উৎপাদন পদ্ধতিৰ পৰিবর্তন আৰু ধর্মীয় সংস্কাৰ ইত্যাদি। ইউৰোপৰ এই নৱজাগৰণৰ পৰৱর্তী কালতো চিন্তাৰ জগতখনত অন্যান্য ভালেখিনি ঘটনাই সময়ে সময়ে আলোড়ন সৃষ্টি কৰিছিল। বিশেষকৈ সপ্তদশ-অষ্টাদশ শতিকাত বিজ্ঞান আৰু দর্শনৰ আৰু ফৰাচী বিপ্লৱ প্ৰভৃতি আলোড়নকাৰী সংঘটনে ইউৰোপীয় সামাজিক জীৱনক জোকাৰি গৈছিল। ভাৰতবর্ষত ব্ৰিটিছ শাসনৰ প্ৰৱর্তন আৰু পশ্চিমীয়া শিক্ষাব্যৱস্থাৰ পত্তনে ইউৰোপীয় ইতিহাসৰ এইসমূহ প্ৰক্ৰিয়াক ভাৰতীয় মানুহৰ দ্বাৰস্থ কৰিলে। ব্ৰিটিছ শাসিত ভাৰতবর্ষৰ প্ৰথম ৰাজধানী কলিকতা আৰু বংগদেশত সেই সূত্ৰইদি এক নতুন জাগৰণৰ সৃষ্টি হ'ল আৰু অসমীয়া সাহিত্য-সংস্কৃতিলৈও ধ্যান-ধাৰণাৰ নতুন বতাহ বলিল আৰু অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সূচনা হ'ল।

অসমীয়া সাহিত্যত ৰমন্যাসবাদ বা ৰোমাণ্টিকতা *জোনাকী* যুগৰ সাহিত্যৰ প্ৰধান বৈশিষ্ট্য যদিও এই সাহিত্য আন্দোলন ইংৰাজী সাহিত্য অধ্যয়ন আৰু বাংলা সাহিত্যৰ যোগেদি অসমীয়া

সাহিত্যত প্ৰৱেশ কৰে। ইংৰাজী সাহিত্যত যি ৰোমাণ্টিক ধাৰণা আৰম্ভ হয় তাৰ পটভূমি আৰু অসমীয়া ৰোমাণ্টিকতাৰ পটভূমি সম্পূৰ্ণ বেলেগ। ইংৰাজী ৰোমাণ্টিকতাত ফৰাচী বিপ্লৱৰ প্ৰভাৱ, ৰুছোৰ সমাজ ব্যৱস্থাৰ সূত্ৰৰ প্ৰভাৱ, উইলিয়াম গদউইনৰ দৰে নৈৰাজ্যবাদী তাত্ত্বিকৰ প্ৰভাৱ ইংৰাজী ৰোমাণ্টিক সাহিত্যত স্পষ্ট। অসমীয়া ৰোমাণ্টিকতাত অৱশ্যে ইংৰাজী ৰোমাণ্টিকতাৰ দৰে তেনে কোনো যুগৰ বা সময়ৰ প্ৰভাৱ স্পষ্টকৈ দেখা নাযায়।

জোনাকী যুগৰ প্ৰধান ঔপন্যাসিকসকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈ, দণ্ডিনাথ কলিতা, দৈৱচন্দ্ৰ তালুকদাৰ আদি উল্লেখযোগ্য। ইয়াৰ উপৰি শৰৎচন্দ্ৰ গোস্বামী, হৰেশ্বৰ শৰ্মা, দণ্ডিধৰ সোণোৱাল, নবীন ভট্টাচাৰ্য, দীননাথ শৰ্মা আদি। আমি আগতে উল্লেখ কৰি অহা লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ উপন্যাসো জোনাকী যুগৰে সৃষ্টি।

জোনাকী যুগৰ অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্ৰভাৱ বুলি ক'লে আমি প্ৰথমতে লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ নাম ল'ব লাগিব।

লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাস আহোম ৰজা কমলেশ্বৰ সিংহৰ দিনত কামৰূপত হৰদত্ত-বীৰদত্ত ৰজাৰ বিৰুদ্ধে বিদ্ৰোহৰ ঐতিহাসিক পটভূমিত ৰচিত। কিন্তু উপন্যাসৰ মূল কাল্পনিক কাহিনীটো হৰদত্তৰ জীয়ৰী পদুম কুঁৱৰী আৰু তেওঁৰ তোলনীয়া পুতেক সূৰ্যকুমাৰৰ প্ৰণয়ক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। কোমলমনা এগৰাকী ছোৱালীৰ প্ৰণয়ৰ একনিষ্ঠতা এই উপন্যাসত দেখুওৱা হৈছে। *পদুম কুঁৱৰী*ৰ কাহিনীৰ পৰিণতিয়ে শ্বেইক্সপীয়েৰৰ *ৰোমিও এণ্ড জুলিয়েট*ৰ কথা মনলৈ আনি দিয়ে।

পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* আৰু *লাহৰী* দুয়োখন উপন্যাসতে পাশ্চাত্যৰ প্ৰভাৱ দেখা যায়। গোহাঞিবৰুৱাই উপন্যাস লিখিবৰ বাবে ছাৰ ওৱাল্টাৰ স্কটৰ উপৰি স্কটৰ আৰ্হিৰে উপন্যাস লিখা ঔপন্যাসিক বংকিমচন্দ্ৰৰ পৰা প্ৰেৰণা লাভ কৰিছিল। বুৰঞ্জীমূলক চৰিত্ৰৰ আলম লৈ ইংৰাজীত উপন্যাস ৰচনা কৰা স্কটৰ আৰ্হিৰে গোহাঞিবৰুৱাই এক প্ৰকাৰৰ বুৰঞ্জীমূলক উপন্যাস ৰচনা কৰিবলৈ চেষ্টা কৰে। পদ্মনাথ গোহাঞিবৰুৱাৰ এই চেষ্টাক অনুকৰণ কৰি লক্ষ্মীনাথ বেজবৰুৱাই *পদুম কুঁৱৰী* উপন্যাস ৰচনা কৰিছিল। *ভানুমতী* আৰু *লাহৰী*ৰ কাহিনীত থকা চাঞ্চল্যকৰ ঘটনাসমূহে ইউৰোপৰ মধ্যযুগীয় ৰোমান্সসমূহৰ কথাও মনলৈ আনে। এই দুয়োখন উপন্যাসক ৰোমান্সধৰ্মী কৰি তোলাৰ আঁৰত আছিল অবিশ্বাস্য ঘটনাৰ সংযোগ আৰু আকস্মিক ঘটনাৰ অৱতাৰণা। *ভানুমতী*ত ল'ৰাৰ ছদ্মবেশত ভানুমতী পলাই যোৱা, সাপে খুঁটোতে তাইৰ আচল ৰূপ ওলাই পৰা, মৃত্যুদণ্ডৰ আগমুহূৰ্তত বজ্ৰপাত পৰি নায়ক চাৰু গোহাঞিৰ মৃত্যু হোৱা, পানীত জাঁপ দি ভানুমতীয়ে আত্মহত্যা কৰা আৰু *লাহৰী*ত পানীত নাও বুৰাৰ পিছত কমল ৰক্ষা পৰা, মানৰ হাতৰ পৰা লাহৰী পলাই গৈ কমলৰ মাক-দেউতাকৰ ঘৰত অজানিতে উপস্থিত হোৱা আদি ঘটনাই উপন্যাস দুখনক ৰোমান্সধৰ্মী সৃষ্টিত পৰিণত কৰিছে। এনে ধৰণৰ আকস্মিক আৰু চাঞ্চল্যকৰ ঘটনাৰ বাবে উপন্যাস দুখনত চৰিত্ৰসমূহৰ স্বাভাৱিক বিকাশ সম্ভৱ হৈ নুঠিল।

শ্বেইক্সপীয়েৰৰ *ৰোমিও এণ্ড জুলিয়েটৰ* মাজেদি ফুটি উঠা ৰোমাণ্টিক প্রেমৰ আদর্শই পদ্মনাথ গোহাঞিবৰুৱাকো আকর্ষণ কৰিছিল। ভানুমতী, চাৰু গোহাঞি, লাহৰী, কমল —এই সকলোবোৰেই ৰোমাণ্টিক প্রেমৰ আদর্শ চৰিত্র। শ্বেইক্সপীয়েৰৰ জুলিয়েটৰ দৰে প্রেমৰ পবিত্রতা ৰক্ষা কৰিবলৈ ভানুমতীয়ে আত্মবিসর্জন দিয়া কার্যৰ জৰিয়তে লেখকে ৰোমাণ্টিক প্রেমৰ নিদর্শন দাঙি ধৰিছে। *ভানুমতীৰ* কাহিনী অকল কৰুণেই নহয়; এই কাৰুণ্যৰ কাৰণ হিচাপে যি দেখুওৱা হৈছে সি পাশ্চাত্যৰ নতুন আদর্শৰ লগত জড়িত। ভানুমতীয়ে মনে-প্রাণে চাৰু গোহাঞিক স্বামী হিচাপে ভাবি ল'লে। ভানুমতীয়ে তেনেদৰে চাৰু গোহাঞিক মনতেই স্বামীৰূপে ৰখিলে কাৰণ সেই সময়ত ডেকা-গাভৰুৰ প্রত্যক্ষ মিলামিচা সমাজবহির্ভূত কার্য আছিল। অসমীয়া সমাজৰ নিয়ম মতে ভানুমতীক জানিবলৈ নিদিয়াকৈ তাইৰ দেউতাকে ৰুদ্রসিংহৰ ল'ৰাৰ লগত তাইৰ বিয়া ঠিক কৰিছিল। কিন্তু ভানুমতীয়ে এই প্রস্তাৱত মনে মনে সন্মতি দিয়া নাছিল। এনে প্রেম অসমীয়া তথা ভাৰতীয় সমাজত আগৰে পৰা আছিল যদিও এই প্রেম যি পৰিণতিৰ পিনে আগুৱাই গ'ল তাতহে আমি পাশ্চাত্য আদর্শৰ চাপ দেখা পাওঁ।

অসমীয়া উপন্যাসে পূর্ণ প্রতিষ্ঠা লাভ কৰে ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ যোগেদি। ৰজনীকান্ত বৰদলৈয়ে যি সময়ত অসমীয়া উপন্যাস ৰচনা কৰিছিল সেই সময়ত পাশ্চাত্যৰ উপন্যাস সাহিত্যই পূর্ণ প্রতিষ্ঠা লাভ কৰিছিল। সমগ্র বিশ্ব সাহিত্যৰ এটা সুবাস অসমীয়া সাহিত্যিকসকলেও লাভ কৰিছিল বাংলা সাহিত্যৰ জৰিয়তে। ৰজনীকান্ত বৰদলৈয়ে চাকৰিসূত্রে অসমৰ বিভিন্ন ঠাই পৰিভ্রমণ কৰিছিল আৰু সেই সময়তে উপন্যাসৰ বাবে সমল সংগ্রহ কৰিছিল। ছাৰ ওৱাল্টাৰ স্কট, বংকিমচন্দ্র চট্টোপাধ্যায়ৰ বিভিন্ন উপন্যাসৰ প্রভাৱত ৰজনীকান্ত বৰদলৈয়ে ঐতিহাসিক উপন্যাস ৰচনা কৰিছিল। ১৮৯৪ চনত অসমৰ জনজাতীয় জীৱনক লৈ তেওঁ *মিৰি জীয়ৰী* উপন্যাস ৰচনা কৰে। অসমৰ মিছিং জনজাতিৰ ৰীতি-নীতি, স্বভাৱ-চৰিত্রৰ সহানুভূতিশীল অধ্যয়ন আৰু সৰল মিৰি ডেকা-গাভৰুৰ একনিষ্ঠ প্রেমৰ কৰুণ চিত্রই উপন্যাসখনক সজীৱ আৰু সেউজীয়া কৰি অংকন কৰিছে। এইখন সামাজিক উপন্যাসৰ বাহিৰে বাকীখিনি উপন্যাসৰ পটভূমি আহোম ৰাজত্বৰ শেষ সময়ছোৱাৰ কাহিনীক লৈ ৰচিত। *মনোমতী, ৰঙ্গিলী, নির্মল ভকত, ৰহদৈ লিগিৰী* আৰু *তাম্রেশ্বৰীৰ মন্দিৰ* মানৰ আক্রমণৰ পটভূমিত ৰচিত। *হৰদত্ত-ৰীৰদত্তৰ* বিদ্রোহৰ ভেটিত দন্দুৱাদ্রোহ আৰু *ৰাধা-ৰুক্মিণীৰ* ৰণ মোৱামৰীয়া বিদ্রোহৰ ভেটিত ৰচনা কৰিছে।

ৰজনীকান্ত বৰদলৈয়ে যি সময়ত অসমীয়া জনজাতীয় সমাজক ভিত্তি কৰি উপন্যাস ৰচনা কৰিছিল সেই সময়ত জনজাতীয় সমাজক লৈ উপন্যাস ৰচনা কৰাটো দূৰৈৰ কথা, অসমীয়া উপন্যাসেই এক স্বতন্ত্র আংগিকৰূপে সম্পূর্ণ প্রতিষ্ঠা লাভ কৰা বা বিকশিত স্তৰ লাভ কৰা নাছিল। তেনে এক সময়তে বৰদলৈয়ে মিছিং সমাজৰ পটভূমিত অত্যন্ত সহানুভূতিশীল দৃষ্টিৰে সোৱণশিৰিৰ পাৰৰ ডেকা-গাভৰুৰ সৰল আৰু একনিষ্ঠ প্রেমৰ চিত্র অংকন কৰিছে। পিতৃ-মাতৃৰ বাধা, সামাজিক প্রতিবন্ধক আৰু প্রতিদ্বন্দ্বী প্রণয়ীৰ হেঙাৰলৈ পিঠি দি জংকি আৰু পানেইৰ

প্রেমে কৰুণ মৃত্যুৰ মাজেদি কেনেকৈ সফলতা লাভ কৰিলে তাৰ চিত্র অতি সূক্ষ্মভাৱে লেখকে অংকন কৰিছে।

ৰজনীকান্ত ৰৱদলৈৰ *নির্মল* ভকত ইংৰাজ কবি টেনিছনৰ *এনক্ আর্ডেন* কাহিনীৰ ৰূপৰেখাৰ ওপৰত প্রতিষ্ঠিত যদিও ৰূপায়ণ পদ্ধতি সম্পূর্ণ নিজৰ। ৰজনীকান্ত ৰৱদলৈৰ উপন্যাস পাশ্চাত্য বহু উপন্যাস আৰু ঔপন্যাসিকৰ প্রভাৱৰ ফল। ৰজনীকান্ত ৰৱদলৈক অসমৰ ওৱাল্টাৰ স্কট বুলি কোৱা হয়। ওৱাল্টাৰ স্কটৰ বিভিন্ন বৈশিষ্ট্যৰ ভিতৰত মধ্যযুগীয় প্রীতি অন্যতম। স্কটৰ আর্হিৰে ৰৱদলৈয়ে অসমীয়াত ভালেকেইখন উপন্যাস ৰচনা কৰিছে। স্বাভাৱিকতে সেই সময়ৰ উপন্যাস সাহিত্যত পশ্চিমৰ প্রভাৱ সুস্পষ্ট। *এনক্ আর্ডেন* উপন্যাসৰ এনক্ ফিলিপ আৰু এ নীলীৰ প্রেমৰ কাহিনীটোকে অসমীয়া ৰূপত সজাই নির্মল ভকত, অনিৰাম আৰু ৰূপহীৰ প্রেমৰ কাহিনী হিচাপে নির্মাণ কৰিছে। সেইদৰে এনক্ আর্ডেন উপন্যাসৰ এনকে জাহাজেৰে সাগৰ পাৰ হোৱা আৰু সাগৰ পাৰ হওঁতে জাহাজ ডুব যোৱাত এটা নির্জন দ্বীপত দহ বছৰ কটোৱা ঘটনাটোকে অসমৰ পটভূমিত সজাই মানৰ আক্রমণৰ বলি হৈ নির্মল ভকত ব্রহ্মদেশত বাৰ বছৰ থাকিব লগা হোৱা দেখুৱাইছে।

ৰৱদলৈৰ উপন্যাসত স্কটৰ মধ্যযুগীয় ধাৰণাৰ বিশেষ আকর্ষণ *মিৰি জীয়ৰীৰ* বাহিৰে বাকী আটাইকেইখন উপন্যাসত দেখা যায়। ইতিহাসৰ মহিমামণ্ডিত কাহিনী, অতীত ঐতিহ্য, জনশ্রুতি আৰু কিম্বদন্তিৰ প্রয়োগৰ দিশতো ৰৱদলৈৰ উপন্যাসত ওৱাল্টাৰ স্কটৰ প্রভাৱ স্পষ্টৰূপে দেখা যায়। স্কটৰ *The Bride of Lammermoor* উপন্যাসৰ কাহিনীৰ দ্বন্দ্ব, চৰিত্রৰ বৈশিষ্ট্য ৰৱদলৈৰ *মনোমতী* উপন্যাসত দেখা যায়। *The Bride of Lammermoor* উপন্যাসৰ Ravenswood আৰু Ashton নামৰ চৰিত্র দুটা আৰু এই দুটা চৰিত্রৰ সৈতে *মনোমতী* উপন্যাসৰ চণ্ডী ৰৰুৱা আৰু হৰকান্ত ৰৰুৱাৰ সাদৃশ্য অতিকে মন কৰিবলগীয়া। ইংৰাজী আৰু অসমীয়া দুয়োখন উপন্যাসতে পুৰুষ চৰিত্রকেইটাৰ অহমিকা ভাবৰ বাবেই কাহিনীয়ে জটিল ৰূপ লৈছে। দুয়োখন উপন্যাসত প্রেমৰ সাদৃশ্য দেখা যায়। স্কটৰ উপন্যাসখনৰ Ravenswood আৰু Sir William Ashton নামৰ মুখ্য চৰিত্র দুটাৰ পৰিয়ালৰ মাজত পুৰুষানুক্রমে শত্রুতা আছে। *মনোমতীৰ* চণ্ডী ৰৰুৱা আৰু হৰকান্তৰ পৰিয়ালৰ মাজত শত্রুতা একেই। ঠিক একেদৰে *মনোমতীৰ* চণ্ডী ৰৰুৱা আৰু হৰকান্তৰ পুত্র-কন্যাৰ মাজত প্রেমে গঢ় লৈ উঠিছে যিদৰে Edgar Ravenswood আৰু Lucy Ashtonৰ মাজত প্রেমে গঢ় লৈছে। আনহাতে স্কটৰ উপন্যাসৰ দৰেই ৰৱদলৈয়ে *মনোমতী, ৰঙিলী* আদি উপন্যাসত জাতীয় জীৱনৰ আচাৰ-অনুষ্ঠান, বিশ্বাস, অন্ধবিশ্বাস আদি সকলোবোৰৰ বাস্তৱ বর্ণনা দাঙি ধৰিছে।

ৰৱদলৈৰ উপন্যাসত ওৱাল্টাৰ স্কটৰ আৰু বহুতো প্রভাৱ লক্ষ্য কৰা যায়। *বহদৈ লিগিৰী* উপন্যাসত স্কটৰ Ivanhoe উপন্যাসৰ প্রভাৱ পোনপটীয়া বুলি ক'ব পাৰি। আইভানহো

(Ivanhoe) উপন্যাসত ৰেৰেকাই আইভানহোক গভীৰভাৱে ভাল পাইছিল কিন্তু মিলনত বিফল হৈ ৰেৰেকাই পূর্বৰ ভালপোৱা বিসর্জন দিয়া নাছিল। সেইবাবেই ৰেৰেকাই বহুমূলীয়া অলংকাৰেৰে ভৰাই এটা ৰূপৰ বাকচ আইভানহোৰ নৱবিবাহিতা পত্নীলৈ উপহাৰ দিছিল। *ৰহদৈ লিগিৰী* উপন্যাসত এই ঘটনাটোকে সামান্য সলনি কৰি দিয়া হৈছে। অৱশ্যে *ৰহদৈ লিগিৰী* উপন্যাসত ৰহদৈৰ প্রতি চন্দ্রকান্তৰ প্রেম দেখুওৱা হৈছে, কিন্তু চন্দ্রকান্তৰ প্রতি ৰহদৈৰ প্রেমৰ কোনো আভাস নাই।

স্কটৰ উপন্যাসত ঐতিহাসিক ঘটনা আৰু ৰোমাণ্টিক কাহিনীৰ অপূর্ব মিলন ঘটাৰ দৰেই ৰৱদলৈৰ উপন্যাসতো ঐতিহাসিক কাহিনী আৰু ৰোমাণ্টিকতাৰ অপূর্ব মিলন ঘটোৱা হৈছে। বিষয়বস্তু, ভাৱবস্তু আৰু ৰূপবস্তুৰ বিস্তৃত আৰু গভীৰ সাদৃশ্যৰ বাবেই ৰৱদলৈক অসমীয়া উপন্যাসৰ স্কট আখ্যা দিয়া হয়।

ৰৱদলৈৰ উপন্যাসত স্কটৰ উপৰি আলোচক সত্যেন্দ্র নাথ শর্মাই মেৰী কৰেলী, ভিক্টৰ হিউ'গ, আলেকজেণ্ডাৰ ডুমা, চার্লছ ডিকেন্স, থেকাৰে আদি ঔপন্যাসিকসকলৰ প্রভাৱ থকা বুলি কৈছে। ৰৱদলৈৰ উপন্যাসত মধ্যযুগৰ চেতনাৰ দিশত এতিয়ালৈকে কেৱল ওৰাল্টাৰ স্কটৰ প্রভাৱহে আলোচিত হৈ আহিছে। ইয়াৰ কাৰণ ৰৱদলৈৰ উপন্যাসত স্কটৰ প্রভাৱ যিমান সুদূৰপ্রসাৰী আছিল আন কাৰো প্রভাৱ সিমান দকৈ অনুভূত নহয়। ৰৱদলৈ স্কটৰ উপন্যাসৰ সৈতে যিমান পৰিচিতি ঠিক অন্য ঔপন্যাসিকৰ সৈতেও তেওঁ সমানেই পৰিচিত। সেয়ে তেওঁৰ উপন্যাসসমূহ ফৰাচী, ৰাছিয়া আৰু আমেৰিকান উপন্যাস সাহিত্যৰ দূৰণিবটীয়া প্রভাৱৰ পৰাও মুক্ত হ'ব পৰা নাছিল।

জোনাকী যুগৰ ঔপন্যাসিক হিচাপে আলোচনা কৰি আমি দেখিলো যে ৰৱদলৈৰ উপন্যাসত পাশ্চাত্যৰ প্রভাৱ যথেষ্ট। *জোনাকী* যুগৰ অন্যান্য ঔপন্যাসিকসকলৰ উপন্যাসতো পাশ্চাত্যৰ প্রভাৱ কিছু পৰিমাণে পোৱা যায়। *জোনাকী* যুগৰ অসমীয়া উপন্যাস সংখ্যাত ৰৱ বেছি নহয় কিন্তু যুদ্ধোত্তৰ যুগৰ সমৃদ্ধিশালী অসমীয়া উপন্যাসৰ ধাৰাৰ ভেটিটো স্থাপন হৈছিল *জোনাকী* যুগতে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্রভাৱ কেতিয়া আৰু কেনেকৈ পৰিছিল? (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ *জোনাকী* যুগৰ কোনকেইজন ঔপন্যাসিকৰ উপন্যাসত পাশ্চাত্য প্রভাৱ পৰিছিল? (১৫০টা শব্দৰ ভিতৰত)

.....

৩.৫ যুদ্ধোত্তৰ যুগ (প্রথম পর্ব, ১৯৪০-৭০)ৰ অসমীয়া উপন্যাস আৰু পাশ্চাত্য প্রভাৱ

দ্বিতীয় বিশ্বযুদ্ধৰ অভিজ্ঞতা অসমৰ বাবে আছিল অতি ভয়াৱহ। অসমত এই যুদ্ধৰ প্রভাৱ পোনপটীয়াকৈ পৰিছিল। আনহাতে *জোনাকী* আৰু *বিজুলী*য়ে সৃষ্টি কৰা আধুনিক অসমীয়া সাহিত্যৰ প্রতিষ্ঠাপক চন্দ্রকুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদি লোকৰ এই সময়ছোৱাত পৰলোকপ্রাপ্তি ঘটে। লগে লগে সাহিত্য সৃষ্টিৰ এটা ধাৰাৰ অন্ত পৰে।

আনহাতে ভাৰতৰ স্বাধীনতা সংগ্রাম, দ্বিতীয় বিশ্বযুদ্ধ, সাম্প্রদায়িক সংঘর্ষ, অসমলৈ হোৱা অভূতপূর্ব জনপ্রব্রজনে সাহিত্য সৃষ্টিৰ ক্ষেত্রত পঞ্চাশৰ দশকটোক একেবাৰে অনিশ্চয়তাৰ গৰাহত পেলাইছিল।। ৰাজনৈতিক অস্থিৰতা, অর্থনৈতিক বিপর্যয়, বস্তুৰ অনাটন, কাগজৰ অভাৱ, লেখক-পাঠকৰ মানসিক উদ্বেগ আদি সকলো দিশে সাহিত্যৰ ক্ষেত্রত অসমতো সামাজিক দুর্দিনৰ সৃষ্টি কৰিছিল।

নীৰৱতা, অনিশ্চয়তাৰে পাৰ হোৱা পঞ্চাশৰ দশকটোৰ পাছত সাহিত্য আৰু সমাজ জীৱনলৈ আহিল ভয়াৱহ পৰিবর্তন। যুদ্ধৰ বিভীষিকা আৰু ভয়াৱহতাই কোঙা কৰি পেলোৱা অৱস্থাৰ লগতে মানৱীয়তাৰ অৱক্ষয়, অর্থনীতি, ৰাজনীতি এই সকলো দিশে সকলো মানৱ দৰদী মানুহৰ অন্তৰ চুই গৈছিল। সেয়ে তাৰ প্রতিফলন ঘটিল সাহিত্যত। এই সময়ছোৱাত আমি বিশেষভাৱে উপন্যাসসমূহৰ বিষয়বস্তু, প্রকাশভংগী, আংগিক আদি দিশত পাশ্চাত্যৰ প্রভাৱ লক্ষ্য কৰো।

পাশ্চাত্য সাহিত্যত আৰম্ভ হোৱা আধুনিকতাবাদ অসমীয়া সাহিত্যলৈ বহুত পলমকৈ আহে। এই সময়ছোৱাত অসমীয়া উপন্যাসত কোনো এজন বিশেষ পাশ্চাত্য ঔপন্যাসিকৰ প্রভাৱ পৰাৰ পৰিবর্তে বিভিন্ন মতাবাদৰহে প্রভাৱ পৰাটো পৰিলক্ষিত হয়।

এই যুগত অসমীয়া উপন্যাস সাহিত্যই বিশেষ অগ্রগতি লাভ কৰে। এই যুগত অসমীয়া উপন্যাসৰ উপস্থাপন শৈলী, আংগিক, চেতনা, কলা-কৌশল সকলো দিশতে নতুন শৈলীৰ প্রবর্তন হয়। এই সময়ৰ উপন্যাসসমূহে চতুর্থ দশকৰ জড়তাৰ পৰা মুক্ত হৈ অসমীয়া উপন্যাসৰ ধাৰাৰ ৰূপ সলায়। উপন্যাসৰ বিষয়বস্তু হিচাপে ৰক্ষণশীল সমাজৰ লগত প্রগতিকামীৰ দ্বন্দ্ব, সাম্যবাদী আদর্শ, মধ্যবিত্ত শ্রেণীৰ আশা-আকাংক্ষা আৰু বিফলতা, ৰাজনৈতিক দলৰ অৰিয়াঅৰি, শাসন পদ্ধতিৰ বেমেজালি, দুর্নীতি আদি সামাজিক সমস্যাবোৰৰ চিত্র অংকন কৰা হয়। ইংৰাজী সাহিত্যৰ ভার্জিনিয়া উল্‌ফ, জেমচ্ জইচ্, হাক্সলি, এইচ. জি. ওৱেলচ্ আদিৰ উপন্যাসৰ ৰীতিৰ বহুতো বিচিত্রতা অসমীয়া উপন্যাসত আনিবলৈ যত্ন কৰা হৈছে।

দ্বিতীয় মহাসমৰৰ পাছৰ ঔপন্যাসিকসকলৰ ভিতৰত প্রথম আছিল বিৰিঞ্চি কুমাৰ বৰুৱা। তেওঁৰ *জীৱনৰ বাটত* উপন্যাসখন পৰম্পৰাগত অসমীয়া উপন্যাস হিচাপে সবল আৰু দৃঢ়

পদক্ষেপ বুলি ক'ব পাৰি। সাহিত্য সমালোচক আৰু গৱেষক পণ্ডিত বিৰিঞ্চি কুমাৰ বৰুৱাই সাহিত্য জগতত স্বীকৃতি লাভ কৰে বীণা বৰুৱা ছদ্মনামত। তেওঁ ৰাস্না বৰুৱা ছদ্মনামত *সেউজী পাতৰ কাহিনী* ৰচনা কৰে। *জীৱনৰ বাটত*খনক অসমীয়া উপন্যাস সাহিত্যৰ আধুনিকতা আৰু পৰম্পৰাৰ মাজৰ মাইলৰ খুঁটি বুলি কোৱা হয়। আজিলৈকে অসমীয়া সাহিত্যত যিমানকেইখন উপন্যাস ৰচিত হৈছে, তাৰ ভিতৰত হয়তো বহুত কম সংখ্যক উপন্যাসতে *জীৱনৰ বাটত* উপন্যাসত উদ্ভাসিত ৰস আৰু মাধুর্য বিয়পি আছে। শিক্ষার্থীয়ে ইতিমধ্যে পাঠ্যক্রমৰ তৃতীয় যাণ্মাসিকত তৃতীয় পাঠ্যবিষয় 'অসমীয়া উপন্যাস'ত অন্তর্ভুক্ত হোৱা বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাস *জীৱনৰ বাটত*খনৰ বিষয়ে বিস্তৃতভাৱে অধ্যয়ন কৰি আহিছে। সেই আলোচনাৰ আঁত ধৰিয়েই আমি আমাৰ আলোচনা ভাগ আগবঢ়াই নিব পাৰো। এই উপন্যাসখনত যুগ পৰিবর্তনৰ লগতে তাৰ লগত জড়িত সংঘাত-সংঘর্ষৰ মনোজ্ঞ চিত্র উদ্ভাসিত হৈছে। চৰিত্র অংকনেই হওক বা ঘটনাৰ বিৱৰণেই হওক সকলোতে অসমীয়া সমাজ জীৱনৰ চাপ বিদ্যমান। উপন্যাসখনৰ কেন্দ্রীয় চৰিত্র স্বৰূপ তগৰক উপন্যাস সমালোচকসকলে এপিক চৰিত্র (Epic character) ৰূপে আখ্যা দিছে। সমালোচক ভবেন বৰুৱাই তগৰ চৰিত্রটোৰ আলোচনাৰ প্রসংগত কৈছে—
'Tagor, the heroine of the novel is concrete embodiment of all that is best and purest in the Assamese society.'

তগৰ অতিমানৱ নহয়, তাই সাধাৰণ মানৱী, অন্য সকলো যুৱতীৰ দৰে তাইৰো চকুত অলেখ স্বপ্ন। পিছে বাস্তৱতাৰ ধামখুমীয়াত তাইৰ সপোনবোৰ ভাঙি যায়। জীৱনৰ বিপর্যয়বোৰে তাইক তাইৰ স্থিতিৰ পৰা আঁতৰাব নোৱাৰিলে। তাই নিজৰ স্বভাৱজাত সৰলতা, কর্তব্যনিষ্ঠতা, স্থিতপ্রজ্ঞ স্থিতিৰ পৰা বিচলিত হোৱা নাছিল, ঠিক যেন বিশ্ব প্রসিদ্ধ গ্রীক মহাকাব্য *ওডিছী*ৰ ওডিচ্যুছ আৰু টেলিমেকাছ চৰিত্র দুটাই প্রতিকূল পৰিস্থিতিতো প্রদর্শন কৰা মর্যাদাপূর্ণ স্থিতি। পার্থক্য মাথোন ইমানেই যে ওডিচ্যুছ আৰু টেলিমেকাছক ৰক্ষণাবেক্ষণ দিবলৈ পৃথিৱীলোকৰ শক্তিৰ লগতে স্বর্গলোকৰ শক্তিয়েও সহায় কৰিছিলে। অথচ তগৰে তেনে কোনো দৈৱশক্তিৰ সহায় লাভ কৰা নাছিল। তদুপৰি উপন্যাসখনৰ কাহিনীভাগে যিদৰে অসমীয়া সমাজখনৰ বিস্তৃত ছবিখন দাঙি ধৰিছে, সেই ব্যাপকতাই আমাক কেতিয়াবা লিঅ' টলষ্টয়ৰ *ৱাৰ এণ্ড পীচ* নামৰ উপন্যাসখনৰ গাঁথনি (structure)টোলৈ মনত পেলাই দিয়ে। ফ্রয়দীয় মনঃ সমীক্ষণৰ উল্লেখযোগ্য দিশ এটাও তগৰ চৰিত্রটোৰ মাজেদি ফুটি উঠিছে। ৰুগ্ন স্বামী ধৰণীৰ জেলৰ পৰা প্রত্যাৱর্তনৰ পিছত তগৰৰ মনত এক অন্য নিঃসংগতাবোধে ক্রিয়া কৰিবলৈ ধৰে। তগৰে ইচ্ছা কৰিও স্বামীৰ সংগসুখ লাভ কৰিব নোৱাৰে। তাকে নিপুণ শিল্পীৰ দৰে ঔপন্যাসিকগৰাকীয়ে ফ্রয়েদৰ Interpretation of Dreamsৰ তত্ত্ব সেই বিশেষ দিশটো অংকন কৰাত প্রয়োগ কৰিছে। তগৰে সপোনত বৰকলা হাবিৰ মাজেদি যাওঁতে ফেঁটীসাপ দেখা আৰু ভয়ত উলংগপ্রায় হৈ দৌৰি যোৱা প্রসংগটোৱে তগৰৰ অৱদমিত যৌন ক্ষুধাকে কলাত্মক ৰূপত ফুটাই তুলিছে।

অসমীয়া উপন্যাস সাহিত্যত আধুনিক উপন্যাস সৃষ্টি পাশ্চাত্যৰ এটা আধুনিকতাবাদী আন্দোলনৰে ফলশ্রুতি। এই আধুনিকতাৰ ধাৰণাটো ইউৰোপ, আমেৰিকাত গঢ়ি উঠিছিল ঊনবিংশ শতিকাৰ শেষৰ ফালে আৰু বিংশ শতিকাৰ প্রথম দশকত। সেয়েহে অসমীয়া সাহিত্যত আধুনিকতা বা আধুনিকতাবাদী উপন্যাসৰ ওপৰত পাশ্চাত্যৰ প্রভাৱ আছে। আনহাতে অসমীয়া আধুনিকতা বুজিবলৈ হ'লে পাশ্চাত্যৰ আধুনিকতাৰ বিষয়ে জনাটো অতি প্রয়োজন।

ঊনবিংশ শতিকাৰ দ্বিতীয়ার্ধত আৰম্ভ হোৱা এডোৱার্ড মানেট (Edoward Manet), আদিৰ প্রতীতিবাদী আন্দোলকৰ মূল কথা আছিল এই যে তেওঁলোকে একো একোটা বস্তুৰ হুবহু ৰূপ অংকন কৰি উলিয়াইছিল। ইয়াৰ পাছত জন্ম হয় উত্তৰ প্রতীতিবাদ। চেজান্ গগাঁ আৰু গথ্ আদিৰ উত্তৰ প্রতীতিবাদী চিত্রকলাই বিংশ শতিকাৰ আৰম্ভণিতে ইংলেণ্ডত জনপ্রিয় অর্জন কৰি বিশ্বৰ সকলোবোৰ সাহিত্যিকক প্রভাৱিত কৰিছিল। ইয়াৰ ফলত ঊনবিংশ শতিকাৰ দৈনন্দিন ঘটনাৰ হুবহু বিৱৰণ থকা বা ভাব-অনুভূতিৰ বিৱৰণ থকা বাস্তৱবাদী উপন্যাসৰ বিপৰীতে দৈনন্দিন ঘটনাৰ শৃংখলাবিহীন অস্পষ্ট ভাব-অনুভূতিৰ খেলিমেলি এক কলাগত ৰূপত সাজি উলিওৱা উপন্যাসৰ জন্ম হয়। উত্তৰ-প্রতীতিবাদৰ ফলতেই ইংৰাজী সাহিত্যত আধুনিক উপন্যাসৰ জন্ম হোৱা বুলি কোৱা হৈছে। আধুনিকতাৰ সংজ্ঞাটো একে আষাৰে ক'ব নোৱাৰা কথা। অসমীয়া সাহিত্যত আধুনিকতাবাদী যিসমূহ উপন্যাসৰ জন্ম হৈছিল সেইসমূহ পাশ্চাত্য আধুনিকতাৰ প্রভাৱত জন্ম হোৱা।

প্রফুল্লদত্ত গোস্বামীৰ *কেঁচা পাতৰ কঁপনি* এখন আধুনিকতাবাদী উপন্যাস। এইখন উপন্যাস পাশ্চাত্যৰ আধুনিকতাবাদৰ ওপৰত আধাৰিত। অসমীয়া উপন্যাসত আধুনিকতাবাদৰ প্রথম প্রতিফলন হয় প্রফুল্লদত্ত গোস্বামীৰ উপন্যাসত। তেওঁৰ *শেষ ক'ত*খনেই প্রথম অসমীয়া আধুনিক উপন্যাস। কিন্তু আধুনিকতাবাদী উপন্যাস বুলি কোৱাৰ লগে লগে প্রফুল্লদত্ত গোস্বামীৰ *কেঁচা পাতৰ কঁপনি* নামৰ উপন্যাসখনৰ কথা মনলৈ আহে। অসমীয়া সাহিত্যলৈ আধুনিকতাৰ বাহক হিচাপে কাম কৰিছিল *ৰামধেনু* কাকতে। *কেঁচা পাতৰ কঁপনি*খনো *ৰামধেনু* যুগৰ আধুনিকতাৰে বাহক।

পৰম্পৰাগত উপন্যাসত থকাৰ দৰে এটা সুকথিত কাহিনী আধুনিকতাবাদী উপন্যাসত দেখা নাযায়। *কেঁচা পাতৰ কঁপনি*ত আমি দেখা পাওঁ যে তাত কোনো কাহিনী নাই। আদি, মধ্য, অন্ত থকা কোনো সুকথিত কাহিনী নাই। আধুনিকতাবাদী উপন্যাসত পৰম্পৰাবাদী উপন্যাসৰ কাহিনীৰ সলনি এটা মাথোন বিবেকৰ প্রবাহ বা অভিজ্ঞতাৰ প্রক্রিয়াহে ধৰা পৰিছে। *কেঁচা পাতৰ কঁপনি*তো এই বিবকেৰ প্রবাহ বা অভিজ্ঞতাৰ প্রক্রিয়াটোহে মাথোন কাহিনীৰ সলনি ধৰা পৰে। এইখন উপন্যাসত নায়ক উৎপলৰ যিবোৰ অভিজ্ঞতা সেইবোৰ সুসংলগ্ন, সুসংহত নহয়। সেইবাবে সেই ঘটনা বা অভিজ্ঞতাবোৰে এটা ভালকৈ শুনাব পৰা কাহিনীৰ সৃষ্টি নকৰে। উপন্যাসৰ আৰম্ভণিতে উৎপলে দেউতাকৰ তাগিদাত আধি-ঠিকালৈ দি থোৱা তেওঁলোকৰ মাটিখিনিৰ

খাজনা আদায় কৰিবলৈ যায়। বৃদ্ধ দেউতাকে মাটিখিনিৰ সেই আধি-ঠিকাৰ ধানেৰেই পৰিয়ালটোক পোহপাল দিছে। উৎপলে বি. এ. পাছ কৰিও চাকৰি এটাত সোমাই ঘৰৰ দায়িত্ব বহন কৰিব পৰা নাই। ৰায়তসকলৰ প্রতি তাৰ মনত জন্মা সহানুভূতিৰ বাবে সি তেওঁলোকৰ পৰা ধন আদায়ৰ বাবেও উৎসাহী নহয়। সামাজিক-ৰাজনৈতিক কোনো গুৰুতৰ উদ্দেশ্যত নিজক নিয়োগ কৰি ৰাখিব পৰা মানসিক স্থিৰতাও উৎপলৰ নাই। উৎপল আকর্ষিত হয় কোনো ৰায়তৰ কন্যা ধুনীয়া কছাৰী গাভৰু বহাগীৰ প্রতি। কিন্তু প্রেম কৰা, বিবাহ কৰাৰ বাবে যি মানসিক সুস্থিৰতা লাগে সেয়া উৎপলৰ মাজত দেখা নাযায়। মনৰ অস্থিৰতা, কাহিনীৰ অসংযত অৱস্থাৰ পৰা এই কথা আমি ক'ব পাৰো যে ই এখন সঁচা অর্থত আধুনিক উপন্যাস। কল্পচিত্রৰ ব্যৱহাৰ আৰু ভাষাৰ ইংগিতময়তাৰ উপৰি বহু ক্ষেত্রত ইয়াৰ ভাষা আক্ষৰিক অর্থতে অনুভূতিসিক্ত বা আবেগিক হৈয়ো উঠে। এনেদৰে উপন্যাসখনৰ বহুতো কাৰকে ইয়াক আধুনিক উপন্যাস হিচাপে পাঠকক পৰিচয় কৰাই দিয়ে।

এই ধাৰাৰ উপন্যাস ৰচনাৰ বাহিৰে পঞ্চাশ আৰু ষাঠিৰ দশকত বিশেষ কোনো শৈলী বা ধাৰাৰ প্রবর্তন কৰাটো ঔপন্যাসিকসকলৰ ক্ষেত্রত লক্ষ্য কৰা নাযায়। বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ প্রথম উপন্যাস *ৰাজপথে ৰিঙিয়ায়* ১৯৫৫ চনত প্রকাশিত হয়। এই উপন্যাসখনৰ জৰিয়তে ভট্টাচার্যই জেইমছ্ জয়চ্ (James Joyce) আৰু ভার্জিনিয়া উল্‌ফৰ দুখন উপন্যাসৰ আংগিকৰ উপৰিভাগৰ ৰূপটি অসমীয়ালৈ আমদানি কৰিছিল। *এশ বছৰৰ অসমীয়া উপন্যাসত* আলোচক গোবিন্দ প্রসাদ শর্মাই বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ উপন্যাসত আলোচনা প্রসংগত কৈছে—

'বীৰেন্দ্র ভট্টাচার্যৰ কৈশোৰ আৰু আদি যৌৱনকালৰ কমিউনিজমৰ ওপৰত আস্থা আৰু সেই আদর্শৰ প্রতি আনুগত্য আৰু ধৰা পৰে *ৰাজপথে ৰিঙিয়ায়*ৰ পোন্ধৰ বছৰ পিছত প্রকাশিত তেওঁৰ অন্যতম প্রধান সাহিত্যকর্ম *প্রতিপদ* (১৯৭০) উপন্যাসখনতো। *প্রতিপদ*ৰ বিষয়বস্তু ১৯৩৮-৩৯ চনৰ ডিগবৈ তেল কোম্পানীৰ বিখ্যাত বনুৱা ধর্মঘটক কেন্দ্র কৰি গঢ়ি তোলা।...'

এটা বাস্তৱ ঘটনাক আলম কৰি সৃষ্টি কৰা এইখন উপন্যাসত ঔপন্যাসিক ভট্টাচার্যৰ ৰাজনৈতিক মতাদর্শৰ প্রতিফলন স্পষ্ট। সমাজবাদত বিশ্বাসী এইগৰাকী দায়বদ্ধ লেখক যৌৱনৰ প্রাৰম্ভিক কালছোৱাত কমিউনিষ্ট ভাবধাৰাত বিশ্বাসী আছিল। উপন্যাসখনৰ এটা অন্যতম চৰিত্র ট্রেড ইউনিয়নৰ নেতা সুধীন্দ্র প্রামাণিকৰ মাজেদি যেন তৰুণ কমিউনিষ্ট বীৰেন্দ্র কুমাৰ ভট্টাচার্যই প্রাণ পাই উঠিছে। ঔপন্যাসিক ভট্টাচার্যৰ উপন্যাসত প্রাণ পাই উঠা নাৰী চৰিত্রসমূহো কোনো গুণে নিষ্প্রভ নহয়। কোনো কোনোটো নাৰী চৰিত্রত পাশ্চাত্যৰ চিন্তা-আদর্শৰ অনুৰণন ঘটা পৰিলক্ষিত হয়। তেওঁৰ *বল্লৰী* উপন্যাসৰ নায়িকা অলি তেনে এটা নাৰী চৰিত্র। তৈল প্রতিষ্ঠানৰ উচ্চপদস্থ বিষয়াৰ পত্নীৰূপে তেওঁ তৈলনগৰীৰ অচিনাকি অভিজাত সমাজখনৰ লগত মিলি যাবলৈ প্রথম অৱস্থাত কিছু অসুবিধাৰ সন্মুখীন হৈছিলে। লাহে লাহে তেওঁ তেনে সমাজৰ

আভিজাত্যৰ চিনস্বৰূপে সুৰা পান কৰাত অভ্যস্ত হয়। বস্তুবাদী চিন্তাৰ অধিকাৰী স্বামী নলীন দুৰৰাই তেওঁৰ মনটো স্পর্শ কৰিব নোৱাৰিলে। বৰঞ্চ কাব্যসুলভ চেতনাৰ ডেকা বিষয়া বিজন সেনগুপ্তইহে অলিৰ হিয়া-মনৰ ভিতৰলৈ সোমাই গৈছিলে। কিন্তু পৰম্পৰাগত সমাজৰ বান্ধোনৰ পৰা অলি মুক্ত হ'ব নোৱাৰিলে। প্রেমিক বিজন আঁতৰি গৈছিলে। স্বামী নলীন দুৰৰাই শ্বিলঙলৈ গুচি যোৱাত অলি অকলশৰীয়া হ'ল। সেই নিঃসংগ জীৱনত অলি অতিষ্ঠ হৈ শেষত আত্মহত্যা কৰিলে। সমালোচকৰ ভাষাত অলিৰ জীৱনক্রমত ৰুছ ঔপন্যাসিক লিঅ' টলষ্টয়ৰ আন্না কাৰেনিনা চৰিত্রটোৰ প্রভাৱ পৰিছে।

ভার্জিনিয়া উল্‌ফৰ আটাইকেইখন উপন্যাস চেতনা-স্রোত পদ্ধতিত ৰচিত। আধুনিকতাবাদী আন্দোলনৰ কাল ইম্প্রেশ্যনিষ্টিক বা প্রতীতিবাদ, সময় সম্পর্কে বের্গছঁ আৰু উইলিয়ম জেইমছ্‌ৰ নতুন ধাৰণা আৰু মানুহৰ চেতনা সম্পর্কে ফ্রয়ড্‌ আৰু ইয়ুঙৰ নতুন ধাৰণাৰ আধাৰত সাহিত্যত যি চেতনা-স্রোত পদ্ধতি গঢ় লৈ উঠিছিল সেয়া উপন্যাসত প্রযুক্ত কৰা হৈছিল। পাশ্চাত্যত চেতনা-স্রোত পদ্ধতিত উপন্যাসৰ ৰচয়িতা ভার্জিনিয়া উল্‌ফৰ নিজৰ ভাষাত ইয়াত কোনো প্লটো নাই। উপন্যাস যিহেতু বাস্তৱৰ প্রতিফলন আৰু আমাৰ বাস্তৱ জীৱনত ঘটা ঘটনাবোৰ যিহেতু পৰম্পৰাবাদী উপন্যাসবোৰত সৃষ্টি কৰা ধৰণৰ কোনো কাহিনী ৰচনা নকৰে, গতিকে বাস্তৱৰ খাতিৰতে উপন্যাসত কোনো কাহিনী থাকিব নোৱাৰে। এক শক্তিশালী আৰু অবিবেচক অত্যাচাৰীৰ কবলত পৰি এওঁলোক (পৰম্পৰাবাদী ঔপন্যাসিক) বাধাপ্রাপ্ত হয় আৰু নিজৰ স্বাধীন ইচ্ছা হেৰুৱাই পেলায়। ফলত এওঁলোকে প্লট ৰচনা কৰিবলগীয়া হয় কমেডি, ট্রেজেদি আদি।

চেতনা-স্রোত পদ্ধতিত লিখিবলৈ প্রয়াস কৰা আমাৰ উপন্যাসবোৰৰ বিপৰীতে চেতনা-স্রোত পদ্ধতিৰ সার্থক উপন্যাসবোৰত নায়কৰ চেতনা আধুনিক মনোবিজ্ঞানীসকলৰ ধাৰণা মতে বহুমাত্রিক বা বহুধাবিভক্ত। অসমীয়া উপন্যাসত চেতনা-স্রোত পদ্ধতিৰ প্রয়োগ ভূপেন্দ্র নাৰায়ণ ভট্টাচার্যৰ উপন্যাসত দেখিবলৈ পোৱা যায়। এই বিষয়ে যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বত আলোচনা কৰা হ'ব।

হোমেন বৰগোহাঞিৰ আদিছোৱাৰ উপন্যাসবোৰৰ বিষয়বস্তু আধুনিক যদিও পৰম্পৰাগত হৈয়ে ৰয়। হোমেন বৰগোহাঞিৰ প্রথম উপন্যাস *সুবালা* (১৯৬৩) আংগিকৰ ক্ষেত্রত পৰম্পৰাবাদী হৈও বিষয়বস্তু আধুনিকতাবাদী। ঘটনাবহুল কাহিনীৰ মাজেদি বিষয়বস্তু প্রকাশ কৰাত আৰু সেই কাহিনীৰ কথন ৰীতিত এখন পৰম্পৰাবাদী উপন্যাস হৈয়ো, প্রকৃতিবাদী বিষয়বস্তুৰ বাবে ই আধুনিকতাবাদ কঢ়িয়াই আনিলে। এই উপন্যাসখনত তেওঁ প্রকৃতিবাদকে একমাত্র ভাবধাৰা হিচাপে তুলি ধৰিছিল। তেওঁৰ দ্বিতীয় উপন্যাস *তান্ত্রিক* (১৯৬৭)ক বিনা দ্বিধাই ফর্মৰ ক্ষেত্রতো পৰম্পৰাবাদী আখ্যা দিব নোৱাৰি। 'তান্ত্রিক' এখন গতানুগতিক কাহিনীপ্রধান উপন্যাস নহয়। ই এখন ভাবপ্রধান উপন্যাস। কাহিনীৰ অস্তিত্ব ইয়াত নাই বুলি ক'ব পাৰি।

এইখন উপন্যাসত প্রকৃতিবাদৰ লগতে অতীন্দ্রিয়বাদ বা ৰহস্যবাদ আৰু তাৰ অন্য এটা ৰূপ দৈহিক অতীন্দ্রিয়বাদ (fleshy mysticism) বা তান্ত্রিক ভাবধাৰাও ফুটাই তোলা হৈছে। উপন্যাসখনিৰ দুটি প্রধান চৰিত্র হ'ল অৰুণ চক্রৱর্তী আৰু অমল চৌধুৰী। উপন্যাসখনত অৰুণ চক্রৱর্তীৰ সংলাপৰ মাজেদি, দুয়োজনৰ মাজৰ সৰস আলোচনাৰ মাজেদি, তেওঁলোকৰ জীৱন সম্পর্কে, পৰিস্থিতি সম্পর্কে মনোভংগীৰ মাজেদি প্রকৃতিবাদ, অতীন্দ্রিয়বাদ, দৈহিক অতীন্দ্রিয়বাদ আৰু অস্তিত্ববাদৰ ভাবধাৰাবোৰ স্পষ্ট হৈ উঠিছে। অৱশ্যে উপন্যাসখনৰ বিষয়বস্তু অমল চৌধুৰী আৰু অৰুণ চক্রৱর্তীৰ মাজৰ আলাপ-আলোচনা বা সংলাপৰ মাজেদি ফুটি উঠা নুবুলি প্রকৃতিবাদী আৰু অস্তিত্ববাদী অৰুণ চক্রৱর্তীৰ মনোযোগী শ্রোতা অতীন্দ্রিয়বাদী অমল চৌধুৰীৰ আগত ব্যক্ত কৰা বক্তৃতাসমূহ আৰু অমল চৌধুৰীৰ সেইবোৰ বক্তৃতা শুনাৰ পিছত নিজৰ নিঃসংগ মুহূর্তৰ ভাবনাৰ মাজেদি প্রকাশিত হৈছে বুলি ক'লে বেছি সঠিক হ'ব। উপন্যাসখনৰ নায়ক অমল। অৰুণ উপন্যাসখনৰ এক পার্শ্ব চৰিত্র। অমলৰ মাজেদি উপন্যাসখনৰ সকলোখিনি কার্য আৰু ভাব ধৰা পৰিছে।

এনেদৰে যুদ্ধোত্তৰ যুগৰ প্রথম পর্বৰ অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্রভাৱ দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ যুদ্ধোত্তৰ যুগৰ প্রথম পর্বত অসমীয়া উপন্যাস কেনে ধৰণৰ পটভূমিত গঢ় লৈছিল? (২৫০ টা শব্দৰ ভিতৰত)

.....

৩.৬ যুদ্ধোত্তৰ যুগ (দ্বিতীয় পর্ব, ১৯৭০-২০০০)ৰ অসমীয়া উপন্যাস আৰু পাশ্চাত্য প্রভাৱ

যুদ্ধোত্তৰ যুগৰ এই পর্বটিত অসমৰ সমাজ আৰু জাতীয় জীৱনত বহুতো পৰিৱর্তন সাধিত হয়। বিশেষকৈ ১৯৭০ চনৰ পৰা ভাৰতবর্ষৰ ৰাজনৈতিক, অর্থনৈতিক, শৈক্ষিক, বৌদ্ধিক, সাংস্কৃতিক মূল্যবোধৰ আমূল পৰিৱর্তন সাধন হয়। এনে পৰিস্থিতিত অসমীয়া সাহিত্যৰ ধাৰা আগৰ ধাৰাৰ পৰা বহু পৰিমাণে আঁতৰি আহিল। ১৯৭০-২০০০ চনৰ সময়ছোৱাত অসমত বহুতো ঐতিহাসিক ঘটনা ঘটিছিল যিবোৰৰ সুদূৰপ্রসাৰী প্রভাৱ আজিও বিদ্যমান। জনগোষ্ঠীসমূহৰ সমস্যা, ১৯৭২ চনত মাধ্যম আন্দোলন, ১৯৭৩ত বৰোসকলে তেওঁলোকৰ ভাষাৰ বাবে ৰোমান লিপি ব্যৱহাৰ কৰাৰ বাবে আন্দোলন, ১৯৭৮ চনৰ বাংলাদেশী অনুপ্রৱেশৰ বিৰুদ্ধে আন্দোলন আদিয়ে অসমৰ সকলো দিশতে পৰিবর্তন সাধন কৰে।

এই সময়ছোৱাত অর্থাৎ বিংশ শতিকাৰ সত্তৰ দশকৰ পৰা অসমীয়া উপন্যাস সাহিত্যই

বিভিন্ন বৈচিত্র্যৰ মাজেৰে যাত্রা আৰম্ভ কৰে। এই যুগত অসমীয়া উপন্যাস সাহিত্যত বহুতো নতুনত্ব আহিল। এই সময়ৰে ঔপন্যাসিকসকলে তেওঁলোকৰ উপন্যাসত কোনো কাহিনী বর্ণনা কৰিবলৈ পূর্বে গ্রহণ কৰা স্বাভাৱিক বর্ণনাত্মক পদ্ধতিৰ ব্যৱহাৰ কৰাৰ পৰিবর্তে বিক্ষিপ্ততাৰ মাজত প্রকাশ পোৱা বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰে।

যুদ্ধোত্তৰ যুগৰ প্রথম পর্বত যিসকল ঔপন্যাসিকে উপন্যাস লিখিছিল তেওঁলোকৰ বহুতে এই যুগতো উপন্যাস লিখা অব্যাহত ৰাখিছিল। সেই ঔপন্যাসিকসকলৰ ভিতৰত বীৰেন্দ্র কুমাৰ ভট্টাচার্য, হোমেন বৰগোহাঞি, চৈয়দ আব্দুল মালিক, ৰোহিণী কাকতি, শীলভদ্র, মামণি ৰয়ছম গোস্বামী আদি। আনহাতে এই যুগত বহুকেইজন নতুন ঔপন্যাসিকে বলিষ্ঠ পদক্ষেপেৰে আত্মপ্রকাশ কৰে। সেইসকলৰ ভিতৰত দেৱব্রত দাস, অৰূপা পটংগীয়া কলিতা, ফণীন্দ্র কুমাৰ দেৱচৌধুৰী, হিৰণ্য কাশ্যপ, ভূপেন্দ্র নাৰায়ণ ভট্টাচার্য, স্বর্ণ বৰা আদি উল্লেখযোগ্য। নতুন ঔপন্যাসিকসকলেও উপন্যাস ক্ষেত্রলৈ মনঃস্তত্ত্ব, অস্তিত্ববাদ, প্রকৃতিবাদ আদি বিভিন্ন দর্শন আৰু কৌশল ব্যাপকভাৱে আদৰি আনি অসমীয়া উপন্যাসলৈ নতুনত্ব তথা অভিনৱত্ব কঢ়িয়াই আনিছে।

এই যুগত দেৱেন্দ্রনাথ আচার্যই কুৰি বছৰ স্তব্ধ হৈ থকা আধুনিক উপন্যাসৰ পৰম্পৰাক বোৱাই আনিবলৈ চেষ্টা কৰিলে তেওঁৰ প্রথম উপন্যাস *অন্য যুগ, অন্য পুৰুষ* (১৯৭০)ৰ মাজেৰে। দেখাত এই উপন্যাসে বিগত যুগৰ এক বিলীয়মান বাতাবৰণ দাঙি ধৰিলেও বর্ণনাৰ নতুনত্বৰে তথা আংগিকৰ নতুনত্বৰে আধুনিক উপন্যাসৰ ধাৰাটিলৈ ই অৰিহণা যোগাইছিল। উপন্যাসখনত ছ্যুৰিয়েলিজমৰ (Surrealism) প্রয়োগ মন কৰিবলগীয়া। অর্থাৎ দেৱেন্দ্রনাথ আচার্যৰ এই উপন্যাসখনত অতিবাস্তৱবাদৰ প্রয়োগ দেখা যায়। অতিবাস্তৱবাদ হৈছে এখন সপোন ৰাজ্যত যেন সংলগ্ন, অসংলগ্ন বহুতো কিবাকিবি ঘটি যায়। তাৰ বেছিভাগ কথা হয়তো বাস্তৱত হুবহু ৰূপত নঘটে অথচ ঘটিলেও আচৰিত হ'বলগীয়া নহয়। এই উপন্যাসখনত আধুনিক উপন্যাসৰ প্রধান লক্ষ্য সচেতনতাৰ বা বিবেকৰ সামৰণিহীনতাটোহে মূলতঃ দেখা পোৱা যায়। এক ৰহস্যজনক চৰিত্র, যাৰ ঘৰ নাই, সংসাৰ নাই। ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ গৈ মানুহৰ ঘৰত তেওঁ আকস্মিক আলহী হৈ ভাত খায় আৰু কাহিনী শুনায় বৃটিছ অহাৰ দিনৰ পৰা গান্ধীৰ দিনলৈ। বৃদ্ধৰ কাহিনীৰ মাজত যদিও অসমৰ এক চিত্র অংকিত হৈছে, তথাপি এই বৃদ্ধৰ অতীত ৰোমন্থনৰ কাহিনী লাগ-বান্ধ নোহোৱা, টুকুৰা-টুকুৰ আৰু অন্তহীন। তেওঁৰ কাহিনীৰ যেন আৰম্ভণিও নাই সামৰণিও নাই। এই কথাতেই উপন্যাসখন আধুনিক পৰম্পৰাৰ।

মামণি ৰয়ছম গোস্বামীৰ *নীলকণ্ঠ ব্রজ* উপন্যাসখনতো অতিবাস্তৱবাদৰ প্রতিফলন দেখা যায়। এই উপন্যাসখনৰ নায়িকাই এপিনে গোড়া সমাজৰ নিষ্ঠুৰ ৰীতি-নীতিৰ বলি হৈ নিজৰ মানৱীয় আকাংক্ষা জলাঞ্জলি দিছে। তাৰ ফলত নায়িকাৰ মন হৈ উঠিছে নিজৰ অজ্ঞাতসাৰে বিদ্রোহী। সপোন যেন লগা এই নিষ্ঠুৰ জগত হ'ল বিধৱা নায়িকাৰ বিচৰণ ক্ষেত্র। সৌদামিনী

ভৰ যৌৱনতে বিধৱা হ'ল। উচ্চ হিন্দু সমাজখনে বিচাৰে তাই সদায় এনেদৰেই থাকক। দ্বিতীয় বিবাহৰ কথা তাই যেন ভুলতেও নাভাবে। এয়া সমাজৰ দাবী, তাইৰ মাক-দেউতাকৰ দাবী। মাক-দেউতাকে তাইক কৃষ্ণৰ লীলাভূমি ব্রজধামলৈ লৈ আহিছে যাতে তাই কৃষ্ণপ্রেমত মজি থাকে। কিন্তু ভৰ যৌৱনা সৌদামিনীৰ মনত প্ৰৱেশ কৰিলে এজন খ্রীষ্টিয়ান যুৱকে। কিন্তু মাক-দেউতাকৰ বাবে এয়া অসম্ভৱ কথা। শেষত মাক-দেউতাকৰ কথা ভাবিয়ে প্রেমিকক দেহ-মন দান কৰি যমুনাত জাঁপ দি তাই আত্মহত্যা কৰিলে। উপন্যাসখনত দেখা গৈছে যে জনসাধাৰণৰ মনত ধৰা দিয়া ব্রজধামৰ পবিত্র, ধর্মীয় পৰিবেশৰ ঠাইত শোষণ, নিপীড়ন, অনাচাৰৰ এক কদর্য পৰিবেশ— নিষ্ঠুৰতা, ক্ষুধা, ৰোগ আৰু মৃত্যু। এনেদৰে আমি এই উপন্যাসখনৰ মাজেৰে অতিবাস্তৱবাদৰ প্রতিফলন ঘটা দেখা পাওঁ।

হোমেন বৰগোহাঞিৰ *অস্তৰাগ* (১৯৮৬) উপন্যাসখনত প্রকৃতিবাদৰ প্রতিফলন ঘটা দেখা যায়। উপন্যাসখনত ডেকা অধ্যাপক দিলীপে যেতিয়া গাঁৱত থকা বৃদ্ধ পিতৃৰ অসুস্থতাৰ খবৰ পায়, তেওঁ লগে লগে গাঁৱলৈ গৈ পিতৃক লগত লৈ চহৰলৈ উভতি আহে। চহৰত বোৱাৰী, নাতি-নাতিনীৰ যত্ন-শুশ্রূষা দিলীপৰ পিতৃয়ে যেন অন্তৰেৰে গ্রহণ কৰিব নোৱাৰে। পিতৃস্নেহবান দিলীপে দেউতাকৰ বার্ধক্য আৰু সেই অৱস্থাই সৃষ্টি কৰা দেউতাকৰ আৰু নিজৰ জীৱনৰ সমস্যা বুজি পায়ো বুজিবলৈ অপাৰগ হয়। শেষত তেওঁ বন্ধুসকলৰ লগত আলোচনাৰ মাজেৰে এক নতুন দৃষ্টিভংগী লাভ কৰে যাক কোৱা হয় প্রকৃতিবাদী দৃষ্টিভংগী। এই পৃথিৱীতে প্রকৃতিৰ এক সৃষ্টি হিচাপে অন্য পদার্থ বা প্রাণীতকৈ মানুহৰ অনন্য ৰূপ দিলীপে স্বীকাৰ কৰে। প্রকৃতিবাদী উপন্যাস হিচাপে বৰগোহাঞিয়ে অকল বর্ণনাতে নহয়, চৰিত্রবোৰৰ সংলাপৰ ভাষাতো সাৱলীলতা, আৱেগ-সঞ্চাৰী গুণ প্রয়োগ কৰিছিল।

যুদ্ধোত্তৰ যুগৰ এগৰাকী প্রখ্যাত ঔপন্যাসিক হোমন বৰগোহাঞিৰ উপন্যাসকৃতিত আমি পৰম্পৰাগত ধ্যান-আদর্শৰ লগতে পাশ্চাত্যৰ চিন্তা-আদর্শৰ সংমিশ্রণ আৰু সংযোজন ঘটা দেখিবলৈ পাওঁ। বৰগোহাঞিৰ *তান্ত্রিক* উপন্যাসত অতীন্দ্রিয়বাদ (mysticism) আৰু প্রকৃতিবাদৰ (naturalism) প্রতিফলন ঘটিছে। *তান্ত্রিক* উপন্যাসত চৰিত্র বুলিলে আমি দুটা মুখ্য চৰিত্র অৰুণ চক্রৱর্তী আৰু অমল চৌধুৰীৰ কথা বুজো। দুয়োটা চৰিত্রৰ সৰস আলোচনাৰ মাজেদি আমি উল্লেখ কৰি অহা অতীন্দ্রিয়বাদ আৰু প্রকৃতিবাদৰ ধাৰা ভাস্বৰ হৈ উঠিছে। অমল চৌধুৰীৰ তেওঁৰ সহপাঠিনী ঊষাৰ লগত থকা সম্পর্কত ৰহস্যবাদী ধ্যান-ধাৰণা প্রকাশ পাইছে। আনহাতে একেখন উপন্যাসতে অৰুণ চক্রৱর্তী নামৰ চৰিত্রটোৱে বৈজ্ঞানিকভাৱে দিয়া অমলৰ মূৰৰ বিষৰ ব্যাখ্যাত প্রকৃতিবাদৰ প্রভাৱ বিদ্যমান। অৰুণৰ সেই ব্যাখ্যাই আমাক বাল্‌জাকৰ *ওল্ড্ গোৰিও* উপন্যাসৰ চৰিত্র বৃদ্ধ গোৰিওৰ শাৰীৰিক অসুস্থতাৰ বিষয়ে চিকিৎসা শাস্ত্রৰ ছাত্রজনে দিয়া মেডিকেল ব্যাখ্যালৈ মনত পেলাই দিয়ে।

ভূপেন্দ্র নাৰায়ণ ভট্টাচার্যৰ উপন্যাস *মৰুদ্যানত* চেতনা-স্রোত পদ্ধতিৰ প্রয়োগ দেখা যায়। চেতনা-স্রোত পদ্ধতিৰ উপন্যাসত কাহিনী, ভাৱনা অসংলগ্ন, অপদ্ধতিমূলক আৰু বিশৃংখল। আধুনিক দার্শনিকসকলৰ ধাৰণা অনুসৰি সময় নিৰৱচ্ছিন্ন সোঁত হিচাপে ইয়াত বৈ গৈ থাকে, যাৰ ফলত উপন্যাসৰ ঘটনা বা দৃশ্যবোৰ পৃথক পৃথক নহয়, ইটোৰ লগত সিটোৰ এৰাব নোৱাৰা সম্পর্ক থাকে। অতীতৰ ঘটনা মনৰ চেতনালৈ আহি বর্তমানৰ লগত মিলি যাব খোজে আৰু বর্তমানৰ কথা বা ভাবনা এইমাত্র যদি উৰা মাৰে অতীতলৈ, পিছমুহূর্তত ভৱিষ্যতলৈ। এই উপন্যাসসমূহত অধ্যায় বিভাজন নাই। *মৰুদ্যান* উপন্যাসত অৱশ্যে ইয়াৰ প্রধান চৰিত্র, প্রথম পুৰুষত কাহিনী বর্ণনাকাৰী কলিকতাৰ শিলাদিত্য চট্টোপাধ্যায়ে তেওঁৰ দিনটো কালানুক্রমিকভাৱে কটোৱাৰ বিৱৰণ ইয়াত দেখা যায়। কিন্তু তাৰ মাজতে আমি দেখা পাওঁ তেওঁৰ চেতনাত অতীত আৰু বর্তমানৰ অন্য বহুতো লোক ধৰা পৰা দৃশ্য। তেওঁৰ পত্নী প্রণামিকাই তেওঁৰ অকমর্ণ্যতাত অতিষ্ঠ হৈ অন্য পুৰুষ হেমন্তৰ লগত গুচি গ'ল আৰু এটি সন্তানৰ মাতৃ হ'ল; অঞ্জলি বেনার্জী— যি তেওঁৰ শৈশৱৰ বান্ধৱী, যিয়ে তেওঁৰ সংগ বিচাৰি ব্যর্থ হয়, সিদ্ধার্থ বসু— যাক তেওঁ তেওঁৰ স্বৰচিত কবিতা দেখু�ৱাব খোজে কিন্তু যি তেওঁৰ সংগৰ পৰা পলাই ফুৰে, তেওঁৰ পিতৃ, পিতৃক এৰি পৰপুৰুষৰ লগত যোৱা তেওঁৰ মাতৃ ইত্যাদি বিভিন্ন চিনাকি আধা-চিনাকি মানুহৰ ভিৰ তেওঁৰ চেতনাত।

এনে বিচ্ছিন্নতা আৰু নিসংগতা বিংশ শতিকাৰ প্রথমার্ধৰ পাশ্চাত্য আধুনিকতাবাদী সাহিত্যৰেই লক্ষণ আৰু এই লক্ষণ প্রকাশৰ এক প্রধান মাধ্যম হৈ উঠিছিল চেতনা-স্রোত পদ্ধতি বা আংগিকটো। ঔপন্যাসিকে কেৱল আংগিকৰ খাতিৰতেই এই আংগিক উপন্যাসখনিত প্রয়োগ কৰা নাই। উপন্যাসৰ বিষয়বস্তু আৰু অনুভূতিৰ উপযুক্ত প্রকাশ মাধ্যম হিচাপে চেতনা-স্রোত পদ্ধতি উপন্যাসখনৰ বাবে অপৰিহার্য আছিল।

অসমীয়া উপন্যাস সাহিত্যলৈ শীলভদ্রৰ অনবদ্য অৱদান হ'ল— *অনুসন্ধান, মধুপুৰ, তৰংগিনী* আদি। মধুপুৰ আৰু তৰংগিনী দুয়োখন যদিও পৰম্পৰাবাদী তথাপি দুয়োখনতে আধুনিকতাৰ প্রভাৱ সুন্দৰকৈ দেখা যায়। আনহাতে *অনুসন্ধান* উপন্যাসখনত অতীত আৰু বর্তমানৰ সীমাৰেখা আধুনিকতাবাদী উপন্যাসৰ দৰেই অস্পষ্ট। উপন্যাসখনৰ ৪৭টা অধ্যায়ৰ ভিতৰত ২৯টা অধ্যায়ত চেতনা-স্রোত পদ্ধতিৰ আভাস পোৱা যায়। বিশেষকৈ ভৃগু চৌধুৰীৰ মনৰ ভাব-চিন্তাবোৰৰ প্রকাশৰ ক্ষেত্রত আধুনিকতাবাদৰ আৰু এটা লক্ষণ বিচ্ছিন্নতা বা নিসংগতা *অনুসন্ধান* উপন্যাসখনত ভৃগু চৌধুৰীৰ মাজেৰে দেখা যায়। এনেদৰে আমি শীলভদ্রৰ এই উপন্যাসখনত পাশ্চাত্যৰ প্রভাৱ ফুটি উঠা দেখা পাওঁ। অসমীয়া উপন্যাস সাহিত্যক স্বৰচনাৰাজিৰে সমৃদ্ধ কৰা ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ উপন্যাসে দেশ, কালৰ পৰিধি অতিক্রম কৰি বিশ্ব মানৱাত্মাক আহ্বান কৰিছে। এইগৰাকী ঔপন্যাসিকৰ কাপত নৰ-নাৰীৰ বিচিত্র জীৱন চিন্তা উদ্ভাসিত হোৱাৰ লগতে দেশ-সমাজক চেপি-খুন্দি থকা কিছুমান সংস্কাৰ-কুসংস্কাৰে কেনেদৰে

জীৱনৰ ৰস নিঃশেষ কৰে তাৰ চিত্র ফুটি উঠা পৰিলক্ষিত হয়। অন্য বহুকেইগৰাকী অসমীয়া ঔপন্যাসিকৰ দৰে এইগৰাকী ঔপন্যাসিকো পাশ্চাত্যৰ বিভিন্ন বাদ আৰু ধাৰাৰ দ্বাৰা প্রভাৱান্বিত নোহোৱাকৈ থকা নাই। তেওঁৰ উপন্যাস *নীলকণ্ঠী ব্রজত* অতিবাস্তৱবাদৰ প্রতিফলন ঘটা বুলি আলোচকসকলে কয়। এই প্রসংগত আলোচক গোবিন্দ প্রসাদ শর্মাই কৈছে যে *নীলকণ্ঠী ব্রজত* অতিবাস্তৱবাদৰ ছায়া পৰিছে। ইয়াত তৃতীয় পুৰুষ বর্ণনাকাৰীয়ে সাধাৰণ বাস্তৱৰ কথা বর্ণনা কৰি গৈছে যদিও ক্রমশঃ বর্ণনাভংগী সলনি হৈছে। আলোচকৰ ভাষাত সকলো কথাই সামাজিক বা ঐতিহাসিক বাস্তৱতাৰ কথা হ'লেও স্বপ্নিল হৈ উঠিল। উদাহৰণ স্বৰূপে—

'সৌদামিনীয়েও দুয়োকাষে চালে। ধূলিৰে ধূসৰিত কাঁইটীয়া জোপোহা আৰু কাবুলি ৰমনাৰ জোপোহাৰে ভৰি থকা হাবি এখন। কাবুলী ৰমনাৰ ঠানিবোৰ মাছৰ কাঁইটৰ দৰে ঠৰঙা আৰু ইয়াৰ বেঙুনীয়া ফুলবোৰ গছৰ গুঁজি থোৱাৰ দৰে দেখা গৈছে। মাজে মাজে দুই-এটা ময়ূৰে চালি ধৰি থকা দেখা গৈছে।'

তেওঁৰ উপন্যাসত প্রতিবাদী নাৰী চৰিত্র দেখিবলৈ পাওঁ। তেওঁৰ দুখন বহুচর্চিত উপন্যাস *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'*আৰু *মামৰে ধৰা তৰোৱাল*ৰ দুই নাৰী চৰিত্র গিৰিবালা আৰু নাৰায়ণী সমাজ আৰু পুৰুষৰ শোষণ আৰু বঞ্চনাৰ বিৰুদ্ধে থিয় হোৱা প্রতিবাদী চৰিত্র। ঔপন্যাসিকগৰাকীয়ে ক'তো নাৰীবাদৰ প্রসংগ উত্থাপন কৰা নাই যদিও দুয়োখন উপন্যাসত এই দুটা নাৰী চৰিত্রই নিজৰ ব্যক্তিত্ব স্বাতন্ত্র্য আৰু সমাজত নিজৰ অস্তিত্বৰ স্বীকৃতিৰ বাবে অভিনৱ কৌশল গ্রহণ কৰিছে। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* চিত্রিত হোৱা দুর্গা চৰিত্রটোত ফ্রয়দীয় মনস্তত্ত্বৰ প্রভাৱ পৰিছে। নৈষ্ঠিক ব্রাহ্মণ বিধৱা দুর্গাই তাইৰ মৃত স্বামীৰ খৰমযোৰ বুকুৰ ওচৰলৈ চপাই লৈ কৰা অদ্ভুত আচৰণে সংস্কাৰাচ্ছন্ন মনৰ দুর্কপলীয়া বিধৱা দুর্গাৰ অবদমিত যৌন চেতনা আৰু চৰম হতাশাৰ মর্মস্পর্শী চিত্র প্রকাশ কৰিছে। এইদৰে বিচিত্র ৰূপত মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত পাশ্চাত্য প্রভাৱ দৃষ্টিগোচৰ হয়।

অসমীয়া উপন্যাস সাহিত্যত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে আমি ওপৰত কেইজনমান ঔপন্যাসিকৰ উপন্যাসক লৈ আলোচনা কৰিলো। এই আলোচনাৰ পৰা আমি অসমীয়া উপন্যাস কিদৰে পাশ্চাত্যৰ ভাবধাৰাৰ দ্বাৰা প্রভাৱিত হৈ আহিছে তাৰ চমু লেখ পালো।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বত ৰচিত হোৱা অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ কিদৰে পৰিছিল?

(২৫০ টা শব্দৰ ভিতৰত লিখক)

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া উপন্যাস সাহিত্যৰ জন্ম আৰু পাশ্চাত্যৰ প্রভাৱ সম্পর্কে এই অধ্যায়টিত আলোচনা কৰা হৈছে। *অৰুণোদই* যুগত *অৰুণোদই* কাকত প্রকাশৰ লগে লগে অসমীয়া সাহিত্য জগতলৈ পৰিৱর্তন আহিল। এক পাশ্চাত্যমুখী যাত্রাৰ আৰম্ভণি ঘটিল। *অৰুণোদই* যুগত প্রকাশিত উপন্যাসধর্মী ৰচনাসমূহৰ মাজেৰে পাশ্চাত্যৰ প্রভাৱে প্রৱেশ কৰিলে।
- *জোনাকী* যুগৰ ঔপন্যাসিকসকলৰ কলমেৰেও পাশ্চাত্যৰ আগমন ঘটিল। *জোনাকী* যুগতে অসমীয়া সাহিত্যত নৱজাগৰণৰ আৰম্ভ হৈছিল। এই নৱজাগৰণ আছিল এক পাশ্চাত্য সাহিত্য আন্দোলনৰ ফল। *জোনাকী* যুগৰ যিসকল ঔপন্যাসিকে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল তেওঁলোকৰ উপন্যাসৰ মাজত পাশ্চাত্যৰ প্রভাৱ প্রতিফলিত হোৱা দেখা যায়। *জোনাকী* যুগৰ উপন্যাস সংখ্যাত বৰ বেছি নহয়। কিন্তু যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ ধাৰাৰ ভেটিটো স্থাপন হৈছিল *জোনাকী* যুগতে।
- যুদ্ধোত্তৰ যুগ (প্রথম পর্ব, ১৯৪০-১৯৭০)ৰ ভালেসংখ্যক উপন্যাসত পাশ্চাত্যৰ প্রভাৱ দেখা যায়। এই অধ্যায়টিৰ জৰিয়তে যুদ্ধোত্তৰ যুগৰ প্রথম পর্বটিৰ কেইজনমান ঔপন্যাসিকৰ উপন্যাসত পাশ্চাত্যৰ প্রভাৱ কেনেদৰে পৰিছিল সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে।
- যুদ্ধোত্তৰ যুগ (দ্বিতীয় পর্ব, ১৯৭০-২০০০)ৰ উপন্যাসসমূহতো পাশ্চাত্যৰ প্রভাৱ যথেষ্ট আছিল। মনঃস্তত্ত্ব, অস্তিত্ববাদ, প্রকৃতিবাদ আদি পাশ্চাত্যৰ বিভিন্ন দর্শন আৰু কৌশল এই সময়ৰ উপন্যাসসমূহত প্রত্যক্ষ কৰা যায়। এই অধ্যায়ত কেইজনমান ঔপন্যাসিকৰ উপন্যাসত কেনেদৰে এই প্রভাৱসমূহ পৰিছে সেই বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে।



৩.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আহমেদ, কুতুবুদ্দিন (১৯৯২); *ইংৰাজী সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) কটকী, প্রফুল্ল (১৯৭৯); *স্বৰাজোত্তৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৩) কলিতা, অমৰেন্দ্র (২০০৬); *পাশ্চাত্য সাহিত্য;* নলবাৰী কিতাপ ঘৰ।

৪) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) বৰগোহাঞি, হোমেন (২০০৫); *অন্তৰাগ;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

৭) ভট্টাচার্য, পৰাগ কুমাৰ (২০১২); *পাশ্চাত্য সাহিত্যৰ অধ্যয়ন আৰু অনুবাদ;* গুৱাহাটী ঃ বনলতা।

৮) ভৰালী, শৈলেন (১৯৯৩); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৯) শর্মা, গোবিন্দ প্রসাদ (২০১২); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

১০) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১১) শর্মা, সত্যেন্দ্রনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১২) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যৰ দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

ইংৰাজী গ্রন্থ ঃ

1. Baruah, Birinchi Kumar (1978); *History of Assamese Literature;* Sahitya Akademi, New Delhi.
2. Bhuyan, Surya Kumar (1956); *Studies in the Literature of Assam*, Lawyers Books Stall, Guwahati.

৩.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া উপন্যাস সাহিত্যৰ জন্ম .... পাশ্চাত্যৰ প্রভাৱ অসমীয়া উপন্যাসত কেনেদৰে প্রৱেশ কৰিলে সেয়া আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ *জোনাকী* যুগৰ আবির্ভাৱত *জোনাকী* কাকতখনে কেনেদৰে অৱদান আগবঢ়ালে .... *জোনাকী* যুগত কোন কোন ঔপন্যাসিকে উপন্যাস লিখিছিল আৰু তেওঁলোকৰ উপন্যাসত পাশ্চাত্যৰ প্রভাৱ কেনেদৰে পৰিছিল সেই বিষয়ে আলোচনা কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ যুদ্ধোত্তৰ যুগৰ প্রথম পর্বটোৰ পটভূমি .... সেই সময়ৰ অসমৰ আর্থ-সামাজিক পৰিস্থিতি .... এই সকলোবোৰে অসমীয়া উপন্যাস সাহিত্যৰ ক্ষেত্রখনত কেনেদৰে প্রভাৱ বিস্তাৰ কৰিছিল .... এই সময়ৰ অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্রভাৱ কেনেদৰে বিস্তাৰিত হৈছিল সেয়া আলোচনা কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বটোৰ উপন্যাসত পাশ্চাত্যৰ কি কি দর্শন আৰু কৌশল প্রত্যক্ষ কৰা যায় .... দ্বিতীয় পর্বটোৰ কেইজনমান ঔপন্যাসিকৰ উপন্যাসত কেনেদৰে এই দর্শন আৰু কৌশল দেখা গৈছিল বহলাই আলোচনা কৰিব লাগিব।



৩.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ চমুটোকা লিখক ঃ (ক) *জোনাকী* যুগ (খ) যুদ্ধোত্তৰ যুগ
(গ) ভানুমতী (ঘ) প্রকৃতিবাদ

প্রশ্ন ২ ঃ ৰজনীকান্ত বৰদলৈক অসমৰ ওৱাল্টাৰ স্কট বুলি কিয় কোৱা হয়? তেওঁৰ উপন্যাসত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে লিখক।

প্রশ্ন ৩ ঃ প্রফুল্লদত্ত গোস্বামী আৰু হোমেন বৰগোহাঞিৰ উপন্যাসত পাশ্চাত্যৰ প্রভাৱ কেনেদৰে পৰিছিল বিশদ বর্ণনা দিয়ক।

প্রশ্ন ৪ ঃ যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বটিত পাশ্চাত্যৰ প্রভাৱ দেখা যায়। কাৰ কাৰ উপন্যাসৰ মাজত এই প্রভাৱ পৰিছে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ মামণি ৰয়ছম গোস্বামীৰ *নীলকণ্ঠ ব্রজ* উপন্যাসখনত পাশ্চাত্যৰ কি প্রভাৱ দেখা যায়। বহলাই লিখক।

*** ***** ***

অধ্যায় ৪ ঃ অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অসমীয়া চুটিগল্পৰ পটভূমি (১৮৮৯-১৯৪০)
৪.৪ অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিকর্মত পাশ্চাত্য প্রভাৱ
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৮৮৯ৰ পৰা ১৮৪০ সময়ছোৱাত চুটিগল্পৰ জন্ম সম্পর্কে পৰিচয় লাভ কৰিব
- ১৮৮৯ৰ পৰা ১৮৪০ সময়ত চুটিগল্পই বিকাশ আৰু প্রতিষ্ঠা লাভৰ অগ্রগতি সম্পর্কে জানিব পাৰিব
- ১৮৮৯ৰ পৰা ১৮৪০ৰ সময়ছোৱাত চুটিগল্প প্রাণ প্রতিষ্ঠা লাভৰ সমান্তৰালভাৱে পাশ্চাত্যৰ প্রভাৱ সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- ১৮৮৯ৰ পৰা ১৮৪০ৰ সময়ছোৱাত আত্মপ্রকাশ ঘটা অসমীয়া চুটিগল্পকাৰসকলৰ ৰচনাত প্রত্যক্ষ কৰা পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব
- ১৮৮৯ৰ পৰা ১৮৪০লৈ বিকশিত হোৱা পাশ্চাত্য প্রভাৱসমৃদ্ধ অসমীয়া চুটিগল্পই অসমীয়া সাহিত্যৰ জগতখনক কেনেদৰে সমৃদ্ধিশালী কৰি ভেঁটি সুদৃঢ় কৰাত অৰিহণা যোগাইছে সেই বিষয়ে জানিব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ পৰা আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যৰ পাশ্চাত্য প্রভাৱ' পাঠ্যবিষয়ৰ অন্তর্গত 'অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৮৮৯ -১৮৪০)ত অসমীয়া চুটিগল্পৰ ১৮৮৯ৰ পৰা ১৯৪০ৰ এই সমছোৱাত পাশ্চাত্য প্রভাৱ কিদৰে পৰিছে; সেই প্রভাৱৰ ফলত অসমীয়া চুটিগল্পৰ সংযোগ হোৱা নৱতম দিশসমূহ সম্পর্কে আভাস পাব। তদুপৰি উল্লিখিত সময়ছোৱাত পাশ্চাত্য সাহিত্যৰ দানস্বৰূপ চুটিগল্প জন্ম, বিকাশ আৰু পটভূমি সম্পর্কে সম্যক আভাস দিবলৈ যত্ন কৰা হৈছে। ১৮৮৯ৰ পৰা

১৯৪০ৰ সময়ছোৱাতেই সামৰি লোৱা *জোনাকী* আৰু *আৱাহনৰ* গল্পকাৰসকলৰ সৃষ্টিকর্মক প্রভাৱান্বিত কৰা পাশ্চাত্য প্রভাৱ সম্পর্কে অধ্যায়টিত বিশ্লেষণ আগবঢ়াবলৈ প্রয়াস কৰা হৈছে।

৪.৩ অসমীয়া চুটিগল্পৰ পটভূমি (১৮৮৯-১৯৪০)

ফ্রান্স আৰু ৰাছিয়াত ঊনবিংশ শতিকাত জন্ম লাভ কৰা চুটিগল্প শীর্ষক অভিনৱ সাহিত্যত পৰৱর্তী সময়ত বাস্তৱ জীৱন, ব্যক্তিগত যন্ত্রণা-সমস্যা আদিৰ প্রতিফলন ঘটিছিল। বিশ্বৰ অন্যান্য দেশসমূহৰ দৰেই ভাৰতবর্ষতো ফকিৰ মোহন সেনাপতিৰ হাতত ওড়িআ সাহিত্যত, ৰবীন্দ্রনাথ ঠাকুৰৰ হাতত বাংলা সাহিত্যত, প্রেমচান্দৰ হাতত হিন্দী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত অসমীয়া আধুনিক চুটিগল্প অংকুৰিত হৈছিল। অন্যান্য ভাষাসমূহত বিকাশ লাভ কৰাৰ দৰেই অসমীয়া ভাষাতো সংবাদপত্র আৰু আলোচনীৰ পাতত চুটিগল্পৰ জন্ম হৈছিল। কলিকতাৰ প্রৱাসুৱা ছাত্রসকলৰ প্রচেষ্টাত ১৮৮৯ চনত প্রকাশ পোৱা *জোনাকীৰ* পাতত লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত অসমীয়া চুটি গল্প *সেউতী* (১৮৯২ চনত অর্থাৎ *জোনাকীৰ* ৪র্থ বছৰ ৪র্থ সংখ্যাত) প্রকাশ হৈ অসমীয়া চুটিগল্পৰ শুভাৰম্ভণি কৰে। *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস* শীর্ষক গ্রন্থত আলোচক শৈলেন ভৰালীয়ে কৈছে যে আধুনিক অসমীয়া চুটিগল্প পাশ্চাত্যৰ দান। *জোনাকী* যুগতে তাৰ জন্ম হয় আৰু এই কলাৰ জনক হ'ল *জোনাকীৰ* আদর্শ-সংস্কাৰক লক্ষ্মীনাথ বেজবৰুৱা।"

অসমীয়া চুটিগল্প বিকাশৰ ক্ষেত্রত আলোচনীৰ অৱদান কম নহয়। *জোনাকীৰ* পাতত জন্ম হোৱাৰ পাছত *বিজুলী, বাঁহী, ঊষা, চেতনা* আদি আলোচনীয়ে আগবঢ়োৱা সঁহাৰিৰ ফলস্বৰূপে অসমীয়া চুটিগল্পই *আৱাহনত* বিকাশ লাভ কৰে।

'আৱাহন' আলোচনীৰ জন্ম লগ্নৰ পৰা *ৰামধেনুৰ* জন্মলৈকে সময়খিনি সামৰিলৈ *আৱাহন যুগ* বুলি অভিহিত কৰা হৈছে। প্রখ্যাত গল্পকাৰ নগেন্দ্র নাৰায়ণ চৌধুৰীয়ে সম্পাদনা কৰি প্রকাশ কৰা আলোচনীখনৰ নামেৰে নামকৰণ কৰা *আৱাহনৰ* সময়ছোৱাত পাশ্চাত্য শিক্ষাৰ প্রসাৰ ঘটে। *জোনাকীৰ* সময়ত গঢ়ি উঠা কাহিনী প্রধান আৰু সৰল চুটিগল্পৰ বিপৰীতে *আৱাহনত* পাশ্চাত্যৰ মতবাদ, দর্শন আদিয়ে ঠাই লাভ কৰিবলৈ ধৰে।

আৱাহনৰ গল্পবোৰৰ মাজত বিলাসী কল্পনাৰ সুৰ আৰু মুক্ত চিন্তাৰ প্রসাৰ পৰিলক্ষিত হয়। গল্পবোৰত ব্যক্তি-জীৱনৰ নানা সমস্যা আৰু সেইসমূহৰ ন ন ব্যাখ্যা দিয়াৰ প্রয়াসৰ লগতে সমাজত সমতা ৰক্ষা কৰাৰ মনোভাব ফুটি উঠিছে।

৪.৪ অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিকর্মত পাশ্চাত্য প্রভাৱ

ঊনবিংশ শতিকাত ইংৰাজী সাহিত্যত চুটিগল্পই প্রাণ লাভ কৰাৰ প্রায় সমসাময়িকভাৱে ফ্রান্স, ৰাছিয়া, জার্মানী আৰু আমেৰিকাতো এইবিধ কলাই বিকাশ লাভ কৰে। আমেৰিকাৰ ৱাশ্বিংটন আর্ভিঙৰ *ৰিপ'ভান উইংকলক* প্রথম চুটিগল্প বুলি কোৱা হয়। ঊনবিংশ শতিকাৰ শেষৰফালে পাশ্চাত্য প্রভাৱৰ ফলস্বৰূপে ভাৰতবর্ষ আৰু অসমতো পত্রিকা আৰু আলোচনীৰ পাতত চুটিগল্পৰ জন্ম হয়।

আধুনিক অসমীয়া চুটিগল্প পাশ্চাত্যৰ দান। পাশ্চাত্য শিক্ষাৰ প্রসাৰৰ যোগেদি অংকুৰিত

হোৱা চুটিগল্পৰ বীজে পোনতে অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ হাততে পোখা মেলিছিল। সেয়েহে ১৮৮৯ চনৰ পৰা 'জোনাকী'ৰ সময়ছোৱাক বহুতো সমালোচকে 'বেজবৰুৱাৰ যুগ' বুলিও অভিহিত কৰিছে।

চেখভ আৰু মোপাঁছাৰ সমসাময়িক অসমীয়া সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত উক্ত পাশ্চাত্য সাহিত্যিক দ্বয়ৰ প্রভাৱৰ বিপৰীতে শিথিল ইংৰাজী ধাৰাৰ প্রতিনিধিত্ব পৰিলক্ষিত হয়। তদুপৰি বেজবৰুৱাৰ দ্বাৰা এই ধাৰাৰে ৰচা গল্পসমূহত ডিকেন্স, গ'গল আৰু টলষ্টয়ৰ সদৃশ জীৱনৰ সামূহিক ৰূপায়ণৰ প্রকাশ প্রতিফলিত হৈছে। কলিকতাত শিক্ষা গ্রহণ কৰিবলৈ গৈ পাশ্চাত্য সাহিত্যৰ দ্বাৰা প্রভাৱিত হোৱা বেজবৰুৱাৰ ওপৰত ৰবীন্দ্রনাথৰ প্রভাৱ পৰিলক্ষিত হয়। তেওঁৰ গল্পবোৰৰ মাজত মানুহৰ দুখ-দুর্দশা, সমাজত থকা নীচতা-হীনতা, অহংকাৰ, ভেম-ভণ্ডামি আদি অন্যায় অপৰাধক ৰোমাণ্টিক আদর্শবাদী দৃষ্টিভংগীৰে নির্মূল কৰি সমাজত মানৱতাবাদ প্রতিষ্ঠা কৰাৰ প্রয়াস ফুটি উঠিছে। মানৱতাবাদী মনোভাৱেৰে সমাজ-সংস্কাৰ আৰু ব্যক্তি শুদ্ধিকৰণক উদ্দেশ্য ৰূপে লৈ বেজবৰুৱাই গল্পসমূহ ৰচনা কৰিছিল। *মাধৈমালতী* গল্পত ডাঙৰ উকীলৰ তৰণি মাধৱ চৰিত্রটোৱে নিজৰ জীয়েক মাধৈমালতীয়ে পছন্দ কৰা ল'ৰাটো ডাকঘৰত চাকৰি কৰে বাবে বিয়া দিবলৈ অমান্তি হোৱাৰ বর্ণনাৰ যোগেদি সমাজৰ ভণ্ড চৰিত্রৰ মুখা খুলি দেখুৱাইছে।

মানুহৰ স্বাভাৱিক আৱেগ-অনুভূতিক বেজবৰুৱাই গল্পৰ মাজত প্রকাশ কৰিছিল। নৰ-নাৰীৰ প্রেম আৰু মানৱতাবাদী দৃষ্টিভঙ্গীৰ মাজেদি নাৰীৰ মনৰ চিৰন্তন সত্য আৰু সুন্দৰতাখিনিক *জয়ন্তী, মাধৈমালতী, কন্যা, চোৰ* আদি গল্পৰ মাজেদি প্রকাশ কৰিছে।

উল্লখযোগ্য যে অসমীয়া ভাষাৰ সর্বপ্রথম চুটিগল্প ৰচক বেজবৰুৱাই সাধুকথা আৰু চুটিগল্পৰ মাজৰ পার্থক্যটো স্পষ্ট কৰি নিদিয়া ধৰণে গল্প ৰচনাত ব্রতী হৈছিল। জার্মান আৰু আমেৰিকাৰ প্রাচীন কাহিনীৰ আধাৰত চুটিগল্পৰ সজাটো নির্মাণ কৰি ওৱাচিংটন আর্ভিঙে যিদৰে কল্পনাৰ ৰহনেৰে সৃষ্টিকর্মত অগ্রসৰ হৈছিল; ঠিক তেনেদৰে লক্ষ্মীনাথ বেজবৰুৱাইয়ো অসমীয়া প্রাচীন সাধু কথাৰ আধাৰত সুনির্দিষ্ট কৰি লোৱা দৃষ্টিভংগীৰ অৱলম্বনত চুটিগল্প ৰচনা কৰিছিল। কন্যা, আর্জি, কেকোঁককা, মূলা খোৱা বুঢ়া আদি এই ধৰণৰ লোক কথাৰ অৱলম্বনত ৰচিত সাধু আৰু গল্পৰ সীমাৰেখা সুনির্দিষ্ট নোহোৱাকৈ ৰচিত সাহিত্য।



জানি থোৱা ভাল

১৮৯২ চনত প্রকাশিত বেজবৰুৱাৰ *সেউতীৰ* জন্মৰ পৰা আৰম্ভ কৰি বর্তমানলৈকে অসমীয়া চুটিগল্পৰ ইতিহাসক চাৰিটা যুগ বা স্তৰত বিভক্ত কৰিব পাৰি ঃ

(ক) প্রাৰম্ভিক যুগ বা জোনাকী যুগ ঃ ১৮৮৯ৰ পৰা ১৯২৯ চনলৈ

(খ) আৱাহন যুগ ঃ ১৯২৯ চনৰ পৰা ১৯৪০ চনলৈ

(গ) যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ ঃ ১৯৪০ চনৰ পৰা ১৯৭০ লৈ

(ঘ) সাম্প্রতিক যুগ ঃ ১৯৭০ৰ পৰা বর্তমানলৈ।

বেজবৰুৱাই গল্প ৰচনাত কলা-কৌশলৰ দিশত বৰ বিশেষ গুৰুত্ব নিদিছিল যেন ধাৰণা হয় যদিও থমাচ মিডলটনৰ 'ৰোমে'ন বিৱেৰ ৰোমে'ন' নাটকৰ কলা-কৌশলগত দিশৰ সৈতে *লম্বোদৰ ডেকা* শীৰ্ষক গল্পৰ কলা-কৌশলগত সাদৃশ্য পৰিলক্ষিত হয়। কেৱল মাত্ৰ মিডলটনে ডবা খেল আৰু আমাৰ গল্পকাৰে পাশা খেলৰ অৱতাৰণা কৰিছে। কিন্তু খেলৰ অগ্ৰগতিত চৰিত্ৰৰ বিৱৰণ বৰ্ণিত হৈছে। তদুপৰি টলষ্টয়ৰ গল্পলৈ মনত পেলাই দিয়া বেজবৰুৱাৰ *ফিৰিঙতিৰ পৰা খাগুৰ দাহ* গল্পটোত শেষ স্বৰূপ হাস্যৰসৰ ঢল বৈ গৈছে। এনে ৰচনাই আমাক বেজবৰুৱাৰ গল্পত ডষ্টয়ভস্কি, গগ'ল আৰু ফৰ্ষ্টাৰৰ ৰচনাৰীতিৰ প্ৰভাৱ নপৰাকৈ যে থকা নাই; সেই কথা ভবাই তোলে। ফৰ্ষ্টাৰৰ *ড্য চেলেষ্টিয়েল অমনিবাচ* গল্প আৰু *ড্য ভিজন অব মিৰ্জা* শীৰ্ষক এডিচনৰ প্ৰবন্ধৰ ৰূপকধৰ্মীতাৰ সৈতে বেজবৰুৱাৰ *স্বৰ্গাৰোহন* গল্পৰ সাদৃশ্য মন কৰিবলগীয়া। অন্যান্য পাশ্চাত্য সাহিত্যিকসকলৰ উপৰিও চচাৰৰ স্বপ্নজগত বৰ্ণনাৰে বৰ্ণিত ৰচনাৰ সৈতেও বেজবৰুৱাৰ স্বপ্নজগতৰ বিচৰণ, ক'তো সুখৰ সন্ধান নোপোৱা, কেৱল মায়াতে বন্দী হৈ থকা আদি বৰ্ণনাৰ তুলনা তথা প্ৰভাৱ মন কৰিবলগীয়া।

ডিকেনচ্ৰ *পিকউইক পেপাৰ্চ*ৰ আলমত বা আৰ্হিত *মলক গুইন গুইন, জাতিৰামৰ জাত, ভোকেন্দ্ৰ বৰুৱা, লম্বোদৰ ডেকা* আদি গল্পত অসমীয়া সমাজৰ ভাঙোনমুখী, অন্তঃসাৰশূন্য তথা নৈতিক অধঃপতনমুখী সমাজখনৰ সংস্কাৰ সাধনৰ আপাহত ব্যঙ্গ সমালোচনাৰে ৰচনা কৰিছিল।

ৰোমাণ্টিক আন্দোলনৰ অন্যতম হোতা বেজবৰুৱাৰ *ৰতনমুণ্ডা, মুক্তি, নকওঁ* আদি গল্পত পাশ্চাত্যৰ ৰোমাণ্টিক চেতনাৰ সফল ৰূপায়ণ প্ৰত্যক্ষ কৰা যায়। তদুপৰি মুক্তি গল্পত *শিশুমনস্তত্ব, সেউতী, পাটমুগী* আদি গল্পত নাৰী মনঃস্তত্বৰ বিভিন্ন অভিব্যক্তিৰ প্ৰকাশ ঘটিছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ সমসাময়িক গল্প লেখক শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ বিষয়বস্তু বাস্তৱধৰ্মী। থমাচ হার্ডিৰ উপন্যাসৰ চৰিত্ৰৰ দৰে গোস্বামীৰ গল্পৰ চৰিত্ৰই কেতবোৰ সময়ত নেদেখাজনৰ হাতৰ পুতলা হৈ পৰিছে। গল্পত দাৰিদ্ৰ্য, শোষণ, অন্যায়-অবিচাৰ আৰু সমাজৰ দাৰিদ্ৰ্যপীড়িতসকলৰ জীৱন কাহিনীৰ বৰ্ণনা দিবলৈ যাওঁতে মোপাঁছাৰ প্ৰভাৱৰ পৰা মুক্ত হৈ বৰ্ণনা দিছে। তেওঁ মোপাঁছাৰ আৰ্হিৰে গল্পৰ ফ্ৰেম'ষ্টৰি প্ৰয়োগ কৰিছে। টলষ্টয়ৰ *এ স্পার্ক নেগলেকটেড বাৰ্ণচ দি হাউচ* নামৰ গল্পৰ সৈতে গোস্বামীৰ *ৰক্তবীজ* গল্পৰ সাদৃশ্য পৰিলক্ষিত হয়। গোস্বামীৰ দুই এটা গল্পত টলষ্টয়ৰ আদৰ্শবাদিতা, ধৰ্মীয় বিনম্ৰতা আদিৰ উপৰিও এড্গাৰ এলেন পোৰ অলৌকিক ঘটনা, বিস্ময়সূচক ঘটনা আৰু অবৈধ প্ৰেম প্ৰণয় আৰু সিৰোৰ পৰিণামৰ বৰ্ণনা প্ৰতিফলিত হৈছে।

সূৰ্যকুমাৰ ভূঞাই সমাজ সমালোচনা কৰাৰ পৰিৱৰ্তে মানৱ মনৰ অন্তৰ্জগতৰ সন্ধানৰ প্ৰতিহে অধিক গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ নিৰ্মিতিৰ মাজত ৰোমাণ্টিক ভাবানুভূতিৰ লগতে ব্যক্তি জীৱনৰ হাঁহি-কান্দোন, আনন্দ-বিষাদ আৰু অৰ্থনৈতিক সমস্যাই জুৰুলা কৰা ব্যক্তিৰ চৰিত্ৰ ফুটি উঠিছে। তেওঁৰ *বিজুলী* নামৰ গল্পত এড্গাৰ এলেন পোৰ *লিজিয়া* গল্পৰ এটা অতিপ্ৰাকৃতিক পৰিৱেশত প্ৰেমৰ চিৰন্তন ৰূপ আৰু আদৰ্শ ধ্বনিত হৈছে।

আৰাহনৰ অন্যতম কথা সাহিত্যিক নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে সমকালীন গোৱালপাৰা

জিলাৰ জহি যাব ধৰা জমিদাৰী সমাজখনৰ লগতে জনজাতীয় জীৱনৰ সৰলতা, সমাজত প্রচলিত ভণ্ডামি, কু-সংস্কাৰ, অন্ধবিশ্বাস, জীৱনত ধনৰ প্রয়োজনীয়তা, নৰ-নাৰীৰ প্রেম আৰু বিভিন্ন বিজ্ঞানভিত্তিক বিষয়-বস্তুৰে গল্প ৰচনা কৰিছিল। বাংলা সাহিত্যিক শৰৎ চন্দ্র চট্টোপাধ্যায়ৰ প্রভাৱ চৌধুৰীৰ *ভাগ-বটোৱাৰা* গল্পত লক্ষ্য কৰা যায়। তদুপৰি পাশ্চাত্য সাহিত্যিক নাথাকিলে হথর্ণৰ 'Heidegger's Experiment' গল্পৰ কিছু চিটিকনি চৌধুৰীৰ *ৰসায়ন* গল্পত পৰা যেন মনে ধৰে। ইয়াৰোপৰি এডগাৰ এলেন পোৰ প্রভাৱো চৌধুৰীৰ দুই এটা গল্পত পৰা বুলি প্রত্যক্ষ কৰিব পাৰি।

বাঁহী, বস্তি, চেতনা আৰু *আৰাহনত* গল্প লেখা এগৰাকী শক্তিশালী সাহিত্য সাধক লক্ষ্মীধৰ শর্মাৰ গল্পত আছে চৰিত্রৰ মনস্তাত্ত্বিক বিশ্লেষণ আৰু সামাজিক চেতনাসম্ভূত আদর্শ। বিপ্লৱী নাৰী চৰিত্রৰ চিত্রণ, সমাজত সমতা প্রতিষ্ঠা কৰা, নাৰী মনত বাজি উঠা বিপ্লৱী চেতনা, প্রেম-প্রণয়, জৈৱিক সমস্যা তেওঁৰ গল্পৰ মূল বিষয়বস্তু। পাশ্চাত্যৰ নাৰী মুক্তি আন্দোলনৰ প্রধান প্রৱক্তা তথা হোতাসকলৰ মাজৰ মেৰী ষ্টোপেচ, এনি বেছান্ত আদিৰ চিন্তাৰ প্রভাৱৰ দ্বাৰা লক্ষ্মীধৰ শর্মাৰ গল্পত চিত্রিত লিলি, ললিতা, ঊষা, সুজাতা আদি নতুন নাৰী চৰিত্র গঢ়ি উঠিছে। তদুপৰি শর্মাৰ গল্পত মার্ক্সীয় চিন্তা আৰু ফ্রয়েডীয় চেতনাৰ প্রভাৱ মন কৰিবলগীয়া।

হলিৰাম ডেকাই সমাজ আৰু ব্যক্তি জীৱনৰ সমস্যাক বিষয়ৰূপে প্রয়োগ কৰি নাথাকি গল্পবোৰৰ মাজত ফ্রয়েডৰ মনস্তাত্ত্বিক আৰু যৌন মনস্তাত্ত্বিক পদ্ধতি প্রয়োগৰ যোগেদি ব্যক্তি জীৱনৰ গভীৰতালৈ প্রৱেশ কৰিবলৈ প্রয়াস কৰা লক্ষ্য কৰা যায়। ডেকাই গল্পত পাশ্চাত্যৰ বাস্তৱবাদৰ অৱতাৰণা কৰাৰ লগতে টলষ্টয় আৰু চেখভ্ আদি সাহিত্যিকৰ দৰে বাস্তৱ জীৱনৰ অভিজ্ঞতাক অগ্রাধিকাৰ দি 'ভৱিষ্যৎ'ৰ দৰে আত্ম-জীৱনীমূলক গল্প ৰচনা কৰিছিল।

আৰাহনৰ গল্প ৰীতিৰ মাজত থাকি ৰচনা কৰা ৰমা দাশৰ বেছিভাগ গল্পৰ মাজতে নৰ-নাৰীৰ প্রেম, জৈৱিক বাসনা, মাতৃ হৃদয়ৰ অনুভূতি আৰু সমাজৰ সমালোচনাই ঠাই অধিকাৰ কৰিছে যদিও প্রেমৰ গভীৰ বিশ্লেষণ আৰু জীৱনৰ বিচিত্রতা গল্পৰ মাজত অনুপস্থিত। দাশৰ প্রিয় গল্পকাৰ মোপাঁছাৰ দৰে তেওঁৰ গল্পতো স্বভাৱবাদী সুৰ ধ্বনিত হৈছে। তদুপৰি ৰমা দাশৰ *অবুজ মায়াত* ফ্রয়েডীয় মনস্তত্ত্বৰ প্রভাৱ সুস্পষ্ট।

এগৰাকী সমাজ সচেতন গল্পকাৰ ত্রৈলোক্যনাথ গোস্বামীৰ গল্পত সামাজিক অন্যায়, অবিচাৰ, কুসংস্কাৰ, সত্রীয়া সমাজৰ ভেম-ভণ্ডামি, ধনী-দুখীয়াৰ দ্বন্দ্ব আদি বিষয়বস্তুৰূপে প্রতিভাত হৈছে। তেওঁৰ প্রায়বোৰ গল্পত বিদ্রোহৰ সুৰত মানৱতাবাদী মনোভাৱ জিলিকি উঠিছে। গ'গলৰ *ওভাৰকোট* গল্পৰ আধাৰত ত্রৈলোক্যনাথ গোস্বামীয়ে *এটা গৰম কোট* শীর্ষক গল্প ৰচিছিল য'ত সমাজৰ অন্যায়-অবিচাৰক হাস্যৰস সৃষ্টিৰ যোগেদি চৰম আঘাত হানিছিল। পাশ্চাত্যৰ বাস্তৱবাদী ধাৰাৰ আধাৰত গল্প ৰচনা কৰা গোস্বামীৰ মোপাঁছাৰ জাৰজ সন্তান আৰু সিহঁতৰ মাতৃসকলৰ প্রতি থকা সহানুভূতিৰ দৰে *জাৰজ* গল্পৰ মূল বিষয় আৰু সুৰৰ সাদৃশ্য পৰিলক্ষিত হয়। গোস্বামীৰ গল্পত পশ্চিমীয়া নাৰী মুক্তিৰ ধাৰণাৰ প্রভাৱ আৰু মার্ক্সবাদী চেতনাৰ প্রভাৱ দেখিবলৈ পোৱা যায়।

১৮৮৯ৰ পৰা ১৯৩৯ বা ১৯৪০ৰ এই সময়ছোৱাৰ গল্পকাৰ হেম বৰুৱাৰ *জহৰা* গল্পত মোপাঁছাৰ প্রভাৱ পৰিলক্ষিত হয়। এই সময়ৰ আন এজন গল্পকাৰ কৃষ্ণ ভূঞাৰ *যাদুঘৰ* গল্পৰ সৈতে চমাৰচেট মমৰ *ড্য বেইন* গল্পৰ সাদৃশ্য পৰিলক্ষিত হয়।

আৰাহনৰ শেষৰ ফালে চৈয়দ আব্দুল মালিকে গল্পকাৰৰূপে আত্মপ্রকাশ কৰি পৰৱৰ্তী সময়ত যথেষ্ট খ্যাতি অর্জন কৰে। *আৰাহনত* আত্মপ্রকাশ কৰিলেও মালিকে পৰৱৰ্তী অর্থাৎ *ৰামধেনুৰ* সময়ছোৱাতহে যথেষ্ট সংখ্যক গল্প ৰচনা কৰে। সেয়েহে ৰামধেনু যুগৰ আলোচনাৰ গণ্ডীলৈহে মালিকৰ ৰচনা সম্ভাৰ ঠেলি থোৱা হৈছে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ প্রথম চুটিগল্পটোৰ নাম লিখি তেওঁৰ ৰচনাত পাশ্চাত্য প্রভাৱ সম্পর্কে উল্লেখ কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাৰ গল্পত মানৱতাবাদ কেনেদৰে ফুটি উঠিছে চমুকৈ লিখক। (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৩ ঃ অসমীয়া চুটিগল্পৰ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাৰ পটভূমিৰ বিষয়ে চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৪ ঃ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ৰ গল্পত পাশ্চাত্যৰ কোনবোৰ প্রভাৱ প্রতিফলিত হৈছে চমুকৈ আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৫ ঃ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়খিনিক পাঠ্যাংশত দেখুৱাৰ দৰে যুগ বিভাজন কৰি দেখুৱাই সেইখিনি সময়ৰ গল্পকাৰসকলৰ সৃষ্টিৰাজিক প্রভাৱান্বিত কৰা পাশ্চাত্যৰ প্রভাৱ সম্পর্কে চমুকৈ উল্লেখ কৰক। (০০টা শব্দৰ ভিতৰত)

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ যোগেদি আমি আধুনিক অসমীয়া চুটিগল্পৰ জন্ম আৰু বিকাশৰ স্তৰ সম্পর্কে জানিব পাৰিলো।

- এই অধ্যায়টিৰ যোগেদি *জোনাকী* যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ হাততত জন্ম লাভ কৰা *সেউতীৰ* পাছৰে পৰা আধুনিক অসমীয়া চুটিগল্পৰ বিকাশৰ ধাৰা সম্পৰ্কে জ্ঞাত হৈছে।
- ১৮৮৯-১৯৪০ৰ সময়ছোৱাৰ আধুনিক অসমীয়া চুটিগল্পৰ পটভূমি সম্পৰ্কে আলোচনা লাভ কৰিছো।
- ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাই সামৰি লোৱা অসমীয়া সাহিত্যৰ অন্যতম শাখা অসমীয়া চুটিগল্পৰ *জোনাকী* আৰু *আৱাহনৰ* যুগৰ দুটি গল্পক প্রভাৱান্বিত কৰা পাশ্চাত্যৰ সাহিত্যিক আৰু তেওঁলোকৰ ৰচনা কৃতিৰ প্রভাৱ সম্পৰ্কে বিশ্লেষণ লাভ কৰিছে।
- ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাৰ অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিৰাজিক পৰিপুষ্টি প্রদান কৰা পাশ্চাত্যৰ প্রভাৱ সম্পৰ্কে আলোচনা লাভ কৰাৰ সমান্তৰালকৈ পাশ্চাত্য প্রভাৱৰ দ্বাৰা অনুপ্রাণিত হৈ ৰচনা কৰা সাহিত্যিকসকলৰ ৰচনা সম্ভাৰে যে অসমীয়া চুটিগল্প সাহিত্যক যথেষ্ট সমৃদ্ধিশালী কৰি তুলিছে সেই বিষয়ে জানিব পাৰিছে।



৪.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, ত্রৈলোক্য নাথ (২০০৯); আধুনিক গল্প সাহিত্য; গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

২) দত্ত, উদয় (১৯৯৫); চুটিগল্প; ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ, গুৱাহাটী।

৩) ভট্টাচার্য, পৰাগ কুমাৰ (১৯৯৩); গল্পৰ প্রসংগ আৰু অসমীয়া গল্প সাহিত্য; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) ৰৱা ফুকন, ৰুণমণি (২০১৭); হোমেন ৰৱগোহাঞিৰ চুটিগল্প; গুৱাহাটী ঃ জাগৰণ সাহিত্য প্রকাশন।

৫) শইকীয়া ৰৱা লীলাৱতী (সম্পা.) (১৯৯৯); প্রবন্ধাৱলী যমুনা শর্মা চৌধুৰীৰ প্রবন্ধ 'অসমীয়া চুটি গল্পত পাশ্চাত্য প্রভাব', অসমীয়া সাহিত্য চ'ৰা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) শর্মা উপেন্দ্র নাথ (২০০৫); কবিতাৰ ভাষা আৰু অন্যান্য প্রৱন্ধ; গুৱাহাটী ঃ জয়দেৱ শর্মা-ভৱানী দেবী প্রকাশন।



৪.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ 'সেউতী'। চেখভ আৰু মোপাঁছাৰ সমসাময়িক অসমীয়া সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত ডিকেন্স, গ'গল, টলষ্টয়, ৰবীন্দ্রনাথ, মিডলটন আদিৰ ৰচনা আৰু কলা-কৌশলগত দিশৰ প্রভাৱ তথা সাদৃশ্য লক্ষ্য কৰা যায় —এনেদৰে পাঠ্যাংশৰ আধাৰত ক'ত কেনেদৰে প্রভাৱ আৰু তুলনা লক্ষ্য কৰা যায় উল্লেখ কৰিব।

২নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্র গোস্বামী, নগেন্দ্র নাৰায়ণ চৌধুৰী, ত্রৈলোক্যনাথ গোস্বামী আদি গল্পকাৰৰ ৰচনাত মানৱতাবাদ কিদৰে ফুটি উঠিছে উল্লেখ কৰিব।

৩নং প্রশ্নৰ উত্তৰ ঃ *জোনাকী* যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত জন্ম লাভ কৰা চুটি গল্পই কেনে পৰিৱেশ-পৰিস্থিতিৰ মাজেদি কোন সময়ত আৱাহনৰ দিশলৈ গতি কৰি বিকাশ লাভ কৰি প্রতিষ্ঠা লাভ কৰে সেই বিষয়ে বহলাই বর্ণনা কৰিব।

৪নং প্রশ্নৰ উত্তৰ ঃ *চেখভ, মোপাঁছা, মিডলটন, ডিকেন্চ, ডষ্টয়ভস্কি, গ'গল, ফষ্টাৰ, পো* আদি পাশ্চাত্য সাহিত্যিকৰ ৰচনা-ৰীতি আৰু কলা-কৌশলগত দিশসমূহৰ লগতে পাশ্চাত্যৰ মার্ক্সীয় চিন্তা, বাস্তৱবাদী চেতনা, ফ্রয়েডীয় মনঃস্তত্বকে আদি কৰি নানান মতাদর্শৰ প্রভাৱ কেনেধৰণে প্রতিফলিত হৈছে বর্ণনা কৰিব।

৫নং প্রশ্নৰ উত্তৰ ঃ ১৮৮৯ৰ পৰা ১৯২৯ লৈ প্রাৰম্ভিক যুগ বা *জোনাকী যুগ* আৰু ১৯২৯ৰ পৰা ১৯৪০ লৈ *আৱাহন যুগ*। এই সময়ৰ গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্র গোস্বামী, সূর্যকুমাৰ ভূঞা, নগেন্দ্র নাৰায়ণ চৌধুৰী, লক্ষীধৰ শর্মা, হলীৰাম ডেকা, ৰমা দাশ, ত্রৈলোক্যনাথ গোস্বামী, হেম বৰুৱা, কৃষ্ণ ভূঞা আদিৰ ৰচনাত কেনেদৰে পাশ্চাত্য প্রভাৱ প্রতিফলিত হৈছে উল্লেখ কৰক।



৪.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ১৮৮৯ৰ পৰা ১৯২৯ লৈ এই সময়খিনিক কি বুলি নামকৰণ কৰা হৈছে?

প্রশ্ন ২ ঃ আৱাহন যুগ বুলিলে কোনখিনি সময়ক আঙুলিয়াব পাৰি?

প্রশ্ন ৩ ঃ পাশ্চাত্যৰ ক'ত পোনপ্রথমে চুটিগল্পৰ জন্ম হৈছিল?

প্রশ্ন ৪ ঃ 'আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস' গ্রন্থখনৰ লিখক কোন?

প্রশ্ন ৫ ঃ চুটিগল্পৰ জন্ম পোনপ্রথমে ক'ত আৰু কেতিয়া হৈছিল?

প্ৰশ্ন ৬ ঃ অসমীয়া সাহিত্যৰ চুটিগল্পই কিদৰে জন্ম লাভ কৰে?

প্ৰশ্ন ৭ ঃ আধুনিক অসমীয়া চুটিগল্প সম্পৰ্কে শৈলেন ভৰালীৰ মন্তব্যটো লিখক।

প্ৰশ্ন ৮ ঃ *আৰাহন* আলোচনীৰ সম্পাদক কোন? এই সময়ত প্ৰকাশিত গল্পবোৰত কোনবোৰ দিশ ফুটি উঠিছে?

প্ৰশ্ন ৯ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত প্ৰতিফলিত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ১০ ঃ মোপাঁছাৰ ৰচনা ৰীতিয়ে অসমীয়া চুটিগল্পক কি ধৰণে প্ৰভাৱান্বিত কৰিছে, বহলাই লিখক।

প্ৰশ্ন ১১ ঃ 'বেজবৰুৱাই সাধুকথা আৰু চুটি গল্পৰ মাজৰ পাৰ্থক্যটো স্পষ্ট নকৰাকৈয়ে গল্প ৰচনাত ব্ৰতী হৈছিল'— কথাষাৰ শুদ্ধ নে? বহলাই আলোচনা কৰক।

প্ৰশ্ন ১২ ঃ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাত আত্মপ্ৰকাশ কৰা গল্পকাৰসকলৰ ৰচনাত পাশ্চাত্যৰ কোন কোন সাহিত্যিকৰ প্ৰভাৱ দেখিবলৈ পোৱা যায় আলোচনা কৰক।

প্ৰশ্ন ১৩ ঃ লক্ষীধৰ শৰ্মাৰ গল্পত পাশ্চাত্যৰ কোনবোৰ দিশ ফুটি উঠিছে? সেই বিষয়ে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ১৪ ঃ ত্ৰৈলোক্য নাথ গোস্বামীৰ গল্পত প্ৰতিফলিত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৫ ঃ অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৯৪০-২০০০)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ অসমীয়া চুটিগল্পৰ পটভূমি (১৯৪০-২০০০)
৫.৪ অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিকর্মত পাশ্চাত্য প্রভাৱ
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৯৪০ৰ পৰা ২০০০ সময়ছোৱাত চুটিগল্পৰ বিকাশ আৰু প্রসাৰ সম্পর্কে ধাৰণা লাভ কৰিব
- ১৯৪০ৰ পৰা ২০০০ৰ কালছোৱাৰ চুটিগল্পৰ পটভূমি নির্মাণ সম্বন্ধে আলোচনা কৰিব পাৰিব
- ১৯৪০ৰ পৰা ২০০০ চনৰ সময়ছোৱাত ৰচিত গল্পত পাশ্চাত্যৰ প্রভাৱ কেনেদৰে প্রতিফলিত হৈছে, সেই বিষয়ে বিৱৰণ আগবঢ়াব পাৰিব
- ১৯৪০ৰ পৰা ২০০০ৰ সময়ছোৱাত আত্মপ্রকাশ কৰা গল্পকাৰসকলৰ ৰচনাত পৰিস্ফুট হোৱা পাশ্চাত্যৰ ভিন্ন কলা-কৌশল, আঙ্গিক আৰু বিষয়বস্তুৰ উপস্থাপন সম্বন্ধে বিশ্লেষণ আগবঢ়াব পৰিব
- আলোচ্যমান সময়ছোৱাত বিকশিত হোৱা পাশ্চাত্য প্রভাৱ সমৃদ্ধ অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টি সম্ভাৰে অসমীয়া সাহিত্যৰ জগতখনক কেনে বৰঙণি আগবঢ়াইছে তথা সেই বৰঙণিয়ে অসমীয়া সাহিত্যৰ ক্ষেত্রখনৰ ভেঁটি সুদৃঢ় কৰাৰ ক্ষেত্রত আগবঢ়োৱা অৰিহণাৰ বিষয়ে ধাৰণা লাভ কৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা

দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ' পাঠ্যবিষয়ৰ অন্তর্গত 'অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ ১৯৪০-২০০০'ত পাঠ্যাংশত পাশ্চাত্যৰ প্রভাৱ কিদৰে পৰিছে; সেই প্রভাৱৰ ফলত অসমীয়া চুটিগল্পত সংযোগ ঘটা নৱতম দিশসমূহ তথা উপাদান সম্পর্কে আভাস পাব। তদুপৰি আলোচ্যমান সময়ছোৱাত পাশ্চাত্য সাহিত্যৰ অনুপ্রেৰণাত অংকুৰিত হোৱা চুটিগল্পৰ বিকাশ আৰু পটভূমি সম্পর্কে সম্যক আলোচনা আগবঢ়োৱা হৈছে। আলোচ্য সময়খিনিত সামৰি লোৱা গল্পকাৰসকলৰ ৰচনা-সম্ভাৰক প্রভাৱান্বিত কৰা পাশ্চাত্যৰ সাহিত্যিক, মতবাদ, দর্শন তথা চিন্তাধাৰা সম্পর্কে অধ্যায়টিত বিশ্লেষণ আগবঢ়াবলৈ প্রসায় কৰা হৈছে।

৫.৩ অসমীয়া চুটিগল্পৰ পটভূমি (১৯৪০-২০০০)

আধুনিক যুগৰ সাহিত্য শাখা এটি অন্যতম হ'ল চুটিগল্প। নিজস্ব লক্ষণ আৰু কলা-কৌশলেৰে সমৃদ্ধ এইবিধ সাহিত্যই ঊনবিংশ শতিকাৰ শেষভাগত পাশ্চাত্য সাহিত্যৰ অনুপ্রেৰণাৰ ফলস্বৰূপে লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত *জোনাকীৰ* পাতত জন্ম লভি *আৰাহনৰ* পাতত বিকাশ আৰু *ৰামধেনুৰ* পাতত পৰিপূর্ণতা লাভ কৰে। এই *ৰামধেনু* আলোচনীয়ে এটি যুগৰ সৃষ্টি কৰিছে বুলি আমি সকলোৱেই জানো। বিংশ শতিকাৰ চল্লিশৰ দশকৰ পৰা ৰামধেনু যুগ বুলি চিহ্নিত কৰা হয় যদিও ৰামধেনুৰ পটভূমি বিংশ শতিকাৰ চল্লিশৰ দশকৰ বহু আগৰ পৰাই নির্মাণ হৈছিল।

দ্বিতীয় মহাসমৰৰ সমাপ্তিলকৈ ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত গা কৰি উঠা স্বৰাজ আন্দোলনে অসমৰ জনগণকো স্পর্শ কৰিছিল। গান্ধীজীৰ স্বৰাজ আন্দোলনে অসমীয়া জনসমাজৰ লগতে অসমৰ সত্রসমূহকো স্পর্শ কৰিছিল। মুঠতে দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে *আৰাহন* যুগৰ সামৰণি পৰিল আৰু তাৰে পাছত আৱির্ভাৱ হোৱা *ৰামধেনু* আলোচনীৰ নামেৰে ১৯৪০ ৰ পৰা ১৯৭০ ৰ সময়ছোৱাক নামকৰণ কৰা হয়। দ্বিতীয় মহাযুদ্ধৰ আৰম্ভণিৰ লগে লগে ভাৰতৰ লগতে অসমৰ ৰাজনৈতিক অস্থিৰতাৰ প্রভাৱে অসমীয়া সাহিত্যৰ ক্ষেত্রখনতো প্রভাৱ তথা প্রসাৰ লাভ কৰিছিল। সেয়েহে ক'ব পাৰি যে ৰামধেনু যুগৰ পটভূমি সৃষ্টিত সমাজৰ ৰাজনৈতিক ক্ষেত্রখনৰ প্রায়বোৰ ঘটনাৰ প্রভাৱ ৰামধেনু যুগৰ চুটিগল্পই বহন কৰিছে। ৰাজনৈতিক অস্থিৰতাই সমাজৰ অর্থনৈতিক ভেঁটিটোকো থৰক-বৰক কৰি তোলে। মহাযুদ্ধ, পুঁজিপতিসকলৰ শোষণৰ লগতে আন আন বিষয়সমূহে ৰাজহাড় বেঁকা কৰা সমাজখনৰ কৃষক, সাধাৰণ থলুৱা শ্রেণীৰ মানুহখিনিৰ উপৰিও বুদ্ধিজীৱীসকলকো অর্থনৈতিক খণ্ডত দেখা দিয়া সংকটপূর্ণ অৱস্থাই প্রভাৱান্বিত কৰিছিল। অর্থনৈতিক দুৰৱস্থাই সাধাৰণ শ্রেণীৰ মানুহখিনিৰ জীৱনক জুৰুলা কৰি তুলিছিল। তদুপৰি অর্থনৈতিক অৱনতিয়ে মানুহৰ মনলৈ কঢ়িয়াই অনা হতাশাৰ জীৱন্ত চিত্র ৰামধেনুৰ গল্প-সম্ভাৰে বহন কৰিছে।

সমাজৰ অবিচ্ছেদ্য অংগ সাংস্কৃতিক ক্ষেত্রখনৰ প্রভাৱেও ৰামধেনু যুগৰ পটভূমি নির্মাণত অৰিহণা যোগাইছে। সংস্কৃতি সমাজ নির্ভৰশীল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ভাৰত তথা

অসমৰ জাতীয় জীৱনলৈ পৰিৱর্তনৰ বতৰা কঢ়িয়াই অনা দ্বিতীয় মহাযুদ্ধ, ৪২ ৰ গণবিপ্লৱ, গান্ধীজীৰ নাৰী মুক্তি আন্দোলন, পাশ্চাত্য শিক্ষাৰে শিক্ষিত শ্রেণীৰ উদাৰনৈতিক দৃষ্টিভংগী আদি কাৰকসমূহে সাংস্কৃতিক পাটভূমি নির্মাণত যথেষ্ট অৰিহণা যোগাইছে।

১৯৬৩ চনত বীৰেন্দ্র কুমাৰ ভট্টাচার্যই *ৰামধেনু* আলোচনীৰ সম্পাদনাৰ দায়িত্বৰ পৰা অব্যাহিত লোৱাৰ ফলস্বৰূপে কাকতৰ প্রকাশ অনিয়মিত আৰু পাছত ১৯৬৭ চনত আলোচনীখনৰ স্বত্তাধিকাৰী ইন্দ্রকমল বেজবৰুৱাৰ বিয়োগ ঘটাত আলোচনীখনৰ প্রকাশ বন্ধ হয়। *ৰামধেনু* আলোচনীৰ প্রকাশ বন্ধ হোৱাৰ সমান্তৰালভাৱে *ৰামধেনু* যুগৰো অৱসান ঘটে। ৰামধেনুৰ প্রকাশ অনিয়মীয়া হোৱা সময়ছোৱা অর্থাৎ ১৯৬০ৰ পৰা ১৯৮০-৯০ মানলৈকে এই সময়খিনিক উত্তৰ-ৰামধেনু যুগ বুলি সামৰা হয় যদিও প্রকৃতার্থত আৰু ১৯৭০ৰ পৰা বর্তমানলৈকে সময়খিনিক সাম্প্রতিক যুগ বুলি অভিহিত কৰা হয়। আমি ইয়াৰ থূল-মূল আভাস এটি দি অহাৰ আধাৰতে এই অধ্যায়ত ১৯৪০ৰ অর্থাৎ ৰামধেনু যুগৰ পৰা ২০০০ চনলৈকে সাম্প্রতিক কালৰ সীমাৰেখা নির্দ্ধাৰণ কৰি চুটিগল্প সম্পর্কে আলোচনা আগবঢ়াম।

বিংশ শতিকাৰ শেষৰ ফালে অসমৰ জাতীয় জীৱনলৈ স্বাধীনোত্তৰ সমাজ জীৱনত দেখা দিয়া কেতবোৰ ৰাজনৈতিক আৰু অর্থনৈতিক কাৰণত সংকট আৰু অস্থিৰতা নামি আহে। ১৯৭১ চনত বাংলাদেশৰ মুক্তি সংগ্রামত ভাৰতৰ ৰাজনৈতিক নেতাসকলৰ কেতবোৰ অদূৰদর্শিতাৰ ফলস্বৰূপে অসমখন বাংলাদেশী ভগনীয়াসকলৰ নিৰাপদ বিচৰণস্থলীলৈ ৰূপান্তৰিত হয়। মুঠতে এই সময়ছোৱাত ব্যক্তিকেন্দ্রিক ৰাজনৈতিক চিন্তা, ভণ্ডামী ভোগবাদী মানসিকতা আৰু পুঁজিবাদীসকলৰ ভ্রষ্টাচাৰ, ১৯৭৫ চনৰ জুন মাহত ঘোষিত জৰুৰীকালীন অৱস্থা আদিয়ে অসমৰ জাতীয় জীৱন অস্থিৰ তথা সংকটজনক কৰি তোলে। ফলত সমাজৰ অর্থনৈতিক দিশটো অধিক শোচনীয় হৈ পৰে। দেশৰ ৰাজনৈতিক, অর্থনৈতিক দুৰৱস্থাই সমকালীন লেখকসকলে সমাজৰ ভোগবাদী, ক্ষমতালোভী চৰিত্রৰ মানসিক অৱস্থাৰ আধাৰত সমাজখনক ভেঁটি ৰূপে লৈ সাহিত্য ৰচনাত ব্রতী হয়। মুঠতে কেতবোৰ দেশীয় নেতাৰ ৰাজনৈত ক্ষেত্রখনৰ সৈতে জড়িত অদূৰদর্শিতাপূর্ণ সিদ্ধান্তৰ বাবে অসমৰ ৰাজনৈতিক ক্ষেত্রখনৰ যথেষ্ট ক্ষতিসাধন হোৱাৰ লগতে অসমৰ অর্থনৈতিক ভেঁটিত ভোগবাদী লোভী চৰিত্রৰ বাবে সংঘটিত অৱনতি আৰু উগ্রবাদী সংগঠনৰ জন্ম আদিবোৰ কাৰকে সাম্প্রতিক যুগৰ পটভূমি নির্মাণত অৰিহণা যোগাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ১৯৪০ৰ পৰা ২০০০ চনৰ এই সময়ছোৱাৰ চুটিগল্পৰ পটভূমি নির্মাণত অৰিহণা যোগোৱা কাৰকসমূহ সম্পর্কে বহলাই আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

৫.৪ অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিকর্মত পাশ্চাত্য প্রভাৱ

ৰামধেনুৰ যোগেদি অসমীয়া চুটিগল্পৰ সোণালী যুগ ৰূপে স্বীকৃত সমৃদ্ধিশালী তৃতীয়টো স্তৰ আৰম্ভ হয়। দ্বিতীয় বিশ্বযুদ্ধই সমগ্র বিশ্বৰ অন্যান্য দেশৰ লগতে অসমকো যথেষ্ট প্রভাৱান্বিত কৰিছিল। বিশ্বযুদ্ধৰ ভয়াবহ পৰিস্থিতিয়ে সমাজৰ সকলো দিশৰ লগতে সাহিত্য ক্ষেত্রখনতো ক্ষতিসাধন কৰিছিল। সমাজৰ ভয়াবহ পৰিবেশে বহু লেখকৰ কলম স্থবিৰ কৰি দিছিল। আনহাতে সামাজিক অস্থিৰতা, অর্থনৈতিক সংকট, পশ্চিমীয়া মতাদর্শৰ অনুপ্রেৰণা আৰু ভোগ-বিলাসী জীৱনৰ প্রতি স্পৃহা তথা জনসাধাৰণৰ মনৰ আস্থাহীনতাৰ পৰা সৃষ্টি হোৱা ৰূপান্তৰিত মূল্যবোধৰ দ্বন্দ্বই যুদ্ধোত্তৰ যুগৰ সাহিত্যিকসকলক প্রাৰম্ভিক স্তৰৰ গল্প সাহিত্যৰ পৰা বহুদূৰ আঁতৰাই আনিলে। এনেবোৰ পৰিৱর্তিত পৰিৱেশৰ মাজেদি গঢ় লোৱা ১৯৪০ৰ পৰা ১৯৭০ৰ চুটিগল্পবোৰ বাস্তৱানুৰাগী ৰূপত ৰচিত হ'বলৈ ধৰিলে। এই সময়ছোৱাৰ সাহিত্যিকে সমসাময়িক সমাজখনৰ চিত্রৰ লগতে ন-ন পৰীক্ষা-নিৰীক্ষাৰে নতুন কলা-কৌশল আৰু বিষয়বস্তুৰে সাহিত্য ৰচনা কৰিবলৈ আগবাঢ়িল। পাশ্চাত্য দর্শন, মতবাদ, উক্তি প্রয়োগৰ লগতে পাশ্চাত্য সাহিত্য তথা সাহিত্যিকৰ দ্বাৰা প্রভাৱান্বিত হৈ সমাজ জীৱনৰ বাস্তৱ চিত্র অংকনত অগ্রসৰ হ'বলৈ ধৰিলে।

দ্বিতীয় মহাযুদ্ধৰ লগতে সমাজত গা কৰি উঠা ৰাজনৈতিক, সামাজিক আদি বিভিন্ন সমস্যাই বিংশ শতিকাৰ ষাঠিৰ দশকৰ অসমীয়া সমাজখনৰ লগতে অসমীয়া সাহিত্যৰ জগতখনকো জৰুলা কৰিবলৈ ধৰে। *ৰামধেনুৰ* প্রকাশ বন্ধৰ পাছৰ পৰা অসমীয়া সাহিত্যত কোনো এখন যুগান্তকাৰী আলোচনীয়ে জন্ম লাভ কৰা যেন মনে নধৰে। সেয়েহে বিংশ শতিকাৰ শেষৰ দশক তিনিটাৰ পৰা একবিংশ শতিকাৰ প্রথম দশকলৈকে অর্থাৎ বর্তমানলৈকে সামৰি এই যুগত দুই শ্রেণীৰ গল্পকাৰে অর্থাৎ *ৰামধেনু* যুগৰ পৰা সাম্প্রতিক সময়লৈকে আৰু আন এচামে সাম্প্রতিক কালত নিজস্ব কলা-কৌশলেৰে পাৰিপার্শ্বিকতা পৰিবেশ-পৰিস্থিতি বর্ণিত কৰি গল্প ৰচনাত প্রবৃত্ত হয়।

এই সময়ৰ গল্পবোৰৰ বিষয়বস্তুৰ নির্দিষ্টতাহীন অর্থাৎ অগতানুগতিক বিষয়বস্তুৰ প্রয়োগেৰে কাহিনীবোৰ বিক্ষিপ্ত হৈ পৰিল। গল্পবোৰত মার্ক্সীয় দর্শন, মানৱতাবাদী আদর্শ, প্রগতিবাদী চিন্তা, প্রতীক, চিত্রকল্পৰ লগতে লোক-সংস্কৃতি আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ সুন্দৰ উপস্থাপন পৰিলক্ষিত হয়। এই সময়ছোৱাৰ গল্পবোৰৰ এক বৈশিষ্ট্য হ'ল বুদ্ধিনিষ্ঠতা।

আৰাহনৰ পাতত গল্পকাৰৰূপে আত্মপ্রকাশ কৰি *ৰামধেনুৰ* সময়লৈকে নিৰবচ্ছিন্নভাৱে গল্প ৰচনা কৰা প্রখ্যাত গল্পকাৰ চৈয়দ আব্দুল মালিকে ৰোমাণ্টিক বাস্তৱবাদী দৃষ্টিভংগীৰে ৰচনা কৰা গল্পৰ মাজত নৰ-নাৰীৰ প্রেম, প্রচলিত সমাজ ব্যৱস্থাত থকা সমস্যাৰ সমালোচনা আদি বিষয়বোৰ প্রতিফলিত হৈছে। জৈৱিক বাসনাযুক্ত আৰু মানৱীয় প্রেমক মূল বিষয়ৰূপে লোৱা

গল্পৰ মাজত হাস্য-ব্যঙ্গ ৰসৰ প্রয়োগ মনকৰিবলগীয়া। দেশ বিভাজনৰ চিত্র, প্রাচ্য আৰু পাশ্চাত্যৰ সংযোগ আৰু যুদ্ধৰ পটভূমিত ৰচিত কাহিনীসমূহত সমসাময়িক সমাজত আৰু পৰিস্থিতি সুন্দৰ ৰূপত প্রতিফলিত হৈছে। 'গল্প সম্রাট' ৰূপে খ্যাত মালিকৰ *দুটা ঘাট, প্রাণ পোৱাৰ পাছত, দুখন ভৰি, বীভৎস বেদনা* আদি গল্পত ফ্রয়েডীয় মনঃস্তত্ব বিষয়ক প্রেম জৈৰিক বাসনাযুক্ত আৰু জটিল মনঃস্তাত্ত্বিক ভাবনা সমৃদ্ধত পাশ্চাত্য সাহিত্যৰ প্রভাৱ বিদ্যমান। ৰোমাণ্টিক বাস্তৱতাৰ আধাৱত গল্প ৰচনা মালিকৰ *প্রাণ পোৱাৰ পিছত* গল্পটোৰ ঘটনাংশাৰ বাণার্ড শ্ব'ৰ *পিগমেলিয়ন* নাটকৰ ঘটনাংশৰ সৈতে সাদৃশ্য লক্ষ্য কৰা যায়।

কাঠফুলা গল্পত বর্ণিত মানবতাবোধ, নিষ্কলুষ তথা নিঃস্বার্থ প্রেম আৰু চহৱতলিৰ উপেক্ষিত মানুহৰ জীৱন আৰু চেতনাৰ বর্ণনাই শ্বাৱউদ এণ্ডার্চনৰ গল্পৰ কথা মনত পেলাই দিয়ে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। তদুপৰি পাশ্চাত্যৰ সাহিত্যিকসকলৰ উপৰিও বাংলা সাহিত্যিক ৰবীন্দ্রনাথ ঠাকুৰৰ প্রভাৱেও মালিকক স্পর্শ নকৰাকৈ থকা নাছিল। কবি গুৰু ৰবীন্দ্র নাথ ঠাকুৰৰ *কাবুলিৱালা* শীর্ষক গল্পৰ কেন্দ্রীয় ভাব আৰু পৰিস্থিতিৰ সৈতে গল্পকাৰ মালিকৰ মৌলিক সৃষ্টি *যীশুখ্রীষ্টৰ ছবি* নামৰ গল্পটোৰ সাদৃশ্য মনকৰিবলগীয়া। মুঠতে, এই সময়ছোৱাৰ এগৰাকী সুযোগ্য তথা সফল গল্পকাৰৰূপে প্রসিদ্ধ চৈয়দ আব্দুল মালিকৰ গল্পত মার্ক্সীয় দর্শন আৰু ফ্রয়েডীয় চেতনাৰ সু-সংযোগ ঘটিছে।

ৰামধেনুৰ সম্পাদক তথা *ৰামধেনু* যুগৰ উল্লেখযোগ্য গল্পকাৰ বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ পৃষ্ঠপোষকতাত এটি নতুন যুগৰ সূচনা হৈছিল বুলিব পাৰি। ভট্টাচার্যাই গল্পসমূহৰ যোগেদি বিশ্বৰ আন সাহিত্যৰ সৈতে সংযোগ স্থাপন কৰিবলৈও প্রয়াস কৰিছিল। তেওঁৰ গল্পৰ মাজত বিশ্বযুদ্ধই সৃষ্টি কৰা আতংক, নিঃস্বার্থ মানৱপ্রেম, নৰ-নাৰীৰ যৌন প্রেম, আধ্যাত্মিক চেতনা আৰু মানুহৰ মৌলিক প্রবৃত্তিৰ সুন্দৰ বর্ণনা পোৱা যায়। উল্লেখযোগ্য যে মানুহৰ মৌলিক প্রবৃত্তি তথা আচৰণসমূহৰ অন্তৰালত থকা ৰহস্য উদ্‌ঘাটনৰ সমান্তৰালকৈ ফ্রয়েডীয় চেতনাৰ প্রয়োগৰ ৰচনা ভট্টাচার্যৰ উল্লেখযোগ্য গল্প হ'ল *মাকনৰ গোঁসাই*। এই গৰাকী সমাজ সচেতন গল্পকাৰে চৰিত্র চিত্রণৰ যোগেদি প্রচলিত সমাজত ব্যৱস্থাৰ বিৰুদ্ধে প্রতিবাদৰ ধ্বনি প্রকাশ কৰিছে।

ৰামধেনুৰ পাতত গল্প লেখকৰূপে আত্মপ্রকাশ কৰা ভবেন্দ্রনাথ শইকীয়া অসমৰ শ্রেষ্ঠ কথা সাহিত্যিকসকলৰ মাজত অন্যতম। পৰম্পৰাবাদী আৰু আধুনিক দুই ধৰণৰ ৰীতিৰে গল্প ৰচনা কৰা শইকীয়াৰ গল্পবোৰৰ পটভূমি বাস্তৱ সমাজ। পাশ্চাৎ অৱলোকন পদ্ধতি প্রয়োগৰ যোগেদি গল্প ৰচনা কৰা শইকীয়াৰ বেছিভাগ গল্পৰ কেন্দ্রীয় চৰিত্র নাৰী আৰু নাৰী মনৰ অতি সুক্ষ্ম বিশ্লেষণ ৰচনাৰ মাজত উপলব্ধ। সমাজত প্রচলিত বর্ণবৈষম্য, পুৰণিকলীয়া পৰম্পৰাবাদী ৰীতি-সংস্কাৰবোৰক নেওচি এখন নতুন সমাজত গঢ় দিয়াৰ আদর্শ আৰু হেপাহৰ চিত্র প্রতিফলিত

গল্পসমূহৰ মাজত জীৱনৰ সূক্ষ্মাতিসূক্ষ্ম ঘটনা প্রতীকী ভাষাৰে অংকন কৰিছে। তদুপৰি আধুনিক বৈজ্ঞানিক প্রগতি আৰু সেইবোৰৰ প্রভাৱ শইকীয়াৰ সৃষ্টিত প্রকাশ পাইছে।

ভবেন্দ্র নাথ শইকীয়াৰ *লাজ লাগে* শীর্ষক সৃষ্টিত জীৱনৰ মৌলিক প্রবৃত্তিৰ তাড়নাক পাশ্চাত্যৰ মনঃসমীক্ষাৰ যোগেদি মানৱীয় আচৰণৰ ৰহস্য প্রকাশ কৰিছে। *আবর্জনা* গল্পত মনটোৱে যে সামাজিক বান্ধোন মানি নচলে সেই ঘটনাৰ অৱতাৰণাৰে মনৰ মাজত গুজৰি থকা অস্থিৰতাক চিত্রধর্মী বর্ণনা কৌশলেৰে পাঠকৰ আগত তুলি ধৰিছে। উল্লেখ্য যে পাশ্চাত্য সাহিত্যৰ পৰা আহৰণ কৰা চেতনাশ্রোত ৰাতি, চিত্রধর্মী বর্ণনা আৰু প্রতীকধর্মী বর্ণনা ত্রিবেণী সংযোগেৰে ৰচিত *আবর্জনাই* এটি সুন্দৰ ৰূপ পৰিগ্রহ কৰিছে।

নিঃসন্দেহে শইকীয়াৰ কাহিনীৰ পৰিসৰ কিছু দীঘলীয়া। পুংখানুপুংখ পৰিবেশ আৰু চৰিত্রৰ বর্ণনাৰে ৰচনা কৰা শইকীয়াৰ গল্পসমূহৰ সৈতে চেকভৰ বর্ণনা ৰীতিৰ সাদৃশ্য দেখিবলৈ পোৱা যায়। পাশ্চাত্যৰ মনঃসমীক্ষণৰ আধাৰত ৰচিত *এন্দুৰ* গল্পই প্রতীকধর্মী গল্প ৰূপেও যথেষ্ট সমাদাৰ লাভ কৰিছে। তদুপৰি চেকভ আৰু মোপাছাঁৰ লগতে অ' হেনৰীৰ গল্পৰ সামৰণিৰ আকস্মিকতা শইকীয়াৰ গল্পতো উপলব্ধি। এই ক্ষেত্রত চেকভৰ *এ ৰর্ক অৱ আর্ট,* মোপাছাঁৰ *নেকলেছ,* অ' হেনৰীৰ *গিফট্ অব্ ডি মেজাই* আৰু ভবেন্দ্র নাথ শইকীয়াৰ 'নাটঘৰ', 'গহ্বৰ', তৰংগ'— এয়া মাথো দুটামান উদাহৰণহে। শইকীয়াৰ প্রায়বোৰ গল্পতে পাশ্চাত্য গল্পকাৰসকলৰ গল্পৰ সামৰণিৰ আকস্মিকতা প্রতিফলিত হৈছে।

বিখ্যাত ফৰাচী বাস্তৱবাদী Edmond Goncout আৰু Jules Goncout যে স্বভাৱবাদ আৰু 'ইম্প্রেছনিজম'ৰ চিত্র প্রতিফলিত কৰাৰ দৰে শইকীয়াই অসমীয়া সমাজ জীৱনৰ ভিত্তিত *বানপ্রস্থ দুর্ভিক্ষ* আদি কৰি বহুকেইটা গল্পত স্বভাৱবাদ আৰু 'ইম্প্রেছনিজম'ৰ আধাৰত ৰচনা কৰিছে।

শ্লেষ, প্রহসন, অথবা irony প্রয়োগৰে পাশ্চাত্যত যথেষ্ট সুন্দৰ তথা সার্থক গল্প ৰচনা কৰিছে। অসমীয়া সাহিত্যৰ পঞ্চাছৰ দশকত ভনেন্দ্র নাথ শইকীয়াৰ বহুকেইটা গল্পত এনে শ্লেষ তথা প্রহসনৰ প্রয়োগ মনকৰিবলগীয়া। Alphonse Daudet আৰু Maupassant শীর্ষক পাশ্চাত্যৰ গল্পকাৰৰ গল্পত সার্থক প্রয়োগ ঘটা 'Tragic irony' প্রকাশ শইকীয়াৰ 'প্রহৰী', 'বানপ্রস্থ' আদি গল্পতো প্রতিফলিত হৈছে।

পাশ্চাত্য প্রভাৱপুষ্ট ৰামধেনুৰ এগৰাকী বিশিষ্ট গল্পকাৰ ভবেন্দ্র নাথ শইকীয়াৰ বহুকেইটা গল্প যেনে- *গহ্বৰ, এই বন্দৰৰ আবেলি* আদি বিদেশী পটভূমিত ৰচিত উল্লেখযোগ্য গল্প।

পঞ্চাশৰ দশকৰ খ্যাতিসম্পন্ন গল্প লেখকসকলৰ মাজত এগৰাকী বিশিষ্ট গল্পকাৰ ৰূপে পৰিচিত মহিম বৰা। বৈচিত্র্যময় বিষয়বস্তুৰে সৃষ্টি কৰা গল্পৰ মাজত লেখকে বাস্তৱ চিত্র অংকনৰ লগতে হাস্যৰসাত্মক ধাৰাটো শক্তিশালী ৰূপত তুলি ধৰিছে। এই হাস্য শ্লেষাত্মক। যাক ইংৰাজীত irony শব্দৰে বুজোৱা হয়। ইংৰাজী সাহিত্যিক Alphonse Daudet আৰু Maupassant

গল্পত প্রয়োগ ঘটা 'Tragic irony' ৰ দৰে মহিম বৰাৰ 'কাঠনিবাৰীৰ ঘাট' শীর্ষক গল্পৰ শেষৰ ফালে কৰুণ শ্লেষৰ সমাহাৰ ঘটিছে। তদুপৰি অ'হেনীৰ, মোপাছাঁ আৰু চেকভৰ গল্পৰ আকস্মিক সামৰণিৰ যি কৌশল; সেই কৌশলৰ প্রয়োগ মহিম বৰা *কাঠনিবাৰীৰ ঘাট* গল্পটোত দেখিবলৈ পোৱা যায়। পাশ্চাত্য সাহিত্যৰ অনুপ্রেৰণাৰে সমৃদ্ধ অসমীয়া চুটিগল্পত সফল চিত্রকল্পৰ প্রয়োগ এটি উল্লেখনীয় দিশ। কাহিনী-বিন্যাসৰ ক্ষেত্রত কৰা চিত্রকল্পৰ প্রয়োগে মহিম বৰাৰ নির্মিতিক অনন্য মাত্রা প্রদান কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া গল্পকাৰসকলৰ আৱাহানৰ পৰা ৰামধেনুলৈ চুটিগল্পৰ বিকাশৰ যাত্রা সম্পর্কে আলোচনা কৰক।

.....

প্রশ্ন নং ৩ ঃ চৈয়দ আব্দুল মালিকৰ সৃষ্টিত পাশ্চাত্যৰ প্রভাৱ কেনেদৰে পৰিস্ফুট হৈছে বহলাই লিখক।

.....

প্রশ্ন নং ৪ ঃ পাশ্চাত্য প্রভাৱৰ দ্বাৰা ভবেন্দ্রনাথ শইকীয়াৰ ৰচনাসমূহৰ কেনেদৰে পৰিপুষ্ট হৈছে পাঠৰ আধাৰত বর্ণনা কৰক।

.....

ৰামধেনু যুগৰ অন্যতম গল্পকাৰ হোমেন বৰগোহাঞিৰ নির্মিতিৰ মাজত ব্যক্তি মনৰ বিষাদ, হতাশা, নিৰাশা, নিঃসঙ্গতা আদি আধুনিকতাবাদৰ লক্ষণসমূহ দেখিবলৈ পোৱা যায়। মানুহৰ মনোজগতৰ লগতে প্রকৃতি জগতৰ মনোৰম আৰু ৰহস্যময় চিত্রৰ বর্ণনাও বৰগোহাঞিৰ ৰচনাত উপলব্ধ। মানৱীয় মূল্যবোধৰ অৱক্ষয় আৰু ৰূপান্তৰিত মূল্যবোধৰ দ্বন্দ্বৰ লগতে পাশ্চাত্যৰ পৰা আমদানিকৃত অস্তিত্ববাদী দর্শন, ফ্রয়েডীৰ মনঃস্তত্ব, মার্ক্সীয় চেতনা, চেতনা-স্রোত, অভিব্যক্তিবাদৰ প্রভাৱ বৰগোহাঞিৰ গল্পত বিদ্যামান।

ৰামধেনুৰ আনসকল গল্পকাৰৰ পৰা বৰগোহাঞি কিছু পৃথক। ৰুগ্ন মানসিকতাৰ চিত্র, আত্মহত্যাৰ প্রৱণতা, বেশ্যা বৃত্তি, নিঃসঙ্গতাকে আদি কৰি নৰ-নাৰীৰ যৌন মিলন, কামনা-বাসনা, সামাজিক সমস্যা কোনো লুক-ঢাক নোহোৱাকৈ ৰচনাৰাজিৰ মাজত প্রকাশ কৰিছে। তদুপৰি অসমীয়া গল্প সাহিত্যত ফ্রয়েডীয় তত্ত্বৰ দৰে জীৱন বীক্ষাৰ সূচনা কৰা লেখকসকলৰ মাজত হোমেন বৰগোহাঞিৰ নাম উল্লেখযোগ্য। তেওঁ লৰেন্স, ম'ৰাভিয়াৰ জটিল মনোবৈজ্ঞানিক বিশ্লেষণৰ পথেৰে আধুনিক জীৱনৰ মনঃস্তত্ব বিশ্লেষণ কৰিছে।

ৱৰগোহাঞিৰ *আবেলিৰ আলিবাটৰ গল্প, ইস্মাইল ছেখৰ সন্ধানত, নৱকত বসন্ত, পার্টি, ভাৱতবর্ষ ঃ ১৯৪৭-৬৫* আৰু *জননী* গল্পত মার্ক্সীয় দর্শনৰ প্রভাৱ স্পষ্ট। হোমেন ৱৰগোহাঞিয়ে সম্পাদনা কৰা *ৰামধেনুৰ* পাতনিত কৈছে যে আধুনিক চিন্তাৰ ওপৰত কালমার্ক্সৰ অর্থনৈতিক তত্ত্ব আৰু ছিগমুক্ত ফ্রয়েডৰ মনস্তাত্ত্বিক আৱিষ্কাৰসমূহৰ প্রভাৱ অতি গভীৰ আৰু সর্ব্বব্যাপী। ৱৰগোহাঞিৰ *চেনাটোৰিয়াম, মহাশ্বেতাৰ বিয়া, অক্টোপাচ, হৃদয়ৰ প্রয়োজন, পর্দা, নৱকত বসন্ত, অসুখ, তিনি বাই ভনী* আদি গল্পত ফ্রয়েডীয় মনঃস্বত্ত্বৰ প্রভাৱৰ লগতে যৌন লালসা আৰু কাম প্রৱণতা চিত্রৰ প্রয়োগ লক্ষণীয়।

গল্পকাৰ ৱৰগোহাঞিৰ নির্মিতিৰ মাজত ইউৰোপীয় সাহিত্যিক কাফ্কা, ডষ্টয়ভস্কী, ম'ৰাভিয়া আৰু ছার্ত্রে আদিৰ প্রভাৱ পৰিলক্ষিত হয়। উল্লেখযোগ্য যে কাফ্কাৰ দৰে এজন লেখক হোৱাৰ পণ কৰা ৱৰগোহাঞিৰ *অসুখ* গল্পত যৌন লালসাৰ লগতে মনঃস্তাত্ত্বিক চিন্তাধাৰাৰ উপৰি কাফ্কাৰ *The Metamorphosis* গল্পৰ কাহিনীৰ সৈতে সাদৃশ্য ৰক্ষা কৰা পৰিলক্ষিত হয়।

পাশ্চাত্যৰ আধুনিকতাবাদী আন্দোলনৰ অন্য এটা ভাবধাৰা অস্তিত্ববাদৰ প্রভাৱ ৱৰগোহাঞিৰ ৰচনাত সুস্পষ্ট। উল্লেখযোগ্য যে গল্পকাৰ বহুকেইটা নির্মিতিত পোনতে অস্তিত্ববাদৰ পৰশ থকা চৰিত্র তথা ভাৱৰাশি সামৰণিত ফ্রয়েডীয় মনঃস্বত্ত্বৰ মাজত লীন হৈ যোৱা দেখিবলৈ পোৱা গৈছে। *আবেলিৰ আলিবাটৰ গল্প, অক্টোপাচ, যৌৱন, জন্ম, হৃদয়ৰ প্রয়োজন, চিকাৰ, পোষ্টমর্টেম* আদি গল্পত ছার্ত্রে আৰু নীৎছেৰ অস্তিত্ববাদী ধাৰণাৰ প্রভাৱ বিদ্যামান।

ফ্রয়েড আৰু ইয়ুঙে মানুহৰ চেতনা বহুমাত্রিক বুলি প্রকাশ কৰিছে। তেনে চেতনাৰ আধাৰত ৱৰগোহাঞিৰ *ভয়* শীর্ষক গল্পত অস্তিত্ববাদী দর্শন আৰু চেতনাস্রোত পদ্ধতিৰ যুগপৎ প্রকাশ পাইছে। মানুহে মনৰ অন্তর্জগতত অহৰহ কঢ়িয়াই ফুৰা ভীতি সম্পর্কে এইজন লেখকে নৱতম কলা-কৌশল আৰু আঙ্গিকৰ মনোৰম ৰূপত উপস্থাপন কৰিছে।

অভিব্যক্তিবাদীসকলৰ দৃষ্টিভংগী আগত ৰাখি হোমেন ৱৰগোহাঞিৰ *আবেলিৰ গল্প, এপিটাফ, চোৰ* আৰু *জননী* উল্লেখযোগ্য সৃষ্টিকর্ম। অস্তিত্ববাদ, ফ্রয়েডীয় তত্ত্বৰ বিবিধ দিশৰ লগতে মার্ক্সীয় দর্শন, চেতনাস্রোত পদ্ধতি, অভিব্যক্তিবাদৰ উপৰি ৰূপান্তৰিত মূল্যবোধৰ দ্বন্দ্বাত্মক চিত্র আৰু প্রতীকী ব্যঞ্জনাৰে উপস্থাপন কৰা বিষয়বস্তুৰ বাবে *ৰামধেনুৰ* জনপ্রিয় তথা বর্তমানেও খ্যাতিসম্পন্ন সাহিত্যিক হোমেন ৱৰগোহাঞিৰ ৰচনাসম্ভাৰ অসমীয়া গল্প-সাহিত্যত সমাদৃত হৈ ৰ'ব।

পাশ্চাত্যৰ প্রভাৱ তথা *ৰামধেনুৰ* খ্যাতনামা আন এগৰাকী জনপ্রিয় গল্পকাৰ হ'ল সৌৰভ কুমাৰ চলিহা। পাশ্চাত্যৰ ৰীতিৰে সৈতে সু-সংযোগ সাধন কৰা চলিহাৰ প্রায়বোৰ গল্পত আধুনিক ৱৈজ্ঞানিক চিন্তা, অস্তিত্ববাদী ধাৰণা আৰু ফ্রয়েডীয় চিন্তাৰ সুন্দৰ প্রয়োগ পৰিলক্ষিত

হয়। এই ক্ষেত্রত চলিহাৰ 'গোলাম', 'এহাত ডাবা', 'বীণা কুটীৰ' আদি গল্পত অস্তিত্ববাদী দর্শন, চেতনাস্রোত ৰীতিৰ সার্থক প্রকাশ বিদ্যামান।

চলিহাৰ বেছিভাগ অগাতনুগতিক বিষয়বস্তুৰে ৰচিত গল্পত দ্বিতীয় মহাসমৰৰ পাছৰ সমাজখনৰ ক্ষয়িষ্ণু পৰিবেশ, সুবিধাবাদী স্বার্থপৰ চৰিত্র, দুই যুগৰ দুটা মূল্যবোধৰ দ্বন্দ্ব অতি সুন্দৰকৈ প্রতিফলিত কৰিছে। নিঃসঙ্গ চেতনা, ফ্রয়েডীয় যৌন মনঃস্তত্ব, অৱস্থিতিবাদী চিন্তাধাৰা, চেতনাপ্রবাহ ৰীতি আৰু অভিব্যক্তিবাদৰ প্রয়োগেৰে গঢ় দিয়া চলিহাৰ কেতবোৰ গল্পত জীৱন-স্পৃহা আৰু মৃত্যু-স্পহাৰ ব্যাখ্যাও প্রকাশিত হৈছে। তদুপৰি সাংগীতিক মধু�ৰতাযুক্ত চলিহাৰ গল্পক মননশীলতা গুণৰ বাবে কাফ্কাৰ গল্পৰ সমধর্মী আখ্যা দিয়া হয়।

ৰামধেনুৰ অন্যান্য বহু সংখ্যক জনপ্রিয় লেখকে গল্প ৰচনা কৰি গল্প সাহিত্যৰ জগতখনলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে যদিও মহিলা গল্পকাৰ নিৰুপমা বৰগোহাঞি আৰু মামণি ৰয়চম গোস্বামীৰ ৰচনাত পাশ্চাত্য নাৰীবাদী চিন্তাৰ প্রকাশ তথা প্রয়াস বিদ্যামান হোৱা বাদে আন পুৰুষ নাৰী গল্পকাৰসকলৰ ৰচনাত পাশ্চাত্যৰ প্রভাৱ প্রৱল যেন ধাৰণা নহয়। নিঃসন্দেহে পাশ্চাত্যৰ নাৰী-মুক্তি, স্ত্রী-শিক্ষা, মুক্ত নাৰী বা স্বাধীন নাৰীৰ ভাবনাৰ সমান্তৰালকৈ নাৰী মনৰ জগতখনক গল্পত বৰগোহাঞি আৰু গোস্বামীয়ে অতি সুন্দৰ ৰূপত উপস্থাপিত কৰি সার্থক গল্প সৃষ্টি কৰিছে।

বাস্তৱধর্মী গল্পকাৰ ৰূপে পৰিচিত শীলভদ্রই নানান অভিজ্ঞতাৰ ৰহনেৰে গঢ় দিয়া কাহিনীসমূহত সমকালীন সমাজৰ শোষণ, শাসন, ভণ্ড চৰিত্রৰ লগতে সমাজৰ সকলো শ্রেণীৰ মানুহৰ জীৱন প্রতিফলিত হৈছে। এইগৰাকী লেখকে আঞ্চলিক জীৱনৰ পটভূমিত গঢ় দিয়া সৃষ্টিৰাজিত উইলিয়াম ফকনাৰৰ আঞ্চলিকতাবাদী উপন্যাসৰ ধাৰাৰ প্রভাৱ পৰিলক্ষিত হয়।

সাম্প্রতিক যুগৰ গল্পকাৰ অৰুণ গোস্বামীৰ গল্পত স্বাধীনতাৰ পাছত সমাজখনক গ্রাস কৰিবলৈ ধৰা সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক পৰিস্থিতিৰ লগতে স্বার্থপৰ, ভণ্ড চৰিত্রৰ মুখা খুলি দিয়াৰ প্রৱণতা দেখিবলৈ পোৱা যায়। কার্লমার্ক্সৰ মার্ক্সীয় দর্শনৰ প্রভাৱপুষ্ট গল্পকাৰজনে সমাজ সংস্কাৰৰ লগতে সমতা স্থাপনৰ বাবে গল্পৰ যোগেদি যথেষ্ট প্রয়াস কৰা দেখিবলৈ পোৱা যায়।

আলোচ্যমান সময়ছোৱাৰ গল্পকাৰ অৰূপা পটঙ্গীয়া কলিতাৰ গল্পত দুখীয়া শ্রেণীৰ সমস্যা, পুৰুষপ্রধান সমাজখনে নাৰীৰ প্রতি কৰা দুর্ব্যৱহাৰ, শোষিতসকলৰ দুখবহ জীৱনৰ চিত্র অংকন কৰাৰ সমান্তৰালকৈ আশাবাদ, নাৰীবাদ, চিত্রকল্প আদি পাশ্চাত্যৰ প্রভাৱৰ দ্বাৰা আহৰিত দিশসমূহৰ যোগেদি সমাজ দায়বদ্ধ লেখক ৰূপে নিজস্ব বক্তব্য তুলি ধৰিছে। তেওঁৰ ৰচনাত পাশ্চাত্যৰ দান স্বৰূপ প্রতিবাদী নাৰী চৰিত্রৰ চিত্রণ এটি মনকৰিবলগীয়া দিশ।

আলোচ্যমান যুগটোৰ এগৰাকী শ্রেষ্ঠ কাহিনীকথক মনোজ কুমাৰ গোস্বামীৰ গল্পত

নগৰীয়া যন্ত্ৰণা, নিঃসঙ্গতা, আন্তঃবিৰোধ, সন্ত্ৰাসবাদী সমস্যাৰ পূৰ্ণ সমাজৰ পৰা আহৰিত বিষয়সমূহক চেতনাস্ৰোত পদ্ধতিৰ সহায়ৰে মানৰ জীৱনৰ খণ্ডিত চিত্ৰ কাহিনীৰ মাজত উপস্থাপন কৰিছে। তদুপৰি পাশ্চাত্য উদ্ভট নাটকৰ শৈলীৰ অৰ্থাৎ এবছাৰ্ড দৰ্শনৰ ৰীতিৰ আধাৰত গোস্বামীয়ে মৌলিক গল্পক সুন্দৰ আয়তন প্ৰদান কৰিছে।

সৌৰভ কুমাৰ চলিহাৰ গল্পৰ সমগোত্ৰীয় গল্প ৰচক ৰূপে খ্যাত কুল শইকীয়াৰ ৰচনাত চেতনাস্ৰোত ৰীতিৰ সফল প্ৰয়োগেৰে গঢ় দিয়া কাহিনীত জীৱনৰ কাহিনীত জীৱনৰ দ্বন্দ্ব আৰু সংঘাতেই চৰিত্ৰসমূহ গঢ়ি তুলিছে। এইগৰাকী গল্পকাৰৰ ৰচনাত *কৰ্পৰেট ৱৰ্ল্ড* আৰু কল্পবিজ্ঞান জগতৰ চিত্ৰণো মনকৰিবলগীয়া বিশেষত্ব।

মৌচুমী কন্দলীয়ে প্ৰতীক-চিত্ৰকল্পৰ ইংগিতধৰ্মীতা আৰু সূক্ষ্ম মনোবিশ্লেষণধৰ্মীতাৰ যোগেদি ৰচনা কৰা গল্পবোৰত আধুনিক জীৱনৰ সংঘাত, নিঃসঙ্গতা, অন্তৰ্দ্বন্দ্ব, যান্ত্ৰিক সভ্যতাই বোৱাই অনা পৰিবৰ্তন আৰু বেদনা, পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ কবলত পৰি দিশহাৰা হোৱা নৱ-প্ৰজন্মৰ মানসিক অৱস্থা, পুৰুষতান্ত্ৰিক সমাজখনৰ চিত্ৰ অতি বাস্তৱসন্মত ৰূপত প্ৰকাশ কৰিছে।

তদুপৰি এই সময়ৰ গল্পকাৰ নগেন শইকীয়াৰ গল্পৰ আঙ্গিক আৰু বিষয়বস্তু নিৰ্বাচনত পাশ্চাত্য প্ৰভাৱ বিদ্যমান। ইয়াৰোপৰি তেওঁৰ গল্পত এবৰ্ছাড নাট্য ৰীতি আৰু অস্তিত্ববাদী দৰ্শন প্ৰভাৱ পৰিলক্ষিত হয়।

নগেন শইকীয়াকে আদি কৰি অপূৰ্ব শৰ্মা, দেবব্ৰত দাস, মদন শৰ্মা, কুমুদ গোস্বামী, বিপুল খাটনিয়াৰ, অৰূপ কুমাৰ নাথ, প্ৰশান্ত কুমাৰ দাস, অতনু ভট্টাচাৰ্য আদি গল্পকাৰসকলৰ ৰচনাত পাশ্চাত্য সাহিত্যৰ পৰা আমদানি ঘটা আধুনিকতা আৰু উত্তৰ আধুনিকতাৰ অন্যতম কেতবোৰ লক্ষণ বিচ্ছিন্নতা, অধিবাস্তৱবাদী চেতনা, চেতনাস্ৰোত, ফ্ৰয়েডীয় মনঃসমীক্ষা, এবছাৰ্ড ৰীতিৰ প্ৰভাৱ বিদ্যমান। আধুনিকতা আৰু উত্তৰ-আধুনিকতাৰ লক্ষণসমূহৰ প্ৰভাৱ সকলো গল্পকাৰৰ ক্ষেত্ৰতে সমানে প্ৰযোজ্য নহ'লেও কম-বেছি পৰিমাণে পাশ্চাত্যৰ শৈলীসমূহে আলোচ্যমান সময়ছোৱাৰ প্ৰায় সৰহসংখ্যক গল্পকাৰকে স্পৰ্শ কৰিছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যায়ন কৰি আমি ১৯৪০ ৰ পৰা ২০০০ চনৰ এই সময়ছোৱাৰ অসমীয়া চুটিগল্পৰ পটভূমিৰ নিৰ্মাণ সম্পৰ্কে এটি ধাৰণা লাভ কৰিলো।

- এই অধ্যায়টি অধ্যায়নৰ যোগেদি ১৯৪০ ৰ পৰা ২০০০ চনৰ সময় চোৱাত জন্ম লাভ কৰা আলোচনী আৰু এই আলোচনীয়ে জন্ম দিয়া গল্পকাৰ আৰু গল্পসমূহৰ প্রসাৰ আৰু বিকাশ সম্বন্ধে জ্ঞান লাভ কৰিলো।
- ১৯৪০ ৰ পৰা ২০০০ চনৰ সময়ছোৱাত গল্পকাৰসকলৰ পর্যায়ক্রম আলোচনাৰ যোগেদি তেওঁলোকৰ ৰচনা সমৃদ্ধ কৰা পাশ্চাত্যৰ প্রভাৱ তথা উপাদান সম্পর্কে আভাস লাভ কৰিলো।
- এই অধ্যায়টিৰ আলোচনাৰ যোগেদি আলোচ্যমান সময়ছোৱাৰ সাহিত্যসম্ভাৰত পাশ্চাত্যৰ সাহিতিকসকলৰ প্রভাৱ তথা অসমীয়া গল্প সাহিত্যক সমৃদ্ধ কৰা গল্পসমূহৰ বিষয়ে সামগ্রিক ধাৰণা লাভ কৰিলো।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, হৃদয়ানন্দ (সম্পা) (১৯৯৯) ঃ উত্তৰ ৰামধেনু যুগৰ নির্বাচিত গল্প, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) গোস্বামী, ত্রৈলোক্যনাথ (২০০৬) ঃ আধুনিক অসমীয়া গল্পসাহিত্য, গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩) বৰা ফুকন, ৰুণুমণি (২০১৭) ঃ হোমেন বৰগোহাঞিৰ চুটিগল্প, গুৱাহাটী ঃ জাগৰণ সাহিত্য প্রকাশ।

৪) শর্মা, উপেন্দ্র নাথ (২০০৫) ঃ কবিতাৰ ভাষা আৰু অন্যান্য প্রবন্ধ গুৱাহাটী ঃ জয়দেৱ শর্মা-ভৱানী দেৱী প্রকাশন।

৫) শইকীয়া বৰা, লীলাৱতী (সম্পা) (১৯৯৯) ঃ প্রবন্ধৱলী, ড° যমুনা শর্মা চৌধুৰীৰ প্রবন্ধ 'অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ' গুৱাহাটী ঃ চন্দ্র প্রকাশ।



৫.৭ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ দ্বিতীয় মহাসমৰ, ৪২ গণ আন্দোলন, গান্ধীজীৰ স্বাৱজা আন্দোলনকে আদি কৰি ৰাজনৈতিক, অর্থনৈতিক আৰু সংস্কৃতিক পৰিবেশ পৰিস্থিতিয়ে কেনেদৰে

পটভূমি নিৰ্মাণ সহায় কৰিছিল, বহলাই আলোচনা কৰক।

২নং প্ৰশ্নৰ উত্তৰ ঃ *আৰাহনৰ* প্ৰকাশ স্তব্ধ হৈ যোৱাৰ পাছত 'ৰামধেনু'ৰ প্ৰকাশৰ লগে লগে পাশ্চাত্যৰ প্ৰভাৱ আৰু প্ৰসাৰে ন-ন চিন্তা-আদৰ্শৰে গল্পকাৰসকলৰ ৰচনাসম্ভাৰক ন ৰূপ দি সুন্দৰ আয়তন প্ৰদান কৰাৰ বিষয়ে উল্লেখ কৰক।

৩নং প্ৰশ্নৰ উত্তৰ ঃ 'আৰাহন'ত আত্মপ্ৰকাশ কৰিলেও 'ৰামধেনু'ত যথেষ্ট সংখ্যক গল্প ৰচনাৰে খ্যাতি অৰ্জন কৰা চৈয়দ আব্দুল মালিকৰ গল্পত ৰোমাণ্টিক বাস্তৱবাদী দৃষ্টিভঙ্গী, ফ্ৰয়েডীয় মনঃস্তত্ব, জটিল মনঃস্তাত্ত্বিক ভাবনা সমৃদ্ধ পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ সম্পৰ্কে বহলাই লিখক।

৪নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাবাদী আৰু আধুনিক দুই ধৰণৰ ৰীতিৰে গল্প ৰচনা কৰা ভবেন্দ্ৰ নাথ শইকীয়াৰ সৃষ্টিত আধুনিক বৈজ্ঞানিক প্ৰগতি, পাশ্চাত্যৰ মনঃসমীক্ষা, চেকভৰ ৰচনা-ৰীতি, মোপাছাঁ, অ' হেনৰীৰ ৰচনা-কৌশল, স্বভাৱবাদ, ইম্প্ৰেনিজম', ironyৰ প্ৰয়োগৰ সুন্দৰ প্ৰকাশ সম্পৰ্কে গল্পৰ নামেৰে সৈতে উল্লেখ কৰি বহলাই লিখক।



৫.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আধুনিক যুগৰ অন্যতম সাহিত্যবিধৰ নাম কি?

প্ৰশ্ন ২ ঃ ১৯২১ চনত কাৰ নেতৃত্বত কি আন্দোলনে গা কৰি উঠিছিল?

প্ৰশ্ন ৩ ঃ অসমীয়া সাহিত্যৰ কোনগৰাকী গল্পকাৰ 'গল্প সম্ৰাট' ৰূপে খ্যাত?

প্ৰশ্ন ৪ ঃ 'কবিগুৰু' বুলি কাক অভিহিত কৰা হয়?

প্ৰশ্ন ৫ ঃ 'ৰামধেনু'ৰ গল্পৰ সাংস্কৃতিক পটভূমি নিৰ্মাণত কোনবোৰ কাৰকে অৰিহণা যোগাইছিল?

প্ৰশ্ন ৬ ঃ 'ৰামধেনু' আলোচনী প্ৰকাশ কি কাৰণত বন্ধ হৈছিল?

প্ৰশ্ন ৭ ঃ অসমখন বাংলাদেশী ভগনীয়াৰ নিৰাপদ বিচৰণস্থালী হোৱাৰ আঁৰৰ কাহিনী কি?

প্ৰশ্ন ৮ ঃ যুদ্ধোত্তৰ যুগৰ সাহিত্যিকসকলৰ গল্প ৰচনাৰ কলা-কৌশল পৰিৱৰ্তনত কোন কোন কাৰকৰ অৱদান সৰ্বাত্মক?

প্ৰশ্ন ৯ ঃ ১৯৪০ ৰ পৰা ২০০০ চনত ৰচিত গল্পৰ বিষয়বস্তু আৰু আঙ্গিক সম্পৰ্কে এটি নিবন্ধ যুগুত কৰক।

প্রশ্ন ১০ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ ৰচনাক প্রভাৱান্বিত কৰা পাশ্চাত্যৰ প্রভাৱৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ১১ ঃ ভবেন্দ্র নাথ শইকীয়াৰ গল্পৰ কোনবোৰ দিশত পাশ্চাত্যৰ প্রভাৱ প্রতিফলিত হৈছে, সেই দিশসমূহ ফঁহিয়াই বিশ্লেষণ আগবঢ়াওক।

প্রশ্ন ১২ ঃ মহিম বৰাৰ এটি গল্পৰ আধাৰত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে লিখক।

প্রশ্ন ১৩ ঃ হোমেন বৰগোহাঞিৰ সৃষ্টিসম্ভাৰক পাশ্চাত্য প্রভাৱে কেনেদৰে প্রভাৱান্বিত কৰিছে বুলি আপুনি ভাবে? এটি প্রৱন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ৬ ঃ অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৮৫৭ৰ পৰা ১৯৪০ চনলৈ)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ

৬.৪ ১৯৪০ চনৰ পৰৱর্তী সময়ৰ আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া নাটকৰ সৃষ্টিৰ পটভূমি সম্পর্কে এটা ধাৰণা লাভ কৰিব
- পাশ্চাত্যৰ ৰোমাণ্টিক নাটক, বিশেষকৈ বিশ্ব-বিশ্রুত ইংৰাজ নাট্যকাৰ শ্বেইক্সপীয়েৰৰ নাটক সম্পর্কে ধাৰণা লাভ কৰিব
- পাশ্চাত্য, বিশেষকৈ শ্বেইক্সপীয়েৰৰ নাটক আৰু নাট্যৰীতিৰ প্রভাৱ অসমীয়া নাটকত কিদৰে পৰিছে সেই বিষয়ে আলোচনা কৰিব পাৰিব
- ১৯৪০ চনৰ পিছৰ অসমীয়া আধুনিক নাটক আৰু সেই নাটকত পাশ্চাত্য প্রভাৱ সম্পর্কে চমু ধাৰণা লাভ কৰিব
- পাশ্চাত্যৰ বাস্তৱবাদী, উদ্ভট, মনস্তাত্বিক, অস্তিত্ববাদী, চেতনাস্রোত আদি ধাৰাৰ নাটকৰ বিষয়ে কিছু আভাস পাব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ সম্পর্কে জানিব পাৰিলে। ইয়াত অসমীয়া নাটকতনো পাশ্চাত্য প্রভাৱ কি দৰে পৰিছে তাৰ ধাৰণা লাভ কৰিব। 'অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ' (১৮৫৭-ৰ পৰা ১৯৪০ চনলৈ) শীর্ষক এই অধ্যায়টিত মূলতঃ ১৮৫৭ চনৰ পৰা ১৯৪০ চনৰ ভিতৰত ৰচিত আধুনিক অসমীয়া নাটকৰ বিষয়ে আলোচনা কৰা হ'ব। তাৰ সমান্তৰালভাৱে এই নির্দিষ্ট সময়ছোৱাৰ ভিতৰত ৰচিত নাটকসমূহৰ অনুপ্রেৰণা স্বৰূপ পশ্চিমীয়া নাটক, বিশেষকৈ বিশ্ববিশ্রুত নাট্যকাৰ উইলিয়াম শ্বেইক্সপীয়েৰৰ নাটক সম্পর্কেও

পৰিচয়মূলক আলোচনা এটা আগবঢ়োৱা হ'ব।

সত্ত্ব, ৰজঃ আৰু তমঃ— এই তিনি গুণৰ পৰা উদ্ভৱ হোৱা মানৱ চৰিত্ৰৰ বিভিন্ন অভিব্যক্তি আৰু নৱৰসৰ সমাৱেশ নাটকত প্ৰদৰ্শন কৰা হয়। এনেবোৰ বৈশিষ্ট্যৰ কাৰণেই নাটকে ভিন্ন ৰুচি আৰু ভিন্ন স্তৰৰ দৰ্শকক আনন্দ বিধান কৰাৰ লগতে যুগে যুগে আকৰ্ষণ কৰি আহিছে। অৱশ্যে আনন্দ বিধানৰ উপৰিও নাটক সৃষ্টিৰ লগত সমাজ-সংস্কাৰ, লোক-শিক্ষা, জাতীয় চেতনাৰ জাগৰণ, সাংস্কৃতিক বিকাশ আদি উদ্দেশ্যও নিহিত হৈ থাকে। এনে উদ্দেশ্যক সফল কৰি তুলিবলৈকেই যুগে যুগে নাট্যকাৰসকলে নতুন নতুন আংগিক আৰু কলা-কৌশল, বিষয়বস্তু, আদৰ্শ আদি গ্ৰহণ কৰি নাট্যসৃষ্টিৰ প্ৰয়াস কৰি আহিছে। আনকি দেশ-বিদেশৰ প্ৰখ্যাত নাট্যকাৰ তথা নাটকৰ আৰ্হিও নাট্যকাৰসকলে গ্ৰহণ কৰি নিজ নিজ সৃষ্টিত ব্যৱহাৰ কৰিবলৈ লয়। এই অধ্যায়তো অধ্যয়ন কৰি আপুনি নাট্যসৃষ্টিৰ লগত জড়িত এনে কিছু কথাও জানিব পাৰিব।

৬.৩ আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ

আধুনিক অসমীয়া নাটকৰ দুৱাৰ মুকলি হয় ১৮৫৭ চনত গুণাভিৰাম বৰুৱাৰ হাতত। বৰুৱাৰ *ৰাম-নৱমী নাটক* প্ৰথম আধুনিক অসমীয়া নাটক। শ্বেইক্সপীয়েৰৰ নাটকৰ ৰীতি আৰু কলা-কৌশল, বংগৰ সংস্কাৰ আন্দোলনৰ আদৰ্শ আৰু ভাৰতীয় পৰম্পৰাৰ কালিদাসৰ নাটকৰ প্ৰভাৱ *ৰাম-নৱমী* নাটকত স্পষ্ট। নৱমী নামৰ ব্ৰাহ্মণ বাল-বিধবা গাভৰু এগৰাকীৰ লগত ৰামচন্দ্ৰ নামৰ ডেকা এজনৰ গোপন প্ৰণয়ক বিষয়বস্তু হিচাপে লৈ *'ৰাম-নৱমী নাটক'ৰ* কাহিনীভাগ গঢ় লৈ উঠিছে. এফালে বিধবাৰ ক্ষেত্ৰত আৰোপিত সমাজৰ কঠোৰ নীতি-নিয়মৰ শৃংখলত জৰ্জৰিত নৱমী আৰু আনফালে ৰামচন্দ্ৰৰ সমাজৰ প্ৰতি ভয়; শিক্ষিত হৈওঁ সৎ সাহসৰ অভাৱত শেষত নৱমীৰ দৰে ৰামচন্দ্ৰইও আত্মহত্যাৰ পথ অনুসৰণ কৰিছে। এনেদৰে শ্বেইক্সপীয়েৰৰ ট্ৰেজেডিৰ আদৰ্শতে গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী নাটক*খনত ভাৰতীয় আদৰ্শৰ পৰিপন্থী শোকাৱহ বা বিয়োগান্তক পৰিণতি প্ৰদৰ্শন কৰা হৈছে। তদুপৰি শ্বেইক্সপীয়েৰীয় নাটকৰ দৰেই এইখন নাটকতো পাঁচটা অংক আৰু প্ৰতিটো অংকতে পাঁচোটাকৈ দৃশ্য সংযোজিত হৈছে। উপকাহিনীৰ সংযোগ, কাষৰীয়া উক্তিৰ প্ৰয়োগ, স্বগতোক্তি, লঘু-হাস্যোদ্দীপক দৃশ্যৰ অৱতাৰণা, ঘটনাৰ পূৰ্বাভাস দাঙি ধৰা সংলাপৰ ব্যৱহাৰ ইত্যাদি নাটকীয় কলা-কৌশল প্ৰয়োগৰ ক্ষেত্ৰত পাশ্চাত্য ট্ৰেজেডিৰ লক্ষণসমূহ *ৰাম-নৱমী* নাটকতো বহু পৰিমাণে পৰিস্ফুট হৈছে। বিশেষকৈ শ্বেইক্সপীয়েৰৰ *ৰোমিঅ' এণ্ড জুলিয়েট* নাটকৰ বহুখিনি সংলাপ আৰু কাৰ্য *ৰাম-নৱমী নাটকত* সংযোজিত হৈছে। আনকি শ্বেইক্সপীয়েৰৰ নাটকৰ আৰ্হিত লগুৱা মংগল আৰু লিগিৰী সোণফুলীৰ সম্পৰ্কক কেন্দ্ৰ কৰি এটা উপকাহিনীও সংযোগ কৰা হৈছে।

গুণাভিৰাম বৰুৱাৰ পিছতে আধুনিক অসমীয়া সাহিত্যৰ দ্বিতীয় গৰাকী নাট্যকাৰ হেমচন্দ্ৰ বৰুৱাই ১৮৬১ চনত *কানীয়াৰ কীৰ্তন* নামৰ নাটক ৰচনা কৰে। কানি বৰবিহৰ অপকাৰিতা সম্পৰ্কে জনসাধাৰণক সজাগ কৰি তাৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰাৰ লগতে সমাজৰ অভিজাত শ্ৰেণীৰ লোকৰ ভেম-ভণ্ডামী আদি উদঙাই দিয়াৰ উদ্দেশ্যে নাটকখন ৰচিত। কানিৰ গৰাহত

পৰি মৌজাদাৰ ভদ্রেশ্বৰ বৰুৱাৰ পুতেক কীর্তিকান্তই সর্বস্ব হেৰুৱাই তিল তিলকৈ মৃত্যুক সাৱতি লোৱা পৰিস্থিতি নাটকখনত ৰূপায়িত হৈছে। নাটকীয় কাহিনী চাৰিটা অংক আৰু চৈধ্যটা দৃশ্যত উপস্থাপন কৰা হৈছে হাস্য-ব্যঙ্গাত্মক ৰীতিৰ সহায়ত। গ্রীক জাতিৰ ৰাজনৈতিক আৰু নৈতিক অধঃপতনৰ ছবি Middle Comedy আৰু New Comedy-ত প্রদর্শিত হোৱাৰ দৰে; ইংলণ্ডত Restoration Comedy নামৰ লঘু নাটক সৃষ্টি হোৱাৰ দৰে; *কানীয়াৰ কীর্তন*তো ঊনবিংশ শতিকাৰ অসমীয়া সমাজৰ নৈতিক অধঃপতনৰ ছবিখন ফুটি উঠিছে।

ৰাম-নৱমী নাটক আৰু *কানীয়াৰ কীর্তনৰ* পিছৰ আন এখন উল্লেখযোগ্য আধুনিক নাটক হ'ল ৰুদ্রৰাম বৰদলৈৰ *বঙাল-বঙালনী*। ১৮৭১ চনত প্রকাশিত এইখনো এখন সামাজিক প্রহসন। আঠটা অংকত বিভক্ত নাটকীয় কাহিনীত অসমলৈ জীৱিকা বিচাৰি অহা বঙালী, হিন্দুস্থানী, মাৰোৱাৰী আদি বেপাৰীৰ ব্যভিচাৰ আৰু ব্যভিচাৰিণী অসমীয়া নাৰীৰ চাৰিত্রিক দোষ-ত্রুটি চিত্রিত কৰা হৈছে।

ঊনবিংশ শতিকাৰ শেষৰফালে অসমীয়া নাট্যকাৰসকল পৌৰাণিক কাহিনীৰ প্রতি আকর্ষিত হয়। পাশ্চাত্যৰ আধুনিক নাটকৰ গঠন-ৰীতি বা কলা-কৌশলৰে পৌৰাণিক কাহিনী একোটাক তেওঁলোকে নাট্যৰূপ দিয়ে। ৰমাকান্ত চৌধুৰীৰ *সীতাহৰণ* আধুনিক অসমীয়া পৌৰাণিক নাটকৰ প্রথম সৃষ্টি বুলি ধৰা হয়। ইয়াৰ পিছত ভাৰত চন্দ্র দাসৰ *অভিমন্যু বধ,* কনকলাল বৰুৱা, গোপালকৃষ্ণ দে আৰু ৰজনীকান্ত বৰদলৈৰ যুটীয়া ৰচনা *সাৱিত্রী-সত্যবান,* পূর্ণকান্ত শর্মাৰ *হৰিশ্চন্দ্র উপাখ্যান* আৰু *হৰধনু-ভংগ,* দুর্গানাথ চাংকাকতিৰ *চন্দ্রহংস,* ৰত্নেশ্বৰ মহন্তৰ *হৰিশ্চন্দ্র* আৰু *দ্রৌপদীৰ বেণীবন্ধন* আদি নাটক ৰচিত হয়। এই প্রতিখন নাটকৰে গঠন কৌশল আৰু ৰচনা-ৰীতি পাশ্চাত্যৰ ৰোমাণ্টিক নাটকৰ পৰা আহৰণ কৰা।

ঊনবিংশ শতিকাৰ দ্বিতীয়ার্দ্ধৰ পৰা কুৰি শতিকাৰ কেইবাটাও দশকলৈ শ্বেইক্সপীয়েৰীয় নাট্যৰীতিয়ে অসমীয়া নাটকৰ গতিবিধি নিয়ন্ত্রণ কৰি আহিছে বুলিব পাৰি। পৌৰাণিক নাটক সৃষ্টিৰ এনে ধামখুমীয়াৰ মাজতে ১৮৮৮ চনত কলিকতা প্রবাসী অসমীয়া ডেকা ৰমাকান্ত বৰকাকতি, ঘনশ্যাম বৰুৱা, গুঞ্জানন বৰুৱা আৰু ৰত্নধৰ বৰুৱাই শ্বেইক্সপীয়েৰৰ *Comedy of Errors*-ৰ *ভ্রমৰংগ* নাম দি অসমীয়া ভাঙনি কৰে। *ভ্রমৰংগই* অসমীয়া নাট্য-সাহিত্যত অনূদিত নাট্যধাৰাৰ সূচনা কৰে। ১৮৮৯ চনত প্রকাশিত *জোনাকী* আলোচনীয়ে পাশ্চাত্য সাহিত্যৰ লগত আধুনিক অসমীয়া সাহিত্যৰ প্রত্যক্ষ সংযোগ স্থাপন কৰে আৰু পাশ্চাত্য সাহিত্যৰ ভাৱ-চিন্তা-আদর্শও অসমীয়া সাহিত্যলৈ স্বচ্ছন্দ ৰূপত প্রৱাহিত হয়। এনে প্রভাৱতে ১৮৯৪ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ *লিতিকাই* নাটকত প্রকাশ পায়। সেইদৰে ১৮৯৭ চনত প্রকাশ পায় পদ্মনাথ গোহাঞিবৰুৱাৰ *গাওবুঢ়া*। ইতিমধ্যেই ঊনবিংশ শতিকাৰ শেষ দশকৰ পৰা অসমৰ বিভিন্ন অঞ্চলত পাশ্চাত্য আর্হিত অস্থায়ী আৰু স্থায়ী ৰূপত ৰঙ্গমঞ্চ স্থাপন হ'বলৈ ধৰে আৰু এনে মঞ্চবোৰত নতুন নতুন নাটক সৃষ্টি আৰু অভিনীত হৈ আধুনিক অসমীয়া নাটকৰ কলেবৰ বৃদ্ধি পাবলৈ ধৰে। লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, দুর্গাপ্রসাদ মজিন্দাৰ বৰুৱা, বেণুধৰ ৰাজখোৱা, দৈৱচন্দ্র তালুকদাৰ, প্রসন্নলাল চৌধুৰী, চন্দ্রধৰ বৰুৱা, মিত্রদেৱ মহন্ত আদি নাট্যকাৰে পাশ্চাত্যৰ ফার্চ বা প্রহসনৰ আর্হিত ভালেকেইখন লঘু-ধেমেলীয়া নাটক ৰচনা কৰে। সেইদৰে গুণাভিৰাম বৰুৱাৰ

পিছত বেণুধৰ ৰাজখোৱা, জ্যোতিপ্রসাদ আগৰৱালা, লক্ষ্মীধৰ শর্মা, অতুল চন্দ্র হাজৰিকা, বিষ্ণু গোস্বামী, হৰিচন্দ্র ভট্টাচার্য্য, সত্যপ্রসাদ বৰুৱা, দৈৱচন্দ্র তালুকদাৰ আদিৰ হাতত সৃষ্টি হোৱা গহীন সামাজিক নাটকসমূহৰো আদর্শ আছিল পাশ্চাত্য নাটক। একেদৰে ৰমাকান্ত চৌধুৰীৰ পিছত দেৱৰাম বৰদলৈ, বেণুধৰ ৰাজখোৱা, দুর্গাপ্রসাদ মজিন্দাৰ বৰুৱা, চন্দ্রধৰ বৰুৱা, দুর্গেশ্বৰ শর্মা, বলৰাম পাঠ, অম্বিকাগিৰী ৰায়চৌধুৰী, দণ্ডিৰাম কলিতা, পদ্মনাথ গোহাঞিবৰুৱা, অতুলচন্দ্র হাজৰিকা, জ্যোতিপ্রসাদ আগৰৱালা, ইন্দ্রেশ্বৰ বৰঠাকুৰ আদি নাট্যকাৰে পাশ্চাত্য নাটকৰ কলা-কৌশলত পৌৰাণিক কাহিনীৰ নাটক ৰচনা কৰে।

পাশ্চাত্য আদর্শত গঢ় লৈ উঠা আধুনিক অসমীয়া নাটকৰ আন এটা ধাৰা হ'ল— ঐতিহাসিক নাটকৰ ধাৰা। ঐতিহাসিক নাটক ৰচনাৰ মূল প্রেৰণা হ'ল স্বদেশ প্রেম আৰু অতীতৰ প্রতি শ্রদ্ধাশীল মনোভাৱ। বিশ্ববিখ্যাত নাট্যকাৰ শ্বেইক্সপীয়েৰে তেওঁৰ ঐতিহাসিক নাটকসমূহৰ যোগেদি কিংবদন্তীক পুনৰুদ্ধাৰ কৰি অতীতক জীপাল কৰাৰ চেষ্টা কৰিছিল। সেই নাটকবোৰে ইংৰাজসকলৰ মনত ঐতিহ্য চেতনা জাগ্রত কৰাৰ উপৰিও জাতিসত্তাৰ ধাৰণাও জন্ম দিছিল। ন্যায় আৰু সন্মানৰ প্রতীক স্বৰূপ ৰজা বা শাসক আৰু প্রজা বা শাসিতৰ মাজত পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতা ভাবৰ প্রয়োজনীয়তা শ্বেইক্সপীয়েৰে তেওঁৰ ঐতিহাসিক নাটকসমূহত দাঙি ধৰিছে। শাসক আৰু শাসিতৰ মাজত সৃষ্টি হোৱা ব্যৱধান আৰু তাৰ ফলত প্রজাসাধাৰণৰ মনত সৃষ্টি হোৱা বিদ্রোহী মনোভাৱৰ প্রেক্ষাপটতে বৃটিছ শাসনৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা আন্দোলনৰ পূর্বছোৱা সময়ত অসমীয়া ঐতিহাসিক নাটকসমূহো সৃষ্টি হৈছিল।

কুৰি শতিকাৰ প্রথম দশকত পদ্মনাথ গোহাঞি বৰুৱাৰ *জয়মতী*কেই প্রথম অসমীয়া ঐতিহাসিক নাটক বুলি ধৰা হয়। পিছলৈ *গদাধৰ, সাধনী, লাচিত বৰফুকন* আদি নাটক ৰচনাৰে তেওঁ এই ধাৰাতো আগবঢ়াই নিয়ে। তেওঁৰ পিছত লক্ষ্মীনাথ বেজবৰুৱা, ৰাধানাথ সন্দিকৈ, চন্দ্রধৰ বৰুৱা, নকুল চন্দ্র ভূঞা, পজিৰুদ্দিন আহমেদ, প্রসন্নলাল চৌধুৰী, অতুল চন্দ্র হাজৰিকা, দৈৱচন্দ্র তালুকদাৰ, দণ্ডিনাথ কলিতা আদি নাট্যকাৰে কুৰি শতিকাৰ চতুর্থ দশক পর্যন্ত অসমীয়া ঐতিহাসিক নাটকৰ ধাৰাটোক পূর্ণ-প্রতিষ্ঠা দান কৰে। এই আটাইবোৰ নাটকৰে নাট্যৰীতি আছিল পাশ্চাত্য নাটকৰ আর্হিৰ। লক্ষ্মীনাথ বেজবৰুৱাৰ নাটকসমূহলৈ চকু ফুৰালেই দেখা যায় যে বিশেষকৈ *চক্রধ্বজ সিংহ* নাটকত শ্বেইক্সপীয়েৰৰ *চতুর্থ হেনৰী* নাটকৰ ফলষ্টাফ আৰু তাৰ লগৰীয়াকেইটাৰ চৰিত্রক গজপুৰীয়া, গজপুৰীয়ানী, টকৌ, টোকোৰা, জপৰা আদি নাম দি সংযোগ কৰিছে। এনে প্রভাৱ *জয়মতী*আৰু *বেলিমাৰ*নাটকতো পৰিলক্ষিত হয়। ঠিক সেইদৰে বেণুধৰ ৰাজখোৱাৰ *সেউতী-কিৰণ* নাটকত শ্বেইক্সপীয়েৰৰ *হেমলেট* আৰু *অথেলো* নাটকৰ কাহিনীৰ প্রবাৱ স্পষ্ট ৰূপত ফুটি উঠিছে। নকুলচন্দ্র ভূঞা, আনন্দচন্দ্র বৰুৱা আদি নাট্যকাৰসকলে শ্বেইক্সপীয়েৰৰ নাটকৰ চৰিত্র, পৰিস্থিতি, কাব্যিক সংলাপ, স্বগতোক্তি, উপকাহিনী, সংঘাত, নাটকীয় শ্লেষ, প্রতিশোধমূলক ট্রেজেডিৰ ধাৰণা আদি গ্রহণ কৰি নিজ নিজ নাটকত তাৰ প্রয়োগ কৰিছে। থোৰতে ক'বলৈ হ'লে পশ্চিমীয়া নাট্যৰীতিয়ে আধুনিক অসমীয়া নাটকত আৰম্ভণি কালৰে পৰা ১৯৪০ চনলৈ যি প্রভাৱ বিস্তাৰ কৰি আহিছে তাৰ ভিতৰত শ্বেইক্সপীয়েৰৰ নাটকৰ প্রভাৱেই সর্বাধিক।

১৮৫৭ চনৰ পৰা ১৯৪০ চনৰ মাজৰ কালছোৱাত অনেক ইংৰাজী নাটকৰ অসমীয়া ভাঙনি বা ৰূপান্তৰ দেখা যায়। তাৰ ভিতৰত শ্বেইক্সপীয়েৰৰ *এজ ইউ লাইক ইটৰ* আৰ্হিত ৰচিত দুৰ্গেশ্বৰ শৰ্মাৰ *চন্দ্রাৱলী, মেকবেথৰ* ভাৱানুবাদ দেৱানন্দ ভৱালীৰ *ভীমদর্প, ৰোমিঅ* এণ্ড জুলিয়েটৰ আৰ্হিত ৰচিত পদ্মধৰ চলিহাৰ *অমৰ লীলা, ওথেলোৰ* ৰূপান্তৰ শৈলধৰ ৰাজখোৱাৰ *ৰণজিৎ সিংহ,* নবীন চন্দ্র বৰদলৈৰ *ৰচিত টেমিং দ্য শ্রু*ৰ ভাঙনি *দন্দুৰী দমন* আৰু *কিংলিয়েৰৰ* ভাঙনি *বিপদ কাহিনী,* ৰোধনাথ পটংগীয়াৰ দ্বাৰা ৰচিত *হেমলটৰ* ৰূপান্তৰ *চন্দ্রধৰ, মার্চেণ্ট অৱ ভেনিছৰ* অভিযোজনা অতুলচন্দ্র হাজৰিকাৰ *বনিজ কোঁৱৰ* আৰু *কিংলিয়েৰৰ* অভিযোজনা *অশ্রুতীর্থ* আদি উল্লেখযোগ্য। তদুপৰি ৰোমান নাট্যকাৰ ছেনেকাৰ *ৰিভেঞ্জ ট্রেজেডিৰ* প্রভাৱপুষ্ট প্রসন্নলাল চৌধুৰীৰ *নীলাম্বৰ,* দৈৱচন্দ্র তালুকদাৰৰ *ৰামুণী কোঁৱৰ,* কমলানন্দ ভট্টাচার্য্যৰ *নগা কোঁৱৰ* আদি নাটকৰো নাম ল'ব পাৰি। সেইদৰে বেলজিয়াম নাট্যকাৰ মৰিছ মেটাৰলিংকৰ *মোনা-ভান্না* নাটকৰ প্রভাৱ জ্যোতিপ্রসাদ আগৰৱালাৰ *ৰূপালীম* নাটকত আৰু ইবচেনৰ বাস্তৱবাদী নাটকৰ আদর্শ পার্বতীপ্রসাদ বৰুৱাৰ *সোণৰ সোলেং* নাটকত দেখিবলৈ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শ্বেইক্সপীয়েৰৰ নাটকৰ প্রত্যক্ষ প্রভাৱপুষ্ট অসমীয়া আধুনিক নাটক সম্পর্কে এটি টোকা প্রস্তুত কৰক।

(১৫০টা শব্দৰ ভিতৰত)

.....



জানি থোৱা ভাল

ইস্কিলাচৰ পার্চি (Persians) নামৰ নাটকখনেই পাশ্চাত্য সাহিত্যত প্রথমখন ঐতিহাসিক নাটক বুলি ধাৰণা কৰা হয়। অসমীয়া সাহিত্যত প্রথমখন ঐতিহাসিক নাটক ৰূপে পদ্মনাথ গোহাঞিবৰুৱাৰ *জয়মতী নাটকখনক* ধৰা হয়।

৬.৪ ১৯৪০ চনৰ পৰৱর্তী আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ

ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা পাশ্চাত্যৰ নাট্য সাহিত্যত আধুনিক বাস্তৱধর্মী নাটকৰ সূচনা হয়। হেনৰিক ইবচেনে এই ধাৰাৰ সূচনা কৰে। *Pillars of Society, A Dolls House, Ghost, An Enemy of the People* আদৰি দৰে বাস্তৱধর্মী নাটক ৰচনা কৰি ইবচেনে সমগ্র বিশ্বৰ দৃষ্টি আকর্ষণ কৰিছিল। *Pillars of Society* আৰু *An Enemy of the People* নাটকৰ বিষয়বস্তু হ'ল পৌৰসভাৰ কর্মকর্তাসকলৰ দুর্নীতি আৰু ভণ্ডামি। মধ্যবিত্ত সমাজৰ ব্যক্তি আৰু অনুষ্ঠানৰ দুর্নীতি, নৈতিক স্খলন, প্রৱঞ্চনা আদি নাটক দুখনত অতি স্পষ্ট ৰূপত উদঙাই

দেখুৱাইছে। A Dolls House-ত বৈবাহিক সম্পর্কৰ সত্য আৰু মিথ্যাচাৰ তথা পুৰুষপ্রধান সমাজত নাৰী যুগে যুগে কিদৰে শোষিতা, বঞ্চিতা আৰু অপমানিতা হৈ আহিছে সেই নিষ্ঠুৰ সত্যৰ নাট্যৰূপ দিছে। সেইদৰে *Ghost* নাটকত যৌন ব্যাধিক পা�ৰিবাৰিক জীৱনৰ দুর্নীতি আৰু ভ্রষ্টাচাৰৰ চিত্র হিচাপে ব্যৱহাৰ কৰি মধ্যবিত্ত সমাজৰ ভণ্ডামি আৰু প্রৱঞ্চনা উদঙাই দিবলৈ যত্ন কৰা হৈছে। নাটকখনত সমসাময়িক বুর্জোৱা সমাজৰ অসাধু মানসিকতাৰ বিভিন্ন প্রকাশৰ মাজেদি দেখুওৱা হৈছে যে তথাকথিত আধুনিক আৰু বিজ্ঞানভিত্তিক সমাজৰ প্রকৃত সত্য বুলিবলৈ একোৱেই নাই।

ইবচেনৰ নাটকৰ নতুন বিষয়বস্তু আৰু শৈলীয়ে অতি কম দিনৰ ভিতৰতে ইউৰোপ, আমেৰিকা তথা বিশ্বৰ অন্যান্য প্রান্তলৈয়ো প্রৱাহিত হৈ আধুনিক সামাজিক, বাস্তৱধর্মী, সমস্যামূলক তথা চিন্তাশীল নাটকৰ সোঁত বোৱাই দিলে। বার্ণার্ড শ্ব, ষ্ট্রীণ্ডবার্গ, হপ্‌মেন, চেখভ, আর্থাৰ মিলাৰ আদি বৰেণ্য নাট্যকাৰসকলে নিজস্ব শৈলীৰ লগতে ইবচেনৰ আদর্শ অনুপ্রেৰণাও গ্রহণ কৰিছিল। গলচ্‌র্থি, হপ্‌মেন আদি নাট্যকাৰে ইবচেনৰ বাস্তৱবাদৰ লগত এমিলি জ'লাৰ প্রকৃতিবাদৰ সংযোগ ঘটাই নাটকত নতুনত্ব অনাৰ চেষ্টা কৰিছিল। আমেৰিকান নাট্যকাৰ ইউজীন অ' নীলৰ হাতত প্রকৃত আধুনিক নাটকৰ জন্ম হয়। বাস্তৱবাদ আৰু অভিব্যক্তিবাদৰ সুন্দৰ প্রয়োগ অ' নীলৰ নাটকত দেখা যায়। অ' নীলৰ নিচিনাকৈ টেনিছি উইলিয়ামছে নাটকৰ যোগেদি সমাজত দেখা পোৱা নতুন আৰু পুৰণি, পুৰুষ আৰু স্ত্রী, কামাসক্ত প্রেম আৰু সম্পর্কৰ টান, কল্পনা আৰু বাস্তৱ— এইবোৰৰ মাজৰ বিৰোধ আৰু তাৰ বেদনাদায়ক পৰিণতি অতি সংবেদনশীলভাৱে নাট্যৰূপ দিয়ে।

নির্ভেজাল বাস্তৱধর্মিতা, জনমুখিতা, পৰিৱর্তনশীলতা আদি গুণৰ সমাৱেশ ঘটাই জার্মান নাট্যকাৰ বার্টেল্ড ব্রেখ্‌টে আধুনিক নাটকক সুকীয়া আয়তন প্রদান কৰিছিল। মার্ক্সবাদত বিশ্বাসী ব্রেখ্‌টে বৈজ্ঞানিক সমাজবাদৰ ভেটিত নাটকৰ বিষয়বস্তুৰ বৈপ্লৱিক পৰিৱর্তন ঘটায়। তেওঁ Alienation Distancing তত্ত্বৰ কৌশল প্রয়োগ কৰি দর্শকে যাতে নাটকৰ চৰিত্রৰ সৈতে একাত্মবোদ অনুভৱৰ সলনি চিন্তাশীলহে হয় তাৰ চেষ্টা কৰিছিল। সেয়ে তেওঁ প্রাচীন, মধ্যযুগীয় আৰু আধুনিক নাটকৰ উপৰিও বিভিন্ন দেশৰ লোকনাট্যৰ কৌশল নাটকত প্রয়োগ কৰিছিল। ব্রেখ্‌টীয় থিয়েটাৰে অতি কম সময়ৰ ভিতৰতে আন্তর্জাতিক খ্যাতি লাভ কৰিছিল।



জানি থোৱা ভাল

শ্বেইক্সপীয়েৰৰ পৰা হেনৰিক ইবচেনৰ সময়লৈকে প্রায় দুটা শতিকাৰ সুদীর্ঘ কালৰ ভিতৰত ইংলেণ্ড, ফ্রান্স, জার্মানী আদি দেশত অনেক নাট্যকাৰ ওলাইছিল যদিও এগৰাকীৰ নাটকতো বিশ্বজনীন আবেদন প্রকাশিত হোৱা নাছিল। ফৰাচী নাট্যকাৰ য়ুজীন স্ত্রাইব এই সময়ৰ নাট্যকাৰ, যি চাৰি দশকৰো অধিক নাটক ৰচনা কৰি জনপ্রিয় হৈছিল। কিন্তু কেৱল ব্যৱসায়িক বিবেচনাৰে নাটক ৰচনা কৰা বাবে তেওঁৰ নাটকবোৰত কোনো ধৰণৰ গভীৰ মানৱীয় আবেদন নাছিল। যাৰ ফলত তেওঁৰ প্রায়ভাগ নাটকেই কেতিয়াবাই পাহৰণিৰ গর্ভত হেৰাল।

দ্বিতীয় মহাযুদ্ধৰ পাছৰ পাশ্চাত্যৰ একাংশ নাট্যকাৰে নাটকৰ যোগেদি আধুনিক জীৱন সম্পর্কে এক প্রকাৰ নতুন দৃষ্টিভংগী প্রকাশ কৰিছিল। বাস্তৱবাদ বা অভিব্যক্তিবাদৰ পৰাও পৃথক এই নতুন নাট্যৰূপক 'এৱছার্ড নাটক' ৰূপে জনা যায়। এইবিধ নাটকৰ যোগেদি আধুনিক মানুহৰ জীৱনৰ অর্থহীনতা আৰু উদ্দেশ্যহীনতা প্রকাশ কৰিবলৈ নাট্যকাৰসকলে কিছুমান বিশেষ অৱস্থা আৰু নাট্যশৈলী ব্যৱহাৰ কৰিছে। ছেমুৱেল বেকেট, ইউজিন আয়নেস্ক, আর্থাৰ আদামচ্, জ্যা জেনেট, এডৱার্ড অলাধ আদি আছিল এই ধাৰাৰ নাট্যকাৰ। এইবিধ নাটকত সচৰাচৰ অর্থত কাহিনী, চৰিত্র, সংলাপ আদি নাথাকে। তাৰ পৰিৱর্তে চিত্রকল্প বা ৰূপকৰ মাধ্যমত আধুনিক মানুহৰ অৱস্থা প্রকাশ কৰা হয়।

১৮৫৭ চনত সামাজিক গহীন নাটকেৰে আৰম্ভ হৈ ধেমেলীয়াৰ পৰা পৌৰাণিকলৈ, পৌৰাণিকৰ পৰা ঐতিহাসিক নাটকলৈ আৰু ঐতিহাসিকৰ পৰা বাস্তৱধর্মী নাটকলৈ যি উত্তৰণ তাতেই আধুনিক অসমীয়া নাটকৰ অগ্রগতি অনুভূত হয়। এই অগ্রগতি অলৌকিক বা অতিলৌকিকতাৰ পৰা বাস্তৱতালৈ, অতীতৰ পৰা বর্তমানলৈ আৰু বহির্মুখিতাৰ পৰা অন্তর্মুখিতালৈ। ৰাজনৈতিক স্বাধীনতা লাভৰ পূর্বৰ আশা আৰু পিছৰ হতাশা; ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক দিশত জনসাধাৰণৰ মনত উদ্ভৱ হোৱা চিন্তা আৰু দ্বন্দ আদি অৱস্থাক নাটকত ৰূপায়িত কৰিবলৈ সেই সময়ৰ নাট্যকাৰসকলে ইব্চেন, বার্ণার্ড শ্ব, গলছৱর্থি আদি বিশ্ববিশ্রুত নাট্যকাৰৰ বাস্তৱধর্মী নাট্যশৈলী গ্রহণ কৰে। পাশ্চাত্যৰ বাস্তৱধর্মী নাটকৰ আদর্শ গ্রহণ কৰি অসমীয়া নাটক ৰচনাৰ ক্ষেত্রত জ্যোতিপ্রসাদ আগৰৱালা আছিল বাটকটীয়া। জ্যোতিপ্রসাদৰ *কাৰেঙৰ লিগিৰী, লভিতা* আদি নাটকত এনে শৈলী স্পষ্ট। ১৯৪০ৰ পৰা সত্তৰৰ দশক পর্যন্ত অনেক নাট্যকাৰে বহুসংখ্যক বাস্তৱধর্মী অসমীয়া নাটক ৰচনা কৰে। জ্যোতিপ্রসাদৰ উপৰিও প্রবীণ ফুকনৰ *শতিকাৰ বান, চতুৰংগ* আৰু *বিশ্বৰূপা;* সাৰদাকান্ত বৰদলৈৰ *উপহাৰ, মগৰীৱৰ আজান, পহিলা তাৰিখ* আৰু *সেই বাটেদি;* অমৰেন্দ্র পাঠকৰ *ইণ্টাৰভিউ* আৰু *প্রতিকাৰ;* ফণী শর্মাৰ *কিয়, নাগপাশ* আৰু *চিৰাজ;* লক্ষ্যধৰ চৌধুৰীৰ *নিমিলা অংক;* অৰুণ শর্মাৰ *পুৰুষ, নিবাৰণ ভট্টাচার্য্য, আহাৰ, বুৰঞ্জীৰ পাঠ, চিঞৰ,* সত্যপ্রসাদ বৰুৱাৰ *শিখা, মৃণাল মাহী, নায়িকা-নাট্যকাৰ;* দৈৱচন্দ্র তালুকদাৰৰ *বিপ্লৱ, ৰেণু, লহঙা* আদি এই ধাৰাৰ নাটক।

জ্যোতিপ্রসাদ আগৰৱালাৰ অংশগ্রহণ অসমীয়া আধুনিক নাটকক অনন্য মাত্রা দান কৰে। ইতিমধ্যেই প্রচলিত হৈ থকা শ্বেইক্সপীয়েৰীয় ৰোমাণ্টিকতাৰ আদর্শৰ লগত জ্যোতিপ্রসাদ ইবচেন, গলছৱর্থি, বার্ণার্ড শ্ব আদি নাট্যকাৰৰ বাস্তৱবাদী ধাৰণাক সংযোগ ঘটাই অসমীয়া নাটকক নতুন ৰূপত সজাই তোলে। তদুপৰি ফ্রয়ডৰ মনস্তাত্ত্বিক ধাৰণাক নাট্যবস্তুত প্রয়োগ কৰি তেওঁ নাটকীয় চৰিত্রৰ মানসিক স্থিতি বিশ্লেষণৰ লগতে যুক্তিসন্মত আৰু গ্রহণযোগ্যও কৰি তোলে। ৰংগমঞ্চৰ আধুনিকীকৰণ, অভিনয়োপযোগী নাট্য-নির্দেশনা সংযোজিত নাটক ৰচনা আদিৰ ক্ষেত্রতো জ্যোতিপ্রসাদ আছিল আদর্শ স্বৰূপ। পূর্বৰ অসমীয়া আধুনিক নাটকবোৰ কেৱল অধ্যয়নৰ বাবেহে ৰচিত হৈছিল। আধুনিক মঞ্চত সেইবোৰ অভিনয় কৰাৰ ক্ষেত্রত যথেষ্ট অসুবিধা হৈছিল। জ্যোতিপ্রসাদে সেই অসুবিধা নাইকীয়া কৰে।

যাঠি আৰু সত্তৰৰ দশকৰ পৰা পাশ্চাত্য নাটকৰ আৰ্হিত সাম্যবাদী আদর্শ, এবছার্ড ৰীতি আদিৰ প্রয়োগ অসমীয়া আধুনিক নাটকতো দেখিবলৈ পোৱা যায়। হেমাংগ বিশ্বাস, ফণী শর্মা, লক্ষ্যধৰ চৌধুৰী আদিয়ে সাম্যবাদী আদর্শত নাটক ৰচনা কৰে। আনহাতে অৰুণ শর্মাই *আহাৰ* নাটকৰ যোগেদি এবছার্ড নাটকৰ ধাৰাটো আৰম্ভ কৰে। পৰৱর্তী কালত ৰচনা কৰা বসন্ত শইকীয়াৰ *মৃগতৃষ্ণা, মানুহ* আৰু *অসুৰ* উল্লেখযোগ্য এবছার্ড নাটক।

এনেদৰেই ১৮৫৭ চনত গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী নাটকৰ* যোগেদি প্রৱেশ কৰা পাশ্চাত্য নাটকৰ ৰীতি আৰু গঠন কৌশলে অসমীয়া আধুনিক নাটকক নতুন ৰূপ, গতি আৰু সমৃদ্ধি দান কৰি আহিছে। সময় আৰু পৰিস্থিতিগত কাৰণত পাশ্চাত্য নাটকত যিবোৰ পৰিৱর্তন সাধিত হৈছে সকলোবোৰেই অসমীয়া নাটকতো প্রতিফলিত হৈছে। ৰোমাণ্টিক, বাস্তৱবাদী, মনস্তাত্ত্বিক, উদ্ভট পাশ্চাত্য নাটকৰ কোনো এটা নাট্যৰীতি বা আদর্শই অসমীয়া আধুনিক নাটকত উপেক্ষিত হোৱা নাই।



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া আধুনিক নাটকৰ পটভূমি সম্পর্কে সম্যক ধাৰণা লাভ কৰিলো
- পাশ্চাত্যৰ ৰোমাণ্টিক নাটক, বিশেষকৈ শ্বেইক্সপীয়েৰ নাটক সম্পর্কে এটা ধাৰণা লাভ কৰিলো
- অসমীয়া আধুনিক নাটকত পাশ্চাত্য নাটকৰ বিভিন্ন প্রভাৱ কিদৰে পৰিছে, সেই বিষয়ে সবিশেষ জানিব পাৰিলো
- পাশ্চাত্য নাটকৰ আৰ্হিত সৃষ্টি হোৱা বিভিন্ন ধাৰাৰ অসমীয়া আধুনিক নাটক সম্পর্কে আৰু নাট্যকাৰসকলৰ নামো জানিব পাৰিলো
- ১৯৪০ চনৰ পিছৰ পাশ্চাত্য নাটকৰ ধাৰা আৰু পৰৱর্তী অসমীয়া নাটকত তাৰ প্রভাৱ সম্পর্কেও আভাস পালো



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, মৃণাল কুমাৰ (সম্পাঃ) (২০০০); *নাটক;* ডিগবৈ ঃ গৰীয়সী সংঘ।
২) চেতিয়া, যোগেন (১৯৯৩); *আধুনিক নাট্যকলা;* যোৰহাট।
৩) ডেকা, পবিত্র (২০০৬); *নাট্য সাহিত্যত এভুমুকি;* নলবাৰী ঃ অসম নাট্য সন্মিলন।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) ভৱালী, শৈলেন (১৯৯০); *নাটক আৰু অসমীয়া নাটক;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৬) ভৱালী, শৈলেন (১৯৯৪); *নাট্যকলা ঃ দেশী আৰু বিদেশী;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৭) ভৱালী, শৈলেন (২০০৮); *অসমীয়া নাটক ঃ স্বৱাজোত্তৰ কাল;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৮) বৰুৱা, সত্যপ্ৰসাদ (১৯৮৭); *আধুনিক নাট্যচিন্তা;* গুৱাহাটী ঃ পদ্মপ্ৰকাশ।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তি;* গুৱাহাটী।

১০) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৩); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী।

৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া নাটকত কিদৰে শ্বেইক্সপীয়েৰত প্ৰভাৱ পৰিছিল সেই বিষয়ে চমুকৈ লিখিব।

৬.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া আধুনিক নাটকৰ পটভূমি সম্পৰ্কে এটি আলোচনা দাঙি ধৰক।

প্ৰশ্ন ২ ঃ শ্বেইক্সপীয়েৰৰ নাটক সম্পৰ্কে এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ ১৮৫৭-ৰ পৰা ১৯৪০ চনলৈ অসমীয়া আধুনিক নাটকত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে আলোচনা কৰি এটি প্ৰৱন্ধ প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ ১৯৪০ চনৰ পিছৰ অসমীয়া আধুনিক নাটকত পৰা পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ৭ ঃ আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৯৪০-২০০০)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৯৪০-২০০০)

৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৫ অধিক জানিবলৈ

৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৭.৭ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ কি দৰে পৰিছে তাৰ বিষয়ে জানিব পাৰিব
- ব্যক্তি তথা সমাজ জীৱনৰ বাস্তৱ সমস্যা চিত্রণত ইব্‌চেনে তেওঁৰ নাটকত যি কৌশল অৱলম্বন কৰিছে, তাৰ প্রভাৱ অসমীয়া নাট্যকাৰ সত্য প্রসাদ বৰুৱাৰ নাটকত কি দৰে পৰিছে তাৰ আলোচনা আগবঢ়াব পাৰিব
- কোন কেইগৰাকী অসমীয়া নাট্যকাৰৰ ৰচনাত অভিব্যক্তিবাদী নাট্যধাৰাৰ প্রভাৱ পৰিছে তাৰ লেখ আগবঢ়াব পাৰিব
- অসমীয়া নাটকত ফ্রয়েদীয় মনস্তত্ত্বৰ প্রভাৱ ক'ত কেনে ভাৱে পৰিছে সেই বিষয়ে জানিব পাৰিব
- ব্রেখ্‌টৰ এপিক থিয়েটাৰৰ দ্বাৰা অসমীয়া নাটক কি দৰে প্রভাৱিত হৈছে তাৰ পৰিচয় লাভ কৰিব
- কোন কেইগৰাকী অসমীয়া নাট্যকাৰৰ নাটকত উদ্ভট বা এব্‌চার্ড নাটকৰ প্রভাৱ পৰিছে সেই বিষয়ে জানিব
- অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য নাটকসমূহে সামগ্রিকভাৱে অসমীয়া নাট্য জগতক কিবা প্রকাৰে সহায় কৰিছে নে নাই তাৰ লেখ পাব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ' শীর্ষক দ্বিতীয় পাঠ্যবিষয়ৰ এইটো সপ্তম তথা শেষ অধ্যায়। ইয়াৰ শিৰোনাম 'অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৯৪০-২০০০)'।

স্বৰাজোত্তৰ কালৰ অসমীয়া নাটকত বিষয়বস্তু, ভাব-চিন্তা, নাট্য-প্রণালী আদি বিভিন্ন দিশত আমূল পৰিৱৰ্তন সাধিত হয়। নাটকৰ স্বৰূপ আৰু বিষয়বস্তু বিশেষকৈ দৰ্শকৰ ৰুচিবোধৰ ওপৰত নিৰ্ভৰ কৰে। স্বাধীনতা সংগ্রাম আৰু দ্বিতীয় মহাযুদ্ধৰ বিভীষিকাই দৰ্শক-পাঠকৰ মনত যথেষ্ট প্রতিক্রিয়াৰ সৃষ্টি কৰে। স্বৰাজোত্তৰ কালত অসমীয়া নাটকৰ চিন্তা-ভাৱনা বিষয়ত প্রধানকৈ গান্ধী, ফ্রয়েদ আৰু মার্ক্সৰ প্রভাৱ পৰিলক্ষিত হয়। মুঠতে, আগৰ বুৰঞ্জীমূলক আৰু পৌৰাণিক নাটকৰ ঠাই ল'লে সামাজিক সমস্যামূলক আৰু মনস্তাত্ত্বিক বিষয়বস্তুপ্রধান নাটকে। এইদৰেই নাটক হৈ পৰিল পৌৰাণিক আৰু ঐতিহাসিকৰ ঠাইত প্রধানকৈ সামাজিক আৰু অন্তর্মুখী। মন কৰিবলগীয়া কথা যে স্বাধীনতাৰ আগৰ সময়ছোৱাত নাট্যকাৰসকলৰ দৃষ্টি নিৱদ্ধ আছিল ব্যক্তিগত তথা সামাজিক দোষ-ত্রুটি, ব্যভিচাৰ ইত্যাদিৰ ওপৰত। মানুহৰ মনঃস্তাত্ত্বিক দিশটো আৰু আপাতঃ দৃষ্টিত চকুত নপৰা দিশবোৰলৈ তেওঁলোকে লক্ষ্য কৰা নাছিল। কিন্তু স্বাধীনতাৰ পৰৱর্তী সময়ছোৱাত নাট্যকাৰসকলৰ দৃষ্টি সামাজিক, ৰাজনৈতিক, মনস্তাত্ত্বিক আদি সকলো দিশলৈ প্রসাৰিত হ'বলৈ ধৰে। অৱশ্যে পৰিৱর্তিত সামাজিক পৰিৱেশেও তাত সহায় কৰিলে। ব্যক্তিৰ নাগৰিক অধিকাৰ বৃদ্ধি পালে। শ্রেণী সংগ্রাম, পুঁজিবাদ আৰু সাম্রাজ্যবাদৰ বিৰোধ, সাম্যবাদৰ প্রসাৰ, প্রজন্মৰ ব্যৱধান, নিবনুৱা সমস্যা, মধ্যবিত্ত শ্রেণীৰ আশা-আকাংক্ষা, অর্থনৈতিক মন্দাৱস্থা, বিচিত্র মনঃস্তাত্ত্বিক অভিব্যক্তিৰ প্রকাশ আদিয়ে নাট্যকাৰসকলৰ দৃষ্টি আকর্ষণ কৰিলে। লগে লগে পাশ্চাত্যৰ বিভিন্ন বাদ (Ism)ৰ প্রভাৱো অসমীয়া নাটকত নপৰাকৈ নাথাকিল। যথার্থবাদ, বাস্তৱবাদ, এৱছার্ড ৰীতি, ব্রেখটীয় ৰীতি আদিৰ প্রভাৱত নাটকৰ ৰূপায়ণ ৰীতি তথা আংগিকতো যথেষ্ট পৰিৱর্তন ঘটিল। পশ্চাৎ অনুধাৱন (Flash-back) পদ্ধতি আৰু প্রতীকৰ প্রয়োগেও নাটকৰ আংগিকৰ পৰিৱর্তন আনিলে। আংগিকৰ নতুন প্রয়োগ, বিষয়বস্তুত জীৱনৰ নতুন দিশৰ উদ্‌ঘাটনৰ প্রচেষ্টা আধুনিক অসমীয়া নাটকত পৰিলক্ষিত হ'ল। এনে দৃষ্টিকোণৰ প্রতি লক্ষ্য ৰাখিয়েই এই আলোচনা আগবঢ়োৱা হ'ব।

৭.৩ আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৯৪০-২০০০)

নাটকত সংলাপ আৰু মঞ্চ নির্দেশনাৰ জৰিয়তে জ্যোতিপ্রসাদ আগৰৱালাই চৈধ্য বছৰ বয়সতে লিখা *শোণিত কুঁৱৰী* নাটকৰ মাধ্যমেৰে নাট্যকাৰ ৰূপে আত্মপ্রকাশ কৰে। ইয়াৰ পূর্বে ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা দ্বিতীয় বিশ্বযুদ্ধৰ সময়লৈকে অসমীয়া নাটকত শ্বেইক্সপীয়ে�ৰৰ প্রভাৱ আছিল অপৰিসীম। জ্যোতিপ্রসাদৰ ওপৰতো এই প্রভাৱ বিদ্যমান আছিল। কিন্তু জ্যোতিপ্রসাদে এই প্রভাৱক ভিত্তিভূমি হিচাপে লৈ আধুনিক ইউৰোপত তীব্র জোকাৰণিৰ সৃষ্টি কৰা ইবচেন, বার্ণার্ড শ্ব' আৰু মেটাৰলিংক আদি নাট্যকাৰৰ বিষয়বস্তু আৰু কলা-কৌশলৰ ওপৰত পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰে। নাটকৰ উপাদান ঘটনা বিন্যাস, চৰিত্র, সংলাপ ইত্যাদি সকলোতে আধুনিক ইউৰোপীয় নাট্যধাৰাৰ প্রভাৱ পৰিলক্ষিত হ'বলৈ ধৰিলে। ইবচেন, শ্ব'ৰ আদর্শ অনুসৰি বহল মঞ্চ নির্দেশনাৰ অৱতাৰণা কৰা হ'ল। জ্যোতিপ্রসাদ আগৰৱালাৰ *লভিতা* বাস্তৱৰ ওচৰ চাপি আহিল। নাটকখনৰ পাতনিত নাট্যকাৰে আগবঢ়োৱা বক্তব্য এই যে *লভিতা* যদিও নাট্যকাৰে

ৱঙ্গমঞ্চৰ কাৰণেই লিখা হৈছে তথাপিও ই গতানুগতিক নাটকৰ শাৰীত নপৰে। ইয়াত সচৰাচৰ যেনেকৈ নাটকত আখ্যান, প্লট, চৰিত্রাংকন থাকে, ঠিক সেইদৰে সেইবোৰ ইয়াত দিয়া হোৱা নাই। আখ্যান আছে যদিও তাক মাত্র নাটকীয় ঘটনাৱলী গাঁথিবলৈ সূত্রৰ দৰেহে লোৱা হৈছে। প্লট ইয়াত দেখুৱাব খোজা নাই। নায়ক-নায়িকা হিচাপে ইয়াত চৰিত্র নাই। ইয়াৰ নায়ক গোটেই অসমীয়া ৰাইজেই। ইবচেন, শ্ব'ৰ দৰে নাটকীয় পৰিৱেশ স্পষ্টতৰ কৰি তুলিবলৈ জ্যোতিপ্রসাদৰ অন্যান্য নাটককেইখনৰ দৰে এইখনতো মঞ্চ নির্দেশনা যথেষ্ট দীঘলীয়াকৈ দিয়া হৈছে। সমালোচকসকলে আলোচনা কৰি দেখুৱাইছে যে জ্যোতিপ্রসাদৰ *ৰূপালীম* নাটকত বেলজিয়ামৰ প্রতীকধর্মী নাট্যকাৰ মেটাৰলিংকৰ *মন্না'ভান্নাৰ* প্রভাৱ কেন্দ্রীয়ভাৱে পৰিছে। স্বাধীনতাৰ পৰৱর্তি সময়ত অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ প্রভাৱ স্তিমিত হ'বলৈ ধৰে। তথাপি চেগা-চোৰোকাকৈ দুই এখন নাটক শ্বেইক্সপীয়েৰৰ প্রভাৱত ৰচিত নোহোৱাকৈ থকা নাছিল। সর্বানন্দ পাঠক ৰচিত *বিপ্লৱী বীৰ* (১৯৪৯) নামৰ নাটকখন শ্বেইক্সপীয়েৰৰ নাটকত প্রকাশ পোৱা প্রতিশোধৰ ভাবনাক মুখ্য হিচাপ লৈ ৰচনা কৰা হৈছিল। শ্বেইক্সপীয়েৰৰ *মেকবেথ* নাটকৰ প্রভাৱ এই নাটকখনৰ ওপৰত সুস্পষ্ট। অজিত সিংহৰ মনত ৰজা লক্ষ্মীসিংহৰ প্রতি প্রতিহিংসা। তেওঁ স্বয়ং নিজেই ৰজা হ'ব খোজে। ৰজাৰ বিপক্ষে তেওঁৰ মনৰ কথাখিনি নাটকখনৰ তৃতীয় দৃশ্যত সুন্দৰকৈ দেখুওৱা হৈছে—

"প্রতিহিংসা ! প্রতিহিংসা !! প্রতিহিংসা !!! সপোনে দিঠকে মই প্রতিহিংসাৰ উলঙ্গ মূর্তি, হত্যাকাণ্ডৰ প্রেতছায়া দেখিব লাগিছো। মই এনে প্রতিশোধ ল'ব খোজোঁ, যি প্রতিশোধে লক্ষ্মীসিংহৰ মৃত্যুভষ্ম পর্যন্ত ইহ জগতৰ পৰা লুপ্ত কৰি দিয়ে। কিন্তু কেনেকৈ ? ৰজাৰ সুপৰিচালক বর্গ আৰু ৰাজভক্ত প্রজাবিলাকৰ ভিতৰত কেনেকৈ কি উপায়েৰে বিষবাষ্প সুমুৱাই দিওঁ ? কি বুদ্ধি সাজোঁ ?..."। স্বগতোক্তিৰ আর্হিৰে বর্ণনা কৰা এই উক্তি আছিল ৰজা লক্ষ্মীসিংহৰ উচ্চাকাংক্ষী সেনাপতি অজিত সিংহৰ। মন কৰিবলগীয়া যে অসমীয়া নাট্যকাৰসকলে প্রধানতঃ শ্বেইক্সপীয়েৰৰ পৰাই স্বগতোক্তিৰ ধাৰণাটো গ্রহণ কৰিছিল। ঠিক তেনেদৰে নাটকখনত অজিত সিংহৰ চৰিত্রটো শ্বেইক্সপীয়েৰৰ *মেকবেথ* নাটকৰ মেকবেথ চৰিত্রৰ সৈতে মিল আছে। অজিত সিংহৰ পত্নীৰ চৰিত্রটো বহুলাংশে লেডি মেকবেথৰ চৰিত্রৰ দৰে বুলি লক্ষ্মী দাস পাঠকে *সর্বানন্দ পাঠকৰ নাটক* শীর্ষক আলোচনাত মন্তব্য প্রকাশ কৰিছে। এই ধাৰাৰে অন্য এখন নাটক আনন্দ চন্দ্র বৰুৱাৰ *কমতা কুঁৱৰী*। নাটকখনৰ প্রকাশৰ সময় ১৯৪০ খ্রীঃ। প্রসন্নলাল *চৌধুৰীৰ নীলাম্বৰ* নাটকৰ বিষয়বস্তুৰ লগত *কমতা কুঁৱৰী* নাটকৰ বিষয়বস্তু একে। অৱশ্যে চৰিত্র চিত্রন, সংলাপ প্রক্ষেপ আৰু অংকৰ বিভাজনত বৈসাদৃশ্য দেখা যায়। শ্বেইক্সপীয়েৰৰ নাটকত থকা প্রতিশোধপৰায়ণতা এই নাটকতো দেখা যায়। মনোহৰৰ প্রতি কুসুম্বৰ আৰু ৰজাৰ প্রতিশোধমূলক দৃষ্টিভংগী নাটকখনত প্রকট হৈ উঠিছে। তাৰোপৰি শ্বেইক্সপীয়েৰৰ নাটকত দেখা পোৱা 'বহুৱা' বা 'Fool' চৰিত্রৰ সমগোত্রীয় চৰিত্র হিচাপে 'হৰিতাল' নামৰ চৰিত্রটি দেখা যায়। মন কৰিবলগীয়া যে প্রসন্নলাল চৌধুৰীৰ *নীলাম্বৰ* নাটকৰ দৰে *কমতা কুঁৱৰী* নাটকত মন্ত্রী শচী পাত্রক নাট্যকাৰে প্রতিশোধপৰায়ণ আৰু দেশদ্রোহী ৰূপে অংকন কৰা নাই। বিৱেকবান আৰু দেশৰ স্বার্থৰ প্রতি চিন্তা কৰা দেশ-

হিতৈষী ৰূপেহে অংকন কৰিছে। যি কি নহওক, জ্যোতিপ্রসাদ আগৰৱালাই আদৰি অনা বাস্তৱবাদী ধাৰাটোৱে প্রবীন ফুকনৰ *শতিকাৰ বান, চতুৰংগ, বিশ্বৰূপা;* সাৰদা বৰদলৈৰ *মগৰীবৰ আজান, পহিলা তাৰিখ, সেই বাটেদি, উপহাৰ;* অভয় ডেকাৰ *গৰা খহনীয়া* আৰু *ফেঁহুজালি;* অমৰেন্দ্র পাঠকৰ *ইণ্টাৰভিউ, প্রতিকাৰ;* অনিল ৰায় চৌধুৰীৰ *প্রতিশব্দ, মিনাবজাৰ, চিৰন্তন;* সর্বেশ্বৰ চক্রৱর্তীৰ *অভিমান;* লক্ষ্যধৰ চৌধুৰীৰ *নিমিলা অংকৰে গতি কৰিলে* আৰু ফণী শর্মা, সত্যপ্রসাদ বৰুৱা, অৰুণ শর্মা, বসন্ত শইকীয়া, আলি আইদৰ, মুনীন ভূঞা, অখিল চক্রৱর্তী আদি নাট্যকাৰৰ কাৰণে এক পথ নির্মাণ কৰি দিলে।

নাট্য সাহিত্যৰ মাধ্যমেৰে ন'ৰৱেৰ নাট্যকাৰ হেনৰিক ইৱছেনে পোনপ্রথমে সমাজ তথা ব্যক্তিমনৰ নিগূঢ় ৰহস্য আৰু সমাজত প্রচলিত ৰীতিৰ বিৰুদ্ধে বিদ্রোহৰ ধ্বনি তোলে আৰু তাৰ লগে লগে বাস্তৱ সমস্যাসমূহক সূক্ষ্মভাৱে পর্যবেক্ষণ কৰি তাৰ সমাধানৰ ইংগিত দিবলৈ চেষ্টা কৰে।

ইৱছেনৰ নাটকত প্রত্যক্ষ কৰা সাধাৰণ বৈশিষ্ট্যসমূহ হ'ল—

১। ব্যক্তি বিশেষৰ ওপৰত গুৰুত্ব দিয়াৰ সলনি সমাজৰ দোষ-ত্রুটিবোৰৰ ওপৰত গুৰুত্ব দিয়া।

২। চৰিত্রবোৰৰ বহির্দ্বন্দ্বৰ সংঘাততকৈ অন্তর্দ্বন্দ্বৰ সংঘাতৰ গুৰুত্ব বেছি।

৩। নাটকৰ চৰিত্রসমূহ সাধাৰণতে উচ্চ বংশজাত বা উচ্চ শ্রেণীৰ ব্যক্তি নহয়।

৪। ছন্দোবদ্ধ সংলাপ, স্বগতোক্তি, কাষৰীয়া উক্তি ইত্যাদি পৰিহাৰ কৰি গদ্য-সংলাপ ব্যৱহাৰত গুৰুত্ব প্রদান।

৫। নাটকীয় পটভূমি আৰু ঘটনাক বাস্তৱ কৰি তুলিবলৈ দৃশ্যপটৰ পুংখানুপুংখ বর্ণনা কৰা।

৬। তেওঁৰ আটাইকেইখন নাটকতে মঞ্চ নির্দেশনা, সাজ-সজ্জা আদিৰ বিশদ বিৱৰণ দাঙি ধৰি নাটকসমূহক বাস্তৱৰ ওচৰ চপাই অনাত গুৰুত্ব দিয়া দেখা যায়।

৭। নাটকত প্রতীকৰ ব্যৱহাৰ ইৱছেনৰ নাটকৰ আন এক বৈশিষ্ট্য। নাটকীয় আবেদন ঘনীভূত কৰিবৰ নিমিত্তে তেওঁ কিছুমান বিশেষ প্রতীকৰ প্রয়োগ কৰিছিল। উদাহৰণ স্বৰূপে *দি ওৱাইণ্ড ডাক* নাটকৰ ঠেং ভঙা হাঁহ; *দি পিলাৰ্চ অৱ ছ'চাইটীৰ* ভঙা জাহাজখন; *ঘোষ্ট* নাটকৰ আশ্রমখন একো একোটা প্রতীক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোন কেইগৰাকী অসমীয়া নাট্যকাৰৰ ৰচনাত ইব্চেনৰ প্রভাৱ পৰিছে? (১০০টা শব্দৰ ভিতৰত)

.....

ইবচেনৰ দ্বাৰা প্রভাৱিত হৈ জর্জ বার্ণার্ড শ', জন গেলছৱর্থিয়ে সমস্যাকেন্দ্রিক বাস্তৱবাদী নাটক ৰচনা কৰিবলৈ লয় আৰু এইসকল নাট্যকাৰৰ দ্বাৰা গোটেই পৃথিৱীৰ নাট্যকাৰসকল প্রত্যক্ষ নতুবা পৰোক্ষভাৱে প্রভাৱিত হ'বলৈ ধৰে। অসমীয়া নাট্য সাহিত্যৰ পিনে দৃষ্টি নিক্ষেপ কৰিলে

পোনতে দৃষ্টিত আহি ধৰা দিয়ে জ্যোতিপ্রসাদ আগৰৱালাই। তেওঁ প্রাচীন ৰীতি-নীতি, সংস্কাৰ আৰু নতুন আদর্শৰ মাজৰ দ্বন্দ্বক মূল উপজীব্য হিচাপে লৈ ৰচনা কৰে অসমীয়া সাহিত্যৰ অমূল্য সম্পদ *কাৰেঙৰ লিগিৰী* নাটকখন। *কাৰেঙৰ লিগিৰী* নাটকৰ আলোচনা প্রসঙ্গত আলোচক পোনা মহন্তৰ এযাৰ মন্তব্য উল্লেখযোগ্য "বিষয়বস্তু কাল্পনিক হ'লেও নাটকীয় শৈলী, কাৰিকৰী চৰিত্র-চিত্রণ চিন্তা আদি দিশত এই নাটকখন (কাৰেঙৰ লিগিৰী) সম্পূর্ণকৈ বাস্তৱধর্মী। নাটকীয় ভাষা কথোপকথনৰ গদ্য; বিশদ মঞ্চ নির্দেশনা আৰু নাটকীয় চৰিত্রৰ বর্ণনাবোৰ ইবচেন আৰু শ্ব'ৰ নাটকৰ লগত তুলনীয়। ইবচেনৰ 'পুতলা ঘৰ', 'ভূত' আদি নাটকৰ লেখীয়াকৈ এই নাটকৰ মূল কাহিনীও গহীন আৰু ট্রেজিকধর্মী। ..... তদুপৰি ইবচেন আৰু শ্ব'ৰ নাটকৰ লেখিয়াকৈ 'কাৰেঙৰ লিগিৰী' নাটকখনেই অসমীয়া সাহিত্যত প্রথম চিন্তামূলক আলোচনাত্মক নাটক।" *লভিতা* নাটকখনতো শ্ব'ৰ *চেইণ্ট জোৱান* নাটকৰ প্রভাৱ পৰিলক্ষিত হয়। দুয়োখন নাটকৰ নায়িকাই নিজৰ দেশৰ মানুহৰ দ্বাৰা প্রৱঞ্চিত আৰু শোষিত হৈছে। দুয়োখন নাটকৰ নায়িকাই দেশৰ মুক্তিৰ হকে সশস্ত্র সংগ্রামত লিপ্ত হৈছে। ইবচেন, শ্ব' আদিৰ পৰা প্রভাৱপুষ্ট হৈ বাস্তৱবাদী শৈলীৰে নাটক ৰচনা কৰা নাট্যকাৰসকলৰ ভিতৰত সাৰদা বৰদলৈৰ *পহিলা তাৰিখ;* লক্ষ্যধৰ চৌধুৰীৰ *নিমিলা অংক;* সর্বেশ্বৰ চক্রৱর্তীৰ *অভিমান;* সত্যপ্রসাদ বৰুৱাৰ *নায়িকা-নাট্যকাৰ;* প্রবীন ফুকনৰ *শতিকাৰ বান;* অনিল চৌধুৰীৰ *প্রতিবাদ;* ফণী শর্মাৰ *কিয়* ইত্যাদি উল্লেখযোগ্য। ইয়াৰ পৰৱর্তী কালতো বাস্তৱধর্মী চিন্তা-চর্চা আৰু সামাজিক সমস্যা উপস্থাপন কৰি নাটক ৰচনা কৰা হৈছে যদিও তেনেবোৰ নাটক কেৱল ইবছেনৰ প্রভাৱতে ৰচিত হৈছে বুলি ক'ব পৰা নাযায়। উদাহৰণ স্বৰূপে হিমেন্দ্র কুমাৰ বৰঠাকুৰৰ *বাঘ;* অৰুণ শর্মাৰ *বাঘজাল, চিঞৰ;* মুনীন ভূঞাৰ *সন্ধিক্ষণ, হাতী* আৰু *ফান্দী, জৰৌৰৌৱা পৰজা;* হেমন্ত দত্তৰ *তেজ;* ৰফিকুল হোছেইনৰ *অৰণ্যত উর্মিলা* ইত্যাদি। হিমেন্দ্র কুমাৰ বৰঠাকুৰৰ *বাঘ* নাটকত উপস্থাপিত প্রধান সমস্যা হৈছে এটা নৰখাদক বাঘে সৃষ্টি কৰা সমস্যা। হাঁহচৰা মৌজাৰ পানীগাঁও আৰু কঠালগুৰি গাঁও দুখনৰ সাত মাইল পর্যন্ত অঞ্চলটোত ত্রাসৰ সৃষ্টি কৰা বাঘটো যিদৰে গাঁওবাসীৰ কাৰণে সমস্যাৰূপে থিয় দিছে, সেইদৰে অইন কেতবোৰ সমস্যাই সমাজ-জীৱনক ৰুগ্ন আৰু স্থবিৰ কৰি তুলিছে। প্রকৃতার্থত নাট্যকাৰৰ দৃষ্টিত সামাজিক প্রগতিত বাধা প্রদান কৰা প্রতিটো কাৰকে বাঘৰ সমপর্যায়ৰ সমস্যা। যিবোৰ সমস্যাই জীৱন্ত বাঘৰ দৰে সমাজৰ সুখ-শান্তি নিঃশেষ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ইব্চেনৰ নাটকত কেনেকুৱা সমস্যা প্রদর্শন কৰা হয়? (১৫০টা শব্দৰ ভিতৰত)

.....

নাট্যকাৰে *বাঘ* নাটকত জংঘলত গোজৰনি তুলি ঘূৰি ফুৰা হাবিৰ বাঘৰ লগত মানুহৰ মনৰ ভিতৰত কিল্বিলাই থকা কলুষতা, কু-সংস্কাৰ, ঈর্ষা, শোষণ-নিষ্পেষণৰ প্রৱণতা সৃষ্টি কাৰক

বাঘক তুলনা কৰি মানুহৰ নৈতিক অধঃপতনৰ স্বৰূপটোকে *বাঘ* বুলি অভিহিত কৰিছে। যেনেদৰে ইবচেনৰ *Wild Duck*ৰ 'ঠেং ভঙা হাঁহটো'; *Ghost*ৰ 'অনাথ আশ্রমখন' আৰু *Pillars of Society*ৰ 'ভঙা জাহাজ'খনে একোটা সামাজিক পৰিস্থিতি, অৱস্থাৰ প্রতীক ৰূপে অংকন কৰা হৈছে; তেনেদৰে *বাঘ* নাটকতো বাঘক বিভিন্ন সমস্যাৰ প্রতীক ৰূপে অংকন কৰা হৈছে। নাট্যকাৰ অৰুণ শর্মাই প্রতিখন নাটকত ইবচেনৰ নিচিনাকৈ বিষয়বস্তু উপস্থাপনৰ বাবে দৃশ্যৰাজিৰ পুংখানুপুংখ বিৱৰণ আদি দাঙি ধৰাৰ লগতে বিষয়বস্তুৰ উপস্থাপন ৰীতিয়ে যাতে পাঠক-দর্শকৰ মনত বিভ্রান্তিৰ সৃষ্টি নকৰে— তাৰ প্রতি সততে দৃষ্টি ৰাখি মঞ্চ নির্দেশনা উল্লেখ কৰিছে। উদাহৰণ স্বৰূপে *আহাৰ* নাটকখনৰ এটি নির্দেশনা উল্লেখ কৰিব পাৰি 'নাৰী দ্বিতীয় মঞ্চইদি তলেদি নামি যায়। কমল দর্শকলৈ পিঠি দি দ্বিতীয় মঞ্চত বহি পৰে। দ্বিতীয় মঞ্চত হালধীয়া পোহৰ নোহোৱা হয়। আটাইকেইটা মঞ্চত ক্ষীণ পোহৰ হয়। মধ্যম মঞ্চলৈ ভিতৰৰ পৰা নবীন, নলিনী আৰু ধীৰেণ উঠি আহে। নবীনে ভাঙৰ চিলিম টানি আহে।" ইত্যাদি।

১৯১০ চনৰ পৰা ১৯২৪ চনৰ ভিতৰত জার্মানীত অভিব্যক্তিবাদী নাট্যধাৰাৰ প্রচলন হয় আৰু পাছলৈ সমগ্র বিশ্বতে এই নাট্যধাৰা বিয়পি পৰে। তথাকথিত আধুনিক সভ্যতাৰ অগ্রগতি, যুদ্ধৰ বিভীষিকাময় পৰিৱেশ, মনস্তত্ত্ববিদ চিগ্‌মণ্ড ফ্রয়েড, গুষ্টাফ ইয়ুং আদি চিন্তাবিদৰ তত্ত্বৰাজিয়ে এই চিন্তাধাৰাৰ বিকাশত প্রভূত অৰিহণা যোগালে। নীৎসেৰ মতবাদ, মেৰিনেটৰ ভৱিষ্যৎবাদ, হুইটমেনৰ সর্বেশ্বৰবাদ, ডষ্টয়েভস্কিৰ মনস্তাত্ত্বিক বিশ্লেষণ আদি অভিব্যক্তিবাদৰ মূল চালিকা শক্তিৰূপে কার্য কৰিবলৈ ধৰিলে। অভিব্যক্তিবাদৰ মূল উদ্দেশ্যৰ বিষয়ে সহজতে ক'বলৈ হ'লে মানুহৰ বাহ্যিকভাৱে দেখা মুখখনিৰ আঁৰত লুকাই থকা প্রকৃত স্বৰূপটিক স্পষ্ট কৰাই অভিব্যক্তিবাদৰ মূল উদ্দেশ্য। অভিব্যক্তিবাদী নাট্যকর্মত ব্যক্তিসমষ্টিৰ মনোজগত আৰু অৱচেতনাত লুকাই থকা আৱেগ, উৎকণ্ঠা, বিষাদ আদিৰ সহজ প্রকাশ ঘটে। কল্পনাৰে সমৃদ্ধ হৈ সামাজিক দায়বদ্ধতা প্রকাশ কৰিবৰ কাৰণে এই ধাৰাৰ নাট্যকাৰসকলে ব্যঙ্গ, শ্লেষ আদিৰ মাজেৰেও সত্যক দাঙি ধৰিবলৈ যত্ন কৰে। সেয়েহে কল্পনাক অধিক শক্তিশালী, গতিশীল আৰু অন্তর্মুখী কৰিবলৈ পৰম্পৰাগত বাস্তৱবাদকো অভিব্যক্তিবাদী সাহিত্যিকসকলে বর্জন কৰিবলৈ ধৰিলে। (Metaphor) ৰূপকৰ জৰিয়তে চিত্রকল্পৰ প্রয়োগ, কৌশলগতভাৱে পোহৰ প্রক্ষেপ, দৃশ্যপটৰ দ্রুত পৰিৱর্তন আৰু মুখাৰ ব্যৱহাৰ কৰাৰ লগতে চৰিত্রসমূহৰ নামকৰণ নকৰি প্রথম, দ্বিতীয়, দুখীয়া মানুহ ইত্যাদিৰে প্রকাশ কৰাটো অভিব্যক্তিবাদী নাটকৰ বৈশিষ্ট্য ৰূপে ধৰা দিলে। বসন্ত শইকীয়াৰ *মৃগতৃষ্ণা* (১৯৭২) নাটকখনত অভিব্যক্তিবাদী নাট্যধাৰাৰ প্রভাৱ দেখা যায়। নাটকখনৰ কাহিনী ভাগত নাট্যকাৰে সমাজৰ এচাম দুর্নীতিপৰায়ণ, দুশ্চৰিত্র, সুবিধাবাদ, মানুহৰ প্রতিনিধি স্বৰূপে নিজৰ প্রেমিকাক এৰি ধনৰ লালসাত ধনী ঘৰৰ ছোৱালী বিয়া কৰোৱা; দিবাস্বপ্নত বুৰ গৈ থকা দিগন্ত হাজৰিকা নামৰ এজন ডেকাৰ চৰিত্র অৱতাৰণা কৰিছে। প্রকৃততে নাট্যকাৰে দিগন্ত হাজৰিকাৰ চৰিত্রৰ মাজেৰে সমাজৰ তথাকথিত ভদ্রতাৰ মুখা পিন্ধি সুবিধা লোৱা পার্থিৰ সুখত মতলীয়া ব্যক্তিসমষ্টিক ব্যঙ্গভাৱে উপস্থাপন কৰিছে। অভিব্যক্তিবাদী ধাৰণাৰ আংশিক প্রয়োগ তেওঁৰ আন দুখন নাটক *মানুহ* (১৯৭৭) আৰু *অসুৰ* (১৯৭৭) তো দেখা যায়। অৰুণ শর্মাৰ আগৰ

নাটককেইখনতো অভিব্যক্তিবাদৰ আংশিক প্রকাশ দেখা যায় বুলি সত্যপ্রসাদ বৰুৱাই মন্তব্য কৰিছে— "এইখনত ব্রেখ্টৰ 'সময় বৈ যোৱাৰ' দর্শন আৰু সংলাপ গঠন ৰীতিৰ স্পষ্ট আভাস পোৱা যায় আৰু কবৰৰ পৰা মৰাশ ওলাই অহা, চিগাৰেট খোৱা আদি এলমাৰ ৰাইচৰ অভিব্যক্তিবাদী নাটক— *দ্য অডিং মেশ্বিনৰ* প্রভাৱ পুষ্ট যেন লাগে।" ঠিক তেনেদৰে অখিল চক্রৱর্তীৰ *উত্তৰ পুৰুষ* নাটকতো অভিব্যক্তিবাদৰ কিছু লক্ষণ দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অভিব্যক্তিবাদ কি? (১০০টা শব্দৰ ভিতৰত)

.....

ঊনবিংশ শতিকাৰ চতুর্থ দশকৰ পৰাই ফ্রয়েদৰ দর্শন আৰু চিন্তাৰ দ্বাৰা প্রভাৱান্বিত হৈ অসমীয়া নাট্যকাৰে চৰিত্রৰ অন্তর্দ্বন্দ্বৰ মনস্তাত্ত্বিক বিশ্লেষণ কৰাৰ চেষ্টা কৰি আহিছে। অনিল চৌধুৰীৰ *প্রতিবাদ* (১৯৫৩), আৰু *চিৰন্তন* (১৯৬২); সত্য প্রসাদ বৰুৱাৰ *নায়িকা-নাট্যকাৰ, মৃণাল মাহী* (১৯৭৭), ৰাম গোস্বামীৰ *জীৱন বৃত্ত* (১৯৮১); আলি হাইদৰৰ *জন্ম-ক্রন্দন;* অভয় ডেকাৰ *গৰাখহনীয়া* (১৯৫৪); অমৰেন্দ্র পাঠকৰ *ইণ্টাৰভিউ* (১৯৫৫); যোগেন বায়নৰ *ৰামধেনু;* ফণী তালুকদাৰৰ *জুয়ে পোৱা সোণ;* বসন্ত শইকীয়াৰ *মৃগতৃষ্ণা;* ঘন হাজৰিকাৰ *এটা নির্জন দ্বীপত মৃত্যুৰ সৈতে এৰাতি;* অনিল চক্রৱর্তীৰ *এই বৃদ্ধৰ আবেলি;* চন্দ্রধৰ চমুৱাৰ *কংস* আদি নাটকৰ নাম উল্লেখ কৰিব পাৰি।

মৃণাল মাহী সামাজিক মনস্তাত্ত্বিক নাটক। নাট্যকাৰ সত্যপ্রসাদ বৰুৱাৰ ভাষাত "আমি আমাৰ *মৃণাল মাহী* নাটকখনৰ মনস্তাত্ত্বিক ফ্রয়েদৰ চিন্তাধাৰাৰ আশ্রয় লৈ চাইক' পেথ'লজিকেল কাহিনীৰ যোগে আধুনিক ট্রেজেডি ৰচনা কৰিবলৈ প্রয়াস কৰিছো"। ঠিক তেনেদৰে তেওঁৰ 'নায়িকা নাট্যকাৰ' নাটকখনৰ পটভূমিও মনস্তাত্ত্বিক। সত্যপ্রসাদ বৰুৱাৰ এই নাটকখনত লুইগি পিৰাণ্ডেলৰ *নাট্যকাৰৰ সন্ধানত ছটা চৰিত্র (Six Characters in search of an author)* নাটকখনৰ প্রভাৱ পৰিস্ফুট হয়। ৰাম গোস্বামীৰ *জীৱন বৃত্ত* নাটকত সমস্যাৰে ভাৰাক্রান্ত মধ্যবিত্ত সমাজ-জীৱনলৈ নামি অহা সংঘাত, অশান্তি, অভিযোগ আদি প্রকাশিত হৈছে। নাটকখনত মনোবিশ্লেষণধর্মী পদ্ধতি ব্যৱহাৰ কৰি নাট্যকাৰে শিশু মন আৰু স্বাস্থ্যৰ বৃদ্ধি-বিকাশৰ ক্ষেত্রত যে পিতৃ-মাতৃৰ ভূমিকা অপৰিসীম— সেই কথা ব্যক্ত কৰিছে। প্রতিভা আৰু তপনৰ ছোৱালী জোনমণি। তাইৰ জন্মৰ লগে লগে তপনৰ মনত সন্দেহ উদ্রেক হয়। কিয়নো বিয়াৰ আগতে প্রতিভাৰ আন পুৰুষৰ সৈতে সম্পর্ক আছিল। কিন্তু তপনৰ মাক-দেউতাকে জোনমণিক গ্রহণ কৰি মৰমেৰে ডাঙৰ-দীঘল কৰিছিল। প্রতিভাৰ ধাৰণা হৈছিল যে তপনৰ পৰিয়ালে তেওঁক হেয় চকুৰে চাইছিল, সেয়েহে প্রতিভাই ছবছৰীয়া জীয়েক জোনমণিক ককাক-আইতাকৰ পৰা আঁতৰাই আনি তাইৰ ওপৰত অত্যাচাৰ কৰি মনৰ ক্ষোভ দমন কৰিব ধৰিলে। ককাক-আইতাকৰ মৰমৰ পৰা বঞ্চিত আৰু মাতৃৰ দ্বাৰা অৱহেলিত, অনাদৃত জোনমণিয়ে তিনিটা পুতলাৰে খেলি তাইৰ মনৰ প্রতিক্রিয়া

প্রকাশ কৰে। কেতিয়াবা এই পুতলাক তাই মাৰিছে, কেতিয়াবা দলিয়াইছে; মুঠতে প্রতিভাই তাইৰ প্রতি যেনে ব্যৱহাৰ কৰিছে, তাইয়ো পুতলাকেইটাৰ প্রতি তেনে ব্যৱহাৰে কৰিছে। নাটকখনৰ শেষত তপন আৰু প্রতিভাই ডাঃ বৰুৱাৰ সহায়ত নিজৰ ভুল উপলব্ধি কৰিছে আৰু ঘৰলৈ উভটি আহিছে। এহাল দম্পত্তিৰ যুগ্ম জীৱনত সন্দেহ আৰু অবিশ্বাসে ঘেৰি ধৰি কিদৰে তিক্ততাপূর্ণ জীৱনলৈ পর্যৱসিত কৰিব পাৰে, তাকে মূল নাটকখনৰ মাধ্যমত নাট্যকাৰে ব্যক্ত কৰিব বিচাৰিছে। বসন্ত শইকীয়াৰ *মৃগতৃষ্ণা* নাটকত সপোনৰ মাধ্যমেৰে নায়ক দিগন্ত হাজৰিকাৰ অৱচেতন মনৰ প্রকাশ কৰিছে। দিগন্ত হাজৰিকাৰ যৌন কামনা তথা আকাংক্ষা নাট্যকাৰে মনোবিশ্লেষণাত্মক ৰূপত উপস্থাপন কৰিছে।

সংস্মৰণ বা ফ্লেছবেক পদ্ধতিত বর্তমানৰ সৈতে অতীতক সংযোগ কৰা হয়। বর্তমানৰ মাজলৈ অতীত ভাহি আহে দৃশ্য-শ্রাব্যৰ মাধ্যমেৰে। আমেৰিকাৰ নাট্যকাৰ এলমাৰ ৰাইছে ১৯১৪ চনত *অন ষ্ট্রায়েল* নামৰ নাটকখনৰ মাধ্যমেৰে এই পদ্ধতিৰ সফল প্রয়োগ কৰিবলৈ সক্ষম হৈছিল। পাছলৈ গোটেই বিশ্বজুৰি এই পদ্ধতিৰ প্রয়োগ হ'বলৈ ধৰে অসমীয়া নাট্যকাৰসকলেও সংস্মৰণ পদ্ধতি প্রয়োগ কৰি নাটক ৰচনা কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য নাটক আৰু নাট্যকাৰ কেইজনমানৰ নাম হ'ল— বসন্ত শইকীয়াৰ *অসুৰ;* সত্যপ্রসাদ বৰুৱাৰ *মৃণাল মাহী, নায়িকা-নাট্যকাৰ;* অৰুণ শর্মাৰ *পৰশুৰাম, অদিতিৰ আত্মকথা, অগ্নিগড়;* অখিল চক্রৱর্তীৰ *পূজনীয় দেউতা;* ভবেন্দ্র নাথ শইকীয়াৰ *ৰামধেনু, সমুদ্র মন্থন* ইত্যাদি। *ৰামধেনু* নাটকৰ প্রধান চৰিত্র ৰমানন্দ চৌধুৰীয়ে বাৰে বাৰে 'মনত পৰে' বুলি কৈ অতীতলৈ উভতি গৈছে পিছত আৰু নাটকীয় ঘটনা ক্রমত অতীত আহি বর্তমানৰ সন্মুখত থিয় হৈছে। প্রণিধানযোগ্য যে সর্বেশ্বৰ চক্রৱর্তীয়ে *অভিমান* (১৯৫২) নাটকৰ যোগেদি পোনপ্রথম বাৰৰ কাৰণে অসমীয়া নাটকত এই পদ্ধটি প্রয়োগ কৰিছিল আৰু ভবেন্দ্র নাথ শইকীয়াই 'ৰামধেনু' নাটকৰ যোগেদি ভ্রাম্যমান থিয়েটাৰত সংস্মৰণ পদ্ধতি জনপ্রিয় কৰি তুলিছিল।

এটা সময়ত মানুহৰ অভিব্যক্তিবাদৰ প্রতি মোহভংগ হ'ল আৰু মানুহে বিকল্প পথৰ সন্ধান কৰিব ধৰিলে। এনেতে জগতৰ প্রকৃত সত্যক পোহৰলৈ বাট দেখুৱাবলৈ আগমন ঘটিল মার্ক্সবাদৰ। মেক্সিম গর্কীৰ *দ্যা এনিমিজ (The Enemies), দ্যা লাষ্ট ৰানচ্ (The last ones);* জন অচবর্ণৰ *লুক বেক ইন এঙ্গাৰ (Look back in Anger), দ্যা এণ্টাৰটেইনাৰ (The Entertainer);* আর্ণল্ড অস্কাৰৰ *চিকেন ছপ উইথ বাৰলি (Chicken soup with Barley), ৰুটচ (Roots);* ইত্যাদি এই শ্রেণীৰ উল্লেখযোগ্য নাটক। সামাজিক চেতনা, যুক্তিবাদ আৰু বৈজ্ঞানিক দৃষ্টিভংগী মার্ক্সবাদী সাহিত্যৰ প্রধান বিশেষত্ব। মার্ক্সবাদী নাট্যকাৰসকলে শ্রমজীৱী জনতাৰ প্রতিবাদ আৰু দৃষ্টিভংগীক প্রতিষ্ঠা কৰি ঐতিহাসিক বিশ্লেষণৰ জৰিয়তে সমাজবাদী আদর্শৰ আশাবাদী চেতনা জাগ্রত কৰিব বিচাৰে। মুনীন শর্মাৰ *সভ্যতাৰ সংকট,* অৰুণ গোস্বামীৰ *আজি,* সর্বানন্দ পাঠকৰ *অগ্রগামী,* অতুল বৰদলৈৰ *বৃক্ষৰ খোজ,* বসন্ত কুমাৰ ভট্টাচার্যৰ *সময় বৃত্ত,* প্রফুল্ল বৰাৰ *বান,* মুনীন ভূঞাৰ *সন্ধিক্ষণ, জৰৌৰৌৱা পৰজা, হাতী আৰু ফান্দী,* নৰেন পাটগিৰীৰ *ৰজা আহে,* প্রফুল্ল কুমাৰ বৰুৱাৰ *আশাৰ বালিচৰ,* ৰাম গোস্বামীৰ *মাদল* ইত্যাদি।

"পুঁজিবাদী সমাজত শোষণ, লুণ্ঠন, অত্যাচাৰে যেতিয়া চূড়ান্ত পর্যায় লাভ কৰে, তেতিয়া সংগ্রামী গণশক্তিয়ে সাহসেৰে সকলো মষিমূৰ কৰিবলৈ আগবাঢ়ে। কিয়নো তেতিয়া আৰু তেওঁলোকৰ হেৰুৱাবলৈ একো নাথাকে। Marx & Engles ৰ ভাষাত "Let the ruling classes tremble at a communist revolution. The proletarians have nothing to lose but their chains. They have a world to win" *(Marx & Engles, collected works, Vol-VI, P.519)* ৰাম গোস্বামীৰ *মাদল* নাটকতো শোষিত চাহ মজদুৰসকল এক লগ হৈছে আৰু তেওঁলোকক শোষণ কৰি থকা মহাজনৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিছে। তেওঁলোকে আজি বিচাৰিছে নতুন দিন। শিৰ-থানৰ বাবা বাবাজীয়ে চাহ মজদুৰসকলক কৈছে "তহঁত..... কুকুৰাৰ মতন গড়ালে সোমাই প্রতিবাদ কৰ, অন্যায় মানি নল'বি।" চাহ জনগোষ্ঠীৰ সুখ-দুখ, হাঁহি-কান্দোন আৰু বেদনা-যন্ত্রনা প্রতিফলিত হোৱা *মাদল* নাটকত নাট্যকাৰে মাদলৰ শব্দৰ মাজেৰে এক নতুন দিনৰ আগমনৰ বার্তা বহন কৰিছে ভৰিষ্যতৰ সমাজলৈ।"

মার্ক্সবাদৰ দ্বাৰা প্রভাৱিত হৈ ব্রেখটে লিখি উলিয়াইছিল *দ্যা গুড ৱমেন অৱ চেটজুৱান* (The good woman of setzuan) *মাডাৰ কাৰেজ (Mother courage)* দৰে নাটক। প্রকৃততে ক'বলৈ হ'লে ব্যক্তিগতভাৱে ব্রেখটে মার্ক্সীয় দর্শনৰ প্রতি আকৃষ্ট হৈ সমাজবাদী আদর্শ গ্রহণ কৰি মানৱ মুক্তিৰ হকে চিন্তা কৰিছিল। সমাজত দুটা শ্রেণীৰ মানুহেই আছে— এফালে জমিদাৰ, পুঁজিপতি আৰু মিল মালিকসকল; আৰু আনফালে সর্বহাৰা কৃষক-শ্রমিকসকল। যুগ যুগ ধৰি প্রথম শ্রেণীটোৱে দ্বিতীয় শ্রেণীটোক শোষণ কৰি আহিছে। পুঁজিপতি বা বুর্জোৱাসকলৰ শোষণ যন্ত্রটো উবুৰিয়াই দি শ্রমিক-কৃষকসকলক বৈপ্লৱিক ভাবধাৰাৰে উদ্বুদ্ধ কৰাই হৈছে ব্রেখটীয় নাটকৰ মূল লক্ষ্য। আলোচক পোনা মহন্ত বুলি ই নাটকৰ কথাত উল্লেখ কৰিছে।ব্রেখটৰ নাট্যধাৰাৰ তিনিটা প্রধান বৈশিষ্ট্য হ'ল— বিচ্ছিন্নকৰণ (Alienation), ঐতিহাসিক ধাৰণা (Historification) আৰু মহাকাব্যিক শৈলী।

সত্যপ্রসাদ বৰুৱাই ব্রেখটৰ ৰীতিত স্পষ্ট হোৱা সাতোটা দিশক[৩] আঙুলিয়াই দিছে—

১। দর্শকক কাহিনীয়ে প্রকৃত দর্শক হিচাপে বিচাৰে যাতে তেওঁ নিজৰ ইচ্ছা শক্তিক সজাগ আৰু সক্রিয় কৰি ৰাখিব পাৰে।

২। এটা নিজৰ সিদ্ধান্তত উপনীত হ'বলৈ সকীয়াই দি সকলো ফালৰ পৰাই নাটকক চালি-জাৰি চায়।

৩। বিতর্ক কৰিবলৈ দর্শকক শিকোৱা হয়।

৪। মানুহক বিচাৰৰ সন্মুখীন কৰা হয়।

৫। দর্শকক কাহিনীয়ে কেনেকৈ পৰিণতি পালে তাৰ গতিৰ ওপৰতো লক্ষ্য ৰাখিবলৈ কোৱা হয়।

৬। প্রত্যেকটো দৃশ্যই বিচ্ছিন্ন মণ্টাজৰ দৰে।

৭। একমাত্র বুদ্ধিক গুৰুত্ব দিয়ে।

কোনো কোনো সমালোচকে ব্রেখটৰ মহাকাব্যিক ৰীতি আৰু শংকৰদেৱৰ অঙ্কীয়া নাটৰ মাজত সংযোগ সূত্র আৱিষ্কাৰ কৰি এই পৰম্পৰা অসমত পূর্বৰে পৰা প্রচলিত আছে বুলি মত পোষণ কৰিছে।

অংকীয় নাট	ব্রেখটীয়
১। শংকৰদেৱৰ নাট ৰচনাৰ প্রধান উদ্দেশ্য আছিল বৈষ্ণৱ ধর্ম প্রচাৰ কৰা। (২) শংকৰদেৱে নাটৰ কাহিনীভাগ প্রধানকৈ ৰামায়ণ, ভাগৱত, হৰিবংশ আদি ইতিহাস প্রসিদ্ধ ঘটনা প্রাচীন ধর্মপুথিৰ পৰাই আহৰণ কৰিছিল। দর্শকক সম্বোধন কৰি বক্তব্য আগবঢ়োৱাৰ লগতে নাটকীয় কাহিনীত সুত্রধাৰৰ ভূমিকা অংকীয়া নাটৰ গুৰুত্বপূর্ণ অঙ্গ।	১। ব্রেখটীয় মহাকাব্যিক নাট্যধাৰাৰ প্রধান উদ্দেশ্য হৈছে মার্ক্সীয় দর্শনৰ ভেটিত সাম্যবাদী আদর্শ প্রচাৰ কৰি শোষিত জনগণক মুক্তিৰ পথ দেখুওৱা। (২) ব্রেখটৰ মহাকাব্যিক ধাৰাৰ নাটক প্রধান তিনিটা সন্ধিৰ ভিতৰত ঐতিহাসিকৰণ এটা গুৰুত্বপূর্ণ সন্ধি। ব্রেখটৰ মহাকাব্যিক নাটকতো দর্শক আৰু অভিনেতাৰ মাজত বিচ্ছিন্নকৰণৰ মাজেদি কোনো এক চৰিত্র বা সূত্রধাৰ ৰূপত বক্তব্য দাঙি ধৰে।

মন কৰিবলগীয়া যে অংকীয় নাটৰ দৰে বক্তব্য বিষয়ক স্পষ্ট কৰি তুলি বিষয়ক সর্বজনবোধ্য কৰিবৰ কাৰণে ব্রেখটে কোনো কোনো নাটকত মুখাৰ ব্যৱহাৰ কৰিছিল যিটো অংকীয় নাটতো পৰিলক্ষিত হয়। কিন্তু এই কথা মন কৰিবলগীয়া যে ইমানখিনি সামঞ্জস্য থকাৰ পিছটো অংকীয় নাটৰ সৈতে ব্রেখটৰ এপিক নাটকৰ পার্থক্যৰ সীমাৰেখা স্পষ্টৰূপত বিদ্যমান। ব্রেখটীয় ৰীতিৰ ঘটনাৰ লগত শংকৰদেৱৰ অংকীয় নাটৰ ঘটনাৰ আদর্শগত মিল নাই। শংকৰদেৱৰ আদর্শ পৰম পুৰুষ ভগৱান শ্রীকৃষ্ণৰ ঐশ্বৰিক শক্তি আৰু গুনানুকীর্তনেৰে ভক্তগণক সেই পৰম পুৰুষজনাৰ প্রতি আকৃষ্ট কৰোৱা আৰু তেওঁৰ ওচৰত শৰণ-ভজন লৈ ভক্তিৰে জীৱন অতিবাহিত কৰা; কিন্তু ব্রেখটীয় আদর্শত সাম্যবাদৰ আদর্শ প্রচাৰ কৰি শোষিত জনগণক যুক্তিৰ পথ দেখুওৱা। শংকৰদেৱৰ অঙ্কীয়া নাটকত চৰিত্র আৰু কাহিনীভাগৰ লগত দর্শক-শ্রোতাক আত্মীয়তা স্থাপন কৰিবলৈ দিয়া হয়; কিন্তু ব্রেখটীয় মহাকাব্যিক নাট্যধাৰাত কাহিনী-চৰিত্রৰ লগত একাত্ম হোৱাত বাধাৰ হে সৃষ্টি কৰা হয়।

অসমীয়া লোকনাট্য আর্হি গ্রহণ কৰি ব্রেখটীয় মহাকাব্যিক ধাৰাৰে ৰচিত কেইখনমান অসমীয়া নাটক হ'ল— অৰুণ শর্মা *পুৰুষ* (১৯৬০), *চিঞৰ* (১৯৭২), *বুৰঞ্জী পাঠ* (১৯৭৪); সত্যপ্রসাদ বৰুৱাৰ *নায়িকা-নাট্যকাৰ* (১৯৭৬) আৰু *মৃণাল মাহী* (১৯৭৭); বসন্ত শইকীয়াৰ *মৃগতৃষ্ণা* (১৯৭২), *মানুহ* (১৯৭৭), *অসুৰ* (১৯৭৭); মুনীন শর্মাৰ *সভ্যতাৰ সংকট* (১৯৯০); প্রফুল্ল বৰাৰ *বান;* অৰুণ গোস্বামীৰ *আজি;* অতুল বৰদলৈৰ *বৃক্ষৰ খোজ;* সীতানাথ লহকৰৰ *কহয় চণ্ডী দাসে,* প্রমোদ দাসৰ *হনুমান সাগৰ বন্ধা চাও* আদি।

নৰেন পাটগিৰীৰ অন্যতম শ্রেষ্ঠ নাটক *দিবাকৰৰ আত্মকথা* নামৰ নাটকখনত ব্রেখটৰ

'Mother courage and her children' নাটকৰ নিচিনাকৈ সংগীতৰ ব্যৱহাৰ দেখা যায়। ব্ৰেখটৰ নাটকখনত সংগীতে যিদৰে আলাপচাৰিতা আৰু বিস্তৃতিৰ ভূমিকা পালন কৰিছে, তেনেদৰে *দিবাকৰৰ আত্মকথা* নাটকখনতো একে ভূমিকা গ্ৰহণ কৰিছে। মঞ্চায়নৰ দিশৰ পৰা জগদীশ পাটগিৰীৰ *অজগৰ* নাটকখনকো ব্ৰেখটৰ মহাকাব্যিক শৈলীয়ে প্ৰভাৱিত কৰিছে বুলি ক'ব পাৰি। আলোচক পোনা মহন্তই মুনীন শৰ্মাৰ *সভ্যতাৰ সংকট* নাটক সম্পৰ্কে লিখিছে— "এইখন পুঁজিবাদী ধনসৰ্বস্ব সমাজৰ তথাকথিত সভ্যতাৰ ভয়াবহ সংকটৰ নাটকীয় ৰূপ। মালিক-শাসক শ্ৰেণীৰ শোষণ-দুৰ্নীতি, অনাচাৰৰ উপৰিও ধৰ্ম, শিক্ষা, পাৰিবাৰিক সম্বন্ধ আদি আটাইবোৰ দিশতে নানা প্ৰকাৰৰ ভণ্ডামি পয়োভৰ শ্ৰেণী-চেতনাৰ দ্বাৰা উদ্বুদ্ধ হৈ অসমীয়া, বাঙালী, হিন্দী ভাষী সকলো শ্ৰমিক একগোট হৈ থিয় দিছে মালিক পক্ষৰ বিপক্ষে। ভাব-গম্ভীৰ তাত্ত্বিক কথা বা আৱেগ-অনুভূতিপূৰ্ণ বিপ্লৱী উচ্ছাস নাটকখনত নাই। কোৰাচ প'ষ্টাৰ, ব্যংগ গীত ইত্যাদি ব্যৱহাৰৰ জৰিয়তে নাট্যকাৰে তথাকথিত সভ্য সমাজৰ কুন্ধচ চেহেৰাটো উদঙাই দেখুৱাইছে। বসন্ত শইকীয়াৰ *মৃগতৃষ্ণা* নাটকত মুখ্য চৰিত্ৰ দিগন্ত হাজৰিকাই আত্ম অন্বেষণৰ বাট বিচাৰি দৰ্শকক উদ্দেশ্য কৰি ঘটনাৰ উপস্থাপন কৰিছে। তেনেদৰে *মানুহ* নাটকত সূত্ৰধাৰ চৰিত্ৰই দৰ্শকক ঘটনা নিৰীক্ষণ কৰিবলৈ উপদেশ দিছে। *অসুৰ* নাটকত হৰনাথ চৌধুৰীয়ে নিজৰ কৃতকৰ্মৰ পাপ মোচন কৰিবলৈ গৈ কৰা কাৰ্যই চৰিত্ৰটোৰ সমস্ত কুকৰ্ম দৰ্শকৰ আগত দাঙি ধৰিছে।

প্ৰচলিত নাটকৰ ধাৰণাৰ বিপৰীতে ঐক্যহীন বিচ্ছিন্ন কাহিনী, নিৰ্বিকাৰ আৰু অবিশ্বাস্য চৰিত্ৰৰ সংগতিহীন সংলাপৰ মাজেদি যুদ্ধোত্তৰ যুগত এক বিশেষ নাট্যধাৰাৰ প্ৰচলন হ'বলৈ ধৰিলে। বিশ্ব জগতৰ প্ৰতিজন মানুহে একক আৰু মানৱসত্তা সাধাৰণভাৱে অৰ্থহীনতাৰ মাজতে বৰ্তি আছে। এনে ধাৰণাৰে উদ্বুদ্ধ হৈ জ্যা জেনেট নামৰ নাট্যকাৰ গৰাকীয়ে ৰচনা কৰে *দ্যা মেইডচ (The maids)* নামৰ নাটকখন। এই ধাৰাৰে নাটক ৰচনা কৰি আন্তৰ্জাতিক স্বীকৃতি অৰ্জন কৰিবলৈ সক্ষম হয় চেমুৱেল বেকেটে। তেওঁৰ দ্বাৰা ১৯৪০ চনত ৰচিত আৰু ১৯৫২ চনত প্ৰকাশিত *'Waiting for godot'* নাটকে এই ধাৰাক শক্তিশালী ৰূপ প্ৰদান কৰাৰ লগতে 'এবছাৰ্ড' নাট্য আন্দোলনক বিশ্বজুৰি গতি প্ৰদান কৰে। বিশ্বব্যাপী সৃষ্টি হোৱা মহাযুদ্ধৰ ভয়াবহতা, অস্থিৰতা, মানবীয় প্ৰমূল্যৰ অৱক্ষয় আৰু জীৱনৰ অনিশ্চয়তা আদিকে এবছাৰ্ড নাট্য আন্দোলনৰ প্ৰধান কাৰক হিচাপে চিহ্নিত কৰিব পাৰি। এই নাট্য আন্দোলনক আগবঢ়াই লৈ অনা সাহিত্যিকসকলৰ ভিতৰত ইউজেন আয়নেস্কো, আৰ্থাৰ এডায়ভ, আৰৱাল, এডৱাৰ্ড এলবি, হেৰল্ড পিণ্টাৰ, গুণ্টাৰ গ্ৰাছ— এইসকলৰ নাম উল্লেখযোগ্য। এৱছাৰ্ড নাট্য আন্দোলনক বিশ্বযুৰি পৰিচয় প্ৰদান কৰাৰ ক্ষেত্ৰত মার্টিন এচলিন নামন সাহিত্যিক গৰাকীৰ বিশেষ ভূমিকা আছে। তেওঁ ৰচনা কৰা *The theatre of Absurd* (1960) নামৰ গ্ৰন্থখনৰ মাধ্যমেৰে এৱছাৰ্ড নাট্যধাৰাক স্বতন্ত্ৰ নাট্যধাৰা হিচাপে সকলোৱে গ্ৰহণ কৰিব পৰাকৈ প্ৰতিষ্ঠা কৰালে। তাৰ আগতে এৱছাৰ্ড শব্দৰ ব্যৱহাৰ আছিল যদিও নাটকসমূহ চিহ্নিত কৰি গভীৰভাৱে গঠনমূলক সমালোচনা কৰা হোৱা নাছিল। 'এৱছাৰ্ড' নাট্য ধাৰাৰ বিকাশৰ ক্ষেত্ৰত ফ্ৰেডৰিক নীৎসে, কীয়েৰ্কগার্ড আদি দার্শনিকৰ দৃষ্টিভংগীৰ লগতে দার্শনিক আলবেয়াৰ কেম্যু আৰু জা পল চার্ত্ৰেৰ অস্তিত্ববাদী দৰ্শনৰ প্ৰভাৱ আছিল অপৰিসীম।

বাদল সৰকাৰৰ *এৰং ইন্দ্রজিৎ* (১৯৬৩) নাটকৰ মাধ্যমেৰে ভাৰতীয় সাহিত্যলৈ এৰছার্ড নাট্য আন্দোলনৰ আগমন ঘটে আৰু তেওঁৰ দ্বাৰা ৰচনা কৰা *ত্রিংশ শতাব্দী, পাগলা ঘোড়া, বাঘ* আদি নাটকে ভাৰতবর্ষৰ অন্যান্য প্রান্তৰ সাহিত্যিকসকলক প্রভাৱিত কৰে। ফলস্বৰূপে প্রত্যক্ষ আৰু পৰোক্ষ দুই প্রকাৰৰ প্রভাৱ অসমীয়া সাহিত্যিকসকলৰ ওপৰত পৰিবলৈ ধৰে আৰু দুই এজন সাহিত্যিকে অসমীয়া ভাষাত এৰছার্ডধর্মী নাটক লিখিবলৈ লয়। অৰুণ শর্মাৰ *আহাৰ, শ্রীনিবাৰণ ভট্টাচার্য;* বসন্ত শইকীয়াৰ *মানুহ, অসুৰ;* ঘন হাজৰিকাৰ *এটা নির্জন দ্বীপত মৃত্যুৰ সৈতে এৰাতি* আদি নাটকৰ উপৰিও দুই-এজন নাট্যকাৰৰ দুই এটা চৰিত্রৰ মাজত এৰছার্ড নাটকৰ বৈশিষ্ট্য পৰিদৃশ্যমান হয়। উদাহৰণ স্বৰূপে লক্ষ্যধৰ চৌধুৰীৰ *যৱনিকাৰ আঁৰে আঁৰে* নাটকৰ মহিম চৰিত্রটিৰ কথা ক'ব পাৰি। ঠিক তেনেদৰে নৰেন পাটগিৰীৰ *ৰাগ বসুন্ধৰা* নাটৰ ৰাগৰ আচৰণত সামান্য এৰছার্ডটি লক্ষ্য কৰা যায়। উপৰোক্ত আটাইকেইখন নাটকৰ ভিতৰত অৰুণ শর্মাৰ *আহাৰ* নাটকে এৰছার্ডৰ বেছি ওচৰ চপা বুলি সমালোচকসকলে মত পোষণ কৰিছে।

"উদ্ভট নাটকত এটি নিটোল কাহিনী দেখিবলৈ পোৱা নাযায়। মানুহৰ মনোজগতখন বিক্ষিপ্ত। সেয়ে কেতিয়াও এটা সঠিক কাহিনীৰে তাক ব্যক্ত কৰিব নোৱাৰি। অসার্থক, অযৌক্তিক, সংগতিহীন আৰু আদর্শহীন জীৱনৰ এটি নগ্ন পৰিস্থিতি অংকন কৰাই তেওঁলোকৰ উদ্দেশ্য। অৰুণ শর্মাৰ *আহাৰ* নাটকখনতো আমি কোনো নিটোল কাহিনীৰ বিন্যাস দেখিবলৈ নাপাওঁ। তাৰ পৰিৱর্তে এটা মৃতদেহক কেন্দ্র কৰি চৰিত্রকেইটাৰ মানসিক স্থিতিৰ চিত্রণ হে দেখিবলৈ পাওঁ। তাৰ মাজে মাজে জীৱনৰ অসার্থকতা, সংগতিহীনতা, অযৌক্তিক আৰু আদর্শহীনতাৰ প্রতিচ্ছবিহে ফুটি উঠিছে।

উদ্ভট নাটকত নাট্যকাৰে বিশ্বাস কৰে, যিখন সমাজত, জগতত চৰিত্রসমূহ বাস কৰে সেইখনৰেই কোনো অর্থ নাই, সংগতি নাই, উদ্দেশ্য নাই। সেয়ে এই জীৱনৰ প্রকাশভংগীও সুগঠিত, সুশৃংখলিত নহয়। অর্থবান শব্দেৰে অর্থহীন জীৱনক বুজাব নোৱাৰি। আজিৰ প্রচলিত ভাষাৰে যন্ত্রণাজর্জৰ, শৃংখলাবিমুখ জীৱনক ব্যক্ত কৰা সম্ভৱ নহয়। *আহাৰ* নাটকখনতো সংলাপৰ ভাষাৰ ক্ষেত্রত একেই কথা প্রযোজ্য। আনহাতে উদ্ভট নাটক প্রায় কাব্যিক ব্যঞ্জনাৰে ৰসাত্মক। গোটেই নাটকখন যেন এটা কবিতা য'ত কোনো এটা বিশেষ পৰিস্থিতিৰ ৰসাত্মক চিত্র অথবা চিত্রাঙ্কন দেখা যায়। আহাৰ নাটকৰ পৰা উদাহৰণ হিচাপে আমি উল্লেখ কৰিব পাৰোঁ ঃ

নবীন ঃ মিঠা বমিৰ কথা শুনা নাই আমি। অম্ল, পিত্ত, খাৰ, ত্বক সকলো ৰস মিলি যিটো মিশ্রণ হয়, এমালশ্যন হয় তাৰ সোৱাদ মিঠা হ'ব নোৱাৰে...।

উদ্ভট নাটকত নীৰৱতাৰ ব্যৱহাৰো মন কৰিবলগীয়া। আহাৰ নাটকখনতো বহুসময়ত নীৰৱতাই বাংময় ৰূপ ধাৰণ কৰিছে। এই ধাৰাৰ নাটকত দর্শকৰ কাৰণে নাট্যকাৰৰ কোনো বক্তব্য নাই, তেওঁলোকৰ লগত সংযোগ স্থাপন হোৱাটোও বিচৰা নহয়, কেৱল বাস্তৱৰ আপাত দৃষ্টিত থাকি যোৱা ঘটনাৰাজিক চিত্রিতহে কৰা হয়। *আহাৰ* নাটকতো কোনো তাত্ত্বিক কথাৰ প্রকাশ কৰা হোৱা নাই বৰং প্রতিটো চৰিত্রৰ মনোজগত তথা নাৰীৰ বিভিন্ন সত্তাৰ অন্বেষণতে আৱদ্ধ হৈ আছে।"[৯] তাৰোপৰি অজিত মহন্তৰ *ঈশ্বৰৰ মৃত্যুত শোক সভা* নামৰ নাটকখনত অস্তিত্ববাদৰ

প্রভাৱ পৰিলক্ষিত হয়। টি.এচ.এলিয়টে *মার্ডাৰ ইন এ কেথেড্রেল* নাটকৰ জৰিয়তে প্রতিষ্ঠা কৰা কাব্য নাটৰ আৰ্হিৰে দুই-এখন অসমীয়া নাটক ৰচনা কৰা হৈছে, কিন্তু সংখ্যাত ই তেনেই তাকৰ। ৰফিকুল হোছেইনৰ *অর্জুনৰ প্রতি* আৰু নগেন শইকীয়াই আধুনিক মানুহৰ মন-মগজুক আলোড়িত কৰি ৰখা প্রেমৰ কাব্যিক প্রকাশেৰে ৰচনা কৰা *উষা-লগ্ন* নামৰ নাটকখনকো কাব্যিক নাটকৰ শাৰীত স্থান দিব পাৰি।

অনুবাদ আৰু অভিযোজনাৰ মাধ্যমেৰেও অসমীয়া নাটক সমৃদ্ধিশালী। স্বাধীনতাৰ পূর্বৱর্তী কালছোৱাৰ লগতে পৰৱর্তী কালছোৱাতো পাশ্চাত্যৰ বহু নাটক অসমীয়ালৈ অনূদিত হৈছে। এনে অনূদিত নাটকসমূহৰ মাধ্যমেৰে অসমীয়া দর্শক-পাঠকে বিশ্বৰ বিভিন্ন প্রান্তৰ বছা বছা নাটকৰ ভিন্ ভিন্ নাট্যশৈলী আৰু নাট্য উপস্থাপনৰ বিভিন্ন শৈলীৰ সৈতে পৰিচয় হোৱাৰ সুযোগ লাভ কৰিছিল। স্বাধীনতাৰ পৰৱর্তী কালত অসমীয়ালৈ অনূদিত হোৱা নাটকৰ এখন তালিকা তলত উল্লেখ কৰা হ'ল—

মূল নাট	অসমীয়ালৈ অনূদিত নাটকখনৰ নাম	অনুবাদকৰ নাম
The Warriors at Helgeland	ৰুনুমী	সুৰেশ গোস্বামী
Doll's House	পুতলা ঘৰ	পদ্ম বৰকটকী
The Wild Duck	বন হংসী	সত্যপ্রসাদ বৰুৱা
Ghost	ভূত	মহেন্দ্র বৰা
আমেৰিকান নাট্যকাৰ টেনেছি উইলিয়ামছৰ The Glass Managerie	পলাশৰ ৰং	ৰাম গোস্বামী
ৰুছ নাট্যকাৰ গ'গলৰ Government Inspector	চৰকাৰী ইন্সপেক্টৰ	সতীশ চন্দ্র ভট্টাচার্য
(গ্রীক নাট্যকাৰ ছফ'ক্লিছৰ) King Oedipus Tirannus	ৰজা ইডিপাছ	প্রফুল্ল দত্ত গোস্বামী
(গ্রীক নাট্যকাৰ ছফ'ক্লিছৰ) Antigone	এণ্টিগনি	প্রফুল্ল দত্ত গোস্বামী
ইটালীৰ নাট্যকাৰ লুইজি পি�ৰান্দেলোৰ Six Characters in Search of an Author	নাট্যকাৰ সন্ধানত	ডম্বৰু দাস আৰু তছদ্দুক ইউছুফ
ছেম্যুৱল বেকেটৰ Waiting for Godot	গ'ডোৰ অপেক্ষাত	শৈলেন ভৰালী
ইংৰাজ নাট্যকাৰ অস্কাৰ ওৱাইল্ডৰ The Importance of Being Earnest	বিভূতি	প্রফুল্ল বৰা
ৰুছ লেখক এণ্টন চেকভৰ The Cherry Orchard	চেৰী বাগিছা	কনক মহন্ত

ইয়াৰোপৰি পাশ্চাত্য সাহিত্যৰ বিভিন্ন গল্প, কবিতা, উপন্যাস, আত্মজীৱনী ইত্যাদিৰ আলম লৈ অসমীয়া নাট্যকাৰসকলে নাটক ৰচনা কৰিছে। উদাহৰণ স্বৰূপে মোঁপাছাৰ *নেকলেচ* গল্পৰ আধাৰত সত্যপ্রসাদ বৰুৱাই ৰচনা কৰা *দেৱাঃ ন জানন্তি*, হলেণ্ডৰ ইহুদী কিশোৰী *এনফ্রাংকৰ ডায়েৰিখনৰ* এটি সৰু অংশৰ প্রভাৱৰ দ্বাৰা পুষ্ট ৰফিকুল হোছেইনৰ নাটক *জলাশয়* আদিৰ নাম উল্লেখযোগ্য। সাম্প্রতিক সময়ত পাশ্চাত্য নাট্যকাৰ ফিলিপো মেৰিনোট আৰু কাৰেল কাপকাৰ নাট্যাদর্শক ভিত্তি কৰি দুই এজন নাট্যকাৰে অসমীয়া নাটক ৰচনাত প্রবৃত্ত হোৱা দেখা গৈছে। এওঁলোক দুজনক ভৱিষ্যতবাদী নাট্যকাৰ বুলি কোৱা হয়। এওঁলোকে বিশ্বাস কৰিছিল যে মানুহে সু-পৰিচালিত আৰু সু-নিয়ন্ত্রিত কর্মৰাজিৰে নিজৰ ভৱিষ্যত উজ্বল কৰিব পাৰে। এনে ধাৰণাৰে অসমীয়া নাটক ৰচনা কৰা নাট্যকাৰসকলৰ ভিতৰত অখিল চক্রৱর্তীৰ *পূজনীয় দেউতা,* ফণী তালুকদাৰৰ *জুয়ে পোৰা সোণ,* সর্বানন্দ পাঠকৰ *অগ্রগামী* নাটকৰ নাম উল্লেখ কৰিব পাৰি।

গতিকে এই আলোচনাৰ পৰা এইটো ক'ব পাৰি যে অসমীয়া নাটকক পাশ্চাত্যৰ বিভিন্ন নাট্যান্দোলনে প্রভাৱিত কৰিছে; বিশেষতঃ অসমীয়া নাট্যকাৰসকলক পাশ্চাত্যৰ নাট্যকাৰসকলৰ নাটক ৰচনাৰ বিভিন্ন আংগিক আৰু কলা-কৌশলে প্রভাৱান্বিত কৰিছিল। সমাজৰ বাস্তৱ দিশটো উপস্থাপন কৰিবলৈ অসমীয়া নাট্যকাৰসকলেও পাশ্চাত্যৰ নাট্যকাৰসকলক প্রত্যক্ষ নতুবা পৰোক্ষভাৱে অনুকৰণ কৰিব লৈছিল। ইয়াৰ পৰিণতিত কোনোজন নাট্যকাৰৰ কোনোখন নাটকতে কোনো এটা স্পষ্ট ৰীতি-নতুবা বাদৰ (Ism) প্রভাৱ সুস্পষ্ট নহৈ নতুন সংমিশ্রিত নাট্যৰীতিৰহে উদ্ভৱ হৈছিলগৈ। অতি সাম্প্রতিক সময়ত অসমীয়া নাট্যকাৰসকলে পাশ্চাত্য প্রভাৱৰ পৰা আতৰি আহি সম্পূর্ণ নিজস্ব শৈলীৰে নাটক পৰিৱেশন কৰিবলৈ লৈছে আৰু ইয়াৰ কাৰণে বাট পোনাই দিছে পূর্বৱর্তী নাট্যকাৰসকলে।



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বৰাজোত্তৰ কালত অসমীয়া নাটকৰ চিন্তা-ভাৱনা বিষয়ত প্রধানকৈ মহাত্মা গান্ধী, ফ্রয়েদ আৰু মার্ক্সৰ প্রভাৱ পৰিলক্ষিত হয়।
- স্বাধীনতাৰ পৰৱর্তী সময়ছোৱাত নাট্যকাৰসকলৰ দৃষ্টি সামাজিক, ৰাজনৈতিক, মনস্তাত্ত্বিক আদি সকলো দিশলৈ প্রসাৰিত হৈছিল। এই ক্ষেত্রত পৰিৱর্তিত সামাজিক পৰিৱেশে সহায় কৰিছিল।
- নাট্য সাহিত্যৰ মাধ্যমেৰে অসমীয়া সাহিত্যলৈ ফ্রয়েদীয় মনস্তত্ত্বৰ অধ্যয়ন, মার্ক্সবাদ, ব্রেখ্টৰ এপিক থিয়েটাৰ আদি ধাৰণাৰ আমদানি ঘটিল।

- জোতিপ্রসাদ আগৱৱালাৱ *কাৱেঙৰ লিগিৰী* নাটকখনেই অসমীয়া সাহিত্যত প্রথম চিন্তামূলক আলোচনাত্মক নাটক। তেওঁৰ নাটক *লতিভাত* বার্ণার্ডে শ্বৰ নাটক *চেইণ্ট জোৱানৰ* প্রভাৱ পৰিছে।
- অভিব্যক্তিবাদী নাট্যকর্মত ব্যক্তিসমষ্টিৰ মনোজগত আৰু অৱচেনাত লুকাই থকা আবেগ, উৎকণ্ঠা, বিষাদ আদিৰ সহজ প্রকাশ ঘটে। কল্পনাৰে সমৃদ্ধ হৈ সামাজিক দায়বদ্ধতা প্রকাশ কৰিবৰ কাৱণে এই ধাৱণাৱ নাট্যকাৱসকলে ব্যঙ্গ, শ্লেষ আদিৰ মাজে�ৰেও সত্যক দাঙি ধৰিবলৈ যত্ন কৰে।
- সামাজিক চেতনা, যুক্তিবাদ আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গী মার্ক্সবাদী সাহিত্যৰ প্রধান বিশেষত্ব। মার্ক্সবাদী নাট্যকাৱসকলে শ্রমজীৱী জনতাৱ প্রতিবাদ আৰু দৃষ্টিভঙ্গীক প্রতিষ্ঠা কৰি ঐতিহাসিক বিশ্লেষণৰ জৰিয়তে সমাজবাদী আদর্শৰ আশাবাদী চেতনা জাগ্রত কৰিব বিচাৰে।



৭.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) দাস, অমল চন্দ্র (সম্পা.); (২০১৮); *অসমীয়া নাট্য পৰিক্রমা;* গুৱাহাটী ঃ বনলতা।

২) দেৱী, ইন্দু প্রভা; দেৱী, অনুৱাণী (সম্পা.) (২০১৫); *আধুনিক অসমীয়া নাটক বিচাৰ বিশ্লেষণ,* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ ।

৩) ভৱালী, শৈলেন (২০১৩); *অসমীয়া নাটত ঃ স্বৱাজোত্তৰ কাল;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) মহন্ত, পোনা (২০০৪); *নাটকৰ কথা;* গুৱাহাটী ঃ বনলতা।

৫) শইকীয়া, অজিৎ (২০০৮); *ছশ বছৰৰ অসমীয়া নাটক পৰম্পৰা আৰু পৰিবর্তন;* দুলীয়াজান ঃ পথাৰ প্রকাশন।

৬) শর্মা, অৰুণ (২০১২); *নাট্য প্রসঙ্গ আৰু অন্যান্য ৰচনা;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।



৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ নৰ্ৱেজিয়াম নাট্যকাৰ হেন্ৰিক ইব্চেনৰ নাটকৰ দ্বাৰা প্রভাৱিত অসমীয়া নাট্যকাৰসকলৰ কথা ক'বলৈ গ'লে পোনতে আমি জ্যোতিপ্রসাদ আগৰৱালাৰ নাম ল'ব লাগিব.....সত্যপ্রসাদ বৰুৱা.....অন্যান্য নাট্যকাৰৰ কথা উল্লেখ যাৰ নাটকত ইব্চেনৰ প্রভাৱ বিদ্যমান।

২নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তি জীৱনৰ অন্তর্দ্বন্দ্বৰ চিত্রণ.....সমাজ আৰু ব্যক্তিৰ মাজৰ আদর্শজনিত সংঘাতৰ পৰিণতিত ব্যক্তিয়ে ভোগা দুর্ভোগ.....।

৩নং প্রশ্নৰ উত্তৰ ঃ অভিব্যক্তিবাদৰ সূত্রটো লিখি তাৰ উদ্দেশ্যসমূহ উল্লেখ কৰিব লাগিব।



৭.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ স্বাধীনতাৰ পৰৱর্তী কালত ৰচিত ভাৰতীয় নাটকৰ বিষয়বস্তু সম্পর্কে এটা টোকা প্রস্তুত কৰক।

প্রশ্ন ২ ঃ ভাৰতবর্ষৰ স্বাধীনতাৰ পৰৱর্তী কালছোৱাত প্রকাশিত নাটকত শ্বেইক্সপীয়েৰৰ প্রভাৱ সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ৩ ঃ প্রসন্নলাল চৌধুৰীৰ *নীলাম্বৰ* আৰু আনন্দ চন্দ্র বৰুৱাৰ *কমতা কুঁৱৰী* নাটকৰ এটি তুলনামূলক টোকা প্রস্তুত কৰক।

প্রশ্ন ৪ ঃ অসমীয়া নাটকত ইবচেনৰ প্রভাৱ শীর্ষক এটি আলোচনা কৰক।

প্রশ্ন ৫ ঃ অসমীয়া নাটকত ফ্রয়েদৰ মনস্তত্ত্বৰ প্রভাৱৰ বিষয়ে লিখক।

প্রশ্ন ৬ ঃ অসমীয়া নাটকত সংস্মৰণ বা ফ্লেছবেক পদ্ধতিৰ প্রয়োগ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৭ ঃ পাশ্চাত্যৰ অভিব্যক্তিবাদী নাট্যধাৰাই অসমীয়া সাহিত্যক কেনেদৰে প্রভাৱিত কৰিছে লিখক।

প্রশ্ন ৮ ঃ শংকৰদেৱৰ অংকীয়া নাটকৰ সৈতে ব্রেখটৰ এপিক নাটকৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ আলোচনা কৰক।

প্রশ্ন ৯ ঃ অসমীয়া নাটকত ব্রেখটৰ এপিক নাটকৰ প্রভাৱ শীর্ষক আলোচনা প্রস্তুত কৰক।

প্রশ্ন ১০ ঃ আধুনিক অসমীয়া নাটকত এবছার্ড নাটকৰ প্রভাৱৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ১১ ঃ অসমীয়ালৈ অনুদিত নাটক আৰু পাশ্চত্য প্রভাৱ বিষয়ক আলোচনা কৰক।

প্রশ্ন ১২ ঃ ১৯৪০-২০০০ চনৰ ভিতৰত প্রকাশিত নাটকত পাশ্চত্য নাটক প্রভাৱ বিষয়ক আলোচনা কৰক।

প্রশ্ন ১৩ ঃ চমুটোকা লিখা ঃ

(ক) ইবচেন (খ) ব্রেখটৰ এপিক নাটক (গ) পত্র-নাটক

(ঘ) এবছার্ড নাটক (ঙ) অসমীয়া নাটকত মার্ক্সীয় তত্ত্ব।

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) আহমেদ, এম. কামালুদ্দিন (২০১৫); *ৰমন্যাসবাদ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা,* গুৱাহাটী ঃ বনলতা।

২) আহমেদ, এম কামালুদ্দিন, (২০১৫) ঃ *আধুনিক অসমীয়া কবিতা,* গুৱাহাটী ঃ বনলতা।

৩) আহমেদ, এম কামালুদ্দিন, (২০১৪) ঃ *সাহিত্যৰ অভিব্যক্তি,* গুৱাহাটী ঃ বান্ধৱ।

৪) আহমেদ, কুতুবুদ্দিন (১৯৯২); *ইংৰাজী সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৫) কটকী, চন্দ্র, (১৯৮৯) ঃ *আধুনিক অসমীয়া কবিতা,* যোৰহাট ঃ অসম সাহিত্য সভা।

৬) কটকী, প্রফুল্ল (১৯৭৯); *স্বৰাজোত্তৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৭) কলিতা, অমৰেন্দ্র (২০০৬); *পাশ্চাত্য সাহিত্য;* নলবাৰী কিতাপ ঘৰ।

৮) গগৈ, হৃদয়ানন্দ (সম্পা) (১৯৯৯) ঃ *উত্তৰ ৰামধেনু যুগৰ নির্বাচিত গল্প,* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৯) গগৈ, মৃণাল কুমাৰ (সম্পাঃ) (২০০০); *নাটক;* ডিগবৈ ঃ গৰীয়সী সংঘ।

১০) গোস্বামী, ত্রৈলোক্য নাথ (২০০৯); *আধুনিক গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১১) চেতিয়া, যোগেন (১৯৯৩); *আধুনিক নাট্যকলা;* যোৰহাট।

১২) ঠাকু�ৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১৩) ডেকা, পবিত্র (২০০৬); *নাট্য সাহিত্যত এভুমুকি;* নলবাৰী ঃ অসম নাট্য সন্মিলন।

১৪) দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ (২০১৫); *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* পঞ্চম খণ্ড উত্তৰ গুৱাহাটী ঃ আবিলেক।

১৫) দাস, নাৰায়ণ আৰু পৰমানন্দ ৰাজবংশী (সম্পা.) (২০১৪); *অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৬) দত্ত, উদয় (১৯৯৫); *চুটিগল্প;* ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ, গুৱাহাটী।

১৭) দাস, অমল চন্দ্র (সম্পা.); (২০১৮); *অসমীয়া নাট্য পৰিক্রমা;* গুৱাহাটী ঃ বনলতা।

১৮) দেবী, ইন্দু প্রভা; দেৱী, অনুৰাণী (সম্পা.) (২০১৫); *আধুনিক অসমীয়া নাটক বিচাৰ বিশ্লেষণ,* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ ।

১৯) নাথ, ধ্রুৱজ্যোতি (সম্পা.) (২০০০); *চন্দ্রকুমাৰ কবিতাৰ বিচাৰ-বিশ্লেষণ,* ডিব্রুগড় ঃ বনলতা।

২০) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২১) ফুকন, কবীন (২০০৩); *চন্দ্রকুমাৰ আগৰৱালা,* নতুন দিল্লী ঃ সাহিত্য অকাডেমি।

২২) বৰুৱা, দিলীপ (২০০৪); *যোৱা শতিকাৰ কবিতা অসমীয়া নৱন্যাসী সাহিত্যৰ পৰম্পৰা,* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২৩) বৰগোহাঞি, হোমেন, (২০১২) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* ষষ্ঠ খণ্ড আবিলেক।

২৪) বৰা, দেৱভূষণ, (২০১৭) ঃ *নির্বচন,* গুৱাহাটী ঃ বান্ধৱ।

২৫) বৰগোহাঞি, হোমেন (২০০৫); *অস্তৰাগ;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

২৬) বৰা ফুকন, ৰুণমণি (২০১৭); হোমেন বৰগোহাঞিৰ চুটিগল্প; গুৱাহাটী ঃ জাগৰণ সাহিত্য প্রকাশন।

২৭) বৰুৱা, সত্যপ্রসাদ (১৯৮৭); *আধুনিক নাট্যচিন্তা;* গুৱাহাটী ঃ পদ্মপ্রকাশ।

২৮) ভট্টাচার্য, পৰাগ কুমাৰ (২০১২); *পাশ্চাত্য সাহিত্যৰ অধ্যয়ন আৰু অনুবাদ;* গুৱাহাটী ঃ বনলতা।

২৯) ভৰালী, শৈলেন (১৯৯৩); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩০) ভট্টাচার্য, পৰাগ কুমাৰ (১৯৯৩); *গল্পৰ প্রসংগ আৰু অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩১) ভৰালী, শৈলেন (১৯৯০); *নাটক আৰু অসমীয়া নাটক;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩২) ভৰালী, শৈলেন (১৯৯৪); *নাট্যকলা ঃ দেশী আৰু বিদেশী;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩৩) ভৰালী, শৈলেন (২০০৮); *অসমীয়া নাটক ঃ স্বৰাজোত্তৰ কাল;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩৪) মহন্ত, পোনা (২০০৪); *নাটকৰ কথা;* গুৱাহাটী ঃ বনলতা।

৩৫) শর্মা, সত্যেন্দ্রনাথ (২০০১); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটী ঃ প্রতিমা দেৱী।

৩৬) শর্মা, গোবিন্দ প্রসাদ (২০১২); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

৩৭) শর্মা, সত্যেন্দ্রনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৩৮) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যৰ দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৩৯) শইকীয়া বৰা লীলাৱতী (সম্পা.) (১৯৯৯); *প্রবন্ধাৱলী যমুনা শর্মা চৌধুৰীৰ প্রবন্ধ 'অসমীয়া চুটি গল্পত পাশ্চাত্য প্রভাব', অসমীয়া সাহিত্য চ'ৰা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪০) শর্মা উপেন্দ্র নাথ (২০০৫); *কবিতাৰ ভাষা আৰু অন্যান্য প্রৱন্ধ;* গুৱাহাটী ঃ জয়দেৱ শর্মা-ভৱানী দেবী প্রকাশন।

৪১) শর্মা, সত্যেন্দ্রনাথ (১৯৯৩); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী।

৪২) শইকীয়া, অজিৎ (২০০৮); *ছশ বছৰৰ অসমীয়া নাটক পৰম্পৰা আৰু পৰিবর্তন;* দুলীয়াজান ঃ পথাৰ প্রকাশন।

৪৩) শর্মা, অৰুণ (২০১২); *নাট্য প্রসঙ্গ আৰু অন্যান্য ৰচনা;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

ইংৰাজী গ্রন্থ ঃ

1. Baruah, Birinchi Kumar (1978); *History of Assamese Literature;* New Delhi, Sahitya Akademi.
2. Bhuyan, Surya Kumar (1956); *Studies in the Literature of Assam*, Guwahati, Lawyers Books Stall.